# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ Hemonto kumar Sarmah | |
| Title: অসম- সাহিত্য সভা- পত্ৰিকা- | |
| Transliterated Title: Asama Saahityaa Sabhaa Patrikaa | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat- | Publisher: Asam Sahitya Sabha- Jorhat- |
| Year: 1973 | Edition: |
| Size: 23 1/2 cms. 4+96+3+95+3+94+3+96+87+104 +2+79+3+47+2+64 | Genre: Magazine |
| Volumes: 30- 9issues | Condition of the original: Not good |
| Remarks: 30 vols: 1st volume published in 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ
১৮৯৫ শক

দ্বিতীয় সংখ্যা
জেঠ

## হৰিপ্ৰসাদ নেওগ সোঁৱৰণী সংখ্যা

অসম সাহিত্য সভা

ইং ১৯৭৩

॥ সম্পাদক ॥

হেমন্তকুমাৰ শৰ্মা

অসম সাহিত্য সভা পত্ৰিকা

ত্ৰিংশ বছৰ, ২য় সংখ্যা

# হৰিপ্ৰসাদ নেওগ সোঁৱৰণী সংখ্যা

প্ৰকাশক :
শ্ৰীনগেন শইকীয়া
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় :
চন্দ্ৰকান্ত সন্দিকৈ ভৱন,
যোৰহাট-১

গুৱাহাটী কাৰ্যালয় :
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন,
গুৱাহাটী-১

বেট্-পাতৰ শিল্পী :
শ্ৰীভৱানীপ্ৰসাদ অধিকাৰী,

ছপাশাল :
পূৰ্বদেশ মুদ্ৰণ
বিহাবাৰী,
গুৱাহাটী-৮

বেচ—২·০০ টকা



৺হৰিপ্ৰসাদ নেওগ

জন্ম—১৯২৯ মৃত্যু—১৯৭৩

# সূচীপত্ৰ


| বিষয় | পৃষ্ঠা নং | লেখকৰ নাম |
|---|---|---|
| ১। নেওগৰ বিয়োগ-সোঁৱৰণ .... ... | ॥ ১ ॥ | শ্ৰীমতী নলিনীবালা দেৱী |
| ২। হৰিৰ প্ৰসাদ ... ... | ॥ ২ ॥ | শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা |
| ৩। এটুপি চকুলো .... .... | ॥ ৩ ॥ | শ্ৰীলক্ষীচন্দ্ৰ গোস্বামী |
| ৪। মোৰ চকুত হৰিপ্ৰসাদ নেওগ .. ... | ॥ ৪ ॥ | বাগীবৰ শ্ৰীনীলমণি ফুকন |
| ৫। অসম সাহিত্য সভা আৰু হৰিপ্ৰসাদ নেওগ ... | ॥ ৭ ॥ | শ্ৰীযতীন্দ্ৰনাথ গোস্বামী |
| ৬। বেজবৰুৱা শতবাৰ্ষিকী আৰু হৰিপ্ৰসাদ নেওগ ... | ॥ ১১ ॥ | শ্ৰীযোগেশ দাস |
| ৭। হৰিপ্ৰসাদ নেওগ মানুহজন ... ... | ॥ ১৫ ॥ | শ্ৰীবিষ্ণুকিঙ্কৰ কলিতা |
| ৮। হৰিপ্ৰসাদ নেওগ : ব্যক্তিত্ব আৰু প্ৰতিভা ... | ॥ ১৮ ॥ | শ্ৰীনন্দ তালুকদাৰ |
| ৯। হৰিপ্ৰসাদ নেওগৰ সোঁৱৰণত .... ... | ॥ ২২ ॥ | শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা |
| ১০। চন্দ্ৰকুমাৰৰ কবি-মানস ... ... | ॥ ২৫ ॥ | হৰিপ্ৰসাদ নেওগ |
| ১১। বিশ্বসংহতিত আৰবী ভাষা ... ... | ॥ ২৭ ॥ | চৈয়দ মফিবৰ ৰহমান |
| ১২। শঙ্কৰদেৱৰ ঈশ্বৰ-তত্বত অদ্বৈতবাদ .... .... | ॥ ৩১ ॥ | ডক্টৰ বিপিন চেতীয়া |
| ১৩। কালিদাস, ভৱভূতি আৰু শূদ্ৰকৰ নাট্য সাহিত্যত প্ৰেমৰ স্বৰূপ | ॥ ৩৫ ॥ | শ্ৰীঅপূৰ্বচন্দ্ৰ বৰঠাকুৰীয়া |
| ১৪। 'বিজয়া' নাটৰ বিজয়া চৰিত্ৰ .... .... | ॥ ৪১ ॥ | শ্ৰীনবীনচন্দ্ৰ শৰ্মা |
| ১৫। লিয়োংকা ( গল্প ) .... ... | ॥ ৪৭ ॥ | কনষ্টাণ্টিন পাউষ্টোভস্কি অনুবাদ—শ্ৰীযতীন গোস্বামী |
| ১৬। ডিমাছাসকলৰ গীত-মাত ... .... | ॥ ৫৩ ॥ | শ্ৰীমতী নিৰুপমা হাগজেৰ |
| ১৭। অসমীয়া ভাষা-সাহিত্যৰ অক্লান্ত পূজাৰী হৰিপ্ৰসাদ নেওগ | ॥ ৫৭ ॥ | শ্ৰীডিম্বেশ্বৰ শৰ্মা |
| ১৮। শ্ৰদ্ধাঞ্জলিৰ চানেকি ( সংগ্ৰহ ) .... .... | ॥ ৬১ ॥ | শ্ৰীকৰবী হাজৰিকা |
| ১৯। সাহিত্য-সংবাদ : আলেকজেণ্ডাৰ চ'ল্ঝেনিৎচিন্ | ॥ ৬৬ ॥ | শ্ৰীগোবিন্দ প্ৰসাদ শৰ্মা |
| কুমাৰণ আচান .... | ॥ ৬৯ ॥ | শ্ৰীকমলেশ্বৰ শৰ্মা |
| ২০। অসমীয়া গ্ৰন্থ-পঞ্জী (সংগ্ৰহ) .... .... | ॥ ৭২ ॥ | শ্ৰীভগবান মৰল |
| ২১। কাব্য-চিন্তা .... .... .... | ॥ ৭৯ ॥ | শ্ৰীমেঘৰাম পাঠক |
| ২২। ভৱভূতিৰ উত্তৰ ৰামচৰিতত নাৰী-চৰিত্ৰসমূহৰ ভূমিকা | ॥ ৮১ ॥ | শ্ৰীকেশদা মহন্ত |
| ২৩। মুদ্ৰাত অসমীয়া ভাষা .... .... | ॥ ৮৫ ॥ | শ্ৰীসুৰেন্দ্ৰ প্ৰসাদ বৰদলৈ |
| ২৪। পোৱা পুথিৰ চিনাকি .... .... | ॥ ৯০ ॥ | শ্ৰীচন্দ্ৰপ্ৰসাদ শইকীয়া |
| ২৫। সম্পাদকৰ চ'ৰা .... .... | ॥ ৯৩ ॥ | |

# Statement about ownership and other Particulars about news Paper

**"ASAM SAHITYA SABHA PATRIKA"**

**FORM IV**

(*See* Rule 8)

| | |
|---|---|
| 1. Place of Publication | Gauhati |
| 2. Periodity of its publication | Monthly |
| 3. Printer's name | Sri Nagen Saikia |
| Whether citizen of India | Indian |
| If foreigner, state the country of origin | Does not arise. |
| Address | Gauhati-1 |
| 4. Publisher's Name | Sri Nagen Saikia<br>Assam Sahitya Sabha |
| Whether citizen of India | Indian |
| If foreigner, state the origin | Does not arise |
| Address | Gauhati-1 |
| 5. Editor's Name | Sri Hemanta Kumar Sarma |
| Whether citizen of India | Indian |
| If foreigner, state the Country of origin | Does not arise. |
| Address | Gauhati-1 |
| 6. Name and address of individuals who own the newspaper and partners or shareholders holding more than one parcent of the total capital. | Assam Sahitya Sabha<br>Gauhati-1 |

I, Sri Nagen Saikia, herey declare that the particulars given above are true to the best of my knowledge and belief.


**Sd/- Nagen Saikia.**
*For* Assam Sahitya Sabha.

Dated 8th May, 1973

*Signature of Publisher*



অন্তিম শয্যাত হৰিপ্ৰসাদ নেওগ



নেওগৰ শৱযাত্ৰাৰ একাংশ

# অশ্রু-অঞ্জলি

( পত্রিকাত কবিতা প্রকাশৰ ব্যৱস্থা ৰখা হোৱা নাই যদিও ব্যতিক্ৰম হিচাপে এই 'নেওগ সোঁৱৰণী সংখ্যা'ত ৺হৰিপ্ৰসাদ নেওগদেৱৰ স্মৃতি-তৰ্পণ স্বৰূপে তলৰ কবিতা কেইটিৰে অশ্ৰু-অঞ্জলি আগ বঢ়োৱা হ'ল।—সম্পাদক )

## নেওগৰ বিয়োগ-সোঁৱৰণ

শ্ৰীমতী নলিনীবালা দেৱী

হাহোঁ হাহোঁ কৰি থকা
এখনি কোমল মুখ
সুন্দৰ জীৱন-ব্ৰতী সুকোমল প্ৰাণ,
যদিও চুদিন মাথোঁ
সেৱাৰে শুৱনি কৰি
থৈ গলা জীৱনৰ যুগমীয়া দান।

জীৱনৰ ফুলপাহে
মাথোঁ পাহি মেলিছিল
মনে পতা বহু আশা সোণ-সপোনৰ,
কাল পছোৱাৰ বা-ত
সৰি গ'ল ফুলপাহি
নহ'ল সময় হায় সুৰভি দানৰ।

সেই দিনা সোমাৰৰ
সাহিত্য সভাৰ ৰভাতলি
দুইত পাৰত জলিছিল হেজাৰ দীপালী।
সভাৰ পাচনি হৈ তুমি আহিছিলা—
অভিকে আপোন হৈ
মৰমী মাতেৰে আহি
'আইতা আইতা' বুলি কাষ চাপিছিলা।
সুন্দৰ পবিত্ৰ কান্তি সৰল দৃষ্টিয়ে
নোকোৱা কথাৰে যেন বহু কথা কলে,
কল্পনাৰে মনোহৰ সঙ্কল্পিত জীৱনৰ
দেশ-প্ৰীতিৰূপ ছবি আঁকি দেখুৱালে।

হেজাৰ সপোন ভৰা সোণৰ সংসাৰ
পাহৰি সামৰিছিলা;
মাতৃৰ কল্যাণ হ'কে
পাতিলা শৰাইখনি,
সজাবলৈ সময় নহ'ল
মহাকালে ৰিভিয়ালে
প্ৰাণ-পখী উৰি গুচি গ'ল।
স্বপ্নতো নাছিলো ভৰা
অকালতে তুমি যাবা বুলি,
কিন্তু চুৰ্ভাগ্যত সেয়ে হ'ল।
স্বৰ্গগামী হ'ল—দেৱদূত—, মাতৃভূমি এৰি।
দেশে কান্দিছে আজি তোমাক সুঁৱৰি।

মৃত্যু নাই শুভ সঙ্কল্পৰ—
মৃত্যু নাই সত্য-সাধকৰ—
গুজিব লাগিব ধাৰ এই পৃথিবীৰ
জনমে জনমে আহি নব জন্ম ধৰি।
সকৰুণ বিদায় ক্ষণত—
অতীত সোঁৱৰণি সুঁৱৰি মনত
দুটুপি চকুলো থলোঁ স্মৃতিত তোমাৰ।

# হৰিৰ প্ৰসাদ

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা

( ১ )

আহিছিল নামি হৰিৰ প্ৰসাদ
সাহিত্য প্ৰসাদ হৈ
অলপ পোহৰ অলপ আন্ধাৰ
সমল লগত লৈ।

( ২ )

ভাষা জননীৰ পূজাৰ বেদীত
ভক্তিৰে দোৱালে মাথ,
সজালে পৰালে 'আপোনাৰ দেশ'
পূজিলে 'লখিমী নাথ'।

( ৩ )

এটি দুটি কৰি সাহিত্য-পূজাৰী
যিসব আগতে গ'ল,
দিছিল সজাই মাননি-শৰাই
একোপাহ শতদল।

( ৪ )

অশৰীৰী বেশে আহি ৰসৰাজে
আশিস্ নিৰ্মালি দিলে,
হৰিৰ প্ৰসাদে বাণীৰো প্ৰসাদ
ডিবুকত পিতাপি ললে।

( ৫ )

বিষ্ঠাভৰনতো লগালে এখন
ভমকা ফুলীয়া তাঁত,
ইহিলে নিয়তি হানিলে ভ্ৰূকুটি
সংক্ষিপ্ত জীৱন নাট।

( ৬ )

দুদিনীয়া দেহা দুদিনীয়া বেহা
মায়াৰ পুতলী জীৱ,
ভৱ দুপৰতে বেলি মাৰ গ'ল
ওকক দিলেহি পিয়।

( ৭ )

মনুষ্য জীৱন কচুপাতৰ পানী
বতাহত টলবল,
অসমাপ্ত খেল, আধা বেহী তেল
শলিতা নজ্বলা হ'ল।

( ৮ )

দুদিনলে' আহি দুদিনলে' হাঁ
আচম্বিতে গ'ল গুচি,
সাহিত্য-বনত ৰ'ল এটি গো
নোৱাৰো পেলাব মচি।

( ৯ )

যোৱা জন আৰু ঘূৰি নাহে বুলি
যদিও সবেও জানে,
প্ৰিয়-বিৰহত তথাপি এবেলি
নেকান্দি পাৰিব কোনে ?

( ১০ )

সহস্ৰজনৰ চকুপানীৰে
পূত গঙ্গাজল হ'ক,
চেনেহী জননী আৰু এটি
বুকুত সাৱটি ল'ক।

# এটুপি চকুলো

শ্ৰীলক্ষ্মীচন্দ্ৰ গোস্বামী

এটি মধুৰ লগ্নত এক সুদীৰ্ঘ আৰু মহান ভৱিষ্যতৰ
প্ৰতিশ্ৰুতিৰে এটা উজ্জ্বল নক্ষত্ৰৰ উদয় হৈছিল এখন
আকাশত আৰু আশাপ্ৰদ এই নক্ষত্ৰটি খহি পৰিল—
অকালতে, জীৱনৰ ভৰদুপৰত, নিষ্ঠুৰ এক অবোধ্যক্ষণত।

টুটিল দেহৰ কান্তি, আশাৰ জ্যোতি, সঞ্চিত প্ৰতিভা।
সৰস, নিটোল, শোভিত এপাহি পদুম ছিগি মৰহিল,
লগতে হেৰাল ভাষাৰ শলিতা জ্বলোৱা, সাহিত্যৰ ফুলনি সজোৱা,
ত্যাগ, প্ৰেম আৰু হৃদয়ৰে, জননীৰ জন্ম-মৃত্যুৰ অন্য লগনত
সংগ্ৰামেৰে, বাস্তৱেৰে মুখা-মুখি হোৱাৰ বাসনা।

চমকিল লুইত। গতিত পৰিল যতি। সুৰত সংঘাত;
ধমনিৰ অস্থিৰ কঁপনিত আশাবাদী কণ্ঠ নিৰোধ হ'ল।
অসহায়, প্ৰতাড়িত অলেখ আত্মাই মহা দিগন্তৰ
অনিশ্চিত, ভয়াবহ স্খলন সুঁৱৰি অবিৰাম উচুপি থাকিল।

লোকান্তৰৰ মৰ্মভেদী বিষম বাৰ্তাত আমি বিষ-জৰ্জৰ,
তোমাক ভাবিলোঁ, অসমাপ্ত প্ৰতিভাক স্মৰিলোঁ, বহু সুঁৱৰিলো
আসমুদ্ৰ প্ৰশ্ন লৈ আকাশলৈ চালোঁ,—শূন্যত উটিলোঁ, ভাহিলোঁ।
আৰু শ্ৰদ্ধোঁতা-পালোঁ তাজনক অবিৰাম কথাকে সুধিলোঁ;
অৱশেষত অসহায় আমি, বেদনাত ধাৰাসাৰে চকুলো টুকিলোঁ।

# মোৰ চকুত হৰিপ্ৰসাদ নেওগ

বাগ্মীবৰ শ্ৰীনীলমণি ফুকন

স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ ছাত্ৰাৱস্থাতেই আদৰ্শবাদী আছিল। সেই আদৰ্শবাদিতাই হৰিপ্ৰসাদ নেওগক চফল ডেকা বয়সতে হৃদয়হীন মৃত্যুৱে থাপতে নিলে যদিও তেওঁৰ অমৰত্বত হাত দিব নোৱাৰিলে। আমি যেতিয়া ১৯২৬ কি '২৭ চনত যোৰহাটলৈ আহোঁ তেতিয়া হৰিপ্ৰসাদ নেওগ স্কুলীয়া ছাত্ৰ। আমি তেতিয়া কেলেই আজি তিৰাম্নবৈ বছৰ পৰ্যন্ত আদৰ্শবাদী হলেও অসমৰ চাৰিওফালৰ পৰা জাউৰি দি ধৰা সমস্যা-বিলাকলৈ চাই অনুভৱ কৰিছিলোঁ যে অসম দেশখন এক ৰকম ভাৰতৰ সকলো প্ৰদেশৰ পৰা অহা লোকৰ বিশেষকৈ অৰ্থনীতিৰ ক্ষেত্ৰত এখন শোষণকাৰী উপ-নিবেশ হৈ পৰিছিল। আনহাতে দেশখন ইংৰাজৰ হাতলৈ অহাৰ আনটো বিষময় ফল সুৰমা উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকা সাঙুৰি এক ৰকম সতিনীখটা এই দুই উপত্যকা একেলগ কৰা। তাৰ বিষময় ফল আজি পৰ্যন্ত অসমীয়া জাতিয়ে ভোগ কৰিব লগা হৈছে। সেই কাৰণে সেই সময়ত আমি নিজে স্বৰ্গীয় অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ লগত "সংৰক্ষিণী নীতি"ত দেশ-সেৱা কৰাটো অপৰিহাৰ্য কৰ্তব্য বুলি ভাবিছিলো।

৺নেওগক আমি এই ছাত্ৰাৱস্থাতেই "সংৰক্ষিণী নীতিত" আকৃষ্ট হোৱা দেখা পাওঁ। তেওঁ এই কাৰণে স্কুললৈ অহা যোৱা কৰোঁতে মাহেকে-পৰেকে প্ৰায়েই আমাক দেখা কৰে আৰু আমাৰ মুখত দেশ-সেৱাৰ নানা কথা শুনিবলৈ সদায় আগ্ৰহ দেখুৱাইছিল। সেইদিন ধৰি নেওগে মৃত্যুৰ সময়লৈকে আমাক অতি শ্ৰদ্ধা কৰিছিল আৰু সকলো কথাতে আমাৰ পৰামৰ্শ লৈছিল আৰু সেইমতে অতি উৎসাহেৰে কৰ্মক্ষেত্ৰত আগ বাঢ়িবলৈ আত্মবিশ্বাস লাভ কৰিছিল। আমি এইজন ডেকাৰ জীৱনত এই কেইটা কথা ঘাইকৈ দেখিবলৈ পাওঁ। "বিদ্যা দদাতি বিনয়ম্" এই কথা ছাত্ৰ নেওগত দেখিবলৈ পাইছিলো। তেওঁৰ সাজ-পাৰ, চলন-ফিৰণ, কথা-বতৰা, আচাৰ-ব্যৱহাৰ অতি সৰল ভাৱাপন্ন আছিল। পঢ়াশুনা যিদৰে তেওঁ মনোযোগ দি কৰিছিল, তাৰ লগে লগে দেশ-সেৱাৰ কামো যে শিক্ষণীয় বিষয় তাকো তেওঁ সাৰোগত কৰি লৈছিল। সেই কাৰণে ছাত্ৰাৱস্থাতেই দেশ সেৱাৰ কাম নেতৃস্থানীয় দহজনৰ পৰা আলেঙে আলেঙে নিজে মনে মনে আয়ত্ত কৰিব পৰাকৈ শিকিছিল আৰু তাৰ অভ্যাস কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছিল; ছাত্ৰাৱস্থাতেই বুজিছিল সকলো কথা আগধৰি নিজে শিকি বুজি নললে আনক শিকাবলৈ যোৱাটো উচিত নহয়; আৰু সেইদৰে কৰিবলৈ গলে নিজে যি কণ শিক্ষা পায়, সি সময় দস্তুত পৰিণত হৈ নিজৰ আৰু লোকৰো অপকাৰহে কৰি পাৰে। দ্বিতীয়তে, উন্নতি বোলা বস্তুটো তেওঁৰ পক্ষে কাম্য আছিল যদিও অতি লোভনীয় নাছিল। আমি দেখাত ডেকা কালৰ যিটো দোষ অতি আশাবাদী হোৱা সেইটো তেওঁৰ নাছিল। সময়ত একো একো বিষয়ে তেওঁক যিদৰে আকৰ্ষণ কৰিছিল, আকৰ্ষিত হৈ সামান্য হলেও কামত ৰাপ বহুৱাই শৃঙ্খলা লগাই সুচাৰুৰূপে কৰিব পাৰিলেই তেওঁ আনন্দিত হৈছিল। তেওঁৰ মুখত সদায় বিয়পি থকা হাঁহিটোৰ উৎফুল্লতা তেওঁ যিহতেই হাত দিছিল, সেই কামতে প্ৰকাশ আগ বঢ়াই নিছিল। তেওঁৰ দেশসেৱা ঘাইকৈ শিক্ষাৰ মাধ্যমেৰে সাংস্কৃতিক জীৱন গঢ়ি তোলা কামত ওতঃ প্ৰোত ভাৱে আছিল বুলি আমাৰ ধাৰণা। এই কাৰণে তেওঁ শিক্ষা সাং কৰি য'তেই সুবিধা পালে ত'তেই শিক্ষকতা কৰিবলৈ আগ বাঢ়িল। এই ধাউতিয়ে তেওঁক অলপ সময়তে মহাবিদ্যালয়ৰ অধ্যক্ষ পদলৈ অপ্ৰয়াসে লৈ যায়। তেওঁ শিক্ষকতা কৰোঁতে যি পদতেই আছিল তাতেই সন্তুষ্ট হৈ কাম কৰিছিল। এই কাৰণেই কামেই তেওঁক সদায় তেওঁ গম নোপোৱাকৈ ঠেলি লৈ গৈ আছিল। শেহত এই গুণেই তেওঁক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰকাশনৰ গুৰু ভাৰ বহন কৰিবলৈ সক্ষম কৰিছিল। তাত তেওঁ অক্লান্ত পৰিশ্ৰম কৰাৰ কথায়ো স্বাস্থ্য ভঙ্গৰ অন্যতম কাৰণ বুলি আমি আশঙ্কা কৰো। আমি জানো, তেওঁ যেতিয়া সাহিত্য সভাৰ সম্পাদকৰ ভাৰ গ্ৰহণ কৰে, তেতিয়া তেওঁ সেই পদ-মৰ্যাদাৰ বাবে নিজে সন্মানিত হৈছো বুলি ভবাতকৈ সেই পদৰ দায়িত্ব লৈ "চিৰচেনেহী ভাষা জননী"ৰ পূজা নিষ্ঠাৰে একাগ্ৰতাৰে উৎফুল্লিত প্ৰাণেৰে, সমাধান কৰি কেনেকৈ মাতৃ-ভাষাৰ সন্মানৰ আসনখন ওখ কৰি তুলিব পাৰি তাৰ বাবে তেওঁ অকাতৰে শ্ৰান্তি, ক্লান্তি বোধ নকৰাকৈ দিনে-ৰাতিয়ে খাটি সুখ পাইছিল। বোধহয় এইদৰে অত্যধিক পৰিশ্ৰম কৰাৰ বাবে নিষ্ঠুৰ দুৰা-ৰোগ্য ৰোগে তেওঁক অক্লান্ত কৰাৰ কথা তেওঁ অলপো গম পোৱা নাছিল। আৰু তেওঁ ইমান সুন্দৰ স্বাস্থ্য ভোগ কৰি আহিছিল, মানুহজন যেনিবা স্বাস্থ্যৰ এজন প্ৰতীকহে আছিল। যেতিয়া তেওঁ হঠাৎ ৰোগত আক্ৰান্ত হ'ল আৰু নাম থকা ডাক্তৰসকলেও তেওঁৰ ৰোগ সম্পূৰ্ণৰূপে প্ৰথমতে নিৰ্ণয় কৰিব পৰা নাছিল, তেতিয়া আমিও তেওঁৰ যে মৃত্যু আসন্ন এই কথা সমাজিকতো ভাবিব পৰা নাছিলোঁ। মৃত্যুৰ কিছুদিন আগতে আমি তেওঁক কিছু ক্ষীণ আৰু মুখ শেঁতা দেখি মনতে দুখ পাই কৈছিলোঁ—"তুমি এতিয়া বোধ হয় অনেক দূৰ ভাল পাইছা, আৰু ডাক্তৰেও বোধহয় তোমাক এতিয়া জিৰণি লৈ লাহে ধীৰে কাম-কাজ কৰিবলৈ কৈছে। আমিও কওঁ তুমি আগৰদৰে নেথাকিবা। অলপ বিশ্ৰামত থাকিবা। মনত বেমাৰৰ কথা নাভাবিবা"। যদিও এইদৰে কৈছিলোঁ তেওঁ আগতকৈ বহুত হুতি যোৱা দেখি মনতে দুখ পালোঁ। কিন্তু তেওঁ যেতিয়া কলে—"ককা-ডাক্তৰে পৰীক্ষা কৰি "কেন্সাৰ" বুলি ধৰা নাই। মই এতিয়া নিজে তেনেকৈ ভাবিছো। তথাপি আপোনালোকে কোৱা দৰে মই এতিয়া সকলোঁ কাম আগৰ পৰিশ্ৰমেৰে কৰিবলৈ এৰিছো।" এইবিলাক কথালৈ চাই তেওঁ নিজেও ভবা নাছিল যে তেওঁক দুৰাৰোগ্য ৰোগে ধৰিছে।

তেওঁ কৰ্মপটু লোক আছিল। অসম সাহিত্য সভাক জন জাগৰণৰ ভিতৰলৈ নিবলৈ তেওঁ যি আপ্ৰাণ চেষ্টা কৰিছিল আৰু এই কামত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যিটো ধুমুহা তুলি ফুৰিছিল আৰু নিজেও সেই ধুমুহাত পৰি উশাহ নিবোধ হব লগীয়া হৈছিল, সেই কথালৈ চালেই—"কামে মানুহ নেখায়, মানুহেহে কামক খায়" এই কথাৰ মৰ্ম বুজা টান নহয়। কিন্তু তেওঁ যদিও একালৰ পৰা কাম খাই গ'ল, সেই কামেই শেহত তেওঁক মৰ কামোৰটো মাৰিলে। তেওঁ গ'ল, কিন্তু অসম সাহিত্য সভাই তেওঁৰ দিনত অসমত বিশাল বিস্তৃতি লাভ কৰিলে। তেওঁৰ দিনত সাহিত্যৰথী বেজবৰুৱাকে আৰম্ভ কৰি অগা-পিচাকৈ অসমৰ স্বনাম-ধন্য সাহিত্যিকসকলৰ জন্মশত বাৰ্ষিকী পালনৰ যিটো পৰিকল্পনা ললে, সেয়ে অসম সাহিত্য সভা অসম্ভাৱিত-ৰূপে সৰ্বভাৰতীয় ভাৱে জনাজাত কৰি তুলিব। আৰু অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিয়ে সৰ্বভাৰতীয় সন্মানৰ আসন লাভ কৰাত সহায় কৰিলে। সাহিত্যৰথীৰ জন্মশত বাৰ্ষিকীত বঙ্গীয় সাহিত্যিকসকলে কলিকতাত নিজে এই তিথি পালন কৰি অসমীয়া ভাষা যে বঙলা ভাষাতকৈ প্ৰাচীন, এই কথা নিজ মুখে কৈ আনন্দ পাইছিল। এই এটা কথাই—এই জন্মশত বাৰ্ষিকী পালনেই নেওগৰ মাতৃভাষা আৰু তাৰ পূজাৰীসকললৈ কি এটা অভূতপূৰ্ব শ্ৰদ্ধা-নিষ্ঠা আছিল আৰু নিজৰ ওপৰত আত্মবিশ্বাস অটুত আছিল—তাকেই প্ৰমাণ কৰে। শিক্ষাৰ মাধ্যম লৈ অলপতে যদিও এই আন্দোলনত নানা ধৰণৰ অবাঞ্চনীয় ঘটনা ঘটিল তথাপি অসমে এই বিষয়ে যিটো আত্মপ্ৰতিষ্ঠাৰ শকত ভেটি

স্থাপন কৰিলে, তাত অসম সাহিত্য সভাই যি সক্ৰিয় অংশ গ্ৰহণ কৰি কৃতকাৰ্য হ'ল, তৰুণ অসমক উৎপ্ৰেৰণা দিব পাৰিলে, হাড়ে-হিমজুৱে অসমীয়া কাছাৰবাসীক যিটো মনোবল দিলে, সাহিত্য সভাৰ এই শক্তি লাভ কৰাৰ গুৰিতে হৰিপ্ৰসাদ নেওগৰ অকৃত্ৰিম সেৱা প্ৰচাৰ। সাহিত্য সভাৰ প্ৰসাৰ আৰু বিশেষকৈ এই সাহিত্য সভাৰ মাজেদি দিয়েই অসমীয়া জাতিক নিজৰ ভাষা, সাহিত্য, সংস্কৃতিৰ ভেটিত সগৰ্বে থিয় হবলৈ আহ্বান জনাইছিল সেই কথা চিৰস্মৰণীয় হৈ থাকিব।

সাহিত্য সেৱাৰ মাজতো তেওঁ অসম সাহিত্য সভাৰ কিয় অসমীয়া সংস্কৃতিৰ ধনে-মনে পৃষ্ঠপোষক স্বনামধন্য দানবীৰ ৰাধাকান্ত সন্দিকৈ দেৱৰ জীৱনী লেখাতো যে জাতীয় কৰ্তব্য এই কথা ভাবি তেওঁ তেখেতৰ অপূৰ্ব জীৱনীখন লেখি অসম সাহিত্য সভাৰ পুথি-ভঁৰালৰ সৌষ্ঠৱ বঢ়ালে বুলি ক'ব পাৰি। তদুপৰি হাড়ে-হিমজুৱে অসমীয়া কাছাৰত অসমীয়া ভাষা-সংস্কৃতি সাহিত্য সভাৰ শাখা স্থাপন, অসমীয়া দুই-চাৰি বিদ্যালয় স্থাপনত অগ্ৰণী স্বনামধন্য বিশ্বনাথ ৰাজবংশী দেৱৰ জীৱনী লেখি কাছাৰ যে অসমৰ তেজ-মঙহ তাক তেওঁ সাব্যস্ত কৰিলে। আনহাতে যাৰ জীৱনীয়েই অসমীয়া ভাষা-সাহিত্যৰ প্ৰাণ বুলিব পাৰি, তেনে প্ৰাতঃস্মৰণীয় বেজ-বৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা আদিৰ জীৱনী, ডিম্বেশ্বৰ নেওগ, ৰঘুনাথ চৌধাৰী, অম্বিকাগিৰী ৰায়-চৌধুৰীৰ স্মৃতি-গ্ৰন্থ প্ৰকাশ কৰি অসম সাহিত্য সভাৰেই যেন প্ৰকৃত জীৱনী লেখিলে আৰু স্মৃতি-গ্ৰন্থ কেইখনিয়েই আমাৰ সাহিত্যিক কেইজনৰ অসমীয়া জাতিৰ হৈয়ে যেন স্মৃতি-তৰ্পণ যাচিলে এই কথাই নেওগদেৱে ভাষা-জননীৰ সেৱাত কিদৰে আত্মনিয়োগ কৰিছিল, সেই কথা স্পষ্টভাৱে প্ৰকাশ পাইছে। ইমান ব্যস্ততাৰ মাজতো তেওঁ "সাহিত্য, দূত" "জোৱাৰ", "গতিপথ" এই কেইখন আলোচনীয়ো সম্পাদনা কৰিছিল। ভৰ ডেকা বয়সতে ৪৪ বছৰ বয়সত তেওঁৰ অকাল মৃত্যু হ'ল যদিও তাৰ ভিতৰতে তেওঁ ভাষা-জননীক ষোড়শোপচাৰে যিদৰে নিষ্ঠা-পবিত্ৰতাৰে পূজা-কাৰ্যত আত্মনিয়োগ কৰিছিল, তাতেই তেওঁৰ ভৱিষ্যত জন্ম শত বাৰ্ষিকী একৰকম নিজেই পালন কৰি থৈ গ'ল। শেষত কব খোজো হৰিপ্ৰসাদ নেওগৰ বিষয়ে আৰু যথেষ্ট ক'বলগীয়া কথা নিশ্চয় আছে। তেওঁ এৰি থৈ যোৱা কাৰ্যাৱলীয়ে তেওঁক স্মৰ্ত্তব্য কৰি থাকিব। (হৰিপ্ৰসাদৰ জীৱনীয়ে এতিয়া তৰুণ অসমক) তেওঁৰ নিজৰ আত্ম-বিশ্বাস, স্বদেশপ্ৰেম, একাগ্ৰতা, আন্তৰিকতা আদি যিবিলাক সদ্গুণে তেওঁক অমৰ কৰিলে, সেই গুণৰ অধিকাৰী হবলৈ অন্তৰীক্ষৰ পৰা আহ্বান কৰিছে বুলি আমি শুনিছোঁ। তৰুণ অসম! সেই আহ্বান কাণ দি শুনা, হৃদয়ত আকোঁৱালি ধৰা, হৰিপ্ৰসাদ নেওগ, তোমালোকৰ প্ৰাণত আজিও সঞ্জীৱিত হৈ আছে বুলি ক'ব পৰা যায়। অমৰ হৰিপ্ৰসাদ! অমৰলোকতো তুমি অসম মাতৃৰ নিশ্চয় সেৱাকেই কৰিছা।

জয়তু ভাষা জননী, জয়তু হৰিপ্ৰসাদ !!

# অসম সাহিত্য সভা আৰু হৰিপ্ৰসাদ নেওগ

অধ্যাপক **শ্ৰীযতীন্দ্ৰনাথ গোস্বামী**

অসম সাহিত্য সভাৰ সপ্তবিংশ (নগাঁও) অধিবেশনৰ বিষয়-বাছনি সভা বহিছে। সভাপতি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা দেৱ। বিভিন্ন কাৰ্যসূচীৰ পাছত নতুন বিষয়-ববীয়া নিৰ্বাচনৰ পাল পৰিল। মোৰ নাম প্ৰধান সম্পাদকৰূপে প্ৰস্তাৱিত হোৱাত সমস্যা হ'ল এজন উপযুক্ত লোকক বাছি লোৱা। কিয়নো এইজন লোকেই সহকাৰী সম্পাদক হ'ব। গোৰহাটৰ প্ৰতিনিধিৰ ভিতৰত এজন লোকত মোৰ দৃষ্টি পৰিল। মানুহজনক চিনি পালেও বৰ বেচি ঘনিষ্ঠতা নাই। তথাপি সাহিত্য সভাৰ একালৰ কৰ্মী ৺ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীক উক্ত মানুহজনক বাহিৰলৈ মাতি আনিবলৈ অনুৰোধ কৰিলোঁ। মই মানুহজনক সুধিলোঁ, "আপুনি কেন্দ্ৰীয় কাৰ্যালয়ৰ সহকাৰী হোৱাত আপত্তি আছেনে? যদি নাই তেন্তে মই আপোনাৰ নামটি সভ্য-ৰূপে প্ৰস্তাৱ কৰোঁ।" তেওঁ আপত্তি নাই বুলি কোৱাত তেওঁৰ নামটি প্ৰস্তাৱ কৰোঁ। এইজন লোকেই হ'ল হৰিপ্ৰসাদ নেওগ। তেওঁ ১৯৫৯ চনৰ নগাঁও অধিবেশনত গোৰহাট সাহিত্য সভাৰ প্ৰতিনিধি ৰূপে প্ৰথম বাৰ সাহিত্য সভাৰ অধিবেশনত যোগ দিয়ে। ইতিপূৰ্বে তেওঁ ছাত্ৰ সন্মিলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল, প্ৰজা ছোছিয়েলিষ্ট দলৰ সভ্য আছিল, ব্যক্তিগত প্ৰচেষ্টাত 'জোৱাৰ' আলোচনী উলিয়াইছিল; কিন্তু অসম সাহিত্য সভাৰ অধিবেশনত প্ৰতিনিধিত্ব কৰাৰ সুবিধা পোৱা নাছিল। আনকি ১৯৫৪ চনৰ ডিচেম্বৰত গোৰহাটত বহা অসম সাহিত্য সভাৰ ত্ৰয়োবিংশ অধিবেশনত তেওঁ দৰ্শক-ৰূপেহে যোগ দিছিল।

অসম সাহিত্য সভাৰ জন্ম কালৰে পৰা যিসকলে সভাৰ গুৰি ধৰিছিল সেইসকলৰ কথা স্মৰণ কৰিলে আমাৰ মস্তক অৱনত হয়। অসম সাহিত্য সভাই শিলং অধিবেশনত পুৰ্ণজীৱন লাভ কৰে। এই অধিবেশনত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। একেৰাহে তিনি বছৰ কাল শ্ৰীযুত হাজৰিকাই প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰি সভাৰ বেমেজালি দূৰ কৰি সংগঠন দৃঢ় কৰিলে আৰু সভাৰ প্ৰতি ৰাইজৰ আস্থা ঘূৰাই আনিলে। এই কাল ছোৱাত সহকাৰী সম্পাদকৰূপে আমিও যি পাৰোঁ সহযোগ কৰিছিলোঁ। শ্ৰীযুত হাজৰিকাৰ পিছত শ্ৰীযুত পৰাগ চলিহা (ধুবুৰী অধিবেশন) আৰু শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা (তিনিচুকীয়া অধিবেশন) ক্ৰমে প্ৰধান সম্পাদক হয়। এই দুই বছৰত আমি সহকাৰী সম্পাদক আছিলোঁ। কিন্তু নগাঁও অধিবেশনত যেতিয়া আমি প্ৰধান সম্পাদক নিৰ্বাচিত হওঁ তেতিয়া দায়িত্ব সম্পাদন কামত এজন সহকাৰী বিচাৰি উলিওৱাটো আমাৰ কাৰণে দুৰূহ আছিল। সৌভাগ্যক্ৰমে যিজন লোকক সহকৰ্মীৰূপে বাছি ললোঁ সেইজনে নিজ প্ৰতিভা আৰু কৰ্মৰ দ্বাৰা যোগ্যতাৰ প্ৰমাণ কৰিলে।

নগাঁও অধিবেশনত অসম সাহিত্য সভাৰ

লগত ঘনিষ্ঠভাৱে জড়িত হৈ হৰিপ্ৰসাদ নেওগে অসম সাহিত্য সভাক বিভিন্ন দায়িত্বত সেৱা কৰে।

১৯৫৬–৬০ : সহকাৰী সম্পাদক
১৯৬০—৬৩ : ,, ,, (দুবছৰীয়া কাৰ্যকাল)
১৯৬৩—৬৫ : ,, ,, ( ,, ,, )
১৯৬৫—৬৬ : প্ৰধান সম্পাদক ( নলবাৰী )
১৯৬৬—৬৭ : ,, ,, ( উত্তৰ লক্ষীমপুৰ )
১৯৬৭—৬৮ : ,, ,, ( ডিব্ৰুগড় )
১৯৬৮—৬৯ : ,, ,, ( তেজপুৰ )
১৯৬৯—— : ধনভঁড়ালী ( বৰপেটা )

তেওঁ সাহিত্য সভাৰ সহকাৰী সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি নিজৰ দায়িত্ব পালনত সৰ্বতোভাৱে যত্ন কৰিছিল। তেওঁ সততে শাখা সভাৰ লগত যোগাযোগ কৰিছিল আৰু সভাৰ সংগঠনত যত্নপৰ হৈছিল। পিছৰ দুবাৰ ডঃ মহেশ্বৰ নেওগ প্ৰধান সম্পাদক থকা কালত হৰিপ্ৰসাদ নেওগে শাখা সভাৰ লগত যোগাযোগ কৰাৰ উপৰিও সভাৰ প্ৰচাৰ আৰু সংগঠনত অধিক গুৰুত্ব দিছিল।

১৯৬৫ চনত নলবাৰী অধিবেশনত হৰিপ্ৰসাদ নেওগ সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হয়। সেই বছৰ সভাপতি আছিল ডিম্বেশ্বৰ নেওগ। তেওঁৰ গুৰু আৰু প্ৰবীণ সাহিত্যিক ডিম্বেশ্বৰ নেওগৰ প্ৰতি হৰিপ্ৰসাদ নেওগৰ অসীম শ্ৰদ্ধা আছিল। তেওঁ সভাপতি নেওগৰ অধীনত প্ৰধান সম্পাদক হবলৈ পাই আনন্দ অনুভৱ কৰিছিল।

প্ৰধান সম্পাদকৰ দায়িত্ব লৈ নেওগে সভাৰ সংগঠন, প্ৰচাৰ আৰু প্ৰকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিলে। ১৫।২।৬৫ তাৰিখৰ কাৰ্য-নিৰ্বাহক সমিতিৰ প্ৰথম অধিৱেশনত ( চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট ) প্ৰধান সম্পাদকে এখন আঁচনি দাঙি ধৰে আৰু কাৰ্যনিৰ্বাহক সমিতিত গৃহীত হয়। উক্ত কাৰ্য-বিবৰণিত আছে—"আঁচনি অনুসৰি আঞ্চলিক ভেটিত প্ৰচাৰ, সংগঠণ আৰু পুঁজি সংগ্ৰহ সম্পৰ্কীয় কাম পৰিচালিত হ'ব। এই সম্পৰ্কত প্ৰধান সম্পাদকে জনায় যে ইতিমধ্যে 'এই সভাৰ সংখ্যা একলাখ আৰু আজীৱন সভ্যৰ সংখ্যা এহেজাৰলৈ উন্নীত কৰিবলৈ আৰু সংগঠন-পৰিসৰ বঢ়াবলৈ শাখা সভাসমূহক জনোৱা হৈছে। সমিতিয়ে এই প্ৰচেষ্টা কাৰ্যকৰী হ'ব বুলি আশা কৰে আৰু এই বিষয়ে যথা ব্যৱস্থা কৰিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়ে।" ইয়াৰ উপৰি চাহ বাগিছা, অনা অসমীয়া অঞ্চল, পাৰ্বত্য এলেকা আদিত প্ৰচাৰৰ গুৰুত্ব আৰোপ কৰা হয়।

নেওগৰ কাৰ্যকালৰ ভিতৰত তলত নাম দিয়া সাহিত্যিকসকলৰ জন্ম-শতবাৰ্ষিকী পালন কৰা হয়।

(১) ৰজনীকান্ত বৰদলৈ ( ১৯৬৭, ২৪ নবেম্বৰ )
(২) চন্দ্ৰকুমাৰ আগৰৱালা ( ১৯৬৭, ২৮ নবেম্বৰ )
(৩) লক্ষীনাথ বেজবৰুৱা ( ১৯৬৮, ৫ অক্টোবৰ )

জন্ম-শতবাৰ্ষিকী উপলক্ষে কেইবাখনো গ্ৰন্থ প্ৰকাশ হয় আৰু এই বিষয়ে পিছত উল্লেখ কৰা হ'ব।

সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী ১৯৬৮ চনৰ ৫ অক্টোবৰত পালন কৰা সন্দৰ্ভত যিটো প্ৰস্তাৱ ডিগবৈ সন্মিলনত গৃহীত হৈছিল সেই প্ৰস্তাৱৰ আঁচনি প্ৰধান সম্পাদক ডঃ মহেশ্বৰ নেওগৰ দিনত কৰিলেও উক্ত আঁচনিৰ চূড়ান্ত ৰূপ দিয়াৰ দায়িত্ব পৰিল হৰিপ্ৰসাদ নেওগৰ ওপৰত। হৰিপ্ৰসাদ নেওগ বেজবৰুৱা জন্ম-শতবাৰ্ষিকী সমিতিৰ সম্পাদক। গতিকে এই আঁচনিৰ বাস্তৱ ৰূপায়ণৰ কাৰণে তেজপুৰ অধিৱেশনত অসম সাহিত্য সভাৰ নিয়মাৱলী সংশোধন কৰিও হৰিপ্ৰসাদ নেওগক পুনৰ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক পতা হয়।

অসম শাসকীয় ভাষা অধিনিয়মৰ প্ৰয়োগ, পাৰ্বত্য ৰাজ্যৰ বিপক্ষে প্ৰতিবাদ আদি বিষয়তো সেই সময়ত প্ৰধান সম্পাদকে মনোনিৱেশ কৰিব লগীয়া হৈছিল আৰু তেতিয়াৰ প্ৰধান সম্পাদক নেওগ এই বিষয়ত অত্যুৎসাহী আছিল।



সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকীৰ আঁচনি অনুযায়ী কাম কৰিবৰ কাৰণে সম্পাদক হৰিপ্ৰসাদ নেওগে যথেষ্ট পৰিশ্ৰম কৰিব লগীয়া হৈছিল। আঞ্চলিক ভিত্তিত শতবাৰ্ষিকী সমিতি গঠন কৰি বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপনৰ ব্যৱস্থা লোৱা হৈছিল। সেই কাৰণে বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উছৱ অসমৰ বিভিন্ন জিলাত পালন কৰাৰ উপৰিও কলিকতা, সম্বলপুৰ, নতুনদিল্লী আৰু নগাভূমিত মহাসমাৰোহেৰে উদ্‌যাপিত হৈছিল। বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উদ্‌যাপনে অসমত এক নৱ-চেতনা জাগ্ৰত কৰিলে। এই শতবাৰ্ষিকী উপলক্ষে তলত উল্লেখ কৰা গ্ৰন্থসমূহ প্ৰকাশিত হয় :

১) সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা
২) বেজবৰুৱাৰ প্ৰবন্ধ বাছনি
৩) বেজবৰুৱাৰ প্ৰতিভা
৪) বেজবৰুৱাৰ
Religion of Love and Devotion
৫) চিত্ৰলেখা
৬) পত্ৰলেখা
৭) দিনলেখা
৮) সাহিত্যৰথী বেজবৰুৱা ( হিন্দী )
৯) সাহিত্যৰথী বেজবৰুৱা ( ইংৰাজী )
১০) আমাৰ লক্ষীনাথ
১১) বেজবৰুৱাৰ বাণী

ইয়াৰ উপৰিও শ্ৰীকমল চৌধুৰীৰ পৰিচালনা আৰু শ্ৰীফণী তালুকদাৰৰ প্ৰযোজনাত 'অমৰ লক্ষীনাথ' নামৰ এখন চিত্ৰ ৯ অক্টোবৰ তাৰিখে তদানীন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহাই গুৱাহাটীত উন্মোচন কৰে।

অসম সাহিত্য সভাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই গুৱাহাটীৰ সাহিত্য প্ৰকাশে অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাক মুখ্য সম্পাদক হিচাপে লৈ অসম সাহিত্য সভাৰ দ্বাৰা সম্পাদিত "বেজবৰুৱা গ্ৰন্থাৱলী" দুইখণ্ডত প্ৰকাশ কৰে।

নেওগৰ কাৰ্যকালৰ ভিতৰত তলত উল্লেখ কৰা গ্ৰন্থসমূহ প্ৰকাশিত হয়—

১) ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ
২) অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ
৩) ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ
৪) নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ
৫) শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা
৬) বিংশ শতাব্দীৰ অসমীয়া সাহিত্য
৭) অলকানন্দা
৮) চাহ-বাগিছাৰ অসমীয়া
৯) প্ৰমথনাথ চক্ৰৱৰ্তী
১০) বিশ্বনাথ ৰাজবংশী
১১) অসমীয়া সংস্কৃতি
১২) মোৰ জীৱন সোঁৱৰণ ( ২য় তাঙৰণ )
১৩) সেউজী পাতৰ মাজে মাজে
১৪) অসম সাহিত্য সভা পৰিচিতি
১৫) অসম সাহিত্য সভাৰ পঞ্চাশ বছৰ
১৬) চন্দ্ৰকুমাৰ আগৰৱালাৰ প্ৰতিভা
১৭) ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ
১৮) ৰজনী বৰদলৈ ৰচনামালা
১৯) শূদ্ৰকৰ মৃচ্ছকটিকা
২০) অসম সাহিত্য সভা বাৰ্ষিকী ( নলবাৰী )
২১) ,, ,, ( উত্তৰ লক্ষীমপুৰ )
২২) ,, ,, ( ডিব্ৰুগড় )
২৩) ,, ,, ( তেজপুৰ )

উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত হোৱা ত্ৰয়স্ত্ৰিংশ অধিৱেশনৰ প্ৰধান সম্পাদকৰ প্ৰতিবেদনত আছে, "সঁচা কথা— অসম সাহিত্য সভা আজি এক বৃহৎ জাতীয় অনুষ্ঠান-ৰূপে পৰিগণিত হোৱাৰ সময়ত এই অনুষ্ঠানটিক জীৱন্ত আৰু গতিশীল ৰূপ দিয়াৰ প্ৰয়োজন হৈছে। কিন্তু ইয়াৰ বাবে লাগে এদল নিস্বাৰ্থ কৰ্মী। পুঁজিৰ অভাৱ এই প্ৰচেষ্টাৰ বাবে অন্তৰায়। ৰাজ্য চৰকাৰে দিয়া মাত্ৰ দহ হাজাৰ টকা বাৰ্ষিক অনুদান এনে

এটা বৃহৎ অনুষ্ঠানৰ বাবে একেবাৰেই নহয়।...এইটোও অৱশ্যে ঠিকে যে চৰকাৰৰ অনুগ্ৰহ ভোগী হৈ সাহিত্য সভা ৰত্তি থাকিবলৈ বিচৰাতো অন্যায়"। অসম সাহিত্য সভাক জীৱন্ত আৰু গতিশীল অনুষ্ঠানত পৰিণত কৰাৰ কাৰণে প্ৰাক্তন প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগ কিছুদূৰ দায়ী। তেওঁৰ একনিষ্ঠতা, কৰ্মপ্ৰেৰণা আৰু গভীৰ আশাবাদে অসম সাহিত্য সভাৰ ক্ষেত্ৰ সম্প্ৰসাৰণ কৰিলে। এনেহেন এজন সংগঠক আৰু নিঃস্বাৰ্থ কৰ্মীৰ মৃত্যুত অসমবাসী মৰ্মাহত হৈছে। মৃত্যুৱে হৰিপ্ৰসাদ নেওগক অমৰ কৰক। তেওঁৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ।


## অসম সাহিত্য সভাৰ কেইখনমান বাছকবনীয়া কিতাপ

| নাম | মূল্য | নাম | মূল্য |
|---|---|---|---|
| ১। গোহাঞি বৰুৱাৰ প্ৰতিভা | ১০.০০ | ১৫। নকুল চন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪.০০ |
| ২। হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২০.০০ | ১৬। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ৭.০০ |
| ৩। পৰমাচাৰ্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬.০০ | ১৭। বেজবৰুৱা প্ৰতিভা | ৫.০০ |
| ৪। সাহিত্য সমীক্ষা ( ২য় তাঙৰণ ) | ৮.০০ | ১৮। চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা | ৬.০০ |
| ৫। বিংশ শতাব্দীৰ অসমীয়া সাহিত্য | ৮.০০ | ১৯। বিশাখদত্তৰ মুদ্ৰাৰাক্ষস | ৩.০০ |
| ৬। মফিজুদ্দিন আহমদ হাজৰিকা ৰচনাৱলী | ৫.০০ | ২০। ৰাজশেখৰৰ কৰ্পূৰমঞ্জুৰী | ৩.০০ |
| ৭। অৰুণোদইৰ ধলফাট | ২.৫০ | ২১। বিশ্বনাথৰ সাহিত্য দৰ্পন | ১২.০০ |
| ৮। আনন্দৰাম ঢেকীয়ালফুকনৰ অসমীয়া ভাষা | ১.০০ | ২২। শূদ্ৰকৰ মৃচ্ছকটিকা | ৫.০০ |
| ৯। ৰজনী বৰদলৈ ৰচনামালা | ৮.০০ | ২৩। হেমচন্দ্ৰ গোস্বামী সম্পাদিত কথাগীতা | ৩.৫০ |
| ১০। ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৫.০০ | ২৪। শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২.০০ |
| ১১। বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ৭.০০ | ২৬। কনকলাল বৰুৱা | ১০.০০ |
| ১২। বেজবৰুৱাৰ Religion of Love and Devotion | ৩.০০ | ২৭। অসমৰ জনজাতি | ১০.০০ |
| ১৩। বেজবৰুৱাৰ পত্ৰলেখা | ৭.০০ | ২৮। চাহবাগিছাৰ অসমীয়া | ১.০০ |
| ১৪। ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪.০০ | ২৯। সীমান্তৰ সম্ভেদ | ৩.০০ |
| | | ৩০। অসম সাহিত্য সভা বাৰ্ষিকী ৩৯শ ধুবুৰী অধিবেশন | ৩.০০ |

প্ৰাপ্তিস্থান : ১। অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

২। অসম সাহিত্য সভা
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-১


# বেজবৰুৱা শতবাৰ্ষিকী আৰু হৰিপ্ৰসাদ নেওগ

## ( স্মৃতিৰ ৰেঙণি )

অধ্যাপক শ্ৰীযোগেশ দাস

হৰিপ্ৰসাদ নেওগৰ কথা মনত পৰিলেই এজাক অনুভূতিয়ে জুমুৰি দি ধৰেহি। এইটো সম্পূৰ্ণ ব্যক্তিগত বন্ধুত্বৰ কাৰণে, তাৰ আন কোনো যুক্তি-ব্যাখ্যা নাই। সেয়ে আজি যদি কওঁ যে হৰিপ্ৰসাদ নেওগৰ অকালতে মৰহি যোৱা যৌৱন কালটো আছিল অফুৰন্ত কৰ্মশক্তিৰে পৰিপূৰ্ণ, তেন্তে হয়তো গতানুগতিক মৃত্যুত্তৰ প্ৰশংসা যেন লাগিব পাৰে। কিন্তু আমি বিসকল তেওঁ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক থকা কেইবছৰ সভাৰ কাৰ্যনিৰ্বাহক সমিতিৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিলোঁ, আৰু কাৰ্যনিৰ্বাহক সমিতিৰ বাহিৰৰো বিসকলক তেওঁ সাহিত্য সভাৰ বিভিন্ন আঁচনিত প্ৰযুক্ত কৰিছিল, সেই সকলোৱে কিছু বেদনা আৰু কিছু গৌৰৱেৰে স্মৰণ কৰিব যে কাম কৰিবৰ আৰু কাম কৰাবৰ শক্তি থকা কাৰণেই নেওগে ইমানবিলাক কাম কৰি যাব পাৰিছিল আৰু সাহিত্য সভাখনক সক্ৰিয় কৰি তুলিব পাৰিছিল। নেওগৰ কাম কৰিব পৰা ক্ষমতাৰ বিশেষ পৰিচয় ফুটি উঠিছিল ১৯৬৮ চনৰ বেজবৰুৱা শতবাৰ্ষিকী উৎসৱ পালনৰ ক্ষেত্ৰত।

সঁচা কথা যে বেজবৰুৱা শতবাৰ্ষিকী পালনাৰ্থে কাৰ্যনিৰ্বাহক সমিতিয়ে এখন আহলবহল সমিতি গঠন কৰি দিছিল; এই লিখকো তাৰে এটি ক্ষুদ্ৰ অংশ আছিল। আৰু সমস্ত কামৰ আঁচনি এই সমিতিত আলোচনা-বিলোচনা কৰিয়েই কৰা হৈছিল। কিন্তু তথাপি স্বীকাৰ কৰিব লাগিব যে এই সমিতি তথা সাহিত্য সভাৰো প্ৰধান সম্পাদক-ৰূপে হৰিপ্ৰসাদ নেওগেই বহু আঁচনিৰ পাতনি মেলিছিল, নাইবা কিছুমান কাম আনৰ হতুৱাই কৰাই লৈছিল—অক্লান্ত চেষ্টা, অসীম ধৈৰ্য আৰু নিঃছিদ্ৰ সতৰ্কতাৰে। যেনে, অসম জুৰি আৰু অসমৰ বাহিৰতো এই উৎসৱ সাফল্যমণ্ডিত কৰি তুলিবৰ কাৰণে তিনি লাখ টকাৰ আয়-ব্যয়ক (বাজেট) নিৰ্ধাৰণ কৰা হৈছিল; তাৰে কিছু অংশ চৰকাৰৰ পৰা পোৱাৰ আশা কৰা হৈছিল; কিন্তু বাদবাকী অংশ সভাৰ শাখাসমূহৰ যোগেদি ৰাইজৰ পৰা সংগ্ৰহ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই ৰাজহুৱা বৰঙণি তোলাৰ ব্যৱস্থা নেওগৰ নিজা কাৰ্যসূচী মতেই কৰা হৈছিল। শাখাবিলাকৰ যোগেদি দুটা স্তৰত দুবাৰ ধন তোলাৰ এই কাৰ্যসূচী বৰ কৃতকাৰ্য নহ'ল। কিন্তু নেওগে যে ডাঙৰ অংকৰ সেই ধন তুলিবলৈ বিশেষভাৱে মনোনিবেশ কৰিছিল তাৰ প্ৰমাণ তেওঁৰ এই দ্বি-স্তৰ সূচীৰ কল্পনাতে পোৱা যায়। আন এটা উদাহৰণ হৈছে "অমৰ লক্ষ্মীনাথ" ডকুমেণ্টৰীৰ কাৰণে পুঁজি সংগ্ৰহ। সঁচা কথা কবলৈ হলে ইয়াৰ কাৰণে ভাৰেখিনি 'জগৰীয়া' এই লিখক আৰু শ্ৰীনন্দ তালুকদাৰ। হৰিপ্ৰসাদ নেওগৰ

ইচ্ছা থাকিলেও সম্পাদক-ৰূপে কাৰ্যনিৰ্বাহক সমিতিত থুলি কৰলৈ তেওঁ অলপ টান পাইছিল যেন লাগে। কিন্তু অগা-পিছাকৈ আমি দুজনে যেতিয়া টকাৰ কাৰণে জোৰ দি ধৰিলো তেতিয়া ডঃ মহেশ্বৰ নেওগৰ সভাপতিত্বত বহা কাৰ্যনিৰ্বাহক সমিতিয়ে তাক মঞ্জুৰ কৰিলে। ইয়াৰ পিছৰ পৰ্বৰ সংগ্ৰামৰ দায়িত্ব হলে হৰিপ্ৰসাদ নেওগে বিনা দ্বিধাই মূৰ পাতি ললে; শ্ৰীফণী তালুকদাৰ আৰু শ্ৰীকমল চৌধুৰীক ডকুমেণ্টৰীথন কৰাৰ ভাৰ দি টকা-পইচাকে আদি কৰি অন্যান্য আয়োজনৰ কামত জপিয়াই পৰিল। মনত পেলালে আজিও চকুৰ আগত ভাহি উঠিব খোজে আমি—নেওগ, মই, শ্ৰীফণী তালুকদাৰ, শ্ৰীনগেন শইকীয়া আৰু আকাশ-বাণীৰ বিহাৰী বিষয়া শ্ৰীসুদামা শৰ্মা (তেওঁ অসম দৰ্শন কৰাৰ মানসে নিজে নিজৰ খৰচ দি আমাৰ লগ লৈছিল)—উজনি অসম চলাপাত কৰাৰ সেই দৃশ্য: মটৰেৰে গৈ যোৰহাটত একুমুকি মাৰি, শিৱসাগৰ, নাজিৰা, সোণাৰি, সাপেখাতী, নামৰূপ, ডুলিয়াজান, তিনিচুকীয়া, ডুমডুমা, ৰূপাই, ডিব্ৰুগড় এইবোৰ ঠাই ভোক, ভাগৰ আৰু পেটৰ অসুখেৰে ঘূৰি ফুৰি খোলাকটি বুটলিছিলো। গোলাঘাটৰ সৰুপথাৰ-বৰপথাৰ অঞ্চললৈকো শ্ৰীবিশ্বেশ্বৰ হাজৰিকাক গাইড কৰি লৈ গৈছিলো। হাটখোলাৰ লেতেৰা চাহ-দোকানত চাহ-লুচি খাব লগা হৈছিল ভোকত থাকিব নোৱাৰি—তাতে দলৰ এজনৰ আকৌ ভোকো বেছি—সোণাৰিত কবি-শিল্পী পাৰ্বতিপ্ৰসাদ বৰুৱাৰ সোণালী-পামত সোমাই শ্ৰীকামাখ্যাপ্ৰসাদ বৰুৱাক লগ ধৰি গৈ যেতিয়া "লাহৰী চাহাব" শ্ৰীমোক্ষদাপ্ৰসাদ বৰুৱাৰ বঙলাত চুচুক্-চামাক্কৈ সোমালোগৈ, তেতিয়া চাহ-জলপান গোগ্ৰাসে গিলি (সেই দুই বজামানলৈকে আমি খাবলৈ পোৱা নাছিলো) সেই ভুকীয়া বন্ধুজনৰ কাৰণেই ভাত নোখোৱাটো ধৰা পৰি গ'ল, আৰু লাহৰী চাহাবে পুতৌতে "এহ আগতেই কিয় নকলে" ধৰণৰ ক্ষোভ প্ৰকাশ কৰি তেতিয়াই পেট পুৰাই খাই ল'ব পৰাৰ দিহা কৰি দিলে। বৰুৱা-বৰুৱানীৰ সেই কৃপাৰ কথা আমাৰ স্মৃতিপটত চিৰসেউজীয়া হৈ থাকিব। এই ধৰণৰ অনিয়মৰ ফলতে পেটৰ অসুখত আমি বাটে বাটে এজন এজনকৈ পৰি গৈছিলো—হৰিপ্ৰসাদ নেওগেতো চিৰদিনেই কিবা এবিধ হজমী লোণ খায়েই থাকে, তেতিয়াও খাইছিল। আমি বহু ঠাইতে নিৰাশ হৈছিলো, কিছুমানত আশাতীত মৰম পাইছিলো—লক্ষ্মীনাথ বেজবৰুৱা তথা অসমীয়া জাতিৰ প্ৰতি অকৃত্ৰিম শ্ৰদ্ধা দেখা পাইছিলো। বেজবৰুৱাক কেন্দ্ৰ কৰি যে অসমীয়া মানুহৰ এটা সজাগতা আহিছিল, সেই সজাগতাৰ এটা ক্ষুদ্ৰ অংশ নিশ্চয় এই ধৰণৰ ভ্ৰমণবিলাক আছিল আৰু তাৰ কাৰণে চিঠি লিখি, ফোন কৰি, ব্যক্তিগতভাৱে লগ ধৰি এটা পৰিবেশ সৃষ্টি কৰাৰ গুৰিতে আছিল হৰিপ্ৰসাদ নেওগ।

বেজবৰুৱাৰ শতবাৰ্ষিকীৰ সংগঠনত নেওগে কিদৰে আনক নিয়োগ কৰিছিল তাৰ দুটা দৃষ্টান্ত ব্যক্তিগত অভিজ্ঞতাৰ পৰাই দিওঁ। গোৱালপাৰা জিলাৰ অংশ-বিশেষত সাহিত্য সভাৰ সভ্যসকল আৰু অন্যান্য লোকক উৎসৱ প্ৰস্তুতি উপলক্ষে লগ ধৰিবলৈ তেওঁ শ্ৰীনন্দ তালুকদাৰ আৰু মোক অনুৰোধ কৰিছিল। আমি দুবাৰ দুখন টেক্সী লৈ এই উদ্দেশ্যে একোটা পাক মাৰি আহিছিলোগৈ। এবাৰ শ্ৰীঅৰুণ ডেকা আৰু শ্ৰীৰমেশ ভট্টাচাৰ্য এই দুজন ডেকা বন্ধুও উছাহতে আমাৰ সহযাত্ৰী হৈছিল। নলবাৰী, পাঠশালা, বৰপেটা, হাউলি, সৰভোগ অভয়াপুৰী আৰু ধুবুৰী—এই যাত্ৰাত এই কেইখন চহৰ আমি সামৰিছিলো। দ্বিতীয় বাৰ ধুপধৰা, কৃষ্ণাই, দুধনৈ, গোৱালপাৰা আৰু লক্ষীপুৰ—দক্ষিণপাৰে এই কেইঠাইত সোমাই আহিছিলো। প্ৰায় প্ৰত্যেক ঠাইতে স্থানীয় ৰাইজে আগৰে পৰা কাম কৰি আহিছিল। আমাৰ ফালৰ পৰা দিহাপোহা দিবৰ বিশেষ প্ৰয়োজন হোৱা নাছিল। কিন্তু আমাক লগ পাই সকলোৱে আলোচনা-বিলোচনা কৰি বিশেষ উৎসাহ দেখুৱাইছিল। ধুবুৰীত শ্ৰীদীনেশৰঞ্জন সৰকাৰ



আৰু উপায়ুক্ত শ্ৰীহৰেন্দ্ৰনাথ দাস, আৰু গোৱালপাৰাত অধ্যক্ষ ডঃ মহেন্দ্ৰ বৰাৰ ঘৰত বহু স্থানীয় লোক সমবেত হৈছিল—আমি মাত্ৰ সকলোকে উৎসৱটো নিয়াৰিকৈ আৰু যিমান পাৰি ৰজন্‌জনাকৈ পালন কৰিবলৈ অনুৰোধ কৰিছিলো। এই যে ব্যক্তিগতভাৱে গৈ লগ ধৰা, এইটোৱেও পৰিবেশ আৰু জাগৰণ আনি দিয়াত সহায় কৰিলে। হৰিপ্ৰসাদ নেওগৰ এই বাস্তৱ জ্ঞান আমি লগে লগেই উপলব্ধি কৰিব পাৰিছিলো। এই দুই যাত্ৰাতে এনে কেইঠাইমানত সোমাইছিলো য'ত য'ত প্ৰস্তুতি একেবাৰে নিশকতীয়া আছিল। সীমিত সময়ৰ ভিতৰতে যাক পালো মতাই আনি তেতিয়াও কিবা কৰিবলৈ আমি অনুৰোধ কৰিলো। আমি নোযোৱা হলে এই খিনিও নহ'লহেঁতেন। দ্বিতীয়টো কথা হ'ল, উৰিষ্যাৰ সম্বলপুৰত বেজবৰুৱা উৎসৱ পতাৰ আয়োজন কৰা সম্পৰ্কে যোগাযোগ কৰাৰ সমস্ত ভাৰ নেওগে মোৰ ওপৰত দিছিল। কাকো চিনি নেপাওঁ কাৰণে লিখা-লিখি কৰা বৰ সহজ নাছিল। যি হওক শ্ৰীশ্ৰদ্ধাকৰ সুপকাৰ এম-পিলৈ চিঠি লিখি সম্বলপুৰৰ কেইগৰাকী-মান সাহিত্যিকৰ নাম-ঠিকনা আনি মই যোগাযোগ কৰিলো। সময়ত তেওঁলোকৰ আগ্ৰহভৰা উত্তৰো পোৱা হ'ল। সম্বলপুৰৰ উৎসৱৰ বিৱৰণ ডঃ নেওগে ইংৰাজীত আৰু মই অসমীয়াত লিখিছিলো—তাক পঢ়ি পাঠক-সকলে সেই উৎসৱৰ গুৰুত্ব নিশ্চয় বুজি পাইছিল। আমাক (ডঃ নেওগ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, হৰিপ্ৰসাদ নেওগ, এই লেখক) তাত শ্ৰীসুপকাৰ সমন্বিতে সাহিত্যিক-সকলে, বিশেষকৈ ডেকাসকলে যি আদৰ-আপ্যায়ন কৰিলে—বঙালীত থাকি যোৱা এজন উৰিয়া অধ্যাপকে অসমীয়াত আৰু ভুবনেশ্বৰ ৰেডিঅ' ষ্টেছনৰ সঞ্চালক শ্ৰীঅৱনীকুমাৰ দাসে উৰিয়াত বক্তৃতা দি যি মধুৰ সংহতিৰ সৃষ্টি কৰিলে, লগতে গুৱাহাটী ৰেডিঅ' ষ্টেছনৰ শ্ৰীসুৰেন্দ্ৰ মহান্তিয়ে 'গুৱাহাটীত চোৰ নাই' জাতীয় প্ৰশংসা-বাণী শুনাই দি যি ইন্ধন যোগালে, তাক মই ব্যক্তিগতভাৱে নেওগৰ দূৰদৰ্শিতাৰে সুপৰিণাম বুলি ভাবো।

বেজবৰুৱা ডাক-টিকট আৰু বেজবৰুৱা গ্ৰন্থাৱলী প্ৰকাশ, এই দুটা হৰিপ্ৰসাদ নেওগৰ উদ্যোগৰ প্ৰত্যক্ষ ফল। বেজবৰুৱা ডাক-টিকটেই এজন অসমীয়াক লৈ ভাৰতৰ ডাকতাঁৰ বিভাগে উলিওৱা পোন-প্ৰথম (আৰু এতিয়ালৈকে একমাত্ৰ) স্মাৰক ডাক-টিকট। দিল্লীত থকা আমাৰ এম-পি সকলৰ যোগেদি আৰু পোনপটীয়াকৈও, তথা অসম চৰকাৰৰ যোগেদি নেওগে ইয়াৰ কাৰণে চেষ্টা কৰি আছিল। গুৱাহাটীৰ সাহিত্য প্ৰকাশক বেজবৰুৱা গ্ৰন্থাৱলী প্ৰকাশ কৰিবলৈ মান্তি কৰোৱা, আৰু অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাদেৱক সংগ্ৰহ-সম্পাদনাৰ ভাৰ দিয়া, এই দুয়োটাতে নেওগে শুদ্ধ বিচাৰ-বুদ্ধিৰে কাম কৰিছিল। মনত আছে, নেওগৰ নেতৃত্বত আমি এটা সজাতিদলে তেতিয়াৰ মুখ্যমন্ত্ৰী বিমলাপ্ৰসাদ চলিহাদেৱক লগ ধৰিবলৈ গৈছিলো। কম কথাৰ মানুহ চলিহাদেৱে, মনতে ভাবিছিল যদিও, সৰকীয়া ধন দিয়াৰ কথা ব্যক্ত কৰা নাছিল। কিন্তু আমাৰ কথামতে লগে লগেই ফোন কৰি প'ষ্টেল কৰ্তৃপক্ষৰ পৰা স্মাৰক ডাকটিকট উলিওৱাটো যে খাটাং সেই খবৰ আনি দিলে আৰু গ্ৰন্থাৱলীও চৰকাৰী ভাৱে ভালেখিনি কিনাৰ প্ৰতিশ্ৰুতি দিলে। শুনিবলৈ পাইছো কিবা কাৰণত গ্ৰন্থাৱলী সেইমতে যথেষ্ট কিনা নহ'ল, কিন্তু মুখ্যমন্ত্ৰীৰ প্ৰতিশ্ৰুতিয়ে হলে আমাক আৰু প্ৰকাশকক যথেষ্ট উৎসাহ দিছিল। সেই যাত্ৰাতে আমি প'ষ্টমাষ্টৰ জেনেৰেলৰ অফিচত সোমাই ডাক-টিকটটো সম্বন্ধে আৰু যোৰহাটত তাৰ উদ্বোধন সম্বন্ধে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত বিস্তৃতভাৱে আলোচনা কৰিছিলো। চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ সমুখত আটকধুনীয়া বিশেষ বেজবৰুৱা ডাকঘৰ খুলি শতবাৰ্ষিকী উৎসৱ মুকলি হবৰ দিনা প'ষ্ট মাষ্টৰ জেনেৰেলে মুখ্যমন্ত্ৰী চলিহাদেৱক টিকট আৰু ফ'ল্ডাৰ বিক্ৰী কৰি বেজবৰুৱা টিকটৰ শুভ উদ্বোধন কৰিছিল।

সম্বলপুৰৰ উৎসৱৰ আগদিনা গধুলি আমি কলিকতাৰ চৰকাৰী ইনফৰমেছন চেণ্টাৰত বেজবৰুৱা উৎসৱত যোগদান

কৰি গৈছিলো। তাৰ আগতে নেছনেল লাইব্ৰেৰীত শ্ৰীকুল গগৈৰ তত্ত্বাৱধানত অসমীয়া পুথিৰ প্ৰদৰ্শনী মুকলি কৰিছিল ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে। এইবিলাকৰ কিছুদিন পিছতহে নতুন দিল্লীৰ শেষ অনুষ্ঠানটো হৈছিল—দিল্লীৰ মাৱলঙ্কাৰ হলত হোৱা সভাত ৰাষ্ট্ৰপতি ডঃ জাকিৰ হুছেইনৰ উপস্থিতি বিশেষ উল্লেখযোগ্য, যিটোৱে বেজবৰুৱা আৰু অসমীয়াক সমগ্ৰ ভাৰতৰ চকুত দাঙি ধৰিলে। দূৰৰ এইবিলাক অনুষ্ঠানলৈ নেওগে মোক এক প্ৰকাৰ টানি নিয়াদি নিছিল। মই যাব খুজিছিলো, কাৰণ খৰচ বেছি হয়, যেয়ে সেয়ে কিয়নো যাব লাগে, এই ধৰণৰ উক্তি কোনো কোনো মহলে কৰা মোৰ কাণত পৰিছিলহি। কিন্তু নেওগে সেইবোৰলৈ কৰ্ণপাত নকৰি, "এহ কবলৈ দিয়কহে, ওলাওক, মই আপোনাক লগ লৈছো" বুলি মোক জোৰ কৰি লৈ গৈছিল। তেওঁ এনেয়ে বৰ সৰল, উদাৰ মানুহ। সাহিত্য সভাৰ কামত তেওঁৰ বহুতো লটিঘটি হৈছিল বুলি গম পাওঁ। তেওঁৰ বিৰুদ্ধে লাগি থকা লোকো আছিল। কিন্তু ছফুট ওখ, হাঁহিমুখীয়া মানুহজনক দেখিলে সেইবিলাক একো ধৰিব নোৱাৰি, কৌশল খটোৱা আৰু সাহসিকতাৰে আগবঢ়াও যে তেওঁৰ গুণ, এই কথা বাহিৰৰ পৰা বুজিবৰ উপায় নাই। কলিকতা-দিল্লীলৈ গৈ যে বেয়া লাগিল এনে নহয়; বৰং ডঃ চট্টোপাধ্যায়, শ্ৰীঅন্নদাশঙ্কৰ ৰায়, শ্ৰীহেম বৰুৱা, শ্ৰীমতী অনু বৰুৱা, ডঃ সত্যৰঞ্জন বৰুৱা আদি বহু লোকৰ সান্নিধ্য আৰু মৰম-চেনেহৰ উম লোৱাৰ সুযোগ পাইছিলো। শ্ৰীৰুদ্ৰ বৰুৱাৰ নেতৃত্বত যিটো শিল্পীৰ দলে চৰকাৰী সাংস্কৃতিক বিভাগৰ যোগেদি আমাৰ লগতে গৈ দিল্লীত গীত-মাত আৰু "পাচনি" নাটৰ অভিনয় দাঙি ধৰি প্ৰশংসা অৰ্জন কৰিছিল, সেই দলটোক নিয়াৰ আয়োজনো হৰিপ্ৰসাদ নেওগে ব্যক্তিগত প্ৰচেষ্টাতে কৰিছিল।

তথাপি খৰচৰ কথাটো বৈ গ'ল। শতবাৰ্ষিকী উৎসৱ হৈ যোৱাৰ পিছত প্ৰকাশ্যে নহ'লেও গুণগুণনি উঠিল যে নেওগে বহুত ধন অযথা ভগন কৰিলে, হাজাৰ হাজাৰ টকা সাহিত্য সভাৰ নামত ধাৰ লগাই থৈ গ'ল, বিশেষ পুঁজিৰ ধনো আনি ভাঙিলে, টেক্সীৰ খৰচেই……ইত্যাদি। কোনেও অস্বীকাৰ নকৰে যে ধন ভগন হ'ল, ধাৰো লাগিল। ইয়াকো সকলোৱে স্বীকাৰ কৰিব যে অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীদেৱে কাৰ্যভাৰ লৈ অনেক চেষ্টা কৰি সভাৰ ধাৰ বাহলাংশে মাৰিছে। পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমূহে এই ঋণৰ বোজা বহন কৰি যাব লাগিব। কিন্তু এই কথাও সত্য যে আশা কৰামতে বাহিৰৰ পৰা বৰঙণি নুঠিল। তিনি লাখ টকাৰ আঁচনি কৰা হৈছিল, চৰকাৰী শকত অনুদান সত্ত্বেও তাৰ এক-তৃতীয়াংশ মানহে কিজানি উঠিল। সেই বুলিয়েই বিৰাট উৎসৱটো নেওগে পাল মৰা বিধৰ কৰি ধৰ লাগিছিল নেকি! নে এই উৎসৱৰ দ্বাৰা অসমীয়া জাতিৰ মাজত এটা জাগৰণ আনি দিয়া কাৰণে আৰু সৰ্বভাৰতীয় স্তৰত লক্ষ্মীনাথ বেজবৰুৱাক স্থাপন কৰা কাৰণে আমি হৰিপ্ৰসাদ নেওগক চিৰকাল কৃতজ্ঞতাৰে স্মৰণ কৰিবহে লাগিব? যোৰহাটৰ প্ৰধান উদ্বোধনী উৎসৱত যি এক মেলাৰ পৰিবেশ সৃষ্টি হৈছিল তাত সকলোৱে উপলব্ধি কৰিব পাৰিছিল যে এজন ডেকাৰ অক্লান্ত চেষ্টাই এটা জাতিৰ সপোনক বাস্তৱত ৰূপায়িত কৰিলে। তাত ধন ভগন হোৱাটো বৰ ডাঙৰ কথা নহয়। তেওঁ নিজৰ ঘৰ-সংসাৰলৈ পিঠি দিয়েই এই গোটেইবিলাক কাম যে কৰিছিল সেই কথা নেওগৰ পত্নী শ্ৰীমতী নিৰুপমা নেওগক আৰু তেওঁলোকৰ 'জবা'কে আদি কৰি তিনিটি ল'ৰা-ছোৱালীক নেওগৰে সৈতে ঘৰত দেখিলেই বুজিব পৰা গৈছিল। সেইখন ঘৰৰ আতিথ্য গ্ৰহণ কৰি আমি বহুতেই সেইটো বুজিব পাৰিছিলো।

# হৰিপ্ৰসাদ নেওগ মানুহজন

শ্ৰীবিষ্ণুকিঙ্কৰ কলিতা

উপদেশতকৈ আদৰ্শ বেছি কাৰ্যকৰী। আদৰ্শ-জীৱনৰ আহিঁ ততোধিক কাৰ্যকৰী। সেইবাবেই এজন আদৰ্শ স্থানীয় ব্যক্তিৰ কৰ্মজীৱনে পাছৰ পুৰুষসকলৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ এনে এজন আদৰ্শস্থানীয় ব্যক্তি। অসমীয়া জাতি, অসমীয়া ভাষা, অসমীয়া জাতীয় সাহিত্য আৰু সংস্কৃতিৰ সেৱাৰ প্ৰেৰণাই নেওগৰ অন্তৰত হিল্লোল তুলিছিল। অসমীয়া জাতিৰ কল্যাণৰ কাৰণে অশেষ শ্ৰম কৰি অকালতে প্ৰাণ এৰা এই ব্যক্তিজনাৰ ব্যক্তিত্বৰ বৈশিষ্ট্যখিনি যদি আমি চালিজাৰি উলিয়াব পাৰোঁ, তাৰদ্বাৰাও আমাৰ জাতিৰ সেৱা কৰাই হয়।

আজিৰ পৰা ৪৪ বছৰ আগত (১৯২৯) নেওগৰ জন্ম হৈছিল। সৰুকাল ছোৱাত বৰ মেধাসম্পন্ন ছাত্ৰ নাছিল যদিও নিজৰ ভাষা-সাহিত্যৰ প্ৰতি বেছি শ্ৰদ্ধাৱান হোৱা কাৰণে অসমীয়া বিষয়ত আয়াসতে তেওঁ স্নাতকোত্তৰ হ'ব পাৰিছিল। অধ্যাপনাই আছিল নেওগৰ জীৱনৰ স্বভাৱসুলভ বৃত্তি। সুযোগ সুবিধা পোৱা ছাত্ৰসকলে উন্নত জীৱন গঢ়ি লবলৈ সুবিধা পায়। বিচাৰ কৰি চালে দেখা যায়, এনেসকলৰ ব্যক্তিৰ জীৱনৰ উন্নত পৰিবৰ্তনতকৈ কোনো সুযোগ সুবিধা নোপোৱা ছাত্ৰসকলৰ উন্নত পৰিবৰ্তনবোধৰ মূল্য বহুত বেছি। নেওগ যথেষ্ট সীমাবদ্ধতাৰ মাজত ডাঙৰ-দীঘল হৈছিল আৰু অতি কম সুযোগ-সুবিধাৰ মাজত জীৱন আৰম্ভ কৰিছিল; কিন্তু তেওঁৰ মনত সততে জিলিকি আছিল এটা উচ্চ আদৰ্শ। সেয়েহে তেওঁ বেচৰকাৰী স্কুল-কলেজত শিক্ষকতা কৰিও সাহিত্য-সেৱাৰ যোগেদি জাতিৰ সেৱাত আত্মনিয়োগ কৰিছিল। নেওগৰ এই হেঁপাহ ছাত্ৰ জীৱনতে পৰিলক্ষিত হৈছিল।

ভাষা একোটা জাতিৰ তথা একোখন সমাজৰ থাই পৰিচয়, আৰু সাহিত্য ইয়াৰ দৰ্শন। যি এই উক্তি উপলব্ধি কৰে তেওঁ ভাষা-সাহিত্যৰ উন্নতিৰ কাৰণে যেনেকৈয়ে পাৰে তেনেকৈয়ে অৰিহণা যোগায়। এটা জাতিৰ জনাখৰী জনৰ পৰা উচ্চ শিক্ষিত জনলৈকে সকলোলোকেই যেতিয়া এই কথা উপলব্ধি কৰে, তেতিয়াই সেই জাতি সবল-সুস্থ হৈ পৰে। কোনো সমাজত যেতিয়া এনে উপলব্ধি কম হৈ আহে, তেতিয়া যি তাৰ প্ৰচাৰ আৰু প্ৰসাৰ কৰাবলৈ চেষ্টা কৰে তেৱেঁই সাহিত্যিক বুলি পৰিগণিত হয়। এনে সাহিত্যিকে সাহিত্য ৰচনা কৰে, সাহিত্য পঢ়ে, পঢ়ুৱায় নাইবা আনক সাহিত্য সৃষ্টি কৰাত সহায় কৰে। অসম সাহিত্য সভা এনে এটা অনুষ্ঠান, যি কাৰ্য পৰিচালনা কৰে। এই অনুষ্ঠানৰ গুৰি ধৰোঁতাজন যে এজন সাহিত্যিক হ'ব তাত কোনো সন্দেহ নাই। স্বৰ্গীয় নেওগে দহ বছৰ কাল ইয়াৰ ব'ঠা ধৰিছিল আৰু সাহিত্য সভাৰ বুৰঞ্জীত এটি অবিস্মৰণীয় অধ্যায় সৃষ্টি কৰিছিল। তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে কৰিছিল যে অসম আৰু অসমীয়া জাতিৰ উন্নতি সাধন কৰিবলৈ হ'লে অসম সাহিত্য সভাক এক সবল সুস্থ অনুষ্ঠানৰূপে প্ৰতিষ্ঠা কৰিব পাৰিব লাগিব। তেওঁৰ কৰ্মৰ এটি সম্যক মূল্যায়ন অসম সাহিত্য সভাই নিশ্চয়ে কৰিব॥

নেওগ আছিল এজন সুসংগঠক। গঠনমূলক কৰ্মী এজনৰ থাকিব লগীয়া সকলোখিনি গুণ নেওগৰ আছিল। তেওঁৰ কেতিয়াও খং নুঠিছিল; অহংকাৰশূন্য ব্যক্তি। তোষামোদ তেওঁ বুজি নেপাইছিল। জ্ঞান-গৰ্বও তেওঁৰ নাছিল। সেই বাবে তেওঁ সকলোৱে প্ৰিয় পাত্ৰ আছিল আৰু সৰুবৰ সকলোৱে পৰা সজ পৰামৰ্শ লবলৈ কুণ্ঠাবোধ নকৰিছিল। বিভিন্ন ঠাইত সাহিত্য সভাৰ শাখা স্থাপন কৰি অসম সাহিত্য সভাৰ সৌষ্ঠৱ বৃদ্ধি

কৰিছিল আৰু জাতীয় ঐক্যত ইন্ধন যোগাইছিল। তেওঁ উপলব্ধি কৰিছিল যে অসমীয়া সমাজক আঁহফলা ৰোগে পীড়িছে আৰু এই ৰোগ উপশম কৰিবলৈ সকলোৰে মানসিক ভাৱসাম্যৰ প্ৰয়োজন হৈছে। ইয়াৰ কাৰণেই লাগে সংহতি আৰু সাহিত্য। তেওঁ বুজিছিল যে সংহতি সাহিত্যৰ মূল উপাদান। ইয়াৰ ভিত্তিতেই অসমীয়া ৰাইজে তেওঁক তেওঁৰ কৰ্মক্ষেত্ৰলৈ আগ বঢ়াই দিছিল।

কৰ্তব্য নিষ্ঠা নেওগৰ অন্যতম প্ৰধান গুণ। গ্ৰহণ কৰা দায়িত্ব সুসম্পন্ন কৰাত তেওঁ মৰিমুজি লাগিছিল। প্ৰায় একদশক জুৰি তেওঁ সাহিত্য সভাৰ বিভিন্ন দায়িত্ব যি নিষ্ঠাৰে সুসম্পন্ন কৰিছিল, তালৈ সকলোৰে মনোযোগ আকৰ্ষিত হৈছিল। এনেবিলাক গুণৰ কাৰণেই নেওগক ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আদৰি নি পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব নিযুক্ত কৰিছিল। সচিব হিচাপে যি নিষ্ঠা আৰু ক্ষিপ্ৰতাৰে কাৰ্য সম্পাদন কৰিছিল, সিও মন কৰিবলগীয়া। পাঠ্যপুথি প্ৰস্তুতিৰ কাম যি সময়ত খুব গধুৰ হৈ পৰিল, সেই সময়তেই নেওগ কৰ্কট ৰোগৰ দ্বাৰা আক্ৰান্ত হয়। এই অৱস্থাতেই তেওঁ দিল্লীত বিভাগীয় সভাত যোগদান কৰা কলিকতা আৰু গুৱাহাটীৰ পাঠ্যপুথি প্ৰস্তুতি সমিতিৰ কিতাপ ছপোৱা প্ৰেছবিলাক পৰিদৰ্শন কৰি কামৰ অগ্ৰগতিৰ খবৰ লোৱা প্ৰভৃতি কাৰ্য চলাই গৈছিল। প্ৰেছবিলাকে তেওঁৰ কাম আগ্ৰহেৰে কৰিছিল তেওঁৰ অধীনত কাম কৰা কৰ্মচাৰীসকলে নিষ্ঠাৰে কাম কৰিছিল অকল তেওঁৰ মোহনীয় আচৰণৰ বাবে। এয়া তেওঁৰ কৰ্তব্য-নিষ্ঠাৰ পৰিচয়। নিজৰ কৰ্তব্যৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা অশেষ। কৰ্তব্য সম্পন্ন কৰাত অশেষ শ্ৰম কৰি তেওঁ ভাগৰি নপৰিছিল। তেওঁ যদিও এজন দেশাত্মবোধসম্পন্ন লোক আছিল, তথাপি তেওঁ দেশৰ ৰাজনীতিত অংশ গ্ৰহণ নকৰি অকল সাহিত্য আৰু সংস্কৃতিৰ সেৱাতেই জীৱন অতিবাহিত কৰিছিল। সৎ সাহস তেওঁৰ কৰ্মনিষ্ঠাৰ মূল। সততা, বিনয় আৰু সৌজন্যবোধে তেওঁৰ ব্যক্তিত্বক মহান কৰি তুলিছিল।

নেওগে নিজে মৌলিক সাহিত্য সৃষ্টি কৰাতকৈ সুসাহিত্য আৰু সাহিত্যিকৰ প্ৰচাৰ আৰু বিচাৰ কৰা মূল্য কাম ৰূপেগ্ৰহণ কৰিছিল। তেওঁৰ সম্পাদনত যিমানবোৰ পুথি প্ৰণয়ন হ'ল, যিমান স্মৃতিগ্ৰন্থ ৰচিত হ'ল, যিমান সাহিত্যিকক সম্বৰ্ধনা জনোৱা হ'ল ই তাৰেই নিদৰ্শন। ইয়াত আছে নেওগৰ ত্যাগৰ আদৰ্শ, ত্যাগ কৰি ভোগ কৰাৰ নিদৰ্শন। এনে ব্যক্তিৰ কৰ্ম জীৱনৰ প্ৰেৰণাই একোটা জীয়াই থকা জাতিৰ মূল ধন। অসমীয়া ভাষা-সাহিত্যৰ একনিষ্ঠ সেৱক আদৰ্শবাদী হৰিপ্ৰসাদ নেওগ অসমীয়া জাতিৰে সৈতে চিৰজীৱী হওক। নেওগৰ সাধনাৰ জয় হওক।

---

"যি শাস্ত্ৰৰ সহায়ত মানুহে দুঃখময় সংসাৰত সুখময় ভাব লৈ, নানা বিষয়ক জ্ঞান লভি শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক উন্নতি সাধি অতি সুকলমে জীৱন নিয়াব পাৰে সেয়ে সাহিত্য।"

—অমৃতভূষণ দেৱ অধিকাৰী

---

# হৰিপ্ৰসাদ নেওগ ঃ ব্যক্তিত্ব আৰু প্ৰতিভা

শ্ৰীনন্দ তালুকদাৰ

হৰিপ্ৰসাদ নেওগ আছিল এগৰাকী শিক্ষাবিদ, সাহিত্যিক আৰু সংগঠক। অসম সাহিত্য সভাক এটি সক্ৰিয়, গতিশীল অনুষ্ঠানত পৰিণত কৰাত বৰঙণি যোগাওঁতাসকলৰ ভিতৰত হৰিপ্ৰসাদ নেওগ অন্যতম। নেওগ ডাঙৰীয়াই সুদীৰ্ঘ দহ বছৰ কাল একেৰাহে সহকাৰী সম্পাদক, প্ৰধান সম্পাদক আৰু ধনভঁৰালী-ৰূপে অসম সাহিত্য সভাৰ কাৰ্য নিৰ্বাহ কৰিছিল।

১৯৫৯ খৃঃৰ ১৯ এপ্ৰিলৰ পৰা নগাওঁত অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাদেৱৰ সভাপতিত্বত অসম সাহিত্য সভাৰ সপ্তবিংশ অধিবেশন অনুষ্ঠিত হয়। নগাওঁ অধিবেশনতে অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী প্ৰধান সম্পাদক আৰু হৰিপ্ৰসাদ নেওগ সহকাৰী সম্পাদক নিৰ্বাচিত হয়। তেতিয়াৰে পৰা সুদীৰ্ঘ পাঁচ বছৰ কাল নেওগ ডাঙৰীয়াই সহকাৰী সম্পাদক-ৰূপে কাৰ্য নিৰ্বাহ কৰে। ১৯৬০ খৃঃৰ ২৮ অক্টোবৰৰ পৰা পলাশবাৰীত সাহিত্য সভাৰ অষ্টাবিংশ অধিবেশন শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ সভাপতিত্বত অনুষ্ঠিত হয়। পলাশবাৰী অধিবেশনৰ পৰাই চাৰি বছৰ কাল সভাৰ প্ৰধান সম্পাদকৰ দায়িত্ব বহন কৰিছিল ডক্টৰ মহেশ্বৰ নেওগদেৱে। তেতিয়া আছিল সাহিত্য সভাৰ কাৰ্যকাল দুবছৰীয়া। ইয়াৰ পিছত গোৱালপাৰা (১৯৬১ খৃঃ), নাজিৰা (১৯৬৩খৃঃ) আৰু ডিগবৈত (১৯৬৪খৃঃ) সাহিত্য সভাৰ ঊনত্ৰিংশ, ত্ৰিংশ আৰু একত্ৰিংশ সন্মিলন অনুষ্ঠিত হয়। উক্ত অধিবেশন কেইখনত পৌৰোহিত্য কৰিছিল ক্ৰমে অধ্যক্ষ শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী (দ্বিতীয়বাৰ), বেণুকান্ত বৰকাকতী আৰু শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ ডাঙৰীয়াই।

ডক্টৰ মহেশ্বৰ নেওগদেৱ প্ৰধান সম্পাদক থকা কালছোৱাত তেওঁৰ বাসস্থান গুৱাহাটী হোৱা বাবে সাহিত্য সভাৰ যোৰহাটত থকা কেন্দ্ৰীয় কাৰ্যালয়ৰ দায়িত্ব বহন কৰিব লগা হৈছিল হৰিপ্ৰসাদ নেওগ ডাঙৰীয়াই।

ডক্টৰ নেওগে কাৰ্যভাৰ লোৱাৰ প্ৰথম বছৰতে ১৯৬১ চনৰ ১৬ এপ্ৰিলৰ পৰা সাহিত্য সভাৰ এটি সজাতি দলে টিৰাপ সীমান্ত অঞ্চল পৰিভ্ৰমণ কৰিছিল। সাহিত্য সভাৰ শুভেচ্ছা জ্ঞাপক এই দলটিত আছিল প্ৰধান সম্পাদক ডক্টৰ মহেশ্বৰ নেওগ, সহকাৰী সম্পাদক হৰিপ্ৰসাদ নেওগ আৰু অধ্যাপক লীলা গগৈ। সেই বছৰৰে ডিচেম্বৰ মাহৰ শেষ সপ্তাহত ডক্টৰ মহেশ্বৰ নেওগ, অধ্যক্ষ পৰাগধৰ চলিহা, অধ্যাপক লীলা গগৈ আৰু হৰিপ্ৰসাদ নেওগৰে গঠিত সাহিত্য সভাৰ এটি 'সন্দেহ বাহী দলে' লোহিত সীমান্তলৈ সাহিত্য সভাৰ সন্দেশ বাৰ্তা লৈ যায়।

পিছৰ বছৰত বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ নেতৃত্বত হৰিপ্ৰসাদ নেওগ আৰু অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামীৰে গঠিত এটি সজাতি দলে কাছাৰ জিলাৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল!

১৯৬২ খৃঃৰ জুলাই মাহতে হৰিপ্ৰসাদ নেওগে

বহন কৰিব লগা হয় ৰাধাকান্ত সন্দিকৈ স্মৃতি-সমিতিৰ সম্পাদকৰ দায়িত্ব। হৰিপ্ৰসাদ নেওগ সাহিত্য সভাৰ সহকাৰী সম্পাদক থকা কালছোৱাতে এনেভাৱে ভালে-মান দায়িত্বপূৰ্ণ পদত জড়িত হৈ পৰে।

১৯৬৫ খৃঃৰ ১৭ জানুৱাৰীৰ পৰা সাহিত্য সভাৰ দ্বাত্ৰিংশতম অধিবেশন নলবাৰীত অনুষ্ঠিত হয়। ডিম্বেশ্বৰ নেওগ এই অধিবেশনৰ সভাপতি। নলবাৰী অধিবেশনতে প্ৰধান সম্পাদক নিৰ্বাচিত হয় হৰিপ্ৰসাদ নেওগ। ইয়াৰ পিছত উত্তৰ লক্ষীমপুৰৰ ত্ৰয়স্ত্ৰিংশ সন্মিলন (১৯৬৬ খৃঃ মাৰ্চ), ডিব্ৰুগড়ৰ, চতুস্ত্ৰিংশ সন্মিলন (১৯৬৬ খৃঃ ডিচেম্বৰ) আৰু তেজপুৰৰ পঞ্চত্ৰিংশ (১৯৬৮ খৃঃ জানুৱাৰী) সন্মিলনত হৰিপ্ৰসাদ নেওগ পুনৰ প্ৰধান সম্পাদক-ৰূপে নিৰ্বাচিত হৈ একেৰাহে চাৰি বছৰ কাল সাহিত্য সভাৰ দায়িত্ব ভাৰ বহন কৰে। ১৯৬৯ খৃঃৰ ৮ ফেব্ৰুৱাৰীৰ পৰা বৰপেটাত সাহিত্য সভাৰ ষট্ ত্ৰিংশ সন্মিলন অনুষ্ঠিত হয়। বৰপেটা অধিবেশনত অধ্যাপক চৈয়দ আব্দুল মালিক প্ৰধান সম্পাদক আৰু হৰিপ্ৰসাদ নেওগ বনৰ্ভ ৰালী নিৰ্বাচিত হয়।

নেওগে প্ৰধান সম্পাদকস্বৰূপে অসম সাহিত্য সভাক এটি গতিশীল আৰু সক্ৰিয় অনুষ্ঠানত পৰিণত কৰিবলৈ উঠি পৰি লাগিছিল। সেয়েহে তেওঁ বিশেষ ভাৱে গুৰুত্ব দিছিল সংগঠন আৰু প্ৰচাৰত। সংগঠন আৰু প্ৰচাৰৰ বাবেই সাহিত্য সভাৰ পক্ষৰ পৰা প্ৰকাশ কৰিছিল এখন প্ৰচাৰ পত্ৰ।

নেওগ সহকাৰী সম্পাদক আৰু প্ৰধান সম্পাদক থকা কালছোৱা অসমীয়া জাতীয় জীৱনৰ এক ভাঙৰ সন্ধিক্ষণ। ১৯৬০ খৃঃৰ ভাষা আন্দোলনৰ পিছত অসম ৰাজ্যিক ভাষা আইন গৃহীত হোৱাত এই আইন কাৰ্যত পৰিণত কৰিবলৈ অসম ৰাজ্যিক চৰকাৰক সাহিত্য সভাৰ পক্ষৰ পৰা সঘনে সকীয়াই দিব লগা হৈছিল। ডক্টৰ মহেশ্বৰ নেওগদেৱে প্ৰধান সম্পাদক-ৰূপে সঘনে চৰকাৰক সকীয়াই থকাৰ পিছত এই মহান দায়িত্ব পৰিছিল উত্তৰ সাধক স্বৰূপে হৰিপ্ৰসাদ নেওগৰ ওপৰত। হৰিপ্ৰসাদ নেওগেও বিভিন্ন প্ৰতিনিধি দলৰ জৰিয়তে চৰকাৰক ৰাজ্যিক ভাষা আইন প্ৰয়োগৰ বাবে সকীয়াই থাকিব লগা হৈছিল।

অসম এখন সমস্যা বহুল দেশ। অসমৰ জাতীয় জীৱনৰ লগত সম্বন্ধ থকা সকলো ধৰণৰ সমস্যাতে আগ ভাগ বা নেতৃত্ব বহন কৰিব লগা হয় অসম সাহিত্য সভাৰ বিষয়ববীয়া সকলে। অসমৰ বুকুত আৰু এক জ্বলন্ত সমস্যাৰ সৃষ্টি হৈছিল ৰাজ্য পুনৰ গঠন লৈ। অসমৰ পাৰ্বত্য অঞ্চল অসমৰ বুকুৰ পৰা ফালৰি কাটি যাবলৈ যি এক আন্দোলন চলিছিল ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰে সৃষ্টি কৰা কিছুমান ভুল নীতিৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব লগা হৈছিল অসম সাহিত্য সভাই। ১৯৬৭ চনৰ ১১ মেই তাৰিখে ডক্টৰ মহেশ্বৰ নেওগ, নতুন অসমীয়াৰ সম্পাদক শ্ৰীহৰেন্দ্ৰ নাথ বৰুৱা আৰু প্ৰধান সম্পাদক হৰিপ্ৰসাদ নেওগক লৈ গঠিত এটি সজাতিদলে নতুন দিল্লীলৈ গৈ প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধী প্ৰমুখ্যে কেন্দ্ৰীয় মন্ত্ৰী মণ্ডলীক লগ ধৰি অসমৰ স্বাৰ্থৰ অনুকূলে সাহিত্য সভাৰ নীতিৰ কথা ব্যাখ্যা কৰে। ইয়াৰ পিছত কেন্দ্ৰীয় গৃহ-মন্ত্ৰী শ্ৰীৱাই বি চৱন গুৱাহাটীলৈ অহাত অধ্যাপক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা আৰু হৰিপ্ৰসাদ নেওগৰ নেতৃত্বত গঠিত এটি সঁজাতি দলে সমস্যাটো সম্পৰ্কে এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। অৱশ্যে এইবোৰ আবেদন-নিবেদনে কেন্দ্ৰীয় নেতৃবৃন্দৰ দৃষ্টি আকৰ্ষণ কৰিব নোৱাৰিলে। ফলত অসমৰ বুকুৰ পৰা খাচীয়া পাহাৰ আৰু গাৰো পাহাৰ কাটি নি মেঘালয় ৰাজ্য গঠিত হ'ল।

হৰিপ্ৰসাদ নেওগ প্ৰধান সম্পাদক থকা কাল-ছোৱাতে অৰ্থাৎ ১৯৬৫ খৃঃৰ ২৯ আগষ্টত ধুবুৰীত প্ৰমথ নাথ চক্ৰবৰ্ত্তীক, ৩১ অক্টোবৰ তাৰিখে গোৱহাটত দেবানন্দ ভৰালীক আৰু তাৰ পিছত তেজপুৰত মহাদেৱ শৰ্মাক সাহিত্য সভাৰ পক্ষৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়।

নেওগ প্ৰধান সম্পাদক থকা কাল ছোৱাৰ আন এটি উল্লেখ যোগ্য কৰ্ম হ'ল সাহিত্য সভাৰ স্বৰ্গত সভাপতিসকলৰ স্মৃতিত একোখনি স্মৃতিগ্ৰন্থ প্ৰণয়ন। তেওঁৰ কাৰ্যকালতে প্ৰাক্তন সভাপতি ডিম্বেশ্বৰ নেওগ, অম্বিকাগিৰী ৰায় চৌধুৰী, ৰঘুনাথ চৌধাৰী আৰু নকুল চন্দ্ৰ ভূঞাৰ লোকান্তৰ হয় আৰু তেওঁলোকৰ স্মৃতিত একোখনিকৈ স্মৃতিগ্ৰন্থ সংকলন কৰা হয়। এই স্মৃতি গ্ৰন্থ চাৰিখনৰ প্ৰধান সম্পাদক আছিল হৰিপ্ৰসাদ নেওগ আৰু সহযোগী সম্পাদক নন্দ তালুকদাৰ আৰু নগেন শইকীয়া। প্ৰতিগৰাকী সভাপতিৰে সাহিত্যৰাজি আৰু কৰ্মময় জীৱনৰ বিষয়ে সভাপতিসকলৰ ঘনিষ্ঠ সহ-যোগী আৰু বিজ্ঞ ব্যক্তিসকলৰ দ্বাৰা ৰচিত প্ৰবন্ধসমূহৰ উপৰিও, শোক-বাণী আৰু চিঠিপত্ৰ সমূহে স্মৃতি-গ্ৰন্থ কেইখনিৰ সৌষ্ঠৱ বঢ়াইছে।

১৯৬৭ খৃঃৰ নবেম্বৰ মাহত ২৪ আৰু ২৮ তাৰিখে অগাপিছাকৈ ৰজনীকান্ত বৰদলৈ আৰু চন্দ্ৰকুমাৰ আগৰ-ৱালাৰ শতবাৰ্ষিকী উছৱ কেন্দ্ৰীয় ভাৱে ক্ৰমে ডিব্ৰুগড়ত আৰু গুৱাহাটীত উদ্‌যাপন কৰা হৈছিল। বৰদলৈৰ শতবাৰ্ষিকী উছৱত সাহিত্য সভাৰ পক্ষৰ পৰা অধ্যাপক বীৰেন বৰকটকী সম্পাদিত ,ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ' আলোচনা গ্ৰন্থ এখনি আৰু অধ্যাপক হেমন্ত কুমাৰ শৰ্মা সম্পাদিত 'ৰজনী বৰদলৈ ৰচনা মালা' প্ৰকাশ হয়। চন্দ্ৰকুমাৰ আগৰৱালা শতবাৰ্ষিকী উছৱ উপলক্ষেও অধ্যাপক শশী শৰ্মা সম্পাদিত 'চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিভা' আৰু অধ্যাপক অতুলচন্দ্ৰ হাজৰিকা সম্পাদিত চন্দ্ৰকুমাৰৰ ৰচনা সংগ্ৰহ 'চন্দ্ৰামৃত'ৰ উপৰিও জ্যোতিপ্ৰসাদ আগৰৱালা ৰচিত 'চন্দ্ৰকুমাৰ আগৰৱালা' আৰু 'হৰিবিলাস আগৰৱালাৰ আত্মজীৱনী' এখনি প্ৰকাশিত হয়। সাহিত্য সভাৰ নিৰ্দেশত বিভিন্ন শাখা সভা আৰু স্কুল-কলেজত ছয়োটা উছৱ মহাসমাৰোহেৰে উদ্‌যাপন কৰা হৈছিল। দুয়োটা উছৱেই সাফল্যমণ্ডিত হোৱা আৰু বিবিধ পুথি আদি প্ৰকাশ পোৱাৰ মূলতে আছিল প্ৰধান সম্পাদক স্বৰূপে হৰিপ্ৰসাদ নেওগৰ পৰম নিষ্ঠা আৰু সুপৰিকল্পিত আঁচনি।



প্ৰধান সম্পাদক নেওগৰ কীৰ্তিস্তম্ভ স্বৰূপ কৰ্ম হ'ল সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উছৱ। বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী উছৱে অসমৰ চুকে কোণে আৰু অসমৰ বাহিৰত অসমীয়াৰ মনলৈ যি এক অভূতপূৰ্ব জাগৰণ আনি দিব পাৰিছিল, অসম সাহিত্য সভাক যি এক গতিশীল ৰূপ দিব পাৰিছিল আমাৰ যোযেৰে কোনো উছৱ অনুষ্ঠান--এনে অভূতপূৰ্ব জাগৰন আনি দিব পৰা নাছিল। বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱ কেৱল উছৱ হিচাপেই লেখত লব লগীয়া নহয়, এই উছৱক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন নগৰে-চহৰে সংকলন কৰা স্মৃতিগ্ৰন্থ আৰু আলোচনাবোৰে সাহিত্য সভাৰ গতিশীলতাৰ সাক্ষ্য দান কৰিব পাৰিছিল।

এই উছৱ উপলক্ষে সাহিত্য সভাৰ পক্ষৰ পৰাও প্ৰকাশ হৈছিল ভালেকেইখন মূল্যবান গ্ৰন্থ। অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাৰ সম্পাদনাত প্ৰকাশ হৈছিল বেজবৰুৱাৰ সমগ্ৰ ৰচনা ৰাজি দুটা খণ্ডত। ইয়াৰ উপৰিও 'অসমীয়া ভাষা আৰু সাহিত্য' আৰু 'কেহোঁকলি' (অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা) সম্পাদিত, 'সাহিত্যৰথী লক্ষীনাথ বেজবৰুৱা' ( অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামী সম্পাদিত ), 'প্ৰবন্ধ বাছনি' ( অধ্যাপক যতীন্দ্ৰ নাথ গোস্বামী সম্পাদিত ), 'বেজবৰুৱা প্ৰতিভা' ( অধ্যক্ষ মহেশ চন্দ্ৰ দেৱ গোস্বামী সম্পাদিত ), 'Religion of Love and Devotion', 'চিত্ৰলেখা', 'পত্ৰলেখা' আৰু 'দিনলেখা' ( ডক্টৰ নেওগ সম্পাদিত ) 'আমাৰ লক্ষীনাথ' ( শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা ), 'সাহিত্যৰথী বেজবৰুৱা' ( হিন্দী আৰু ইংৰাজী ) আৰু 'বেজবৰুৱাৰ বাণী' প্ৰকাশ হয়। প্ৰথম বাৰৰ বাবে সাহিত্য সভাৰ পক্ষৰ পৰা শ্ৰীকমল চৌধুৰীৰ পৰিচালনাত বেজবৰুৱাৰ জীৱনৰ ভেটিত এখনি তথ্য-চিত্ৰ যুগুত কৰা হৈছিল। প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় ডাক-তাঁৰ বিভাগে প্ৰকাশ কৰিছিল বেজবৰুৱাৰ ছবিৰে এটি ডাক টিকট।

অসমৰ বাহিৰত নতুন দিল্লী, কলিকতা আৰু উৰিষ্যাৰ চম্বলপুৰত সাহিত্য সভাৰ পক্ষৰপৰা শতবাৰ্ষিকী

উছৱ কেন্দ্ৰীয়ভাৱে পালন কৰা হৈছিল। নতুন দিল্লীৰ উছৱত তেতিয়াৰ ৰাষ্ট্ৰপতি ডক্টৰ জাকিৰ হুছেইন, কাকা চাহেব কালেলকাৰ আৰু তেতিয়াৰ শিক্ষামন্ত্ৰী ত্ৰিগুণা সেনৰ দৰে প্ৰবীণ ব্যক্তিসকলে যোগ দিছিল। কলিকতাৰ উছৱতো ডক্টৰ সুনীতি কুমাৰ চট্টোপাধ্যায়ে যোগ দিছিল। বিখ্যাত বঙালী সাহিত্যিক শ্ৰীঅন্নদা শঙ্কৰ ৰায়ে এই উছৱ উপলক্ষে অসমলৈ আহি অসমৰ ভালে কেইখন চহৰৰ উছৱত যোগদান কৰিছিল। বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱে অসম সাহিত্য সভা আৰু অসমীয়া ভাষা-সাহিত্যক অসমৰ বাহিৰত সুপ্ৰতিষ্ঠিত কৰিলে।

বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱ এনে অভুতপূৰ্বভাৱে সাফল্যমণ্ডিত হোৱাৰ মূলতে আছিল প্ৰধান সম্পাদক স্বৰূপে হৰিপ্ৰসাদ নেওগৰ অক্লান্ত শ্ৰম আৰু অদম্য কৰ্ম-প্ৰেৰণা। এই উছৱ নিয়াৰিকৈ উদ্‌যাপন কৰিবলৈ যিখন উছৱ সমিতি গঠন কৰিছিল সেই উছৱ সমিতিৰো প্ৰধান সম্পাদক আছিল হৰিপ্ৰসাদ নেওগ।

অৱশ্যে হৰিপ্ৰসাদ নেওগৰ কাৰ্যকালৰ অন্তত সাহিত্য সভাৰ ভালেকেইহাজাৰ টকাৰ ধাৰ হৈছিল। বেজবৰুৱাৰ শতবাৰ্ষিকী উছৱত অপৰিকল্পিতভাৱে ধন খৰচ কৰা বুলি বহুতে নেওগক কটু সমালোচনাও কৰিছিল। বহুতো বৰেণ্য সাহিত্যিক-জননেতাক লৈ এখন উছৱ সমিতি গঠন কৰা হৈছিল। এই উছৱ সমিতিত কেবাজনো উপসভাপতি, যুটীয়া সম্পাদক, সহকাৰী সম্পাদক আৰু সদস্য অন্তৰ্ভুক্ত কৰা হৈছিল। বৰ পৰিতাপৰ কথা উক্ত সদস্যসকলৰ বহুতেই বেজবৰুৱা উছৱৰ সকলো আঁচনি নিৰ্বিবাদে সমৰ্থন কৰি পিছত আকৌ ধাৰ লগা বাবে গা এৰা দি কটু সমালোচনা কৰা দেখা গৈছিল। যদি উছৱ উপলক্ষে অপৰিকল্পিতভাৱে ধন খৰচ কৰা বাবে প্ৰধান সম্পাদক স্বৰূপে হৰিপ্ৰসাদ নেওগ দায়ী তেন্তে উছৱ সমিতিৰ সদস্য সকলো তাৰ বাবে সমানে জগৰীয়া। কাৰণ সকলো কাৰ্য কৰা হৈছিল উছৱ সমিতিৰ অনুমোদন সাপেক্ষেহে।

দ্বিতীয়তে, নেওগৰ কাৰ্যকালত সাহিত্য সভাৰ যি ধাৰ হৈছিল সেই ধাৰ অকল বেজবৰুৱা উছৱৰ বাবে হোৱা ধাৰ নহয়। ইয়াৰ আগতে দুটা শতবাৰ্ষিকী উছৱ পালন কৰা হয়; তাৰ বাবে চাৰিখন গ্ৰন্থ প্ৰকাশ হয়। ইয়াৰ উপৰিও তেওঁৰ কাৰ্যকালত আৰু কেইখনমান পুথি প্ৰকাশ হৈছিল। এই গ্ৰন্থৰাজিৰ বাবে কোনো কালৰ পৰা অনুদান পোৱা নাছিল নাইবা ৰাইজৰ পৰাও দান সংগ্ৰহ কৰা হোৱা নাছিল। আনহাতে গ্ৰন্থৰাজি প্ৰকাশত কেবা হাজাৰ টকা খৰচ হৈছিল। ইয়াৰ ফলস্বৰূপে ধাৰৰ অংক বাঢ়ি গৈছিল। কিন্তু এনেবোৰ কাৰ্যৰ বাবে যি ধাৰ হৈছিল সেই ধাৰো পিছত পৰিশোধ হৈছিল প্ৰকাশিত গ্ৰন্থৰাজিৰ মূল্যৰে।

নেওগৰ সম্পাদক থকা কালছোৱাতে প্ৰকাশ হোৱা আন আন উল্লেখযোগ্য গ্ৰন্থসমূহ হ'ল বিংশ শতিকাৰ অসমীয়া সাহিত্য, অসমী সাহিত্য সভাৰ পঞ্চাশ বছৰ, মৃচ্ছকটিকা, শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া, চাহবাগিছাৰ অসমীয়া, সেউজীপাতৰ মাজে মাজে, প্ৰমথনাথ চক্ৰবৰ্তী, বিশ্বনাথ ৰাজবংশী আদি গ্ৰন্থ।

হৰিপ্ৰসাদ নেওগ আৰু লীলা গগৈয়ে যুটীয়াভাৱে সম্পাদনা কৰা এখনি উল্লেখযোগ্য পুথি 'অসমীয়া সংস্কৃতি' ( ১৯৬৬ খৃঃ )। অসমৰ ভালেকেইজন সংস্কৃতি প্ৰেমীৰ ৰচনাৰে পুথিখনি সমৃদ্ধ।

'চন্দ্ৰকুমাৰ আগৰৱালা' ( ১৯৬৭ খৃঃ ) হৰিপ্ৰসাদ আৰু ডম্বৰু কাকতীয়ে যুটীয়াভাৱে ৰচনা কৰা এখনি আলোচনা গ্ৰন্থ। ৭২ পৃষ্ঠাৰ পুথিখনিত চন্দ্ৰকুমাৰ আগৰৱালাৰ কবিতা আৰু শিল্পাদৰ্শ, প্ৰতিমা, বীণ-বৰাগী, ৰোমাণ্টিচিজম আৰু চন্দ্ৰকুমাৰ, চন্দ্ৰকুমাৰ আৰু ঐতিহ্য বিচাৰ আদি প্ৰধান শিতানত ভাগ কৰি চন্দ্ৰকুমাৰৰ কবিতাৰ আলোচনা কৰা হৈছে।

'বিশ্বনাথ ৰাজবংশী' ( ১৯৬৬ খৃঃ ) ৩৭ পৃষ্ঠাৰ হৰিপ্ৰসাদ নেওগে ৰচনা কৰা এখনি চমু জীৱন-চৰিত্ৰ। জীৱন-চৰিত্ৰখনিত ৰাজবংশীৰ জীৱনৰ পৰিচয়



উপৰিও আলোচনাৰ আন আন বিষয়সমূহ হল কাছাৰ জিলাখন, কাছাৰৰ খিলঞ্জীয়া অসমীয়াৰ সম্বেদ, অসম সাহিত্য সভা আৰু কাছাৰ জিলা!

নেওগ ডাঙৰীয়াই সম্পাদনা কৰা আন এখনি গ্ৰন্থ 'প্ৰমথনাথ চক্ৰবৰ্তী' ( ১৯৬৮ খৃঃ )। ধুবুৰীৰ সীমান্ত প্ৰহৰী স্বৰূপ এই গৰাকী ভাষা-সাহিত্যৰ প্ৰবীণ পূজাৰীৰ জীৱনৰ চমু পৰিচয় পুথিখনিত দাঙি ধৰা হৈছে। পুথিখনিত চক্ৰবৰ্তীৰ দুই এখন ভাষণ আৰু আন লিখকৰ ৰচনাও সন্নিবিষ্ট হৈছে।

১৯৬৭ খৃঃ তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ আলোচনাৰ বিষয় আছিল "শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া।" আলোচনা-চক্ৰৰ সভাপতি ডক্টৰ যোগীৰাজ বসু। আলোচনাত অংশ গ্ৰহণ কৰিছিল ডক্টৰ প্ৰসন্নচন্দ্ৰ গোস্বামী, অধ্যক্ষ মহেশচন্দ্ৰ দেৱ গোস্বামী আৰু ডাক্তৰ সুৰেন্দ্ৰনাথ শৰ্মাই। আলোচনা-চক্ৰৰ এই মূল্যবান ভাষণ কেইখন নেওগে নিজেই সম্পাদনা কৰি 'শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া' শীৰ্ষক পুথিখন প্ৰকাশ কৰিছিল।

নেওগ ডাঙৰীয়াই ৰচনা কৰা উল্লেখযোগ্য পুথি 'পদ্মনাথ গোহাঞি বৰুৱা' (১৯৭০ খৃঃ)। ২০৮ পৃষ্ঠাৰ এই জীৱন চৰিতখনি ৩৫টি অধ্যায়ত ৰচনা কৰিছিল। পুথিখনিত গোহাঞি বৰুৱাৰ বংশ-পৰিচয়, জন্ম, লৰাকাল, ছাত্ৰজীৱন, কৰ্মজীৱনৰ পৰিচয় পোৱা যায়। তদুপৰি পুথিখনিত তেজপুৰ পৌৰসভা, ৰাজনৈতিক জীৱন, সাংসাৰিক জীৱনৰ চমু পৰিচয়ৰ মাজেৰে গোহাঞি বৰুৱা মানুহজনৰ এখনি নিখুঁত চিত্ৰ দাঙি ধৰা হৈছে। পুথিখনিৰ শেষৰ ফালে গোহাঞি বৰুৱাৰ ৰচনা ৰাজিৰ আলোচনা আছে। পুথিখনি ডিব্ৰুগড় জিলা সাহিত্য পৰিষদে প্ৰকাশ কৰে।

হৰিপ্ৰসাদ নেওগ ৰচিত প্ৰথম জীৱনী গ্ৰন্থ 'ৰাধাকান্ত সন্দিকৈ' ( ১৯৬০ খৃঃ )। ৩০ পৃষ্ঠাৰ চমু জীৱন চৰিত-খনিত দানবীৰ ৰাধাকান্ত সন্দিকৈৰ জীৱনৰ পৰিচয়, জনহিতকৰ কাৰ্য, সাহিত্য সভা, সমাজ সেৱা, সাহিত্য চৰ্চা আদি বিভিন্ন শিতানত আলোচনা কৰা হৈছে। এই পুথিখন ৰচনা কৰাৰ সময়ত নেওগ ডাঙৰীয়া সাহিত্য সভাৰ সহকাৰী সম্পাদক আছিল।

ডিব্ৰুগড়ৰ পৰা নেওগৰ সম্পাদনাতে প্ৰকাশ হৈছিল 'গতিপথ' নামৰ এখন সাহিত্য-সংস্কৃতি বিষয়ক মাহেকীয়া কাকত। কেইটিমান সংখ্যা প্ৰকাশ হোৱাৰ পিছতে এই উচ্চ মানবিশিষ্ট আলোচনীখনৰ প্ৰকাশ বন্ধ হয়। হৰিপ্ৰসাদ নেওগে সম্পাদনা কৰা আন এখনি মাহেকীয়া আলোচনী 'সাহিত্য-দূত' ( মাৰ্চ ১৯৬৬ খৃঃ )। নেওগ ডাঙৰীয়াই 'জোৱাৰ' নামৰ আলোচনী এখনিও সম্পাদনা কৰিছিল।

হৰিপ্ৰসাদ নেওগৰ জন্ম ১৯২৯ খৃঃত যোৰহাটৰ ওচৰৰ কেন্দুগুৰিৰ এটি নিম্ন মধ্যবিত্ত পৰিয়ালত। দেউতাক শ্ৰীগোপালচন্দ্ৰ নেওগ আছিল এজন স্কুলৰ শিক্ষক। নেওগে মাতৃক হেৰুৱাইছিল নিচেই সৰুকালতেই।

নেওগে যোৰহাট চৰকাৰী হাইস্কুলৰ পৰাই প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত। উক্ত কলেজৰ পৰাই তেওঁ আই, এ, আৰু বি, এ, পাছ কৰে। কিছুদিন হাইস্কুলত শিক্ষকতা কৰিছিল। শিক্ষকতা কৰিয়েই তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম, এ ডিগ্ৰী লাভ কৰে।

নেওগ ডাঙৰীয়াই প্ৰথমতে গোলাঘাটৰ দেৱৰাজ ৰয় কলেজত আৰু পিছত যোৰহাটৰ দেবীচৰণ বৰুৱা কলেজত অধ্যাপনা কৰিছিল। এইখন কলেজতেই তেওঁ সৰহকাল আছিল। মাজতে কিছুদিন অস্থায়ীভাৱে যোৰহাটৰ জগন্নাথ বৰুৱা কলেজতো অধ্যাপনা কৰিছিল। যোৰহাটত নেওগ আদিৰ যত্নতেই খোলা হৈছিল এটি অসমীয়াৰ স্নাতকোত্তৰ শ্ৰেণী।

দেবীচৰণ বৰুৱা কলেজৰ পৰা গৈ কিছুকাল তেওঁ মৰিয়নী কলেজৰ অধ্যক্ষ স্বৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। মৰিয়নী কলেজৰ অধ্যক্ষ স্বৰূপে তেওঁ সৰহকাল থকা নাছিল। অধ্যাপনা কৰা কালচোৱাত নেওগ ডাঙৰীয়া

অসম কলেজ শিক্ষক সংস্থাৰ লগতো জড়িত আছিল। এসময়ত তেওঁ কলেজ শিক্ষক সংস্থাৰ সহকাৰী সম্পাদকৰ দায়িত্ব বহন কৰিছিল।

আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰণয়নৰ বাবে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ত একোখনি পাঠ্যপুথি প্ৰণয়ন সমিতি গঠন কৰা হৈছিল। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি প্ৰণয়ন সমিতিৰ সচিবৰ গধুৰ দায়িত্ব পৰিছিল হৰিপ্ৰসাদ নেওগৰ ওপৰত আৰু সেই দায়িত্ব তেওঁ সুকলমে পালন কৰিছিল। তেওঁ প্ৰায়বোৰ পাঠ্যপুথি পাঠ্য বছৰ আৰম্ভ হোৱাৰ পূৰ্বে প্ৰস্তুত কৰি উলিয়াইছিল। নেওগে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়খিনি পাঠ্যপুথিকে অসমৰ ছপাশালত ছপাবলৈ যত্ন কৰিছিল। যোৰহাট আৰু গুৱাহাটীৰ কেইবাটিও ছপাশালত পুথিবোৰ ছপাইছিল। এই কাৰ্যৰ অন্তৰালতো তেওঁৰ এটি মহান স্বদেশ প্ৰেম লুকাই আছিল। কথা প্ৰসঙ্গত তেওঁ কৈছিল, “আমাৰ অসমৰ ছপাশালত ছপালেহে আমি আঞ্চলিক ভাষা শিক্ষাৰ মাধ্যম কৰাৰ সাৰ্থকতা লভিম আৰু আমি স্বাৱলম্বী বুলি পৰিচয় দিব পাৰিম।” অৱশ্যে তেওঁ আটাইবোৰ পুথি অসমৰ ছপাশালত ছপা কৰিব পৰা নাছিল।

মাত্ৰ ছত্ৰিশ চাৰি বছৰ বয়সত যোৱা ১৯৭৩ চনৰ ১৯ ফেব্ৰুৱাৰী সোমবাৰে নিশা ৮.১০ বজাত এই গৰাকী অক্লান্ত কৰ্মীৰ—এটা কৰ্মময় জীৱনৰ লোকান্তৰ ঘটিল। মৰণে তেওঁক আমাৰ মাজৰ পৰা কাঢ়ি নিলে। জীৱনৰ এই চুটি সময় চোৱাৰ সুদীৰ্ঘ দহ বছৰ কাল তেওঁ সাহিত্য সভাৰ কামকেই অদম্য কৰ্ম প্ৰেৰণাৰে কৰি গ'ল।

নেওগ মানুহজন মানুহ হিচাপে আছিল অত্যন্ত সহজ সৰল, অমায়িক আৰু মিষ্টভাষী। সাহিত্য সভাৰ মহান দায়িত্বত থকা কাল ছোৱাত সেয়েহে ব্যক্তিগত ভাবে তেওঁৰ প্ৰতি কোনেও বিৰূপ মন্তব্য কৰা বা মানুহ হিচাপে তেওঁৰ ব্যৱহাৰত অসন্তুষ্ট হোৱা নাছিল।

নেওগে কোনো কামকে গাইগুটীয়া ভাবে বা স্বেচ্ছাচাৰী ভাবে নকৰি আলাপ-আলোচনা আৰু সকলোৰে সক্ৰিয় সহযোগত কৰিছিল। তেওঁ পৰিকল্পিত আঁচনিবোৰ ৰূপ দিবলৈ সদায় এচাম সক্ৰিয় আৰু উপযুক্ত ব্যক্তিক বাছি লব পাৰিছিল আৰু সেই ক্ষেত্ৰত তেওঁ কৃতকাৰ্যতাও লাভ কৰিছিল।

নেওগৰ নিচিনা এজন সুন্দৰ স্বাস্থ্যৱ মানুহে যে এনেদৰে ছত্ৰিশ চাৰি বছৰ বয়সতে নৰ-নাট সামৰিব সেইকথা কোনেও ভাবিব পৰা নাছিল। তেওঁ মৰমৰ জীয়ৰী জৰা, দীপা, একমাত্ৰ পানীকেচুৱা সন্তান, পত্নী শ্ৰীমতী নিৰুপমা নেওগ আৰু বৃদ্ধ পিতৃ শ্ৰীগোপাল চন্দ্ৰ নেওগক শোক সাগৰত পেলাই চিৰদিনৰ বাবে আঁতৰি গল।

---

“য'ত সুখ-দুখ, হাঁহোন-কান্দোন আদি সাৰ্বজনীন ভাৱৰ সমাবেশ সেয়ে বিশ্বসাহিত্য। অসমীয়াৰ সুখ-দুখ, আশা-নিৰাশা আৰু হঁহা-কন্দাৰ ছবি ফুটাই তুলিব পাৰিলেই সি বিশ্বসাহিত্যত ঠাই পাব।”

—ডক্টৰ সূৰ্যকুমাৰ ভুঞা।

# হৰিপ্ৰসাদ নেওগৰ সোঁৱৰণত

শ্ৰীবিনন্দ চন্দ্ৰ বৰুৱা

হৰিপ্ৰসাদ নেওগৰ অকাল বিয়োগ এটা ভাবিব নোৱাৰা কথা। সেই সুন্দৰ সুঠাম ডেকাজন এইদৰে হঠাৎ পৰলোক হোৱা বাতৰিটো অসমীয়া ৰাইজৰ মনত এটা সহজে পাহৰিব নোৱাৰা গভীৰ শোকৰ কথা হৈ পৰিছে। এইদৰে অকালতে আমি এনে ধৰণৰ আশাশুধীয়া দেশসেৱক কৰ্মী হেৰুৱাই আমাৰ ভৱিষ্যতৰ আশা-আকাঙ্ক্ষাত বিশ্বাস নোহোৱা হৈ পৰিছো। এনেবিলাক অভাবনীয় ঘটনাত মানুহৰ মন স্বাভাবিকতে দুৰ্বল হৈ পৰে, দেশৰ আৰু জাতিৰ সমস্যাপূৰ্ণ সন্ধিক্ষণত এনেবিলাক ঘটনাই জাতিৰ উন্নতিকামী সকলক শোকাভিভূত কৰে। ১৯২৯ চনৰ পৰাই অসম সাহিত্য সভাৰ সক্ৰিয় সভ্যৰূপে প্ৰায়েই থাকিবলৈ পাই ইয়াৰ কৰ্মীসকলৰ বিষয়ে ভালকৈ জানো। এই মহান অনুষ্ঠানটিক আগ বঢ়াই নিবলৈ যত্ন কৰোঁতা সকলৰ এজন হৰিপ্ৰসাদ নেওগ। আন সকলো কথা বাদ দিলেও ৺নেওগে প্ৰধান সম্পাদকৰূপে নেতৃত্ব লৈ সাহিত্যৰথী বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকী পালনৰ লগে লগে অসমীয়া জাতিৰ মাজলৈ যি অভূতপূৰ্ব জাগৰণ আনি অসমীয়া জাতিৰ সংহতি যেনে ধৰণে দৃঢ়তৰ কৰি তুলিলে তাৰ কাৰণে প্ৰতিজন অসমীয়াই নেওগক সুঁৱৰিব লাগিব। অৱশ্যে বহুতৰ সহায়-সহানুভূতি নহলে এনে বৃহৎ কাৰ্য কোনেও অকলে সুচাৰুৰূপে সমাধা কৰিব নোৱাৰে; তথাপি যাৰ ওপৰত নেতৃত্বৰ ভাৰ থাকে তেওঁ উপযুক্ত লোক নহলে আনৰ সহায় সহানুভূতি অথলে যায়। নেওগৰ অতুলনীয় খাটনি, অদম্য উৎসাহ আৰু সাহসে লগৰীয়া কৰ্মীসকলক ভালকৈয়ে প্ৰেৰণা দিব পাৰিছিল।

হৰিপ্ৰসাদ নেওগ এজন সভাগুৰনি, সৰলৰৈ, সাহসী, ত্যাগী আৰু নম্ৰস্বভাৱৰ লোক আছিল। এইবিলাক গুণেৰে তেওঁৰ ব্যক্তিত্বৰ প্ৰভাৱ আৱশ্যক মতে খটাব পাৰিছিল। তেওঁ সাহিত্য সভাৰ কৰ্মী সকলক, বিশেষকৈ শাখা-সভাবিলাকৰ বিষয়ববীয়া সকলক সাংগঠনিক কাৰ্যত আগবঢ়াই নিয়াত যথেষ্ট কৃতকাৰ্যতা লাভ ক'ৰিছিল, সাহিত্য সভাৰ নানা জটিলতাৰ ভিতৰত থাকিও তেওঁ সাহিত্য চৰ্চা কৰিবলৈ লৈছিল। সাহিত্য সভাৰ জটিল বিষয়বিলাক সমাধানৰ কাৰণে তেওঁ ব্যক্তিগতভাৱে বহুতৰ লগত আলোচনা কৰা কথা আমি জানো। আনুষ্ঠানিকভাৱে, এনে বিলাক আলোচনাত তেওঁৰ ধৈৰ্য অসীম; সুবিধা-অসুবিধা, ক্ষমতা, নিয়মতন্ত্ৰ আদিৰ বিষয় ভালকৈ নজনাকৈ কঠোৰভাৱে সমালোচনা কৰা লোক যেই সেই অনুষ্ঠানতে থাকে। সাহিত্য সভাতো তেনে লোক নোহোৱা নহয়। নেওগে সদায় ধৈৰ্য আৰু সহানুভূতিৰে এইবিলাকৰ সন্মুখীন হ'ব পাৰিছিল। তেওঁ কেবা বছৰো সহকাৰী সম্পাদকৰূপে আৰু চাৰি বছৰ প্ৰধান সম্পাদকৰূপে নিয়াৰিকৈ কাৰ্য চলোৱাত তেওঁৰ ধৈৰ্য আৰু দূৰদৰ্শিতা মন কৰিব লগীয়া।

১৯৫৮-৫৯ চনত মই যেতিয়া সাহিত্য সভাৰ প্ৰধান সম্পাদক আছিলো তেতিয়া নেওগ শিক্ষক। সেই বছৰৰ সহকাৰী সম্পাদক আৰু সম্পাদকৰ হৈ কেন্দ্ৰীয় কাৰ্যালয়ৰ ভালেখিনি কাম চলাৰ লগা শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে নেওগৰ উপযুক্ততা উপলব্ধি কৰি তেওঁৰ পৰা সাহিত্য সভাৰ কিছুমান কাম কৰাই লৈছিল। এই দৰেই নেওগে এই অনুষ্ঠানৰ বহুত কথা আগ-তীয়াকৈ জানিবলৈ পাইছিল। ১৯৫৯ চনৰ এপ্ৰিল মাহৰ ১৯।২০ তাৰিখ নগাঁৱত বহা সপ্তবিংশ অধিবেশনৰ সভাপতি আছিল অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা। সেই সভাতে মই নেওগক ভালকৈ চিনি পাওঁ। তেওঁ মঞ্চৰ ওপৰত শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীৰ ওচৰতে বহি সভাৰ আৱশ্যকীয় কাকত-পত্ৰ লিখি আছিল। সেই বছৰতেই অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামী প্ৰধান সম্পাদক নিৰ্বাচিত হয় আৰু হৰিপ্ৰসাদ নেওগ সহকাৰী সম্পাদক হয়। তেতিয়াৰ পৰাই তেওঁ সক্ৰিয়ভাৱে সাহিত্য সভাৰ কামত আত্মনিয়োগ কৰিবলৈ সুবিধা পায়; সাহিত্য সভাৰ সহকাৰী সম্পাদক আৰু সম্পাদকৰ পদত দীঘলীয়াকৈ থাকিবলৈ পাই নেওগ অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে বহুতৰ চিনাকি হৈ পৰিছিল আৰু বহুতে তেওঁৰ সান্নিধ্য লাভ কৰিবলৈ ভাল পাইছিল। এই সৰৱৰহী গুণৰ কাৰণেই তেওঁ সাহিত্য সভাখনো সৰ্বৱহী অনুষ্ঠানৰূপে আগবঢ়াই নিয়াত বহুতৰ শ্ৰদ্ধা আৰু মৰমৰ পাত্ৰ হৈ পৰিছিল।

১৯৬৬-৬৭ চনত অসম সাহিত্য সভাৰ সভাপতিৰ ভাৰ যেতিয়া আমাৰ ওপৰত পৰিছিল, তেতিয়া হৰিপ্ৰসাদ নেওগেই প্ৰধান সম্পাদক আছিল। তেওঁৰ লগত মিলি-জুলি এই মহৎ অনুষ্ঠানটিৰ গুৰি ধৰাত যি সন্তোষ পাইছিলো, তাক জীৱনত পাহৰিব নোৱাৰো। সভাপতি আৰু সম্পাদকৰ ভিতৰৰ সম্বন্ধটো সহোদৰ ভ্ৰাতৃৰ সম্বন্ধত পৰিণত হৈছিল। অলপ দিনৰ ভিতৰতে আমাৰ মাজত আত্মীয়তাৰ ভাব বেছি হৈ পৰিছিল। আমাৰ পৰিয়ালৰ সকলোৱে তেওঁক আপোনজনৰ দৰে ভাবিব পাৰিছিল। এনে মৰম-চেনেহৰ কাৰণেই নেওগক কোনোবাই বেয়া কথা কলে মই সহিবলৈ টান পাইছিলো। নেওগৰ যত্নত সেই বছৰ আজীৱন সভ্যৰ সংখ্যা বৃদ্ধি পায়; শাখা-সভাবিলাকৰ বহুতেই সক্ৰিয় হৈ পৰে; বেজবৰুৱা জন্ম-শতবাৰ্ষিকীৰ কামো আৰম্ভ হয়।

ব্যক্তিগতভাৱে হৰি প্ৰসাদ নেওগৰ অকাল বিয়োগে আমাক এজন সহৃদ বন্ধুৰ পৰা বঞ্চিত কৰিলে। তেওঁৰ উদ্যোগতে হ'ব বুলি আশা কৰা ভালেখিনি কামৰ কাৰণে চিন্তা কৰিব নোৱাৰা হৈ পৰিছো। আমি নেওগৰ আত্মাৰ শান্তিৰ অৰ্থে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা কৰি তেওঁৰ পৰলোকগত পবিত্ৰ আত্মাৰ উদ্দেশ্যে শ্ৰদ্ধাঞ্জলি আগ বঢ়ালো।

---

"সুন্দৰৰ আৰাধনা জীৱনৰ খেল।"

—চন্দ্ৰকুমাৰ আগৰৱালা।

# হৰিপ্ৰসাদ নেওগৰ ৰচনা

( স্বৰ্গীয় হৰিপ্ৰসাদ নেওগ দেৱৰ ৰচনাৰ চানেকি হিচাপে তলৰ প্ৰবন্ধটি প্ৰকাশ কৰা হ'ল। প্ৰবন্ধটি 'চন্দ্ৰকুমাৰ আগৰৱালা সাহিত্য প্ৰতিভা গ্ৰন্থ'ৰ পৰা সংগৃহীত।—সম্পাদক )

## চন্দ্ৰকুমাৰৰ কবি-মানস

**হৰিপ্ৰসাদ নেওগ**

বিংশ শতাব্দীৰ প্ৰথমাৰ্ধৰ অসমীয়া কবি মানস আৰু গতানুগতিক আধ্যাত্মিকতাৰ বিৰুদ্ধে কৰা কাব্যিক বিদ্ৰোহ যদি কোনো একক ব্যক্তিৰ প্ৰতিভাৰ প্ৰতিফলন বুলি ধৰা হয় তেতিয়া নিঃসন্দেহে কবি চন্দ্ৰকুমাৰ আগৰৱালাৰ নাম আমাৰ মনলৈ আহে। ঊনবিংশ শতাব্দীৰ একেবাৰে শেষ দশকত আৰু বিংশ শতাব্দীৰ প্ৰথমাৰ্ধত অসমৰ সাহিত্য ধাৰাত জাতীয় জীৱন প্ৰকাশত উদাৰ নৈতিক চেতনাৰ আধিপত্য বিস্তাৰৰ মাজেদি নৱজাগৃতিৰ সূচনা হ'ল। এক বিৰাট ঐতিহাসিক চেতনাৰ অন্তৰালত এই যুগৰ পতন হ'ল। এই চেতনা প্ৰসাৰিত হৈছিল ভাষাগত প্ৰতিষ্ঠা, যুৱমানসৰ বিস্তাৰ আৰু ৰোমাণ্টিক কাব্যিক উচ্ছ্বাসৰ মাজেদি। একোজন সাৰ্থক কবি-শিল্পীৰ সাৰ্থক সৃষ্টিৰ মাজেদি একোটা কালৰ প্ৰতিচ্ছবি যথাযথ ৰূপত ফুটি উঠা দেখা যায়। চন্দ্ৰকুমাৰৰ যুগৰ সাৰ্থকতা বহুলাংশে নিৰ্ভৰশীল মানুহৰ চেতনাৰ সীমা পৰিবৰ্ধনৰ অৰ্থত হে।

যিটো কালত খণ্ডিতভাৱে জীৱনৰ প্ৰাত্যহিক তুচ্ছতাকো মহত্তম শিল্প-সম্ভাৰৰ প্ৰকাশপথলৈ আদৰি অনাৰ এক ঐতিহাসিক প্ৰচেষ্টা সমগ্ৰ ভাৰতবৰ্ষ জুৰি গ্ৰহণ কৰা হৈছিল সেই নৱ উন্মেষণৰ কালৰ কবি আছিল চন্দ্ৰকুমাৰ। এই কালছোৱাত ভাৰতবৰ্ষত যি নৱজাগৰণৰ সূচনা হ'ল সি অৱশ্যে আমাৰ স্বাধিক প্ৰজ্ঞাক মুকলিকৈ প্ৰকাশ কৰিব নোৱাৰিলে আৰু আনহাতে সৰ্বাত্মক মুক্তিৰ পথ সৃষ্টিৰ প্ৰশস্ত ক্ষেত্ৰ এখনো উদ্ধাৰ কৰিব নোৱাৰিলে। অৱশ্যে এই অক্ষমতাৰ ঐতিহাসিক কাৰণো আছিল। সেয়েহে চন্দ্ৰকুমাৰৰ দৰে ভাৰতবৰ্ষৰ প্ৰান্তীয় কবি-সাহিত্যিক সকলৰ দুৰ্বলতা বা অক্ষমতাক এই ক্ষেত্ৰত সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিব নোৱাৰি। কিয়নো এই যুগৰ কবি-শিল্পীৰ চিন্তত প্ৰতিফলন হৈছিল অসীমৰ ক্ষুধাৰ কথা বা চৰম নিবৃত্তিৰ কথা। জীৱনৰ প্ৰাত্যহিক তুচ্ছতাখিনি এই যুগৰ সাহিত্যৰ বুকুত প্ৰতিষ্ঠিত হোৱাৰ সুযোগ নাছিল বা মানুহৰ সঁচা পৰিচয়ৰ আৰু দুখৰ নিবৃত্তিৰ বস্তু গুণগত বিচাৰধাৰা ইয়াত হোৱা নাছিল। কিন্তু চন্দ্ৰকুমাৰৰ দৰে প্ৰান্তীয় কবিসকলৰ ৰচনাত, ভাৰতবৰ্ষৰ নৱজাগৰণৰ মূল সোঁতধাৰাৰ কিছু অংশত মানুহৰ সৰ্বাত্মক মুক্তিৰ আৰু পূৰ্ণত্ব স্থাপনৰ লক্ষ্যৰ আধাৰ সোমাই আছিল। সেয়েহে চন্দ্ৰকুমাৰে ৰাখিছিল মানুহৰ ওপৰত গভীৰ আস্থা আৰু ঐতিহ্যগত বিশ্বাস আৰু এই আত্মবিশ্বাসৰ বাবে চন্দ্ৰকুমাৰৰ কাব্যকৃতী আন সকলো ৰোমাণ্টিক কবিৰ কাব্য তৰঙ্গৰ ওপৰত।

সকলো সৃষ্টিৰ মূলতে একোটি কালৰ দ্যোতনা থাকে। কালক চেৰাই কোনেও কালোত্তৰ বস্তু-সত্তাৰ সৃষ্টি কৰিব নোৱাৰে। এই সৃষ্টিৰ বাবে লাগিব স্বয়ংচালিত এক যান্ত্ৰিক পদ্ধতি, যি পদ্ধতি হ'ব লাগিব এক ঐতিহাসিক চেতনা আৰু কালৰ দ্যোতনাৰে মুখৰিত।

অসমীয়া ৰোমাণ্টিক যুগৰ স্ৰষ্টা আৰু ভেটি নিৰ্মাণ কৰোঁতাসকলৰ ভিতৰত চন্দ্ৰকুমাৰ অন্যতম। চন্দ্ৰকুমাৰ আগৰৱালাৰ যুগটো আছিল অসমীয়া ভাষাক বঙ্গ ভাষাৰ গৰাহৰ পৰা উদ্ধাৰ কৰি আত্মপ্ৰতিষ্ঠা কৰাৰ যুগ। অসমীয়া ভাষাৰ আত্মপ্ৰতিষ্ঠাৰ এই সময় ছোৱাত নৱ-সৃষ্টিৰ বোধন আৰম্ভ কৰিছিল চন্দ্ৰকুমাৰেই। এই যুগৰ প্ৰত্যেকজন স্ৰষ্টাৰে আমাৰ ভাষা-সাহিত্যৰ প্ৰতি এক নিজস্ব বৰঙণি আছে। এই বৰঙণি এক ঐতিহাসিক তাৎপৰ্যেৰে ৰমণীয়। আধুনিক অসমীয়া সাহিত্যৰ নিৰ্মাতাসকলৰ ভিতৰত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ৰমাকান্ত চৌধুৰী, সত্যনাথ বৰা, ভোলানাথ দাস, লম্বোদৰ বৰা কেৱল বাটকটীয়াই নহয়, এওঁলোকৰ সৃষ্টিৰ বস্তু-সম্ভাৰে চন্দ্ৰকুমাৰক অনুপ্ৰাণিত কৰিছিল। সেয়েহে চন্দ্ৰকুমাৰ আগৰৱালাৰ কৱিমানসত পূৰ্বৱৰ্তী দলৰ আপোন কাব্য-সাধনাৰ বস্তুচেতনা প্ৰতিফলিত হৈছিল। এই দৃষ্টিৰে বিচাৰ কৰিলে চন্দ্ৰকুমাৰক এজন যুগৰ আৰম্ভকীয় দায়িত্বশীল লেখক বা শিল্পী বুলিয়েই পৰিচয় সীমাবদ্ধ কৰিব নোৱাৰি, তেওঁৰ পৰিচয়ৰ সীমা তেওঁৰ কাব্য সাধনাৰ যথাৰ্থতাটোক ( authenticities ) ব্যাপ্ত কৰিব পাৰি।

চন্দ্ৰকুমাৰ কালধৰ্মী আৰু আত্মবিশ্বাসী। তেওঁৰ কৱিতাৰ দুয়োটা ধাৰা মানৱতাবাদ আৰু ৰোমাণ্টিক উচ্ছ্বাস এই বিশ্বাসেৰে দৃঢ়ীভূত হৈছিল। আগতে কৈ অহা হৈছে যে এই যুগটো অসমীয়া সাহিত্যৰ আধুনিক যুগ। কিন্তু আধুনিকতাৰ নামত চন্দ্ৰকুমাৰে মানুহৰ সমাজলৈ আনিলে সমতাৰ বাণী। সমতা আৰু ঐতিহ্যচেতনা তেওঁৰ কাব্যৰ মূল উৎস। চণ্ডীদাসে বিশ্বাস কৰা 'সবাৰ ওপৰে মানুষ সত্য তাহাৰ ওপৰে নাই'ৰ দৰে চন্দ্ৰকুমাৰেও বিশ্বাস কৰিছিল এই বুলিয়েই যে মানুহৰ দুঃখ নিবৃত্তিৰ বাবে লাগে গতিশীল এক জীৱন-প্ৰৱাহ। বৌৱতী সুঁতিৰ দৰে জীৱনক নিত্যপ্ৰৱাহমান কৰিব নোৱাৰিলে গভীৰতা উপলব্ধি কৰিব নোৱাৰি। সেইবাবে মানুহৰ দুঃখত তেওঁৰ অন্তৰে কান্দিছিল; কিন্তু তাৰ প্ৰতিকাৰ তেওঁ বিচাৰি পোৱা নাছিল।

আচলতে সেই যুগত কোনো কবি-শিল্পীয়ে প্ৰতিকাৰৰ কথা চিন্তা কৰা নাছিল। ব্যক্তিনিষ্ঠ বা বস্তুনিষ্ঠ ৰচনাত আত্ম উপলব্ধি বা বহিঃজগতৰ বৰ্ণনা প্ৰকট কৰিছিল, কিন্তু তাতকৈ আগবাঢ়ি তেওঁলোকে সমাধানৰ বাট বিচাৰিবলৈ প্ৰয়াস কৰা নাছিল। সেইবাবে ৰোমাণ্টিক কৱিসকলক এক শ্ৰেণী সমালোচকে পলায়নবাদী বুলি আখ্যা দিছিল।

চন্দ্ৰকুমাৰক অৱশ্যে এই আখ্যা দিব নোৱাৰি এই বাবেই যে, ৰোমাণ্টিক উচ্ছ্বাসত ৰচনা কৰা কাব্যৰাজি কল্পনাৰ সম্যক আভাসে দীপ্ত হলেও সেয়া হ'ল এক সৃজনী কল্পনা আৰু ইয়াৰ ওপৰতো আছে কৱিৰ নিজা অন্তৰ্দৃষ্টি। কৱিয়ে নিজে উপলব্ধি কৰা সকলোখিনি সমস্যাৰ লগত পাঠকৰ পৰিচয় কৰোৱাৰ আকাঙ্ক্ষা প্ৰকাশ পাইছে। সেই কালৰপৰা কৱিৰ ৰচনাত এক হৃদয় সংবাদী আবেদন আছে। গতিকে সচৰাচৰ ৰোমাণ্টিক কৱিৰ ভিতৰত চন্দ্ৰকুমাৰ আছিল ব্যতিক্ৰম।

# বিশ্বসংহতিত আৰবী ভাষা

অধ্যাপক চৈয়দ মকিবৰ ৰহমান

পৃথিৱীৰ ভাষাসমূহৰ আঁতিগুৰি বিচাৰিবলৈ গলে আমি জানিব পাৰোঁ যে, এই ভাষাসমূহ প্ৰত্যেকেই কিছুমান নিৰ্দিষ্ট দল বা গোষ্ঠীৰ মাজৰ পৰা বিকাশিত হোৱা। আজি বিশ্ববাসীৰ মাজত সংহতি স্থাপন কৰা আৰবী ভাষাৰ আঁতিগুৰি হ'ল ছেমিটিক গোষ্ঠী বা দ'ল (Semitic Group), যেনেকৈ অসমীয়া ভাষা বা উত্তৰ ভাৰতৰ ভাষাসমূহৰ মূল ইণ্ডো-এৰিয়ান (Indo-Aryan Group)। ছেমিটিক ভাষাসমূহ প্ৰধানকৈ মধ্য এছিয়াত বিস্তাৰিত হৈছিল। এই ভাষাসমূহে মূলতঃ হিব্ৰু, বেবিলনিয়ান, ফিনিচিয়ান, আৰমাইক, ছিৰিয়াক, অবিছিনিয়ান, ইত্যাদি।

আধুনিক আৰবী ভাষা সাহিত্য-জগত বিকাশ সাধন কৰিছিল প্ৰায় ৫০০ খৃষ্টাব্দৰ পৰা। এই সময়ছোৱাত আৰবী ভাষা-সাহিত্যই আন আন ছেমিটিক ভাষা সমূহক চেৰ পেলাই সৰ্বশ্ৰেষ্ঠ আসন লাভ কৰিছিল। এই ক্ষেত্ৰত আৰবী সাহিত্যত পোন প্ৰথমে অৰিহণা যোগালে গ্ৰীক সাহিত্যই। কিয়নো আৰব দেশৰ পণ্ডিতসকলে গ্ৰীক সাহিত্যৰ পৰা পোনতে আৰবী ভাষালৈ উৎকৃষ্ট বিজ্ঞান, দৰ্শন, জ্যোতিষ-বিদ্যা আদিৰ কিতাপবোৰ অনুবাদ কৰিছিল, তাৰ পিছত আৰব দেশৰ নীল নদীৰ উপত্যকাত এটি প্ৰাচীন সভ্যতা গঢ়লৈ উঠিছিল। তাৰ লগে লগে এই সভ্যতাই পাশ্চাত্য দেশসমূহক সজাগ কৰি দিলে—নৱ জাগৰণৰ বাবে। পাশ্চাত্য সভ্যতাৰ নৱ জাগৰণৰ মূল ভেটি হ'ল—কৰদভা আৰু গ্ৰানাডা নামৰ বিশ্ববিদ্যালয় দুখন; সেই বিশ্ববিদ্যালয় দুখনত আৰব পণ্ডিতসকলে আৰবী ভাষাৰ মাধ্যমেৰে সাহিত্য, দৰ্শন, বিজ্ঞান আদি শিক্ষাদান দিছিল। মধ্যযুগৰ আগভাগৰ পৰা আৰববাসীয়ে মানৱৰ উন্নতিৰ হকে যিখিনি অৰিহণা যোগাইছিল সেইখিনি জগতবাসীৰ কাৰণেই চিৰ স্মৰণীয়।

## আৰবী ভাষা আৰু সাহিত্য ঃ

আৰবী ভাষাৰ আৰম্ভণিতে কবিতা চৰ্চা বিশদভাৱে হৈছিল। ৫০০ খৃষ্টাব্দৰ পৰা ৬২২ খৃষ্টাব্দলৈ এই কাল ছোৱাত আৰবী সাহিত্যই উৎকৃষ্ট কবিতাৰ মাধ্যমেৰে বিকাশ সাধন কৰিছিল। কবিতাৰ মাধ্যমেৰে সৰ্ব-সাধাৰণ মানুহৰ অভাব-অভিযোগ আদি প্ৰকাশ পাইছিল। এইদৰে আৰবী সাহিত্যৰ ৰূপ বিশেষকৈ সাত গৰাকী কবিয়ে বাকৈকৈয়ে প্ৰদান কৰিলে। তেওঁলোকৰ সাতোটি কবিতাক শ্ৰেষ্ঠ কবিতা বুলি আখ্যা দিয়া হ'ল আৰু ইয়াক "মুকুতাৰ সাতসৰী" বুলি অভিহিত কৰা হ'ল। এই সময়তে যি উৎকৃষ্ট গীতি-কবিতা (ode) ৰচিত হৈছিল তাক বিখ্যাত (Iliad and Odyssey) "ইলিয়ড আৰু ওডিছি"ৰ লগত বিজ্ঞাব পাৰি। ইয়াৰ পিছত প্ৰায় দুকুৰি বছৰ (৬১২-৬৬১) ধৰি আৰবী সাহিত্যত প্ৰধানকৈ ইছলাম ধৰ্মৰ বাণী, নিয়ম-কানুন আদিয়ে বিকাশ লাভ কৰিছিল। এই সময়

ছোৱাত মহম্মদ (দঃ)এ বিজ্ঞান চৰ্চাৰ বিষয়ে কৈছিল, বিজ্ঞান চৰ্চা কৰা, কিয়নো যিয়ে বিজ্ঞান চৰ্চা কৰে, তেওঁ আল্লাহ পাকক ভয় কৰে, যিয়ে ইয়াক প্ৰচাৰ কৰে; তেওঁ যেন দক্ষিণা দিলে, আৰু দয়া-সন্মানৰ গৰাকী হ'ল।" ৬৬১ খৃষ্টাব্দৰ পৰা ৭৫০ খৃষ্টাব্দলৈ এই কালছোৱাত বিশেষকৈ গল্প-সাহিত্যৰ বিকাশ সাধন হৈছিল। বিশ্ববাসীৰ হৃদয়স্পৰ্শী আলিফ লাইলা, লাইলা মজনু আৰু আন আন বহুত ভাল ভাল কিতাপ এই সময়ছোৱাত লিখা হৈছিল। আৰবী ভাষা আৰু সাহিত্যৰ সোৱাদ বিশ্ববাসীয়ে লবৰ কাৰণে কিছুমান ভাষাচিহ্ন আবিষ্কাৰ কৰা হৈছিল। আৰবী সাহিত্য বহলভাবে বিকাশ সাধনৰ বাবে আনকি কুফা আৰু বছৰা নামে দুখন ঠাইত দুখন ডাঙৰ পঢ়াশালিও পতা হৈছিল।

৭৫০ খৃঃৰ পৰা ১২৫৮ খৃঃলৈ এই কালছোৱাত আৰবী সাহিত্যৰ সোণালী যুগ বুলি কোৱা হয়। এই সময়খিনিতে আৰবী সাহিত্যই বিজ্ঞান, গণিত, জ্যোতিষ-বিদ্যা, দৰ্শন, বুৰঞ্জী আদি সকলো বিষয়তে সম্পূৰ্ণভাৱে পৰিপক্কতা লাভ কৰিছিল। এই বিষয় জাকি আলিয়ে তেওঁৰ 'ইছলাম ইন্ ডি ৱৰ্ল্ড' (Islam in the World) নামৰ কিতাপখনত উল্লেখ কৰিছে— "ভাৰতীয় গণনা পদ্ধতিৰ আলম লৈ আৰৱবাসীয়ে পোনতে গণিতশাস্ত্ৰ আবিষ্কাৰ কৰিছিল। শূন্য সংখ্যাটো দ্বাদশ শতিকালৈ পৃথিৱীত আবিষ্কাৰ হোৱা নাছিল। তাৰ পিছত 'মহম্মদ বিন মুচা' নামৰ এজন আৰৱ গণিতবিদে ইয়াক আবিষ্কাৰ কৰিছিল। আজিৰ এলজেব্ৰাও তেওঁলোকৰেই সৃষ্টি। 'ত্ৰিগোনোমেট্ৰি'ৰ (Trigonometry) উন্নতিকল্পে তেওঁলোকে "ছাইন" (Sine) টেনজেণ্ট (Tangent) আৰু কোটানজেণ্ট (Cotangent) আদি আবিষ্কাৰ কৰিছিল। ইয়াৰ উপৰিও জ্যোতিষ-বিদ্যাৰ হকে তেওঁলোকে বহু কাম কৰিছিল। গ্ৰীক দাৰ্শনিক ডলমিৰ আৰ্হিলৈ আৰৱ খলিফা মামুনেও বাগদাদ চহৰত যন্ত্ৰপাতিৰে সুসজ্জিত এটি যন্তৰ-মন্তৰ (Spyendid of Servetory) সজাইছিল। আৰৱ পণ্ডিতসকলে ৰসায়ন বিদ্যা চৰ্চা কৰি পটাছিয়াম, নাইট্ৰেট এচিড, ছালফিউৰিক এচিড, কৰোচিভ ছাবলিমেট, নাইট্ৰিক এচিড, আৰছেনিয়াচ এচিড, মাৰকিউৰিক ক্লোৰাইড আৰু ছিলভাৰ নাইট্ৰেট আদি দ্ৰব্যৰ প্ৰস্তুতি, গুণাগুণ আৰু ব্যৱহাৰৰ বিষয়ে জানিছিল আৰু সেই বিষয়ে তেওঁলোকে লিখি গৈছিল। এইদৰে এনে এটি সময়তে আৰৱ সাহিত্য আৰু সভ্যতা উন্নতিৰ উচ্চ শিখৰলৈ আগবাঢ়ি গৈছিল যেতিয়া গ্ৰীক সভ্যতাই লাহে লাহে ধ্বংসৰ ফালে গতি কৰিছিল।"

ইয়াৰ উপৰিও হাদিছ সাহিত্যই চৰম ৰূপ লৈছিল মুছলিম চৰিফ, বোখাৰী চৰিফ, তিৰমিজি চৰিফ, আবু দাউদ, ইবনে মাজা, আন্নাচাই আদি বিখ্যাত "চহিহ চিত্তাৰ" দ্বাৰা। আধুনিক ধৰনসনা কাব্য-সাহিত্য উন্নত ৰূপত দাঙি ধৰিছিল আৰৱ কবি মুতানাব্বি, আবু নুৱাচ, আবুল আতাহিয়া, আবুল আলা আলম'ৰি আবু তামাম আদিয়ে। দৰ্শন বিদ্যাত অবিহণা জোগাইছিল বিখ্যাত দাৰ্শনিক ইমাম গাজ্জালি, আলকিন্দি, ইবনুল আৰবী, ইবনে-চেনা আদিয়ে। এওঁলোক গ্ৰীক দাৰ্শনিক এৰিষ্টটল, গেলেন, টোলেমি আদিৰ দৰ্শন চৰ্চা কৰি আৰবী ভাষালৈ তৰ্জমা কৰিছিল। নাট্য সাহিত্যৰ শ্ৰেষ্ঠ ৰূপ দিছিল বদিউজ্জামান হামদানী আৰু হাৰিৰিয়ে। গল্পসাহিত্য চহকী কৰিছিল আবুল ফজল ইস্পাহানীয়ে লিখা 'কিতাবুল আঘানী', মহম্মদ ইচাকে লিখা 'আলফিহাৰিছ' আৰু ইবনে মুকাফ্ফাই সংস্কৃত ভাষাৰপৰা ভাঙনি কৰা "কালিলা ওয়া ডিমনা" আদি কিতাপৰ দ্বাৰা। আৰৱৰ বিখ্যাত ভূগোল আৰু বুৰঞ্জীবিদসকল আলমাচুদি, ইবনে খালডুন, আল ওৱাকিদি, আলবালাজুৰি, ইয়াকুট, ইবনে খুৰদাদবিহ, আলমুকাদ্দাছি, আল বেৰুণি প্ৰভৃতিয়ে পৃথিৱীৰ জল আৰু স্থলভাগৰ বহু ঠাই ভ্ৰমণ কৰি ভূমণ্ডল আৰু বিশ্ব ইতিহাসৰ সবিশেষ বিৱৰণ লিখি গৈছিল। আকৌ আৰবী সাহিত্যৰ ৰহস্যবাদ (Sufism)ৰ সৃষ্টি কৰিছিল হাছান আল বাচৰা, ইমাম গাজ্জালি, ইব্ৰাহীম বিন আধাম, আৰু তপস্বিনী ৰাবিয়া প্ৰভৃতিয়ে।

**আৰবী ভাষা আৰু ইছলাম ঃ**

আৰবী ভাষাৰ লগত ইছলাম ধৰ্মৰ ওতপ্ৰোত সম্বন্ধ। ইছলামৰ মূল ধৰ্মগ্ৰন্থ পবিত্ৰ কোৰ-আন আৰু হজৰত মহম্মদ (দঃ)ৰ আদৰ্শ বাণী আদি সকলো আৰবী ভাষাতে লিখা হৈছিল। বিশ্বৰ প্ৰায় দেশৰ মানুহে কম বেছি পৰিমাণে এই ভাষা অন্ততঃ ধৰ্মৰ উদ্দেশ্যে শিকিবলৈ অত্যাৱশ্যক হৈ পৰে। কিয়নো পৃথিৱীৰ প্ৰত্যেক দেশৰ ৰাইজে যেতিয়া এই ধৰ্মৰ ৰীতি-নীতি পালন কৰিব লগা হয় নাইবা দৈনিক পাঁচ বাৰকৈ নামাজ সমাধা কৰে, তেতিয়া এই সকলোবোৰ অনুবাদ পবিত্ৰ আৰবী ভাষাৰ মাধ্যমেৰেহে কৰা হয়। গতিকে পবিত্ৰ কোৰ-আন বা ইছলাম ধৰ্মৰ নিয়ম নীতি জানিবলৈ এই আৰবী ভাষাই বিশ্বৰ আন আন ভাষাভাষী মানুহক ধৰ্মৰ নামত একতাবদ্ধ কৰি তুলিছে। ইছলাম সমাজত লৰা-ছোৱালী জন্ম পোৱাৰ লগে লগে কিছুমান আৰবী শব্দ শ্ৰৱণ কৰোৱা হয়। যেনে— "লা-ইলাহা ইল্লা-ল্লাহ মুহাম্মাদুৰ ৰছুলুল্লাহ"। কিয়নো এইবোৰ আল্লাহপাকৰ বাণী আৰু দেৱদূত জিব্ৰাইলৰ হতুৱাই মানৱ সমাজত প্ৰদান কৰা হৈছিল। যি সকলে এই ভাষা নাজানে তেওঁলোকে "আলিমৰ" দ্বাৰা শিক্ষা লয়। সেয়েহে মুছলিম সমাজত সৰু লৰা-ছোৱালীবোৰকে আদি কৰি আৰবী শিক্ষা দিয়াৰ বাবে ঠায়ে ঠায়ে সুকীয়া মোক্তব, মাদ্ৰাছা, আৰবী কলেজ আদিৰ ব্যৱস্থা আছে।

ইছলাম বুৰঞ্জী, ধৰ্ম-পন্থা আৰু নিয়ম-নীতিবোৰ জানিবলৈ ইচ্ছা কৰা প্ৰত্যেক আগ্ৰহান্বিত ছাত্ৰৰ বাবে আৰবী ভাষা জ্ঞান অপৰিহাৰ্য। পৃথিৱীত এক মাত্ৰ ইছলাম ধৰ্মৰ নিয়ম নীতিবোৰ যুগুত কৰি বহু বছৰ কাল (৬২২ খৃঃৰ পৰা ১২৫৮ খৃঃলৈ) দেশ শাসিত হৈছিল। সেই কাৰণে সেই সময়ত গঢ় লৈ উঠা ৰাজনীতি, সমাজ-নীতি, অৰ্থনীতি, কৃষ্টি, সভ্যতা আৰু ধৰ্মমূলক আলোচনা আদি আৰবী ভাষাৰ বাবে চৰম উন্নতিৰ যুগ আছিল। সেয়েহে আৰবী ভাষাত সকলো লাগতিয়াল বিষয়ৰ কিতাপবোৰ পোৱা যায় আৰু এইবোৰ চৰ্চা কৰিবলৈ ভালেমান জ্ঞান পিপাসুৰ বৰ্তমান দৰকাৰ হৈ পৰিছে।

**আন্তৰ্জাতিক ভাষা আৰবী ঃ**

ধৰ্ম বিষয়ৰ উপৰিও সংস্কৃতি বা আদান-প্ৰদানৰ ক্ষেত্ৰত আৰবী ভাষাৰ আৱশ্যকতা বাৰুকৈয়ে অনুভৱ কৰিব পাৰি। ইছলাম ধৰ্মই মানৱৰ মাজত এটা সমূহীয়াভাৱ বহন কৰিছে আৰু সেইটোৱেই হ'ল আন্তৰ্জাতিক ভ্ৰাতৃত্বভাৱ। পূবফালে ইৰাকৰ পৰা আৰম্ভ কৰি পশ্চিম ফালে মৰক্কো পৰ্যন্ত এই সুবিশাল ঠাই ডোখৰত আৰবী ভাষাই কেৱল সাহিত্য চৰ্চা আৰু সংস্কাৰৰ মাধ্যম ৰূপেহে পৰিগণিত। পাশ্চাত্য পণ্ডিতসকলে আৰবী ভাষাত সাহিত্যৰ ৰূপ বাৰুকৈয়ে বিচাৰিছে। যিহেতু পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ আৰবী ভাষাৰ প্ৰসাৰ হৈছে আৰু যিহেতু ই বিশ্ব ভ্ৰাতৃত্বত সহায়ক হৈ পৰিছে, সেয়েহে ইয়াক আন্তৰ্জাতিক ভাষা বুলি কলে ভুল কৰা নহয়। পৃথিৱীত যেতিয়ালৈ ইছলাম স্বৰূপে পোহৰ বিলাই থাকিব তেতিয়া আৰবী ভাষা এটি আন্তৰ্জাতিক ভাষা হৈ থাকিব।

ইংৰাজী আৰু স্পেন ভাষাৰ পিছতেই পৃথিৱীত আৰবী ভাষা কোৱা মানুহৰ সংখ্যা বেছি (অৰ্থাৎ আজিৰ পৃথিৱীৰ $\frac{1}{4}$ ভাগ মানুহে আৰবী ভাষা কয়)। সপ্তম আৰু অষ্টম শতিকাত ইছলাম সভ্যতা বিশদভাৱে বিশ্বৰ চাৰিওফালে বিয়পি পৰিছিল। লগে লগে মেছোপটমীয়া, ছিৰিয়া, পেলেষ্টাইন, ইজিপ্ত, আফ্ৰিকা, মাল্টা, নাইজেৰিয়া আদি ঠাইত আৰবী ভাষা ৰাজ্য-ভাষা হৈ পৰিছিল। আৰবী ভাষাই সময়ত ভিন ভিন ৰূপ লৈছিল; কিন্তু ইয়াৰ ব্যাকৰণৰ গঢ় সদায় একেভাৱেই থাকিল—যি ব্যাকৰণ পবিত্ৰ কোৰ-আন আৰু পুৰণি আৰবী কবিতা সমূহত প্ৰয়োগ কৰা হৈছিল। সেয়েহে কব লাগিব আৰবী ভাষা চিৰ-জীৱিত যি ভাষা পৃথিৱীৰ এটা প্ৰধান সাহিত্যৰ মাধ্যম স্বৰূপ। পৃথিৱীত সাহিত্য

থকা পৰ্যন্ত আৰবী ভাষাও জীয়াই থাকিব। এজন আৰব কবিয়ে ভাষাক লক্ষ্য কৰি কয়:—

"ওৱা তাজমাউনা ৰাৱাবিতা কুৰ-ৰাইতিন্
ওৱা আওৱালুহুমা চাইয়ে দাতুল লুঘাত।"

বৰ্তমান পৃথিৱীত প্ৰায় সকলো ঠাইতে আৰবী সাহিত্যৰ প্ৰভাৱ বহুলভাৱে বিস্তাৰিত হৈছে। আমাৰ ভাৰতবৰ্ষত ইয়াৰ চৰ্চাৰ বাবে এটি বিশেষ প্ৰচেষ্টা চলোৱা হৈছে। ইয়াৰ প্ৰতিনিধিমূলক কেন্দ্ৰ সমূহত আৰবী সাহিত্যৰ বাবে আলোচনা-চক্ৰও আছে। বৰ্তমান ভাৰতৰ বিশ্ববিদ্যালয়ৰ পুঁজিৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক বহু ধৰণৰ জলপানীও এই উপলক্ষে আগবঢ়োৱা দেখা গৈছে।

---

"তেওঁবিলাকে ( পাদুৰী চাহাবসকলে ) আমাৰ ভাৰাক এটা সুৰ শিকাই গ'ল। এই সুৰটি আগেয়ে অসমীয়া ভাষাই নেজানিছিল। ভাৰতবৰ্ষৰ কোনো ভাষাই নেজানিছিল। সি ইংৰাজী সাহিত্যৰ নিজা সম্পত্তি। তাক পাদুৰী চাহাবসকলে সাত সাগৰ তেৰ নদী পাৰ কৰি আনি ভাৰতবৰ্ষৰ ভাষাবিলাকক শিকাই দিলেহি। এই সুৰৰ তাঁৰ ডালিয়ে ভাৰতবৰ্ষীয় সভ্যতা ( আৰ্য্যামি ) আৰু পাশ্চাত্য সভ্যতা ( চাহাবানি ) দুইৰো মাজত লগুণ গাঁথিৰ নিচিনা হৈছে। বৰ্তমান যুগৰ ভাৰতবৰ্ষীয় আন আন সাহিত্যৰ দৰে অসমীয়া সাহিত্যৰো যতে টোকৰ মাৰা এই বিলাতী সুৰটিৰ গুনগুননি শুনিবলৈ পাবা। তুমি সেই সুৰটিৰ স্বভাৱ সুবুজিব পাৰা, কিয়নো তুমি এই সুৰটি উপজিবৰে পৰা শুনি ডাঙৰ হৈছা। কিন্তু শঙ্কৰদেৱক মাতি আনা, মাধৱদেৱক মাতি আনা, তেওঁবিলাকে ততালিকে বুজাই দিব যে এইটো ভাৰতবৰ্ষীয় সুৰ নহয়, বিলাতী সুৰ।"

—পণ্ডিত হেমচন্দ্ৰ গোস্বামী

---

# শঙ্কৰদেৱৰ ঈশ্বৰ তত্ত্বত অদ্বৈতবাদ

—ডক্টৰ বিপিন চেতীয়া

ভাৰতীয় দৰ্শন দুটা ভাগত ভাগ কৰা হৈছে—নাস্তিক আৰু আস্তিক। চাৰ্বাক, বৌদ্ধ আৰু জৈন এই তিনিটা দৰ্শনক নাস্তিক দৰ্শন বোলা হয়। ন্যায়, বৈশেষিক, সাংখ্য. যোগ, মীমাংসা আৰু বেদান্ত এই ষড়দৰ্শনক আস্তিক দৰ্শন বোলা হয়। প্ৰথম তিনিবিধক নাস্তিক বোলাৰ গুৰিতে হ'ল—এই তিনদৰ্শনে বেদৰ কৰ্তৃত্ব স্বীকাৰ নকৰে। আনহাতেদি আস্তিক ষড়দৰ্শনে বেদৰ কৰ্তৃত্ব মানি লৈছে। ইয়াত আস্তিক আৰু নাস্তিক শব্দ দুটাই ঈশ্বৰ-বিশ্বাস আৰু ঈশ্বৰ-অবিশ্বাস বুজোৱা নাই।

অদ্বৈতবাদ বেদান্ত দৰ্শনৰ এটি ভাগ। বেদান্ত মানে উপনিষদসমূহকে বুজায়। বেদ ৰচনাৰ শেষৰ কালে এইবিলাক ৰচনা কৰা হৈছিল বাবেই উপনিষদ সমূহক বেদান্ত বুলিছিল। উপনিষদ সংখ্যাত বহুতো তাৰে ভিতৰত বৃহদাৰণ্যক, ছান্দোগ্য, মাণ্ডুক্য, ঈশ, কেন, কঠ, মুণ্ডক, শ্বেতাশ্বতৰ, তৈত্তিৰীয়, প্ৰশ্ন মৈত্ৰায়ণী আৰু ঐতৰেয় এই বাৰখনেই প্ৰধান। এই উপনিষদসমূহ বাদৰায়ণৰ ব্ৰহ্মসূত্ৰ আৰু ভগৱদ্গীতাক একেলগে হিন্দু-দৰ্শনৰ প্ৰস্থান-ত্ৰয়ী বোলা হয়। প্ৰস্থানত্ৰয়ীৰ অনেক ভাষ্য আছে যদিও শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য আৰু মাধ্বাচাৰ্যৰ ভাষ্যই উল্লেখযোগ্য। চমুকৈ এই তিনি আচাৰ্যৰ দৰ্শনকে বেদান্ত দৰ্শন বোলা হয়। আন আন ভাষ্যকাৰৰ দৰ্শন এই তিনিজনৰ যি কোনো এজনৰ আলম লৈয়েই গঢ়ি উঠিছে।

শঙ্কৰাচাৰ্যই ( অষ্টম-নৱম শতিকা ) বেদ-বেদান্তৰ বিচাৰ কৰি এই সিদ্ধান্তলৈ আহিল যে বিশ্বব্ৰহ্মাণ্ডৰ মূলতে এটি সত্য আছে। আমি যি 'বহু' দেখিছো অৰ্থাৎ নাম-ৰূপ এই সকলো মিছা। 'ব্ৰহ্ম সত্য জগৎ মিথ্যা' এই বাণী শঙ্কৰাচাৰ্যই প্ৰচাৰ কৰিলে। ব্ৰহ্মহে এক মূল সত্য বাকী সকলোবোৰ মিছা। কিন্তু এই সত্যক আমি উপলব্ধি কৰিব নোৱাৰো। আনহাতেদি আমি এই নাম-ৰূপ ব্ৰহ্মাণ্ডকে সত্য বুলি ভাবো। ইয়াৰ গুৰিতে হ'ল মায়া। এই মায়া ব্ৰহ্মৰ শক্তি। মায়াৰ দুটা প্ৰধান কাম। ই ব্ৰহ্ম বা সত্যক লুকুৱাই ৰাখে আৰু অসত্য জগতখনকে সত্য বুলি দেখুৱায়। প্ৰথম কাৰ্যক মায়াৰ আৱৰণ শক্তি আৰু দ্বিতীয়টো বিক্ষেপণ শক্তি বুলি কোৱা হৈছে। যাদুকৰে যেনেকৈ আচল কথাটো আমাৰ চকুৰ আঁৰত ৰাখে আৰু আমাক মিছা এটাকে সঁচা যেন ভাবিবলৈ বাধ্য কৰায়, তেনেকৈয়ে মায়াই ব্ৰহ্মক আঁৰ কৰি এই 'বহুৰূপী' ব্ৰহ্মাণ্ডখনকে সত্য বুলি দৰ্শায়

শঙ্কৰাচাৰ্যৰ দৰ্শনক অদ্বৈতবাদ বুলি কোৱাৰ আচল অৰ্থ হ'ল শঙ্কৰাচাৰ্যই ব্ৰহ্মকহে সত্য বুলিছে আৰু জীৱাত্মাক ব্ৰহ্মৰ পৰা পৃথক বুলি নাভাবে। মায়া বা অজ্ঞানৰ বাবেহে আমি 'বহু' দেখিছো। স্বৰূপতে এক ব্ৰহ্মইহে সত্য। এই 'বহু' বা 'অনেক' মিছা। এই বিলাকৰ আৰম্ভ আৰু শেষ আছে। অৰ্থাৎ এই বিলাক ক্ষণস্থায়ী বা অস্থায়ী। আনহাতেদি ব্ৰহ্মৰ

আদিও নাই অন্তও নাই। গতিকে অনাদি অনন্ত। ইয়াৰ আৰম্ভও নাই শেষো নাই। ই দিশ (Space) আৰু কালৰ (Time) উৰ্দ্ধত। সকলো অস্থায়ী অনিত্য আৰু সীমিত (finite) বস্তুৰ ওপৰত। সেইবাবে ই সনাতন। ব্ৰহ্মৰ বিষয়ে এইখিনি কথাতকৈ আৰু বেছি কথা কব নোৱাৰি। আনকি যি কেইটা শব্দ কোৱা হৈছে সিও নেতিবাচকহে (Negative)। কাৰণ ইতি-বাচক (positive) শব্দেৰে আমি বিশ্বব্ৰহ্মাণ্ডৰ সীমিত গুণযুক্ত বস্তুবোৰহে প্ৰকাশ কৰিব পাৰো। কিন্তু ব্ৰহ্মৰ স্বৰূপ বা গুণাৱলী ভাষাৰে প্ৰকাশ কৰিব পৰা ক্ষমতা আমাৰ নাই। সেয়েহে ব্ৰহ্মক নিৰ্গুণ বুলি কোৱা হয়।

নিৰ্গুণ ব্ৰহ্মক মায়াৰ দৃষ্টিৰে আমি সগুণ ব্ৰহ্ম বা পৰমেশ্বৰ বুলিকওঁ, অৰ্থাৎ নিৰ্গুণ ব্ৰহ্মক যেতিয়া আমি আমাৰ ভাষাৰে প্ৰকাশ কৰিব খোজো (যিটো অসম্ভৱ) তেতিয়াই ব্ৰহ্মক আমি জনা সৰ্বোৎকৃষ্ট গুণাৱলীৰে বিভূষিত কৰি সজাই পৰাই লওঁ আৰু এই অৱস্থাকে আমি সগুণ-ব্ৰহ্ম বুলি কওঁ। এই সগুণ ব্ৰহ্মই ভক্তৰ দৃষ্টিত দয়াৰ-ঠাকুৰ, কৃপাসিন্ধু, অন্তৰ্যামী আদি।

শঙ্কৰাচাৰ্য অদ্বৈতবাদী যদিও তেওঁ গণেশ, কুমাৰ, সূৰ্য, শিৱ, বিষ্ণু, আৰু শক্তিৰ উপাসক আছিল। ইয়াৰ মানে এইটো নহয় যে তেওঁ দ্বৈতবাদী বা বহুবাদী আছিল। সগুণ ব্ৰহ্মক যি কোনো ৰূপতে পূজা কৰিব পাৰি। কাৰণ দৰাচলতে নাম-ৰূপ এইবিলাক সকলো মায়াৰ সৃষ্ট। জীৱাত্মা আৰু পৰমাত্মাৰ (ব্ৰহ্মৰ) ভেদ নাই—অভেদ। যি সাময়িক ভেদৰ সৃষ্টি হৈছে সিও মায়াৰ বাবে। মায়াক নিৰ্মাণ কৰিব পাৰিলেই ভেদ ভাবৰ অন্ত পৰে। পূজা অৰ্চনা এই ভেদ ভাগ দূৰ কৰাৰ বাবেই প্ৰয়োজনীয়। অৰ্থাৎ ব্ৰহ্মত লীন বা একত্ব প্ৰাপ্তিয়েই হ'ল ভক্তৰ সাধনা।

ৰামাণুজ (একাদশ-দ্বাদশ শতিকা) আৰু শঙ্কৰা-চাৰ্যৰ পাৰ্থক্য যথেষ্ট। ৰামাণুজৰ মতে নিৰ্গুণ ব্ৰহ্ম বুলি একো বস্তু নাই। ব্ৰহ্ম গুণযুক্ত অৰ্থাৎ সগুণ। ৰামাণুজে জীৱাত্মা আৰু ব্ৰহ্মৰ ভিতৰত ভেদ স্বীকাৰ কৰিছে। অৱশ্যে জীৱাত্মাৰ সুকীয়া অস্তিত্ব স্বীকাৰ কৰা নাই। তথাপি জীৱাত্মা ব্ৰহ্মৰ সৈতে এক নহয়। ৰামানুজে তিনিবিধ ভেদৰ কথা কৈছে। এটা মানুহ আৰু এটা মানুহৰ ভিতৰত যি ভেদ তাক বিজাতীয়, এটা কুকুৰ আৰু আন এটা কুকুৰৰ ভিতৰত যি ভেদ তাক সজাতীয় আৰু একেটা কুকুৰৰ (প্ৰাণীৰ) অঙ্গ-প্ৰত্যঙ্গৰ যি ভেদ আছে তাকে স্বগত ভেদ বুলিছে। ৰামাণুজৰ ব্ৰহ্মত স্বগত ভেদ আছে। জীৱক ব্ৰহ্মৰ অঙ্গ বুলি কোৱা হৈছে। ব্ৰহ্ম অঙ্গ (অংশ) বিশিষ্ট। গতিকে ৰামাণুজৰ দাৰ্শনিক মতক বিশিষ্টাদ্বৈতবাদ (বিশিষ্ট+অদ্বৈত) বোলা হয়।

দাৰ্শনিক দৃষ্টি-ভঙ্গীৰে ৰামাণুজ আৰু শঙ্কৰাচাৰ্যৰ পাৰ্থক্য এনে ধৰণৰ—

(১) শঙ্কৰাচাৰ্যৰ মতে ব্ৰহ্ম গুণাতীত আৰু ভেদহীন। কিন্তু ৰামাণুজৰ মতে ব্ৰহ্ম গুণবিশিষ্ট আৰু ভেদযুক্ত।

(২) শঙ্কৰাচাৰ্যৰ মতে এক ব্ৰহ্মই মায়াৰ দ্বাৰা জীৱ আৰু জগত ৰূপে প্ৰকাশ পায়। গতিকে এই জীৱজগত মায়াময় বা মিথ্যা। ৰামাণুজৰ মতে ঈশ্বৰ-জীৱ-জগত এই তিনিটা ব্ৰহ্মৰ তিনিটা ভাগ বা অংশ। সেই বাবে জীৱ-জগত ব্ৰহ্মৰ দৰেই সত্য।

(৩) ৰামাণুজে শঙ্কৰাচাৰ্যৰ মায়াবাদক নিন্দা কৰিছে। অৱশ্যে ৰামাণুজেও মায়া শব্দৰ ব্যৱহাৰ কৰিছে। কিন্তু এই মায়াই ব্ৰহ্মৰ শক্তিক বুজায় আৰু এই মায়াৰ সৃষ্ট জীৱ-জগত আদিও সত্য।

(৪) ৰামাণুজৰ ভক্তিবাদ বৰ জটিল। সেইবাবে তেওঁ সমাজৰ উচ্চশ্ৰেণীৰ বাবে ভক্তি ৰাখি সাধাৰণ লোকৰ বাবে প্ৰপত্তিৰ ব্যৱস্থা কৰিছিল। জ্ঞান আৰু কৰ্মৰ যোগেদিহে ভক্তিত উপনীত হব পাৰি। শঙ্কৰাচাৰ্যই জ্ঞানৰ যোগেদি মোক্ষলাভৰ কথা কৈছে যদিও শ্ৰদ্ধা আৰু ভক্তি নহলে জ্ঞানলাভ হব নোৱাৰে বুলিও কৈছে। (শঙ্কৰদেৱৰ ভক্তিত উচ্চ নীচৰ স্থান নাই। ভক্তি সকলোৱে কৰিব পাৰে। ব্ৰাহ্মণ, চণ্ডাল সকলোৰে বাবে একেই ভক্তি।)



আন এজন বৈদান্তিক হ'ল মধ্বাচাৰ্য (তেৰ শতিকা)। এওঁৰ মতে ব্ৰহ্ম আৰু জীৱ জগতৰ ভেদ চিৰন্তন সত্য। এই ভেদ ৰামানুজৰ দৰেও নহয়। ৰামানুজে জীৱৰ সুকীয়া অস্তিত্ব মানি লোৱা নাই। মধ্বাচাৰ্যই জীৱ আৰু ব্ৰহ্মৰ ভেদ চিৰন্তন বুলি কোৱাত অংশাংশী সম্বন্ধও ছেদ কৰা হৈছে। মুক্তি লাভ কৰিলেও জীৱ ব্ৰহ্মত লীন হৈ নাযায়। জীৱ ব্ৰহ্মৰ অধীন যদিও এক নহয়। গতিকে মধ্বাচাৰ্যৰ দৰ্শনক দ্বৈত বাদ বোলা হৈছে।

বহুতো পণ্ডিতৰ মতে অসমৰ বৈষ্ণৱগুৰু শঙ্কৰদেৱৰ দৰ্শন ৰামানুজৰ দৰ্শনৰ লগত হুবহু মিলি যায়। শঙ্কৰদেৱৰ বিষয়ে জনাৰ আগতে বেদান্ত দৰ্শনৰ অদ্বৈত বাদ, বিশিষ্টাদ্বৈতবাদ, দ্বৈতবাদ আদিৰ সূক্ষ্ম পাৰ্থক্যখিনি বুজি লোৱাৰ প্ৰয়োজন। আমি চমুকৈ যি আলোচনা কৰিলো তাৰপৰা সহজেই অনুমান কৰিব পাৰি যে শঙ্কৰদেৱৰ দৰ্শনৰ আধাৰ অদ্বৈতবাদ। শঙ্কৰদেৱে ৰামানুজৰ দৰে কেতিয়াও কোৱা নাই যে সংসাৰখন সত্য। বৰং তেওঁ কৈছে—

যত দেখা যত শুনা      যতেক মনত গুণা
সবে মায়াময় স্বপ্নসম।
সমস্তে জগতে হৰি      জানিবা নিশ্চয় কৰি
গুচায়ো বুদ্ধিৰো ইটো ভ্ৰম॥
কীৰ্তন, ১৮১৫

তুমি সত্য ব্ৰহ্ম মিছা জগত প্ৰৱঞ্চনা।
তোমাৰ মায়ায়ে কৰে তোমাত কল্পনা॥
কুৰুক্ষেত্ৰ, ৪৮৮

যত দেখা মায়াময় সবে স্বপ্নসম।
হৰিময় দেখি দূৰ কৰা মতিভ্ৰম॥
ভাগৱত, একাদশ স্কন্ধ, ১৯২৬২

শঙ্কৰদেৱে আনহাতেদি শঙ্কৰাচাৰ্যৰ সুৰতে মায়াৰ আৰু বিক্ষেপ শক্তিৰ বিষয়ে এইদৰে কৈছে—

অৱস্তুক দেখাৱয় বস্তুক আৱৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি॥
নাথাকিতো দেখি যেন চন্দ্ৰমা উদয়।
থাকিতো ৰাহুক যেন কেহো নেদেখয়॥
এহিমতে মায়া আৱৰি ঈশ্বৰক।
আশাৰ বিষয় তাক দেখাৱে জীৱক॥
ভাগৱত, ২য় স্কন্ধ, ২২৮, ২২৯

একমেবাদ্বিতীয়ম্। এক হৈয়ো বহু হোৱাটোৱেই মায়া—

নিত্য নিৰঞ্জন স্বপ্ৰকাশ আত্মা এক।
মায়া উপাধিৰ পদে দেখিয়ো অনেক॥
কুৰুক্ষেত্ৰ, ৫১১

ৰামানুজৰ মতে জীৱ-জগত ঈশ্বৰৰ অংশ, গতিকে ঈশ্বৰৰ দৰেই এইবিলাকো সত্য। কেতিয়াবা শঙ্কৰদেৱেও ৰামানুজৰ দৰে জীৱ-জগতক ঈশ্বৰৰ অংশ বুলি কৈছে।

যত জীৱ জঙ্গম      কীট পতঙ্গম
অগ-নগ-জগ তেৰি কায়া।      বৰগীত

পুনৰ—

কঙ্কন কুণ্ডল ঘট গঢ়ে হেমহাৰ।
একে সুবৰ্ণতে দেখি অনেক আকাৰ॥

কিন্তু এই 'অংশ' (ভাব) বা 'অনেক আকাৰ' বিলাক শঙ্কৰদেৱৰ মতে সত্য নহয়। ৰামানুজে এই বিলাকক সত্য বুলি কয়। এইখিনিতেই ৰামানুজ আৰু শঙ্কৰদেৱৰ মূল পাৰ্থক্য। অসত্য জগতখনকে আমি সত্য দেখো।

অসন্ত জগতখান তোমাত উদ্ভৱ ভৈল
সন্ত হেন প্ৰকাশে সদায়।
কীৰ্ত্তন, ১৬৭০।

কিন্তু আচলতে—

ব্ৰহ্ম ব্যতিৰেকে মিছা যত দেখা আন।
জৰীত উপজি যেন আছে সৰ্পজ্ঞান॥
জাগন সপোন বুদ্ধিৰেসে বৃত্তিচয়।
নানাবিধ দেখা যিটো সবে মায়াময়॥
ক্ষণেকতে ওপজে ক্ষণেকে নাশ হয়।
সমস্ত অৱস্থা যেন টাটকৰ নয়॥

যেন আকাশত মিলে সংহত মেঘৰ।
ক্ষণেকে থাকিয়া হোৱে ক্ষণেকে অন্তৰ॥
ব্ৰহ্মতো জগত ৰাজা সেহি নয়।
উপজিয়া ব্ৰহ্মত ব্ৰহ্মতে যায় লয়॥

দ্বাদশ স্কন্ধ, ১৭১-১৭২

অদ্বৈত বেদান্তৰ দৰে শঙ্কৰদেৱেও জীৱ আৰু ব্ৰহ্মৰ ভেদ স্বীকাৰ নকৰে।

এক ব্ৰহ্ম আছে সৰ্বদেহত প্ৰকটে।
যেন এক আকাশ প্ৰত্যেক ঘটে ঘটে॥
জলত সূৰ্যক যেন দেখি ভিন ভিন।
এহিমতে জানিবা ব্ৰহ্মতো ভেদ হীন॥

দ্বাদশ স্কন্ধ, ১৭৪

ইয়াৰ উপৰিও অনেক উপমা অদ্বৈত বেদান্তৰ পৰা লোৱা হৈছে—

সূৰ্যৰশ্মি হোৱে যেন মহামেঘগণ।
সূৰ্য-অঙ্গ চক্ষুক তথাপি কৰে ছন্ন॥
ব্ৰহ্মৰে স্বৰূপ অহঙ্কাৰ যদি হয়।
ব্ৰহ্ম অংশ জীৱক তথাপি আৱৰয়॥
যেন মেঘ গৈলে চক্ষু সূৰ্যক নিৰিখে।
অহঙ্কাৰ গুচিলে ব্ৰহ্মকো জীৱে দেখে॥

দ্বাদশ স্কন্ধ, ১৭৬-১৭৭

কেৱল ইমানেই নহয়, ভক্তিবাদী আৰু শ্ৰৱণ-কীৰ্তন প্ৰধান হৈয়ো শঙ্কৰাচাৰ্যৰ দৰে শঙ্কৰদেৱে জ্ঞানৰ আৱশ্যকতাৰ বিষয়েও সজাগ।

মায়া এৰে আপুনি বুজিবো গুচে ভ্ৰম।
নিৰ্মল হৃদয় জীৱে দেখে পৰম ব্ৰহ্ম॥
যিকালত জ্ঞান অস্ত্ৰে ছেদে অহঙ্কাৰ।
ছিণ্ডে কৰ্মবন্ধ ভেৱে জীৱ আপোনাৰ॥

দ্বাদশ স্কন্ধ, ১৭৭-১৭৮

এই জ্ঞান ভক্তিৰ যোগে দিয়ে আহে—

'ভকতি কৰন্তে জানা আপুনি উপজে জ্ঞান' অৰ্থাৎ স্বৰূপতে ভক্তি আৰু জ্ঞান একেটা বস্তু।



দ্বৈতবাদত আত্মা-পৰমাত্মা বা জীৱ আৰু ব্ৰহ্ম… একত্ব হ'ব নোৱাৰে। দুটা বেলেগ সত্তা। কি… শঙ্কৰদেৱৰ মতে জীৱই মুক্তিলাভ কৰিলে ব্ৰহ্মত্ব প্ৰাপ্ত… বা 'লীন মুকুতি পায়'। লীন-মুক্তি ভক্তিমাৰ্গৰ চৰ… ফল। এই লীন-মুক্তিকে 'আত্যন্তিক লয়' বুলি কো… হয়।

মোক দেখিলেক সিটো জন।
নাহি তাৰ পুনৰাগমন॥…
সৱে কৰ্মবন্ধ হৈয়ে ক্ষীণ।
অন্তকালে মোতে যাইবা লীন॥

প্ৰহ্লাদ চৰিত্ৰ, ২৩৩-২৩…

হৰমোহনত ঈশ্বৰে ভূতনাথ শিৱক কৈছে—

আত নকৰিবা খেদ কিঞ্চিতো নাহিকে ভেদ
তোমাৰে আমাৰে একে কায়া॥…
সুখে থাকি নিজ থানে মহাকল্প অৱসানে
মোৰ শৰীৰত যাইবা লীন॥

হৰমোহন, ৮…

গতিকে দেখা গ'ল যে শঙ্কৰদেৱৰ ভক্তিবাদত দ্বৈত… বাদৰ ছাটোও নাই। আমাৰ এটা ধাৰণা আছে … দ্বৈতভাৱ নহলে ভক্তি কেনেকৈ সম্ভৱ হ'ব পাৰে। কাৰ… ভক্তি বুলি কোৱাৰ লগে লগে উপাস্য দেৱতা আৰু… উপাসক এই দুটা কথা আহি পৰে। গতিকে সাময়ি… ভাৱে হলেও দ্বৈতবাদ স্বীকাৰ নকৰিলে ভক্তি কেনেকৈ… কৰা যায়? এই ধাৰণা ভ্ৰান্ত। দাৰ্শনিক দৃষ্টিভঙ্গীৰে… ইয়াক দ্বৈতবাদ বুলি কোৱা নহয়। দৰ্শনৰ দ্বৈতবা… বিশ্বব্ৰহ্মাণ্ড মূল সত্তাক কেন্দ্ৰ কৰিহে সৃষ্টি হৈছে… মাধ্বাচাৰ্যৰ দৰ্শন দ্বৈতবাদী, কাৰণ ব্ৰহ্ম আৰু জীৱ… জগৎ এই দুটাৰ পাৰ্থক্য চিৰন্তন। ইটোৰ লগ… সিটোৰ লীন নহয়। সাংখ্য দৰ্শনৰ পুৰুষ-প্ৰকৃতিৰে… ইটোৰ লগত সিটোৰ একত্ব বা লয় নহয়। সেইবাবে… সাংখ্যৰ দৰ্শনো দ্বৈতবাদী।

# কালিদাস, ভৱভূতি আৰু শূদ্ৰকৰ নাট্য সাহিত্যত প্ৰেমৰ স্বৰূপ

অধ্যাপক শ্ৰীঅপূৰ্বচন্দ্ৰ বৰঠাকুৰীয়া

( আগৰ সংখ্যাৰ পিছৰ পৰা )

মহাকবি কালিদাসৰ আন দুখন নাটক বিক্ৰমোৰ্বশীয়ম্ আৰু মালবিকাগ্নিমিত্ৰমৰ প্ৰণয়-কাহিনী সংঘটিত হৈছে যথাক্ৰমে ৰজা পুৰুৰৱা আৰু উৰ্বশী, আৰু অগ্নিমিত্ৰ আৰু মালবিকাৰ মাজত। মালবিকাগ্নিমিত্ৰৰ নায়িকা এগৰাকী মানবী আৰু বিক্ৰমোৰ্বশীয়মৰ নায়িকা এগৰাকী স্বৰ্গৰ ৰমণী। বিক্ৰমোৰ্বশীয়মৰ নায়ক ৰজা পুৰুৰৱাৰ স্বৰ্গ মৰ্ত্য উভয়তে অবাধ গতি আৰু প্ৰচণ্ড প্ৰতিপত্তি। স্বৰ্গৰ পৰা ঘূৰি অহাৰ বাবে হঠাতে দৈত্যৰ দ্বাৰা অপহৃতা উৰ্বশীক উদ্ধাৰ কৰিবলৈ গৈ সেই প্ৰণয় কাহিনীৰ সূত্ৰপাত। উৰ্বশী প্ৰসিদ্ধা স্বৰ্গৰ নৰ্তকী আৰু অতুলনীয় ৰূপসৌন্দৰ্যৰ গৰাকিনী এগৰাকী স্বনামখ্যাতা স্বৰ্গবেশ্যা। কুবেৰৰ সভাৰ পৰা নৃত্য কৰি উলটি আহোঁতে কেশিদৈত্যাই তেওঁক অপহৰণ কৰিছে আৰু ৰজাই তেওঁক উদ্ধাৰ কৰিছে। এনেদৰে এজন প্ৰবল প্ৰতাপী ৰজা আৰু এগৰাকী স্বৰ্গবাসিনীৰ প্ৰণয়াৰম্ভ। নৰ্তকী বা বেশ্যা হলেও উৰ্বশীৰ এখনি হৃদয় আছে। উদ্ধাৰকৰ্তা ৰজাৰ সুন্দৰ সুঠাম দেহ, শৰীৰৰ অনুপম কমনীয়তা আৰু মন মুহিব পৰা ব্যৱহাৰে উৰ্বশীক মুগ্ধ কৰিলে। ৰজা আৰু উৰ্বশী উভয়েই প্ৰথম দৰ্শনতে প্ৰেমত পৰিছে। সেই প্ৰণয়ৰ পৰিণামস্বৰূপেই উৰ্বশীৰ পৃথিৱীলৈ আগমন আৰু মানুহৰ পৃথিৱীত বাস। কালিদাসৰ উৰ্বশী ঋগ্‌বেদৰ উৰ্বশী নহয়। কালিদাসৰ উৰ্বশী প্ৰতি মুহূৰ্তে ৰজাক পৰিত্যাগ কৰিবলৈ বিচৰা চঞ্চলা ৰমণী নহয়। কালিদাসৰ উৰ্বশী আদৰ্শ প্ৰণয়িণী।

দুগৰাকী ৰমণী—এগৰাকী উৰ্বশী আৰু আন গৰাকী বসন্তসেনা। দুজন বিখ্যাত শিল্পীৰ নিপুণ হাতৰ সৃষ্টি। প্ৰথম গৰাকীৰ বাবে মুনি, ৰজা, কবি সকলো বলিয়া। দ্বিতীয় গৰাকীৰ বাবে উজ্জয়িনীৰ ধনী, দুখীয়া নিৰ্বিশেষে সকলো উন্মাদ। দুয়ো অনিন্দ্য সুন্দৰী বেশ্যা—পাৰ্থক্য উৰ্বশীৰ বাসস্থান স্বৰ্গ, বসন্তসেনাৰ মৰ্ত্য। দুয়োকো দুটি প্ৰখ্যাত প্ৰেমৰ কাহিনীৰ নায়িকা কৰি ভাৰত তথা বিশ্বৰ দুজন প্ৰখ্যাত নাট্যকাৰে আমাৰ চকুক চমক লগাইছে। সুন্দৰী বেশ্যাৰ প্ৰেমত নপৰে এনে মানুহৰ অভাৱ নাই। কিন্তু বেশ্যায়ো প্ৰেমত পৰিব পাৰে নে? এই দুজন নাট্যকাৰে প্ৰমাণ কৰিছে যে বেশ্যাও প্ৰেমত পৰে আৰু বেশ্যাও আদৰ্শ প্ৰেমিকা হয়। উৰ্বশী ৰজাৰ প্ৰতি সম্পূৰ্ণ অনুগতা; কিন্তু তেওঁৰ আনুগত্যৰ লগত ঔশনৰীৰ আনুগত্যৰ মহৎ পাৰ্থক্য। তেওঁ যাক ভাল পাইছে, তেওঁ আদৰ্শ প্ৰেমিক হব লাগিব। সেয়েহে ক্ষণিক বিচ্যুতিৰ ফলতেই উপস্থিত হৈছে বিচ্ছেদ। ৰজাই স্বাভাৱিক চাঞ্চল্য হেতু উদয়ৱতী নামে বিদ্যাধৰ-কন্যাৰ পিনে চাইছিল। তাৰ ফলতেই উৰ্বশীৰ সেই সৰ্বনাশী কোপৰ উদ্ভৱ আৰু কুমাৰবনত প্ৰবেশ নিষেধ

থকা সত্বেও কুমাৰবনত প্ৰৱেশৰ বাবে উৰ্বশী তৎক্ষণাৎ লতালৈ পৰিণত হৈছে। ইয়াতেই ৰজা আৰু উৰ্বশীৰ বিচ্ছেদ।

কালিদাসৰ তিনিওখন নাটকতে এটা সাধাৰণ লক্ষ্যণীয় বিষয় হ'ল প্ৰথম দৰ্শনতে প্ৰেম (love at the first sight)। শকুন্তলা, উৰ্বশী, মালবিকা আটাইৰে ক্ষেত্ৰতেই প্ৰেমিক ৰজা তিনিজনৰ একেই অৱস্থা ঘটিছে। প্ৰথম দৰ্শনতে প্ৰেমৰ আদৰ্শ অৱশ্যে ছেক্‌ছ্‌পীয়াৰ আৰু অন্যান্য পাশ্চাত্য আৰু ভাৰতীয় নাট্যকাৰেও গ্ৰহণ কৰিছিল। প্ৰেম যে প্ৰথম দৰ্শনতে হ'ব লাগিব এনে কোনো ধৰাবন্ধা সূত্ৰ নাই। সুদীৰ্ঘ দৰ্শনৰ পিছত হঠাতে কোনো এটা বিশেষ ঘটনাৰ মাজেৰে প্ৰেমৰ সূত্ৰপাত হ'ব পাৰে। বহু সময়ত কিবা কাৰণে এজন ব্যক্তিক বেয়া পোৱা বা এজন ব্যক্তিৰ ওপৰত খং উঠাৰ সূত্ৰ ধৰিয়েই প্ৰেমৰো সূত্ৰপাত হয়। কেতিয়াবা আকৌ প্ৰথম দৰ্শনতে মনত ৰেখাপাত কৰিব নোৱাৰা এজন ব্যক্তিৰ আতিথ্য, নম্ৰ ব্যৱহাৰ, শুশ্ৰূষা ইত্যাদিৰ যোগেৰেও ভালপোৱাৰ উদয় হয়। বিচিত্ৰ এই অনুভূতি প্ৰেম—কেনেকৈ যে কেতিয়া প্ৰেমৰ উদ্ভৱ হয় তাক কোৱাটো টান।

কালিদাস, ভৱভূতি আৰু শূদ্ৰকৰ নাট্য সাহিত্যত প্ৰেমৰ লক্ষণ-বিচাৰ কৰিবলৈ যাওঁতে এটা কথা সহজেই উপলব্ধি হয় যে নায়িকাৰ শাৰীৰিক সৌন্দৰ্যই নায়কক প্ৰথম দৰ্শনতেই আকৰ্ষণ কৰে। উৰ্বশী, মালবিকা, শকুন্তলা, বসন্তসেনা, মালতী আটাই কেইগৰাকী নাৰী ৰত্নই অতুলনীয় ৰূপ সৌন্দৰ্যৰ অধিকাৰিণী। ৰূপ-সৌন্দৰ্যৰ প্ৰতি আকৰ্ষণ নজন্মে এনে মানুহ পৃথিৱীত তাকৰ। ৰূপৰ নিজস্ব মহিমা আছে। সেয়েহে প্ৰথম দৰ্শনতে হোৱা প্ৰেমৰ প্ৰতি ৰূপৰ এক মহৎ বৰঙণি আছে। ৰূপেই মানুহক মানুহৰ প্ৰতি আকৃষ্ট কৰে। আৰু তাৰেই পৰিণাম হ'ল প্ৰেম। কালিদাসৰ শকুন্তলা স্ৰষ্টাৰ প্ৰথম আৰু উৎকৃষ্ট সৃষ্টি—ছেক্‌ছ্‌পীয়াৰৰ ভাষাত কবলৈ হলে 'perfect and peerless, created of every creature's best.' মিল্টনৰ ভাষাত কবলৈ গলে 'the fairest of creations.' উৰ্বশীৰ সৌন্দৰ্য দেখি পুৰুৰবাই এনেদৰে প্ৰশংসা কৰিছে: এই পৰমা সুন্দৰীক সৃজন কৰোঁতে ব্ৰহ্মাই নিজেই সমস্ত সৌন্দ ঢালি দিছিল নেকি? চন্দ্ৰই নিজৰ সকলো কান্তি প্ৰদান কৰিছিল নেকি? অথবা বসন্তকালে সকলো সৌন্দৰ্য উজাৰি দিছিল নেকি? নহলে সংসাৰ বিৰাগী সেই বেদাভ্যাসৰ দ্বাৰা জড়প্ৰকৃতি লব্ধ হোৱা প্ৰাচীন নাৰায়ণ মুনিয়ে এনে অনুপম নাৰীৰ জন্ম দিয়া জানো সম্ভৱ?

মালবিকা আৰু মালতীৰ অপূৰ্ব সৌন্দৰ্যই অগ্নিমিত্ৰ আৰু মাধৱক শৰাহত কৰিছে। মাধৱৰ ভাষাত মালতী "ৰামণীয়কনিধেৰধিদেৱতা বা সৌন্দৰ্যস্য নিকেতনং বা" আৰু অগ্নিমিত্ৰৰ দৃষ্টিত নৃত্যপটীয়সী মালবিকা স্ৰষ্টাৰ এক সম্পূৰ্ণ (perfect) সৃষ্টি। মালবিকাৰ বিস্তৃত নয়নযুগল, পীনোন্নত পয়োধৰদ্বয়, কোনোবা অজ্ঞাত শিল্পীৰ হাতেৰে ঘঁহিপিহি মিহি কৰা পাৰ্শ্বদ্বয়, ক্ষীণ উদৰদেশ, সুপুষ্ট নিতম্ব আৰু শৰৎকালৰ চন্দ্ৰৰ দৰে অত্যুজ্জ্বল মুখকান্তি অগ্নিমিত্ৰক বাণবিদ্ধ কৰিবৰ কাৰণে যথেষ্ট বুলি প্ৰমাণিত হৈছে। সৌন্দৰ্যৰ প্ৰতি মানুহৰ সহজাত আকৰ্ষণ চিৰন্তন। সুন্দৰী নাৰীৰ প্ৰতি পুৰুষ আকৃষ্ট হয় তাত বৈচিত্ৰ্য কি? সুন্দৰক সুন্দৰৰ লগত লগাব লাগিব, ৰত্নক ৰত্নেৰে সৈতে মিলাব লাগিব। এয়ে আছিল এই নাট্যকাৰসকলৰ আদৰ্শ। মালবিকা, শকুন্তলা, মালতী, উৰ্বশী, বসন্তসেনা আটায়ে সৌন্দৰ্যৰ জীৱন্ত প্ৰতিমূৰ্তি। শাৰীৰিক সৌন্দৰ্যই তেওঁলোকক নাটক আৰু প্ৰকৰণৰ নায়কসকলৰ ওচৰ চপাই আনিছে আৰু নানা দুৰ্যোগ-দুৰ্গতিৰ মাজেৰে আদৰ্শ প্ৰেমৰ বিজয় বিঘোষিত হৈছে।

অসুন্দৰৰ প্ৰতি মানুহৰ বিমুখতা চিৰন্তন। ক'লা আপচু মানুহৰ প্ৰতি মানুহৰ আকৰ্ষণ নজন্মাটো স্বাভাবিক। গতিকেই তেনে নায়ক-নায়িকা সৃষ্টি কৰি বিশ্ববাসীৰ মনত চাঞ্চল্যৰ উৎপাদন কৰাৰ অভিলাস বা দুঃসাহস



নাট্যকাৰসকলৰ ক্ষেত্ৰত সাধাৰণতে দেখা নাযায়। যি ব্যক্তি বিশেষৰ মনত সুন্দৰ সি জনসাধাৰণৰ দৃষ্টিত সৌন্দৰ্যৰ আধাৰ নহলে জনসমাজে শিল্পীক গৰিহণা নিদিব জানো?

কিন্তু সাধাৰণৰ চকুত কুৎসিৎ ব্যক্তিক (বিশেষকৈ নাৰীক) কেন্দ্ৰ কৰি পৃথিৱীত প্ৰণয়কাহিনী ঘটিবই লাগিছে। বংকিমচন্দ্ৰৰ "কৃষ্ণকান্তৰ উইল"ত ক'লা কুৎসিতক কোনে ভাল পায় বুলি কৰা উক্তিৰ ব্যতিক্ৰম বিৰল নহয়। জনসাধাৰণৰ দৃষ্টিত এজন ব্যক্তি আপচু আকৰ্ষণহীন অথচ আন এজন বিশেষ ব্যক্তিৰ কাৰণে সেই আপচু নিন্দিত ব্যক্তিয়েই হৈ পৰে তিলোত্তমা বা নাছিচাছ। একো একোজন সুদৰ্শন পুৰুষে একো একোজনী কুৰূপা ছোৱালীক ভাল পায় আৰু বিয়া কৰাই পেলায়, ভাবিলে আচৰিত হ'ব লাগে। অথচ সেয়ে হল সত্য। ভাল পোৱা মূলতঃ এটা ব্যক্তিগত (subjective) বিষয়। একো একোটা বিশেষ ঘটনাক কেন্দ্ৰ কৰি ভাল-পোৱাৰ জন্ম হয়। কেতিয়াবা একোজনী আপচু ছোৱালীৰ দাঁত কেইটা বা চুলিটাৰিয়ে প্ৰেমৰ কাৰণ হ'ব পাৰে। কেতিয়াবা কেৱল মন গলাব পৰা ব্যৱহাৰেই প্ৰেমৰ পাতনি মেলাত সহায় কৰিব পাৰে। সেই কাৰণে বাহ্যিক সৌন্দৰ্যৰ অভাৱ হোৱা সত্বেও প্ৰেমৰ পথ উন্মুক্ত হৈ থাকে। যাযাবৰৰ ভাষাত—প্ৰেমে নিজৰ গভীৰতাৰ মাজত এক মোহাবেশ ৰচনা কৰে। সেই মোহাবেশৰ দ্বাৰা যাক ভাল পোৱা হয় তাক নিজত মনৰ তুলিৰে নতুন ধৰণে ৰূপ দিয়া হয়। সেয়েহে যাৰ সৌন্দৰ্য নাই তাক সুন্দৰ বুলি ভবা হয়, যাৰ গুণৰ অভাৱ তাৰ গাত আৰোপ কৰা হয় নথকা গুণবোৰ। কুৰূপা নাৰীৰ কাৰণে ৰূপবান বিত্তবান পুৰুষে সৰ্বস্ব ত্যাগ কৰে। বিমুগ্ধ মনৰ সৃজনধৰ্মী কল্পনাত আপচু ছোৱালীও হৈ পৰে অতি সুন্দৰী। প্ৰেমিকৰ প্ৰণয়াঞ্জনলিপ্ত নয়নৰ দৃষ্টিত জাগতিক অৰ্থত ৰূপহীন ব্যক্তিও হৈ পৰে সম্পূৰ্ণ ওলোটা ("দৃষ্টিপাত")।

বঙ্কিম চট্টোপাধ্যায়ে প্ৰেম অন্ধ এই পশ্চিমীয়া প্ৰবাদ বাক্যৰ যথাৰ্থতা প্ৰমাণ কৰিবলৈ গৈ কৈছে—"প্ৰেম যদি অন্ধই নহয় তেন্তে চীনদেশত থকা নাক, আফ্ৰিকাত ডাঙৰ ডাঙৰ ওঁঠ আৰু পশ্চিমীয়া দেশত কপিলা চুলিৰ ইমান আদৰ কিয়?" বঙ্কিমবাবুৰ এই কথাৰ এটা উত্তৰ অৱশ্যে দিব পৰা যায়—দেশে দেশে সৌন্দৰ্যৰ ধাৰণা বেলেগ বেলেগ হ'ব পাৰে। যি দেশত যি ধৰণৰ আকৃতি আৰু প্ৰকৃতিৰ মানুহে জন্ম পায় সেই দেশত সেই ধৰণৰ মানুহক লৈয়েই সুন্দৰ অসুন্দৰৰ প্ৰশ্ন বিবেচনা কৰা হয়। আফ্ৰিকা-বাসীৰ ডাঙৰ ওঁঠ, ক'লা গাৰ বৰণ জাতিগত বৈশিষ্ট্য, চীন দেশৰ মাইকী মানুহৰ থৰা নাক জাতিগত বৈশিষ্ট্য। ভাৰতীয় সৌন্দৰ্যৰ মানদণ্ডেৰে তাক জুখি চালে নচলিব। কিন্তু য'ত সুন্দৰ আৰু অসুন্দৰৰ মাজত স্পষ্টকৈ সীমাৰেখা টানিব পাৰি তাতো দেখা যায় যে সুন্দৰ অসুন্দৰৰ প্ৰণয়ত আকুল। ইয়াৰ কিছুমান স্পষ্ট কাৰণ আছে। নাৰীৰ ফালৰ পৰা যদি কথাটো বিচাৰ কৰোঁ, তেনেহলে দেখিম যে অসুন্দৰী নাৰীৰ বুজিব পৰা হোৱাৰ পৰাই মনত এটা দুখ আৰু হতাশাৰ ভাৱ উদয় হয়। প্ৰকাশ কৰকেই বা নকৰকেই ভালপোৱা পাবলৈ নাৰী-পুৰুষ উভয়ৰে এটা আকাঙ্ক্ষা থকাটো স্বভাৱিক। তদুপৰি বিবাহিত জীৱনৰ প্ৰতি অভিলাষ সকলোৰে আছেই। সেয়েহে কুৰূপা নাৰীয়ে কাৰোবাৰ ভালপোৱা পাবলৈ বা জীৱনৰ অন্যতম কঠিন সমস্যা সমাধান কৰিবলৈ সততে যত্ন কৰে। কেনেকৈ চলিলেনো মানুহৰ মনত প্ৰৱেশ কৰিব পাৰি সেই চিন্তা কুৰূপা নাৰীৰ সদায় সহচৰী।

তেনে অৱস্থাত ভাগ্যচক্ৰত পৰি কোনো কোনো পুৰুষ (বহু সময়ত সুদৰ্শন পুৰুষই হয়) সেই শ্ৰেণী নাৰীৰ সান্নিধ্যলৈ আহিলে নম্ৰব্যৱহাৰ, অকপট আদৰ স্নেহ, একাগ্ৰ আতিথ্য ইত্যাদিৰ দ্বাৰা মোহিত হৈ প্ৰণয় পাশত আবদ্ধ হোৱা দৃষ্টান্ত বিৰল নহয়; তদুপৰি অনেক প্ৰণয়াকাঙ্ক্ষী পুৰুষ প্ৰণয়াকুল হৈ ফুৰোঁতে হঠাৎ এই শ্ৰেণীৰ নাৰীৰ কবলত পৰিলে সহজতে প্ৰণয়কাহিনীৰ সূত্ৰপাত হয়। অৱশ্যে এই কথাও পৰিলক্ষিত হৈছে যে এই শ্ৰেণীৰ নাৰীৰ সংঘটিত প্ৰণয়ৰ প্ৰতি সাধাৰণতে আনুগত্য হয় দৃঢ়—ইয়াৰ কাৰণ স্পষ্ট। সেইকাৰণে

এওঁলোকৰ লগত পৰিণয় সমাধা হোৱাৰ পিছত আন পক্ষই বিশ্বাসঘাটকতা নকৰিলে দাম্পত্য জীৱন হয় অতি সুখৰ। অৱশ্যে এই কথাও ঠিক যে ব্যতিক্ৰম সকলো ঠাইতে আছে। তথাপি নিজ সৌন্দৰ্যৰ ফালটো দলিয়াই দি দি আনন্দ পোৱা একশ্ৰেণী খেলুৱৈ সুলভ মনোবৃত্তিৰ মানুহতকৈ এওঁলোকৰ আস্থা-নিষ্ঠা স্বাভাৱিকতে বেছি।

কালিদাসৰ নাট্য সাহিত্যত এটা কথা স্পষ্টকৈ পৰিলক্ষিত হয়—সেয়ে হল প্ৰেম সাধনাৰ বস্তু, ই তপস্যালব্ধ ধন। কোনোবাই ইয়াক সুদীৰ্ঘ সাধনা কৰি লাভ কৰিছে আৰু স্থায়ী ভাৱে পাবলৈ পুনঃ সাধনা কৰিব লগীয়া হৈছে। এই আদৰ্শৰ বশৱৰ্তী হৈয়েই কালিদাসে নাৰীপুৰুষ উভয়কে সমান কষ্ট ভোগাইছে। আনকি হিমালয়কন্যা পাৰ্বতীকো তেওঁ এই সাধনামাৰ্গৰ পৰা বিৰত হবলৈ অনুমতি দিয়া নাই। তিনিখন নাটকৰ ভিতৰত কালিদাসৰ অভিজ্ঞান শকুন্তলম্ নাটকতেই ইয়াৰ সাধনা চলিছে দীৰ্ঘতম কালৰ কাৰণে। মালৱিকাগ্নিমিত্ৰত কালিদাসে অগ্নিমিত্ৰক মালৱিকাৰ লগত লগা লগি কৰিছে কিছুসময়ৰ কাৰণে। তাৰ পিছতেই উপস্থিত হৈছে সেই দুৰ্যোগৰ। মালৱিকা নিগড়িতা হৈ অন্ধকাৰ কাৰাগাৰত নিক্ষিপ্তা হৈছে। কালিদাস শিল্পী। তেওঁৰ নাটকীয় চৰিত্ৰসমূহৰ প্ৰণয় লৌকিক ঘটনা নহয়। সেয়েহে তেওঁ লৌকিক বহুতো প্ৰণয় কাহিনীৰ দৰে অতি সহজতে মিলন হবলৈ নিদি নায়ক-নায়িকাৰ জীৱনৰ বহুত উঠানমা থৌকিবাথৌ ঢৌত পেলাই দি পাঠক আৰু দৰ্শকসকলক উদ্বিগ্নতা আৰু আশংকাৰ মাজত ৰাখিছে। কিন্তু অকল সেয়ে যথেষ্ট নহয়। কালিদাসৰ দৰ্শনেই হ'ল প্ৰেম সাধনা লভ্য সম্পদ। ইয়াক সহজতে পাব নোৱাৰি। ইয়াৰ বাবে প্ৰয়োজন তপস্যাৰ—যি তপস্যাই পাৰ্বতীক উমা কৰে, উমাক অপৰ্ণা কৰে। 'সম্পৎসু চাম্পৎসু চ একাগ্ৰতা' আৰু ধৈৰ্য সহকাৰে কাম কৰি যাব নোৱাৰিলে আদৰ্শ প্ৰেম লাভ কৰা অসম্ভৱ। এই আদৰ্শৰ বশীভূত হৈয়ে কালিদাসে, পুৰুৰৱাই উৰ্বশীক পোৱাৰ পিছতে হঠাৎ বিচ্ছেদ ঘটাই দিছে; যক্ষ আৰু যক্ষপত্নীক সুদীৰ্ঘ এবছৰ কাল জীয়াতু ভোগাইছে। ৰজা পুৰুৰৱাই উন্মাদ হৈ উৰ্বশীক বিচাৰি ফুৰিছে—উৰ্বশী পৰিণত হৈ গৈছে লতালৈ তাৰ পিছত যেতিয়া আকৌ লতাডাল উৰ্বশীলৈ ৰূপান্তৰিত হৈছে সেয়া যেন উৰ্বশীৰ পুনৰ্জন্ম।

কিন্তু সকলোতকৈ প্ৰাণস্পৰ্শী আৰু দীৰ্ঘকাল স্থায়ী হৈছে শকুন্তলাৰ বিচ্ছেদ পৰ্ব। স্বৰ্গৰ তপোবনত সন্যাসিনীৰ ৰূপ লৈ এটা শিশু বুকুত বান্ধি শকুন্তলাই পুতেক ভৰতে কথা কব পৰা হোৱালৈকে অপেক্ষা কৰিব লগীয়া হৈছে ৰজাৰ লগত পুনৰ্মিলনৰ বাবে। সেয়া এক সুদীৰ্ঘ তপস্যা। সাজপাৰৰ বৈচিত্ৰ্য নাই, মুখত হাঁহি নাই, এডাল মাত্ৰ বেণীৰে বিৰহাৱস্থা কথমপি পাৰ কৰিছে শকুন্তলাই।

কালিদাস আৰু ভৱভূতি উভয়ৰে নাট্য সাহিত্যত অন্যতম মূল দৰ্শন হল নায়ক-নায়িকাৰ মাজত বিচ্ছেদ ঘটাই প্ৰেমৰ বান্ধোন সুদৃঢ় কৰা। তাকে কৰিবলৈ গৈ দুয়োজন নাট্যকাৰে বহুতো নায়ক-নায়িকাৰ জীৱনলৈ আনিছে গভীৰ দুৰ্যোগ। ৰাম-সীতা, উৰ্বশী-পুৰুৰৱা, দুষ্যন্ত-শকুন্তলা, মালৱিকা-অগ্নিমিত্ৰ আটায়ে এই অগ্নিপৰীক্ষাত উত্তীৰ্ণ হব লগীয়াত পৰিছে। সেই একে দৰ্শনৰ অনুৰোধতেই কালিদাসে যক্ষ আৰু যক্ষপত্নীৰ ৰতি আৰু কামৰ সোণৰ সংসাৰলৈ নমাই আনিছে বিপৰ্যয়। পাৰ্বতীয়ে মহাদেৱক অতি সহজতে লাভ কৰিবলৈ ধৰোঁতে মহাদেৱক আঁতৰাই নি পাৰ্বতীক পঠিয়াইছে তপস্যা কৰিবলৈ।

বিপ্ৰলম্ভ নহলে শৃঙ্গাৰ ৰসে পৰিপুষ্টি লাভ কৰিব নোৱাৰে। বিপ্ৰলম্ভৰ মাজেৰে পাৰ হৈ গৈহে শৃঙ্গাৰে স্বমৰ্যদাত প্ৰতিষ্ঠিত হ'ব পাৰে। আৰু এই বিপ্ৰলম্ভ উপস্থিত হব লাগিলেই প্ৰয়োজন নায়ক-নায়িকাৰ বিচ্ছেদৰ। সোণ খাঁটি নে নকল তাৰ পৰীক্ষা কৰিব লাগিলে যেনেকৈ তাক জুইত পেলাই দি প্ৰমাণ চাব লাগে, তেনেকৈয়ে প্ৰেমৰ বিশুদ্ধতা নিৰূপণ কৰিব লাগিলেও প্ৰয়োজন বিচ্ছেদৰ। নায়ক-নায়িকাৰ বিচ্ছেদ নঘটিলে সিহঁতৰ মাজত থকা প্ৰণয় প্ৰকৃত প্ৰেম নে দৈহিক লালসা মাত্ৰ সেইটো বুজা বৰ টান। মৃত্যুৰ মুখামুখি নহলে জীৱন কিমান আদৰৰ তাক বুজা টান বুলি কোৱাৰ দৰে বিচ্ছেদ উপস্থিত নহলে পৰস্পৰৰ ভালপোৱাৰ গভীৰতা বা বিশুদ্ধতা নিৰ্ণিত নহয়, এই কথা বাৰে বাৰে বিঘোষিত হৈছে। প্ৰকৃত প্ৰণয়ী-প্ৰণয়িনীৰ অন্তৰত পৰস্পৰৰ সান্নিধ্য লাভৰ অভাৱ এটা তীব্ৰ যন্ত্ৰণাত পৰিণত হয় আৰু সি ভালপোৱাৰ তীব্ৰতা স্বাভাৱিকতে বঢ়াই তোলে। সেয়েহে তেওঁলোকৰ মন পৰস্পৰক আকৌ পাবলৈ উতলা হৈ উঠে। বিচ্ছেদে যদি নায়ক-নায়িকাৰ মনত অনুৰাগৰ তীব্ৰতা, পৰস্পৰক পাবলৈ আকুলতা আৰু গভীৰ মানসিক যন্ত্ৰণাৰ সৃষ্টি নকৰে, তেনেহলে বুজিব লাগিব সেই প্ৰণয়ত ক'ৰবাত কেৰোণ আছে। সেই কাৰণে যিসকলে প্ৰেমিক বা প্ৰেমিকা জীৱনৰপৰা বিচ্ছিন্ন হৈ যোৱাৰ পিছত পূৰ্বৰ প্ৰণয়ক সোণৰ পৰ্বতত বগোৱা এটা সপোনৰ দৰে জ্ঞান কৰি নতুন প্ৰণয়ৰ নাটক ৰচনা কৰিব পাৰে সেইসকলক আমি আদৰ্শ প্ৰেমিক বা প্ৰেমিকা নোবোলোঁ। অথচ তেনে মানুহৰ সংখ্যা পৃথিৱীত কম নহয়। জীৱনত কেতিয়াও নেপাহৰোঁ বুলি বাৰে বাৰে শপত খোৱাৰ পিছত আৰু সেই কথা মনে মনে স্থিৰ কৰি লোৱাৰ পিছতো বেলেগ পৰিস্থিতিত পৰি যিসকলে নিজক নতুন ধৰণে খাপ খুৱাই লয়, আৰু পূৰণিক সম্পূৰ্ণৰূপে বিদায় দিয়ে, সেই শ্ৰেণী অস্থিৰ মনৰ মানুহৰ সিংহদুৱাৰৰ ভিতৰলৈ বিপ্ৰলম্ভ কেতিয়াও সোমাব নোৱাৰে। দয়িত-দয়িতাৰ জীৱনত বিচ্ছেদ উপস্থিত হলে সেই বিচ্ছেদৰ ফলস্বৰূপে পুনৰ্মিলনৰ বাবে যি প্ৰচণ্ড ব্যাকুলতা জন্মে, তাৰ পৰিণাম হ'ল অসহ্য বিৰহদশাৰ অন্তত পৰস্পৰৰ প্ৰতি দৃঢ়তৰ প্ৰীতি। নষ্ট ৰত্ন ঘূৰাই পোৱাৰ পিছত তাৰ প্ৰতি সতৰ্কতা, যত্ন আৰু আদৰ বাঢ়ি যোৱাৰ দৰে পুনৰ্মিলনৰ পিছত প্ৰেমিক-প্ৰেমিকাই পৰস্পৰক আৰু নিবিড় মৰমৰ দোলেৰে বান্ধিবলৈ চেষ্টা কৰে।



কালিদাসে শকুন্তলাক দুষ্যন্তৰ পৰা আঁতৰাই ৰাখি উভয়কে বিপ্ৰলম্ভৰ জুইত দগ্ধ কৰিছে। শকুন্তলাৰ ৰজাৰ প্ৰতি ভালপোৱা কোনোদিনে তিলমানো কমা নাছিল—সেয়েহে শকুন্তলাৰ স্বৰ্গৰ সুখ-সম্ভোগৰ মাজতো তপস্বিনীৰ জীৱন যাত্ৰা এটা প্ৰতীকধৰ্মী ঘটনা—প্ৰেমৰ কাৰণে হাজাৰ সুখ সম্পদ ত্যাগ কৰিব পাৰিব লাগিব, যিটো পাৰ্বতীয়ে কৰিছিল। ইফালে আকৌ শকুন্তলাৰ স্মৃতি মনলৈ অহাৰ লগে লগে ৰজাৰো মনত শান্তি নোহোৱা হৈছে—ৰজাক অনুতাপৰ জুয়ে পুৰি পেলাইছে। কালিদাসৰ শকুন্তলাৰ উত্তৰ পৰ্ব ভৱভূতিৰ সীতাৰ বিচ্ছেদ পৰ্বৰে সৈতে মিলে। সীতাই সুদীৰ্ঘ বাৰ বছৰ কাল পতি-পুত্ৰৰ পৰা বিচ্ছিন্ন হৈ বাল্মীকিৰ আশ্ৰমত বাস কৰিছে—এয়া সুদীৰ্ঘ তপস্যা। শকুন্তলাতকৈ দীৰ্ঘতৰ কাল সীতাই তপোবনত কটাব লগীয়া হৈছে প্ৰিয়তমৰ লগত মিলনৰ বাবে।

উত্তৰ ৰামচৰিত আৰু অভিজ্ঞান শকুন্তলম্ দুই ঠাইতে দুটি বিচ্ছেদৰ কাহিনী জড়িত থাকিলেও দুইটাৰ সুকীয়া বৈশিষ্ট্য আছে। উত্তৰ ৰামচৰিতত ৰামে যে সীতাক এৰি একমুহূৰ্তৰ বাবেও শান্তিত থাকিব নোৱাৰে তাৰ স্পষ্ট প্ৰমাণ প্ৰথম অংকৰ পৰাই পাওঁ। দ্বিতীয় অঙ্কত আত্ৰেয়ী আৰু বাসন্তীৰ কথোপকথনৰ পৰাও এই কথা আমি বুজিব পাৰোঁ যে ৰামে ৰাজকাৰ্যৰ অনুৰোধত সীতাক বৰ্জন কৰিলেও মনৰ পৰা সীতাৰ স্মৃতি মচি পেলাব পৰা নাই বাবে সীতাৰ স্বৰ্ণমূৰ্তি স্থাপন কৰি অশ্বমেধ যজ্ঞ সম্পাদন কৰিছে। ইফালে দুষ্যন্তৰ মনোভাৱ জানিবলৈ আমাৰ কোনো উপায় নাই। দুষ্যন্তই হংসপদিকাক বিয়া কৰাই পিছত পাহৰি গৈছে। এই ধৰণৰ নায়কৰ ওপৰত ভৰসাই বা কিমান? সেইহে দুষ্যন্তৰ নিজৰ আঙঠিটো ঘুৰাই পোৱাৰ পিছৰ পৰ্যায়টো আমাৰ কাৰণে অত্যাবশ্যকীয়! আঙঠিটো ঘুৰাই পাই ৰজাৰ শকুন্তলাৰ কথা ছাট কৰে মনত পৰি গৈছে। ৰজা শকুন্তলাৰ প্ৰতি কৰা ব্যৱহাৰত অনুতপ্ত হৈ পৰিছে। ৰজাৰ আকৌ শকুন্তলাক পাবলৈ তীব্ৰ আকাংক্ষা জন্মিছে।

আঙঠিটো ঘূৰাই পোৱাৰ পিছৰ পৰ্বৰ দুষ্যন্ত এজন সম্পূৰ্ণ বেলেগ ব্যক্তি। তেওঁৰ আচৰণে প্ৰমাণ কৰিছে যে তেওঁৰ শকুন্তলাক ভালপোৱা অস্থায়ী ভালপোৱা নহয়—তেওঁৰ অনুৰাগ হংসপদিকাৰ প্ৰতি এসময়ত জন্মা অনুৰাগতকৈ সম্পূৰ্ণ বেলেগ। ৰজাই সমগ্ৰ সত্তাৰে শকুন্তলাক চিৰজীৱনৰ কাৰণে পাবলৈ বিচাৰে। শকুন্তলাৰ অসহ্য চিন্তাত তেওঁৰ চকুত টোপনি নোহোৱা হৈছে। ওৰে নিশা সুন্দৰী ভাৰ্যাসকলৰ কাষতে পৰি থাকি ছটফটাই কাল কটাইছে—অনুতাপ আৰু বিপ্ৰলম্ভৰ জুয়ে ৰজাক পুৰি দেই ছাই কৰিব লাগিছে। প্ৰথম, দ্বিতীয়, তৃতীয় আৰু পঞ্চমাংকৰ দুষ্যন্ত এজন ব্যক্তি আৰু ষষ্ঠ আৰু সপ্তমাংকৰ দুষ্যন্ত সম্পূৰ্ণ অন্য এজন ব্যক্তি। দ্বিতীয়াংকত ৰজাই শকুন্তলাৰ চিত্ৰ কল্পনা কৰোঁতে "অনাঘ্ৰাতং পুষ্পং কিশলয়মলূনং কৰৰুহৈঃ অনাবিদ্ধং ৰত্নং মধু নৱমনাস্বাদিতৰসং" বুলি উক্তি কৰিছে। সেই উক্তিত প্ৰকাশ পাইছে তীব্ৰকামনা। পঞ্চম অংকতো ৰজাই শকুন্তলাক দেখি 'ন শক্নোমি মোক্তুং নাপি শক্নোমি হাতুং" কৰা উক্তিত সেই দৈহিক বাসনাৰ গোন্ধ পাওঁ। কিন্তু আঙঠি ঘূৰাই পোৱাৰ পিছৰ ৰজা এজন পৰিবৰ্তিত ব্যক্তি। শকুন্তলাৰ প্ৰতি কৰা ব্যবহাৰৰ অনুশোচনাত আৰু শকুন্তলাক ঘূৰাই পাব নোৱাৰা দুখত তেওঁ ম্ৰিয়মান। 'স্বপ্নোনু মায়ানু মতিভ্ৰমোনু' বুলি কৰা বিলাপৰ মাজেৰেও কেৱল গভীৰ বেদনাই প্ৰকাশ পাইছে। সপ্তমাংকত পুনৰ্মিলনৰ সময়তো ৰজা আৰু শকুন্তলাৰ প্ৰথম আৰু তৃতীয়াংকৰ ভাৱ অনুভূতি বোৰৰ পুনৰাবৃত্তি ঘটা নাই। তাৰ পৰিবৰ্তে প্ৰকাশিত হৈছে এক নিবিড় শান্তি, এক গভীৰ আনন্দ। কালিদাসৰ মহান্ উদ্দেশ্য ফলৱতী হৈছে। প্ৰেমক তেওঁ দৈহিকতাৰ ঊৰ্ধ্বত এটি উজ্জ্বল উদাত্ত স্বৰ্গীয় অনুভূতিৰূপে প্ৰতিষ্ঠিত কৰিব পাৰিছে। ৰজা আৰু শকুন্তলা দুয়ো এই আদৰ্শ প্ৰেমৰ অগ্নিপৰীক্ষাত উত্তীৰ্ণ হব পাৰিছে। এইখিনিতে গজেন্দ্ৰগড্‌কাৰৰ এষাৰ উক্তি উল্লেখ কৰিব পাৰি—"The love that Kalidasa depicts in his last play is universal and pure. It has nothing of the limited and grassly sensual character of earlier dramas about it."

প্ৰেমৰ লগতে দৈহিকতাৰ সম্পৰ্ক থাকিব পাৰে। এজন ব্যক্তিয়ে এজন ব্যক্তিক সমগ্ৰ সত্তাৰে ভাল পাবলৈ যাওঁতে নাৰী-পুৰুষৰ সহজাত দুৰ্বলতা উপস্থিত হব পাৰে—কিন্তু প্ৰেমে যদি তাৰ ঊৰ্ধ্বলৈ উঠিব নোৱাৰে তেন্তে পূৰ্বতে আলোচনা কৰাৰ দৰে সি কেতিয়াও প্ৰকৃত প্ৰেম নহয়।

(ক্ৰমশঃ)

# ‘বিজয়া’ নাটৰ বিজয়া চৰিত্ৰ

অধ্যাপক শ্ৰীনবীনচন্দ্ৰ শৰ্মা

অসমৰ বিশিষ্ট কবি আৰু নাট্যকাৰ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱৰ দ্বাৰা ৰচিত 'বিজয়া' এখনি উৎকৃষ্ট কাল্পনিক নাট। 'বিজয়া' নাটৰ কাহিনীভাগ নাট্যকাৰৰ স্বকল্পিত নহয়। স্পেনিছ নাট্যকাৰ জুৱান হাৰ্টছেন বুছৰ "টেৰুৱেল নগৰৰ প্ৰণয়ী" (La Amentes de Teruel) নামৰ বিখ্যাত নাটখনিৰ কাহিনীৰ আধাৰত মধ্যযুগৰ ভাৰতীয় পট ভূমি আৰু পৰিবেশত ৰূপ দি 'বিজয়া' নামৰ নাটখনি ৰচনা কৰা হৈছে। অৱশ্যে নাট্যকাৰ বৰুৱাদেৱে 'বিজয়া' নাটৰ কাহিনী ভাগ পোনপটীয়াভাৱে 'টেৰুৱেল নগৰৰ প্ৰণয়ী' নামৰ নাটখনিৰ পৰা লোৱা নাই, নাটৰ কাহিনী ভাগ গ্ৰহণ কৰিছে, শ্ৰীকৃষ্ণকান্ত সন্দিকৈ দেৱে লিখা "স্পেইন দেশীয় 'ৰোমিঅ' জুলিয়েট' নামৰ প্ৰবন্ধটিৰ পৰা। সন্দিকৈ দেৱৰ 'স্পেইন দেশীয় ৰোমিঅ' জুলিয়েট' নামৰ প্ৰবন্ধটোত "টেৰুৱেল নগৰৰ প্ৰণয়ী" নামৰ নাটখনিৰ কাহিনী-ভাগ বৰ্ণিত হৈছে। নাট্যকাৰ বৰুৱাই সেই কাহিনী-ভাগকে সজাই-পৰাই নাট্যৰূপ দিছে। সেই কাৰণে পৰা নাটকীয় কাহিনী ভাগৰ বিকাশত নাট্যকাৰৰ বিশেষ মৌলিকতা আছে বুলি ক'ব নোৱাৰি।

শ্ৰীবৰুৱাদেৱৰ 'বিজয়া' নামৰ নাটখনিত নায়িকা বিজয়াৰ চৰিত্ৰটি কেনেদৰে ৰূপায়িত হৈছে সেই বিষয়েহে এই প্ৰবন্ধটিত আলোচনা কৰা হব।

'বিজয়া' নাটৰ অন্যতম প্ৰধান নাৰী-চৰিত্ৰ হৈছে বিজয়া। বিজয়া-চৰিত্ৰৰ ধৈৰ্য, সাহস, মনোবল আদিলৈ লক্ষ্য কৰি এই চৰিত্ৰটিক উক্ত নাটৰ নায়িকা বুলি ক'ব পাৰি। 'টেৰুৱেল নগৰৰ প্ৰণয়ী 'নাট'ত ইজাবেলৰ চৰিত্ৰটি যেনেদৰে ধৈৰ্য, সাহস আৰু মনোবলৰ প্ৰতিমূৰ্তি স্বৰূপে অঙ্কন কৰা হৈছে, তদ্ৰূপ 'বিজয়া' নাটতো উক্ত চৰিত্ৰটি ধৈৰ্য, সাহস আৰু মনোবলৰ প্ৰতিমূৰ্তি স্বৰূপে চিত্ৰিত হৈছে। 'ইজাবেলে' অসমীয়া নাটত 'বিজয়া'ৰ ৰূপ পৰিগ্ৰহ কৰিছে।

বিজয়া আদৰ্শ প্ৰেমিকা, উপযুক্ত গৃহিণী, চৰিত্ৰৱতী নাৰী, মাতৃভক্তি পৰায়ণা, ধৈৰ্য আৰু সহনশীলতাৰ প্ৰতিমূৰ্তি স্বৰূপা আৰু ক্ষমাশীলা।

বিজয়াই শৈশৱৰপৰা ভাল পাইছিল বিশ্বসিংহক। শৈশৱকালৰ সেই মধুৰ ভালপোৱাই যৌৱন কালত পৱিত্ৰ প্ৰণয়ত পৰিণত হ'ল। বিজয়া আৰু বিশ্বসিংহই পৰস্পৰে পৰস্পৰক জীৱন আৰু যৌৱনৰ কাৰণে বিচাৰিলে। আভিজাত্যৰ গৌৰৱেৰে গৌৰৱান্বিত ধনী, মানী বিজয়সিংহই বিজয়া-বিশ্বৰ গভীৰ প্ৰেম আৰু প্ৰণয়ত নিষ্ঠুৰভাৱে আঘাত কৰি, অভিজাত আৰু ধন-দৌলতৰ গৌৰৱেৰে চিৰ গৌৰৱান্বিত দীনদাসলৈহে বিজয়াক বিয়া দিবলৈ স্থিৰ কৰিলে। বিজয়া আৰু বিশ্বসিংহৰ অনুৰোধ আৰু কাকুতিত সন্তুষ্ট হৈ বিজয়সিংহই বিশ্বসিংহক ছয় বছৰ সাত দিনৰ সময় দিলে। এই সময় ছোৱাৰ ভিতৰত যদি বিশ্বসিংহই বিদেশলৈ গৈ ধন-দৌলত

উপাৰ্জন কৰি ধনী হ'ব পাৰে, তেনেহলে বিজয়াক পাব, অন্যথাই বিজয়াক দীনদাসলৈহে বিয়া দিয়া হ'ব। বিজয়াৰ প্ৰেমৰ স্নিগ্ধ জ্যোৎস্নাত জুৰ লৈ জীৱনটো মহীয়ান কৰিবলৈ, জীৱন আৰু যৌৱনক প্ৰণয়-পুষ্পৰ পৰিমলেৰে ৰঞ্জিত কৰিবলৈ, বিজয়াৰ অপৰিসীম ভাল পোৱাৰে ধূলি-ধূসৰিত, কৰ্দমাক্ত মাটিৰ পৃথিৱীত, ধূলিৰ ধৰণীত প্ৰেম আৰু সৌন্দৰ্যৰ পবিত্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰাৰ এবুকু আশাৰে বিশ্বসিংহই বিদেশলৈ যাত্ৰা কৰিলে। বিজয়া আৰু বিশ্বসিংহৰ এই প্ৰেম যে কোনো এক বিশেষ সময় বা বিশেষ এটি জীৱনৰ নহয়, এই প্ৰেম যে যুগ-যুগান্তৰ, ইযে মৃত্যুঞ্জয়ী, তাৰ আভাস বিশ্বসিংহই জুলিমা বেগমৰ আগত কোৱা কথা এফাঁকিৰ পৰা বুজিব পাৰি :—

"বিশ্ব খনিকৰে গোৱা পাতনি সংগীত,
পশিল যিদিনা আহি নিস্তব্ধ ধৰাত
সিদিনাই জন্ম ললে দুখনি হৃদয়ে
বিশ্বসিংহ-বিজয়াৰ দুটি ৰূপ লৈ।
একে মুহূৰ্ততে একে পলকতে দুয়ো
মেলিলে দুয়োৰো চকু ধৰিত্ৰী-কোলাত।
একেই দিনত হ'ল দুয়োৰে বিকাশ
নিলগতে চিনি পোৱা দুটি আতমাৰ,
প্ৰথমে যি দিন,
জনমৰ বহুপুৰ্বে অনা দুয়োটিৰে
অভেদ-অছেদ এই প্ৰণয় জৰীৰে
নিজ হাতে বান্ধি দিলে, প্ৰজাপতি আহি
সৃষ্টিৰ কালত আনি পৰম পিতাই
পৰশত সানি দিলে প্ৰেমৰ পৰাগ।"

বিজয়াৰ দৃষ্টিত, বিশ্ব-বিজয়াৰ প্ৰেম কোনোবা যুগ-যুগান্তৰৰ মধুৰ স্মৃতি। জনমৰ বহু যুগৰ আগতেই যেন সেই স্মৃতিৰ জন্ম। আকাশ-বতাহ, জল-স্থল, ফুল-কুলনি, পৰ্বত-পাহাৰ সকলোতে তাই মাথোন সেই স্মৃতিৰে প্ৰতিধ্বনি অনুভৱ কৰিছে।

বিজয়াই প্ৰণয়ৰ মৰ্ম উপলব্ধি কৰিব পাৰে। আদৰ্শ প্ৰেমিকা বিজয়াই প্ৰণয়-প্ৰাৰ্থী দীনদাসে দেখুওৱা ধন-দৌলতৰ প্ৰলোভন বিনা দ্বিধাই ত্যাগ কৰিবলৈ সক্ষম হৈছে। তাইৰ দৃষ্টিত বিশ্বসিংহৰ ভালপোৱাৰ তুলনাত জগতৰ ধন-দৌলতৰ কোনো মূল্য নাই। দীনদাসৰ ঐশ্বৰ্য-বিভূতি, বংশ-মৰ্যাদাক অনাদৰ আৰু অৱহেলা কৰি সামান্য ৰাজপুত বিশ্বসিংহক বৰণ কৰি জীৱনটো হাহাকাৰেৰে পৰিপূৰ্ণ কৰিবলৈ যোৱাতো যে বিজয়াৰ ভুল হৈছে, সেই বিষয়ে দীনদাসে সকীয়াই দিয়াত, কেঁচা সোণৰদৰে পবিত্ৰ বিজয়াই, ইয়াৰ সমুচিত প্ৰত্যুত্তৰ এইদৰে দিছে: "আপুনি মোতকৈ বয়সেও ডাঙৰ অভিজ্ঞতাও আপোনাৰ বহুত বেছি। কিয় মই ঐশ্বৰ্যৰ প্ৰলোভন এৰি বিশ্বক বৰণ কৰিবলৈ সাজু হৈছো আপুনি নিজেই ভাবি চাওক।"

বিশ্বসিংহৰ প্ৰেম আৰু প্ৰণয়ে, মৰম-ভালপোৱাই বিজয়াৰ জীৱন-যৌৱন আবৰি ৰাখিছিল। বিশ্বসিংহ বিজয়াৰ জীৱন-আকাশৰ ধ্ৰুৱতৰা স্বৰূপ। বতাহ নহলে যেনেকৈ ফুল নুফুলে, চন্দ্ৰৰ পৰশ অবিহনে যেনেকৈ সাগৰৰ বুকুত যৌৱন মতলীয়া জোৱাৰ নুঠে, ভোমোৰাৰ মৰমী সম্ভাষণ নেপালে যেনেকৈ কুসুম-প্ৰাণ চঞ্চলহৈ নুঠে, তেনেকৈ বিশ্বসিংহ অবিহনে বিজয়াৰ জীৱনৰ কিবা সাৰ্থকতা আছে বুলি তাই ভাবিব নোৱাৰিছিল। তাইৰ ভাষাত—"হিয়াৰ মাজত হাড়ে হাড়ে লেখা আছে, চকুৰ আগত জল্ জলকৈ জিলিকি আছে, বিশ্বসিংহ মোৰ জীৱন। ঈশ্বৰে নিজেই মিলাই দিছে। তুমি সামান্য মানুহ দীনদাস।"

বিজয়াই দীনদাসক অন্তৰেৰে ঘৃণা কৰিছিল, আনহাতে দীনদাসে বিজয়াক বিয়া কৰাবলৈ আকোৰ গজালি দি ধৰিছিল। ছবছৰ সাতদিনৰ ভিতৰত বিশ্বসিংহ চহকী হৈ ঘূৰি আহিব পাৰিলে বিজয়াক তেওঁলৈ বিয়া দিব বুলি বিজয় সিংহই প্ৰতিজ্ঞা কৰিছিল। নিৰ্দিষ্ট সময়ৰ ভিতৰত যদি বিশ্বসিংহ ঘূৰি আহি নাপায়, তেনেহলে অম্লান বদনে বিজয়াই দীনদাসক বিয়া কৰাব লাগিব। পিতৃ-মাতৃ হৈ নিজ কন্যা বিজয়াৰ ইচ্ছাৰ বিৰুদ্ধে



কাম কৰা যে অন্যায় হব সেই বিষয়ে কমলাই বিজয়-সিংহক কৈছিল ; কিন্তু বিজয়সিংহই নিশ্চিন্তভাৱে কলে যে তেওঁৰ কথাৰ লৰচৰ নহয়। বিজয়াই ভিতৰৰপৰা পিতাকৰ সেই নিৰ্মম মন্তব্য শুনি আছিল। বিজয়াই বুকুভৰা বেদনা বুকুৰ মাজতে ৰাখি মাকক কৈছিল—"আই, তুমি একো নাভাবিবা। মোৰ দুখ-বেজাৰতকৈ পিতাৰ প্ৰতিজ্ঞা হেজাৰ গুণে ডাঙৰ।"

দীনদাসে বিজয়াৰ হৃদয় জয় কৰিবলৈ অসমৰ্থ হৈ নীচ উপায় অবলম্বন কৰি ছলে-বলে, কলে-কৌশলে বিজয়াক বিয়া কৰাবলৈ কৃতসংকল্প হৈ উঠিল। দীনদাসৰ হাতত এনে কিছুমান চিঠি আছিল যিবোৰত বিজয়াৰ মাতৃ কমলাৰ বিগত জীৱনৰ কলঙ্ক-কালিমাৰ কাহিনী লিপিবদ্ধ আছিল। দীনদাসে সেই চিঠিবোৰৰ সহায়ত বিজয়াৰ প্ৰেমত কৃতকাৰ্যতা লাভ কৰিবলৈ প্ৰয়াস কৰি কমলাক স্পষ্টভাৱে কলে যে, যদি বিজয়াক দীনদাসলৈ বিয়া দিয়া নহয় তেনেহলে কমলাৰ সেই কলংক কাহিনী জন-সমাজত প্ৰচাৰ কৰি দিব। মাতৃভক্তি-পৰায়ণা বিজয়াই ভিতৰৰপৰা দীনদাসৰ সেই সতৰ্ক বাণী শুনি আছিল। অৱশেষত মাতৃ কমলাক অবাঞ্ছিত কলংক কাহিনীৰ পৰা ৰক্ষা কৰিবলৈ মনে-প্ৰাণে কোনো দিনে ভাল নোপোৱা, সপোনে-সচিতে নভবা দীনদাসক বিয়া কৰাবলৈ বিজয়া আগবাঢ়ি গ'ল—"আই, ভিতৰৰ পৰা মই তোমালোকৰ সকলো কথা-শুনি আছিলোঁ, কোনো ভয় নকৰিবা। মই দীনদাসক বিয়া কৰাম।"

বিজয়া এক ভীষণ সমস্যাত উপনীত হ'ল। এফালে বিশ্বসিংহৰ প্ৰতি তাইৰ গভীৰ ভাল পোৱা, আনফালে মাতৃ-ভক্তি। দীনদাসক বিয়া নকৰালে সি কমলাৰ কলংক-কাহিনী জনসমাজত প্ৰচাৰ কৰি ভীষণ প্ৰতিশোধ লব। অন্যহাতে বিশ্বসিংহলৈ অপেক্ষা নকৰাকৈ দীনদাসক বিয়া কৰালে আজন্মকাল যাক ভাল পাই অহা হৈছে, তেওঁৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হব। বিজয়াৰ দুই নাৱে দুই ভৰি হ'ল। এই দুই পৰস্পৰ বিপৰীত ভাবৰ সংযোগত নাট্যকাৰে বিজয়াৰ মানসিক অস্থিৰতা, উদ্বিগ্নতা আৰু গভীৰ অন্তৰ্দ্বন্দ্বৰ আভাস দিবলৈ সক্ষম হৈছে: "কি ভীষণ সমস্যা। আজি মই দীনদাসক বিয়া নকৰালে আইৰ কলংক কাহিনী প্ৰচাৰ কৰি ভীষণ প্ৰতিশোধ লব আৰু ইফালে বিশ্বসিংহলৈ অপেক্ষা নকৰিলেও আজন্ম-কাল যাক ভাল পাই আহিছো তেওঁৰ প্ৰতি বিশ্বাস-ঘাতকতা কৰা হব।" তেনে এক সন্ধিক্ষণত লক্ষ্ণৌৰ নবাবৰ পত্নী জুলিমা বেগমে ছদ্মবেশ ধৰি বিজয়াক মিছা খবৰ এটি দি গ'ল যে লক্ষ্ণৌৰ নবাবৰ পত্নীৰ লগত বিশ্বসিংহৰ গোপন প্ৰণয়ৰ পৰিণতি স্বৰূপে নবাবৰ হাতত বিশ্বসিংহৰ মৃত্যু হয়।

বিশ্বসিংহৰ প্ৰতি বিজয়াৰ গভীৰ বিশ্বাস আৰু সীমাহীন ভালপোৱা আছিল। সেয়েহে বিশ্বসিংহ সম্বন্ধীয় সেই নিষ্ঠুৰ বতৰা বিশ্বাস কৰিবলৈ বিজয়াই টান পাইছিল: "বেগমৰ লগত বিশ্বসিংহৰ গুপ্ত প্ৰণয় হৈছিল ? তুমি কোৱা কি যুৱক ? বিশ্বাস নহয়, ই হব নোৱাৰে।"

বিশ্বসিংহৰ অধঃপতনৰ সেই নিৰ্মম বতৰা শুনিবলৈ বিজয়াৰ অংগ-প্ৰত্যংগবোৰ যেন অক্ষম হৈ পৰিল: "তেন্তে দিয়া, মোৰ চকু ফুটাই দিয়া, কাণ কলা কৰি দিয়া, বুকু শিলেৰে বন্ধাই দিয়া, তাৰ পিছত মোক কোৱা।"

জুলিমাই বিশ্বসিংহৰ মৃত্যুৰ খবৰ দিয়াৰ লগে লগে বিজয়া অস্থিৰ আৰু অধৈৰ্য হৈ পৰিল: "কি কৰিলে ? বিশ্বসিংহক হত্যা কৰিলে ? আই আই।"

জন্মদাত্ৰী জননীক কলংক কালিমাৰ পৰা ৰক্ষা কৰিবলৈ বিজয়াই মনে-প্ৰাণে কোনো দিনে ভাল নোপোৱা দীনদাসক বিয়া কৰালে। প্ৰেমাস্পদৰ প্ৰতি গভীৰ অনুৰাগ থকা সত্বেও বিজয়াই দীনদাসক পতি-ৰূপে গ্ৰহণ কৰিলে। দীনদাসক পতিৰূপে বৰণ কৰা কাৰ্যৰ ভবিষ্যতে আমি বিজয়া চৰিত্ৰৰ চাৰিত্ৰিক দুৰ্বলতাৰ আভাস নাপাওঁ। বিজয়াই দীনদাসক অন্তৰেৰে সৈতে ঘৃণা কৰিছিল। দীনদাসৰ ধন-দৌলত, আভিজাত্য

ইত্যাদিৰ প্ৰতিও বিজয়াৰ কোনো আকৰ্ষণ নাছিল। দীনদাস সম্বন্ধীয় কোনো স্মৃতিয়েই বিজয়াৰ হৃদয়ত ৰেখাপাত কাৰব পৰা নাছিল। বিজয়াৰ মন-প্ৰাণ, কামনা-বাসনা আদি সকলোকে বিশ্বসিংহৰ প্ৰতি থকা অপৰিসীম ভাল পোৱাই আৱৰি ৰাখিছিল। বিজয়াই যদি চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণে দীনদাসক বিয়া কৰালে-হেঁতেন তেনেহলে বিয়াৰ পিছত তাই প্ৰেমাস্পদ বিশ্ব-সিংহক পাহৰিবলৈ চেষ্টা কৰিলেহেঁতেন; কিন্তু দীনদাসক বিয়া কৰোৱাৰ পিছত যেতিয়া বিশ্বসিংহ জীয়াই থকাৰ বাতৰি তাই পালে; আৰু তাইৰ কাৰণেই যে বিশ্বসিংহৰ জীৱনলৈ কৰুণ পৰিণতি নামি আহিছে বুলি তাই উপলব্ধি কৰিব পাৰিলে, তাৰ লগে লগে তাইৰ মন-প্ৰাণ সকলো বিশ্বসিংহ সম্বন্ধীয় মধুৰ অতীতৰ ৰঙীণ অথচ কৰুণ স্মৃতিয়ে গভীৰভাৱে আৱৰি পেলালে। বিজয়াৰ অন্তৰৰ বিষাদ-বেদনা জগতৰ কোনোৱে বুজিবলৈ চেষ্টা কৰা নাই। ভাগ্যৰ ঘাত-প্ৰতিঘাত তাই নীৰৱে আৰু অকাতৰে সহ্য কৰিবলৈ সাহস গোটাইছে। ভাগ্যৰ নানা ঘাত-প্ৰতিঘাত, জীৱনৰ অশেষ দুখ-বেদনা আদিৰ মাজতো বিশ্বসিংহৰ স্মৃতিৰে তাই সান্ত্বনা লাভ কৰিবলৈ চেষ্টা কৰিছে। "মোৰ যাতনা কেৱে বুজিব নালাগে কাকো মোৰ দুখৰ ভাগ নিদিওঁ। কপালত বিধতাই যি লিখি দিছে তাক কোনে গুচাব? কিন্তু প্ৰাণৰ একান্ত ইচ্ছাত বাধা পৰে কিয়? ভাগ্য, সিও ভাগ্য। বিশ্বসিংহ তুমি য'তে থাকা তাতেই মই আছোঁ। মই নমৰো।"

বিশ্বসিংহৰ প্ৰাণৰ লগত বিজয়াৰ প্ৰাণ যে অভিন্ন তাৰ আভাস আমি ইয়াৰপৰা পাব পাৰোঁ। বিশ্ব-সিংহৰ প্ৰতি গভীৰ ভালপোৱা; প্ৰবল অনুৰাগ, পবিত্ৰ প্ৰণয় থকা সত্বেও মাকক আসন্ন কলংক-কাহিনীৰপৰা ৰক্ষা কৰিবলৈ গৈ দীনদাসক বিয়া কৰাই বিজয়াই কেনেদৰে তাইৰ জীৱনটো অন্তৰ্দাহী বেদনাৰ কাৰুণ্যেৰে অশ্ৰু-সিক্ত কৰি তুলিছে তাৰ আভাস আমি বিজয়াই মাকক কোৱা এষাৰ কথাৰ পৰা পোৱা যায়:—"হৃদয় বিষেৰে ভৰিছে। পায় নেভাগিলে আৰু নহয়। আই, মোৰ বিষাদ-যাতনাৰ সাক্ষী স্বৰূপে তোমালোকক মতা নাই। মই কাকো মতা নাই, মাতিছোঁ এই শূন্য দেৱালৰ অচল শিল-পাথৰবোৰক। মাতিছোঁ এই ঘৰ-দুৱাৰ বেৰবোৰক আৰু মাতিছো এই শিলৰ মজিয়াখনক। যদি মানুহৰ হিয়াৰ দৰে কঠুৱা আৰু নিৰ্দয় নোহোৱা হলে এই শিলৰ মজিয়াতো মোৰ কান্দোনৰ ছাব বহিলহেঁতেন।"

বিজয়াই মাকক কলংক কালিমাৰপৰা ৰক্ষা কৰিবলৈ গৈ, ত্যাগৰ শীৰ্ষবিন্দুত উপনীত হৈ, দীনদাসক বিয়া কৰাই জীৱন আৰু জগতত দাৰুণ যন্ত্ৰণা চপাই লং-লগীয়া হৈছে: "আকাশ-বতাহ, চন্দ্ৰ-সূৰ্য সকলোবোৰ যেন বিষময়। সুশীতল মলয়াই অমিয়াৰ সলনি যেন কিছুমান বিষ লৈ আহিছে।"

মাতৃ-স্নেহৰ বাবেই যে বিজয়াই দীনদাসক বিয়া কৰাই চৰম ত্যাগৰ আদৰ্শ দেখুৱাব পাৰিছিল তাৰ আভাস দীনদাসৰ উক্তিৰপৰা পোৱা যায়: "কোৱা মাতৃ-স্নেহৰ কাৰণে? বিজয়া, যদি তোমাৰ মাৰাৰ কাৰণে ইমানখিনি ত্যাগ কৰিব পাৰিলা, মোৰ কাৰণে এই সামান্য ত্যাগ ফেৰানো স্বীকাৰ নকৰা কিয়?"

বিজয়াই প্ৰেমাস্পদ বিশ্বসিংহৰ প্ৰতি গভীৰ অনুৰাগ থকা সত্বেও চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণে যদি দীনদাসক বিয়া কৰালেহেঁতেন তেতিয়া বিজয়াই দেহ মন সকলোকেই দীনদাসৰ কামনাৰ বহ্নিত সমৰ্পণ কৰিব পাৰিলেহেঁতেন। চাৰিত্ৰিক দুৰ্বলতাৰ বাবে বিজয়াই দীনদাসক বিয়া কৰোৱা নাছিল বাবেই তাই বিবাহিত স্বামী দীনদাসক স্পষ্টভাৱে কব পাৰিছিল যে দীনদাসে তাইৰ দেহৰ সতীত্ব পাব; কিন্তু মনৰ সতীত্ব নাপায়। তাই মনেৰে সদায়েই বিশ্বসিংহক ভাল পাব। দীনদাসৰ বিবাহিত পত্নী-স্বৰূপে বিজয়াই দীনদাসৰ মৰ্যাদা আৰু ধৰ্ম ৰক্ষা কৰিব; কিন্তু তাইৰ প্ৰেম সদায়েই বিশ্বসিংহৰ হৈ থাকিব: "সেই কাৰণেই মই আপোনাৰ ধৰ্ম ৰক্ষা কৰি আছোঁ। কিন্তু মোৰ প্ৰেম আপোনাৰ প্ৰাপ্য হ'ব নোৱাৰে। মোৰ শৰীৰৰ মাংস আপোনাৰ প্ৰাপ্য, তাত মই বাধা দিয়া নাই।"



দীনদাসে বিজয়াক শাস্তি আৰু যন্ত্ৰণাৰ ভয় দেখুৱালে। তেনে ক্ষেত্ৰতো তাই স্পষ্টভাৱে কলে যে, তাইৰ মনে দীনদাসক ভাল নাপায়, তাইৰ মনে ভাল পাব বিশ্বসিংহক —"অনুতাপ কৰিব কোনে? মোৰ হাত, ভৰি অংগ-প্ৰত্যংগই সেৱা কৰিব আপোনাৰ; কিন্তু মোৰ মনে ভাল পাব বিশ্বসিংহক।"

বিজয়াৰ এই উক্তিৰ পৰা সহজে অনুমান কৰিব পাৰি যে তাই মনেপ্ৰাণে ভাল পাই দীন দাসক বিয়া কৰোৱা নাছিল। বিৰহ-বিচ্ছেদৰ অন্তৰ্দাহী বেদনাৰ দ্বাৰা ব্যথিত আৰু মৰ্মাহত হৈও তাই মাতৃ কমলাৰ মান-সন্মান ৰক্ষা কৰিবলৈ গৈছে দীনদাসক বিয়া কৰাই।

প্ৰতিশোধ-পৰায়ণ দীনদাসক কামনা পূৰ্ণ কৰিবলৈ গৈ দীনদাসক বিয়া কৰালেও তাই বিশ্বসিংহৰ স্মৃতি হৃদ্‌স্তৰৰ বাবেও পাহৰিব পৰা নাছিল। বিশ্বসিংহক তাই বিয়া কৰাব নোৱাৰিলে। এয়া যেন তাইৰ ভাগ্যহীন জীৱনৰ সুৰহীন গান। বিশ্বসিংহ জীয়াই থকাতেই তাইৰ পৰম তৃপ্তি। বিশ্বসিংহৰ লগত তাইৰ দেহৰ মিলন নহলেও বিশ্ব-বিজয়াৰ মনৰ মিলন যে কোনোবা দিনাই হৈছিল আৰু সেইদিনৰ পৰা বিশ্ব-বিজয়াৰ যে কোনো-দিনে বিচ্ছেদ হব নোৱাৰে তাক আদৰ্শ প্ৰেমিকা বিজয়াই ভালদৰে উপলব্ধি কৰিব পাৰিছিল—'তুমি জীয়াই আছা, সেয়ে মোৰ নিমিত্তে অশেষ তৃপ্তি। কেতিয়াবা আঁতৰৰে পৰা তোমাক এবাৰ চাম, নিজানত এটোপা চকুৰ পানী টুকিম। বিশ্বসিংহ মই সদায় তোমাৰেই।"

মাকৰ সন্মান ৰক্ষা কৰিবলৈ বিজয়াই অকাতৰে দ্বিধাহীনভাৱে দীনদাসক বিয়া কৰালে। ইয়াৰ পৰিণতি স্বৰূপে বিশ্বসিংহৰ জীৱনলৈ দুখ-বেদনা নামি আহিল। বিশ্বসিংহৰ কৰুণ পৰিণতিয়ে বিজয়াক বেদনা-বিহ্বল কৰি তুলিলে। চকুৰ আগতে প্ৰেমাস্পদৰ উন্মাদ অৱস্থাই তাইক অস্থিৰ কৰি তুলিলে। তাই পৰম ধৈৰ্যৰে, অকাতৰে সকলো সহ্য কৰিছে। বিজয়াই তাইৰ প্ৰেমাস্পদক উদ্দেশ্য কৰি কৈছে, "ঈশ্বৰ! ঈশ্বৰ! শক্তি দিয়া যেন ধৈৰ্য নেহেৰুৱাও। মোৰ প্ৰাণৰ দেৱতাই মোক বিচাৰি উন্মাদৰ দৰে বাটে বাটে ঘুৰি ফুৰিছে আৰু মই সকলো চাই আছোঁ। তথাপি একো কৰিবৰ উপায় নাই। উস্ মোৰ অন্তৰৰ ব্যথা কোনেও নুবুজিলে, কাকো মোৰ বেদনাৰ কথা মুখ ফুটাই কব নোৱাৰিলোঁ। তথাপি মই জীয়াই আছোঁ। বিশ্ব-সিংহ, মোৰ দেৱতা। হিয়া ভাগি চুৰমাৰ হৈছে, তথাপি কাকো কোৱা নাই। কেৱেঁ বুজা নাই। কণ্ঠৰোধ হবৰ উপক্ৰম হৈছে; তথাপি কথাকৈ আছোঁ। যদি মোৰ হৃদয় আপোনা-আপুনি ভাগি যায়। তথাপিও নকও—যোৱা তুমি উন্মাদ নহবা।'

প্ৰেমাস্পদ বিশ্বসিংহৰ প্ৰতি গভীৰ অনুৰাগ থকা সত্বেও যে বিজয়াই দীনদাসক কোনো চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণে বিয়া কৰোৱা নাছিল, মাতৃ কমলাক অপযশৰ পৰা ৰক্ষা কৰিবলৈহে তাই সেই চৰম ত্যাগ কৰিলে, তাৰ আভাস পোৱা যায় দীনদাসক আঘাত কৰি বিশ্বই বিজয়াক নিবলৈ বিচাৰোঁতে তাই কোৱা কথাখিনিৰপৰা: "বিশুদ্ধ ব্ৰতে আমাৰ প্ৰেম নিষ্কলংক কৰি ৰাখিব। পবিত্ৰ তুলসীৰ দৰে আমি তাৰ সন্মান ৰক্ষা কৰিম। বিশ্বসিংহ, পৃথিৱীত যাতনা কিন্তু স্বৰ্গত শান্তি বিৰাজ কৰিছে।"

বিজয়াই যদি চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণে দীনদাসক বিয়া কৰালেহেঁতেন তেনেহলে তাই সম্পূৰ্ণভাৱে বিশ্ব-সিংহক পাহৰিব পাৰিলেহেঁতেন; কিন্তু মাকক কলংকৰ পৰা ৰক্ষা কৰিবলৈ গৈ দীনদাসক বিয়া কৰোৱা হেতু তাইৰ অন্তৰত বিশ্বসিংহৰ প্ৰতি থকা প্ৰণয়ৰ অন্তঃসলিলা ফল্গুধাৰা প্ৰবাহিত হৈ আছিল।

বিশ্বসিংহৰ প্ৰতি থকা অসীম ভালপোৱা আৰু গভীৰ প্ৰণয়ৰ বাবেই বিশ্বসিংহৰ মৃত্যুৰ লগে লগে বিজয়ায়ো প্ৰেমাস্পদৰ পথকে অনুসৰণ কৰিব পাৰিছে।

ওপৰৰ আলোচনাৰপৰা দেখা যায় যে প্ৰেমাস্পদৰ প্ৰতি গভীৰ অনুৰাগ থকা সত্বেও তাই দীনদাসক কোনো

চাৰিত্ৰিক দুৰ্বলতাৰ কাৰণে বিয়া কৰোৱা নাছিল। জন্মদাত্ৰী মাতৃ কমলাক কলংক কাহিনীৰপৰা ৰক্ষা কৰিবৰ বাবেহে তাই দীনদাসক বিয়া কৰাইছিল। বিজয়াৰ এই কাৰ্যই তাইৰ চৰম ত্যাগৰ আদৰ্শকে দাঙি ধৰিছে।

বিজয়া উপযুক্তা গৃহিণী আৰু চৰিত্ৰৱতী নাৰী। এই ক্ষেত্ৰত জুলিমা চৰিত্ৰৰ লগত বিজয়া চৰিত্ৰৰ বৈপৰীত্য পৰিদৃষ্ট হয়। বিজয়াই বিশ্বসিংহক গভীৰভাবে ভাল পাইছিল ; তথাচ মাকক কলংকৰপৰা ৰক্ষা কৰিবলৈ তাই দীনদাসক বিয়া কৰালে। মনে-প্ৰাণে কোনোদিনে নভবা দীনদাসৰ লগত বিয়া হব লগীয়া হৈও বিজয়াই সততে দীনদাসৰ সন্মান মৰ্যাদা ৰক্ষা কৰিছে। দীনদাসক আঘাত কৰাৰ পাছত প্ৰেমাস্পদ বিশ্বসিংহই তাইক জোৰ কৰি নিবলৈ বিচৰাত বিজয়াই এইদৰে কৈছে, "বলেৰে লৈ যাবা। ভাবি চোৱা, মই এতিয়া আৰু মোৰ নিজৰ নহওঁ। মই দীনদাসৰ। তেওঁ মোক তেওঁৰ মৰ্যাদাৰ ৰখীয়া কৰি থৈছে। তেওঁৰ প্ৰতি বিশ্বাসী হৈ থাকিবলৈ মই বাধ্য।" আনকি বিশ্বসিংহই যেতিয়া দীনদাসক বধ কৰি থৈ অহাৰ বাতৰি দি বিজয়াৰ হাতত ধৰি জোৰপূৰ্বক নিবলৈ বিচাৰিলে তেতিয়া বিজয়াই কৈছে :—"বিশ্বসিংহ, তোমাৰ পদে পদে বিপদ। ছিঃ ! মই তোমাক ঘিণ কৰোঁ।" বিজয়াৰ এই তাচ্ছিল্য ভৰা উক্তিয়েই বিশ্ব-সিংহৰ মৃত্যুৰ কাৰণ হ'ল।

সতী আৰু সজ চৰিত্ৰৱতী নাৰী বিজয়াই নিজৰ ধৰ্ম আৰু দীনদাসৰ মৰ্যাদা ৰক্ষা কৰিবলৈ গৈ প্ৰেমাস্পদক নিষ্ঠুৰ আৰু নিৰ্মমভাবে কবলৈও ভ্ৰূক্ষেপ কৰা নাই। বিজয়া যে উপযুক্তা গৃহিণী আৰু সজ চৰিত্ৰাৱতী নাৰী আছিল তাৰ আভাস ইয়াৰপৰা পাব পাৰি।

বিজয়া আদৰ্শ মাতৃভক্তি পৰায়ণা আছিল। নিজ মাতৃক কলংক-কাহিনীৰপৰা ৰক্ষা কৰিবলৈ গৈ বিশ্ব-সিংহৰ গভীৰ ভালপোৱাক আঘাত কৰি মনে-প্ৰাণে ভাল নোপোৱা দীনদাসক বিয়া কৰোৱাৰপৰা বিজয়া যে আদৰ্শ মাতৃভক্তি পৰায়ণা আৰু পৰমত্যাগী আছিল তাৰ ইংগিত পোৱা যায়।

বিজয়া সহনশীলা, ক্ষমাশীলা আৰু ধৈৰ্যৰ প্ৰতিমূৰ্তি স্বৰূপা আছিল। বিজয়া আৰু বিশ্বসিংহৰ প্ৰণয়ৰ প্ৰধান প্ৰতিবন্ধক স্বৰূপা জুলিমাৰ ওপৰত প্ৰতিশোধ লবলৈ সুবিধা পোৱাতো বিজয়াই প্ৰতিশোধ লোৱা নাই। ইয়াৰপৰা বিজয়া যে সহিষ্ণু আৰু ক্ষমাশীলা আছিল তাৰ পৰিচয় পোৱা যায়।

বিজয়া ধৈৰ্যৰ প্ৰতিমূৰ্তি আছিল। বিজয়াৰ জীৱন-যৌৱন অধিকাৰ কৰি আছিল বিশ্বসিংহৰ গভীৰ প্ৰেম আৰু অপৰিসীম ভাল পোৱাই। তেনে অৱস্থাতো তাই মাকক অপযশৰপৰা ৰক্ষা কৰিবলৈ গৈ দীনদাসক বিয়া কৰালে। ইয়াৰ পৰিণতি স্বৰূপে বিশ্বসিংহ উন্মাদ হ'ল। তাই সকলো দুখ-বেদনা অসীম ধৈৰ্যৰে সহ্য কৰিছে। সেয়েহে তাইৰ মুখত ব্যাকুল বাণী আৰু প্ৰেমৰ উচ্ছ্বাস শুনা নাযায় ; প্ৰশান্ত, ধীৰভাবে তাই নিজৰ ভাগ্যৰ বাবে অপেক্ষা কৰিছে। বিজয়াই ভাবিছিল যে সহিষ্ণুতা আৰু ধৈৰ্যৰে তাইৰ প্ৰেমক সদায় জয়ী কৰি ৰাখিব ; কিন্তু তাইৰ সেই ধাৰণা ভুল হৈছিল। অৱশেষত স্বামীৰ আসন্ন মৃত্যু, মাতৃৰ কলংক জড়িত চিঠিৰ কথা আৰু প্ৰিয়জনৰ আকুতি এনে এক বিষম সমস্যাত উপনীত হৈ তাই অস্থিৰ হৈ উঠিল আৰু তেনে অৱস্থাতে তাইৰ মুখেৰে বজ্ৰসম নিষ্ঠুৰ কথাষাৰ অতৰ্কিতে ওলাই আহিল। পৰিণতি স্বৰূপে তাইৰ প্ৰেমাস্পদ বিশ্বসিংহৰ অপ্ৰত্যাশিত ভাবে কৰুণ মৃত্যু ঘটিল।

ওপৰৰ আলোচনাৰপৰা বিজয়াৰ চৰিত্ৰত ট্ৰেজেডীৰ নায়িকাৰ বৈশিষ্ট্যসমূহ প্ৰকট হোৱা দেখা যায়। বিজয়াৰ চৰিত্ৰত আমি আত্ম-প্ৰত্যয়পূৰ্ণ অহংকাৰদীপ্ত অনমনীয় মানৱাত্মাৰ সংগ্ৰামশীল আত্মবিসৰ্জন দেখিবলৈ পাওঁ। কোনো ক্ষেত্ৰতে তাই পৰিস্থিতিৰ দাস হোৱা নাই। পৰিস্থিতিক জয় কৰি প্ৰতিষ্ঠা লাভ কৰিবলৈ বিজয়া সক্ষম হৈছে। এই কাৰণৰপৰা বিজয়াক ট্ৰেজিক নায়িকা বোলাত কোনো বাধা নাই।

---

অনূদিত গল্প

# ॥ লিয়োংকা ॥

মূল লিখক ঃ কনস্তাণ্টিন পাউষ্টোভস্কি

অনুবাদক ঃ শ্ৰীযতীন গোস্বামী

[ ছোভিয়েত গল্পকাৰ কনষ্টাণ্টিন পাউষ্টোভস্কি ( জন্ম ১৮৯২ চন ) বৰ্ত্তমানৰ জ্যেষ্ঠ ছোভিয়েত লিখকসকলৰ ভিতৰৰে এজন। কাব্যধৰ্মী কথা-সাহিত্যৰ কাৰণে প্ৰখ্যাত এইজনা গল্পকাৰে ছোভিয়েত সমাজৰ দৈনন্দিন জীৱনৰ গীত-ধৰ্মিতাক আশ্ৰয় কৰি ডেৰ কুৰিৰো অধিক কিতাপ ৰচনা কৰিছে। 'লিয়োংকা' গল্পটো তেওঁৰ ১৯৩৮ চনৰ ৰচনা।

—অনুবাদক ]

মানচিত্ৰখন চাই চাই আমি গৈ আছিলোঁ। এইখন মানচিত্ৰ এতিয়াৰ নহয়—যোৱা শতাব্দীৰ সত্তৰৰ দশকৰ আগৰ। মানচিত্ৰখনৰ কোণ এটিত লিখা আছিল—"স্থানীয় অধিবাসীসকলে দিয়া তথ্যৰ ভিত্তিত এই মেপ তৈয়াৰ কৰা হৈছে।" এই অকপট স্বীকাৰোক্তি সত্বেও পতিয়ন যাব নোৱাৰিলোঁ। স্থানীয় অধিবাসীসকলৰ পৰা তথ্য সংগ্ৰহ কৰিবলৈ আমিও লাগি গৈছিলোঁ ; কিন্তু তেওঁলোকৰ সমিধান আৰু এই মেপৰ কথাৰ কোনো মিল নাছিল।

থলুৱা লোকসকলে কিছুপৰ হেহোঁ-নেহোঁ কৰিলে ; ইজনে সিজনে তৰ্কও কৰিলে। তাৰ পিছত আমাক গুঠতে এইখিনিকেই ক'লে, "পোনে পোনে গড়খাৰৈ তৌকৈলৈকে যাব, তাৰ পিছত ঘূৰি হাবিয়নিৰ বাট লব, আওৰাই গৈ থাকিব একেবাৰে বাটৰ মূৰলৈকে ; সিখিনি ঠাইৰ হাবি জুইৰে পোৰা আছে ভাত বহুত নেউলৰ গাত পাব ; তাৰ পৰা টিলোটো ঝিলিকি ঝিলিকি দেখি। আপোনালোকে পোনে পোনে সেই টিলাটৈলকে যাব লাগিব। টিলাৰ সিপাৰে আলিবাট—ধৰক খুব পোন আলি। টিলাবোৰ পাৰ হৈ হৈ...... এইদৰে গৈ থাকক।"

এই দিহামতে আমিও আগুৱাই গৈছিলোঁ। কিন্তু তেওঁলোকে কোৱামতে ঠাইখিনি নাপালোঁ গৈ।

এতিয়া আমি আকৌ মানচিত্ৰ চাবলৈ আৰম্ভ কৰিলোঁ। তথাপিতো সৰু সৰু হাবিয়নিয়ে ঢকা শুকান নিজৰা এটিৰ মাজত পকৰাই পালে।

শৰত কাল। শুকান পাতত মৰমৰণি উঠিছিল, তাৰ পিছত শীতকালৰ ধূলিময় বতাহৰ দৰে কিনকিনীয়া বৰষুণ পৰিছিল।

আবেলি তিনি বজাৰ লগে লগে আমি এখন এটলীয়া শুকান বালিয়নী পালোঁগৈ। বেলিটো লাহে

লাহে পৰি আহিছিল। নীল আকাশৰ তললৈ লাহে লাহে নামি আহিছিল ৰাতিৰ আন্ধাৰ—বালিয়নীত ৰাক্ষসী নিশাৰ আন্ধাৰ। গছৰ শুকান ডাল-পাতত উঠিছিল খচ্ মচনি, তাৰ পিছত ৰৰযুণ। এটা অসহ্যতাৰে ভৰা সন্ধিয়া।

আমি চিঞৰি দিলোঁ। তাৰ পিছত কিছুপৰ কাণপাতি ৰলোঁ। উত্তৰত পালোঁ—নিষ্প্ৰাণ এলেকাটোৰ ওপৰেদি শন্‌শনকৈ উৰি যোৱা বতাহৰ শব্দ, ভাহি আহিছিল এজাক কাউৰীৰ কা কা কলৰৱ।

তাৰ পিছত পৃথিৱী আৰু বালিয়নীৰ কোনোখন ঠাইৰ পৰা শুনা গ'ল মানুহৰ ধমকনিৰ নিচিনা এটি দীঘলীয়া উকি।

মাতটো ক্ৰমে ওচৰ চাপি আহিছিল। অ্যাচপ বনত খচ্ মচনি উঠিল আৰু তাৰ পিছত একেবাৰে ওচৰতে মানুহৰ মাত শুনা গ'ল। ক্ষন্তেক পিছতে দেখিলোঁ মুখলৈকে হালি পৰা আউলবাউল দীঘলীয়া চুলিৰে প্ৰায় বাৰ বছৰীয়া এটি ল'ৰা। পুৰণি ওখ বুট জোতাযোৰ হাতত লৈ সুদা ভৰিৰে খুপি খুপি সি আগবাঢ়ি আহি আছিল শুকান পাতৰ ওপৰে ওপৰে। আমাৰ কাষ পাই সি যেন অলপ লাজ পালে; তাৰ পিছত নমস্কাৰ জনাই হাঁহি হাঁহি ক'লে, "কোনোবাই চিঞৰা যেন শুনিছিলোঁ। এইখিনি সময়ত ইয়ালৈ কোনো মানুহ নাহে; সেই দেখি ভয় লাগিছিল। জহকালি ছোৱালীবোৰ আহে কেতিয়াবা হাবিৰ ফলমূল বিচাৰি। এতিয়া ফলমূলৰ বতৰ নহয়। বোধ কৰোঁ আপোনালোকে বাট ভুল কৰি আহিছে।"

"এৰা বাট ভুল হৈছে"—আমি উত্তৰ দি ক'লোঁ।

ল'ৰাটোৱে ক'লে, "আৰু অলপ আগ বাঢ়িলে মৰিলেই হ'লহেতেন। যোৱা বছৰো জহকালি ইয়াত ছোৱালী এজনী হেৰাইছিল। বিচাৰি বিচাৰি ছোৱালীজনী পোৱা গৈছিল এইবাৰ বসন্তকালত; পৰি আছিল কেৱল তাইৰ কিছুমান হাড়-মূৰ।"

"কিন্তু তই ওলালিহি ক'ৰ পৰা?"

"আমাৰ ঘৰ দেখোন ইয়াতেই। দামুৰি এটা বিচাৰি ফুৰিছো।"

ল'ৰাটোৱে সিহঁতৰ সৰু পজা ঘৰটোলৈ আমাক লৈ গ'ল। বালিচৰটো পাৰ হৈ যাওঁতে আমাৰ ভালেখিনি ৰাতি হৈছিল। টান মাটিত ভৰি দি আমি উধাইমুধাই বেগ দি খোজ লৈছিলোঁ। বতাহে দক্ষিণৰ ফালে উৰুৱাই লৈ গৈছিল আকাশৰ মেঘ। সৰল গছবোৰৰ ওপৰত জলমলকৈ জ্বলি আছিল তৰাবোৰ; কিন্তু চিনাকি তৰাবোৰ যেন ডাল-পাতৰ ফাঁকেদি অচিনাকি হৈ পৰিছিল, এনেকি সপ্তৰ্ষিমণ্ডলো ক'ত ঠাৰৰ কৰিব পৰা নগৈছিল।

অলপ পৰ মনে মনে থাকি ল'ৰাটোৱে ক'লে, "দামুৰিৰ কথাটো মই আপোনালোকক সাজিহে কোৱা, আচলতে মই দামুৰি বিচাৰি যোৱা নাছিলোঁ।"

"তেনেহলে তই সেই বালিচৰত কি বিচাৰিছিলিগৈ?"

"উল্কা", ল'ৰাটোৱে ক'লে, "পৰহিদিনা ৰাতি টিলাটোৰ পাছফালে এটা তৰা খহি পৰিছে। টোপনিৰ পৰা সাৰ পাই শুনো যে আমাক গৰু এটাই আতংকতে হেম্বেলণি মাৰিছে আৰু ৰৰকৈ শিং জোকাৰিছে। গৰুটোৱে ওচৰলৈ বাঘ অহাৰ উমান পাইছিল বোধ কৰোঁ। ঘৰৰ পৰা বাহিৰলৈ ওলাই আহিলোঁ চাবলৈকে। থিয় হৈ নিৰীক্ষণ কৰি আছোঁ; হঠাতে গোটেই আকাশখন পোহৰ হৈ উঠিল। দেখিলোঁ উল্কা। একেবাৰে হাবিৰ মূৰ ছুই চোঁতকৈ উৰি গ'ল আৰু পিছত পৰিলগৈ সেই টিলাটোৰ পাছফালে ক'ৰবাত। যিহে এৰোপ্লেনৰ নিচিনা হোঁ-হোঁ শব্দ হৈছিল!"

"উল্কাৰে তই কি কৰিবি?"

"স্কুললৈ লৈ যাম", ল'ৰাটোৱে ক'লে, "পৰীক্ষা কৰি চোৱা উচিত। বাৰু—উল্কাবোৰ কিহেৰে তৈয়াৰ হৈছে আপুনি জানে নেকি?"

গ্ৰহ, তৰা আদিৰ বিশ্লেষণেৰে ৰাতিৰ সাধু আৰম্ভ হ'ল।

তাৰ পিছত আমি আহি পালোঁ এখনি বিলৰ পাৰ। শৰতৰ তৰাবছা আকাশ উজ্জলি উঠিছে পানীৰ



বুকুত। পাৰত কেইটামান সৰু সৰু জুপুৰী ঘৰ। মাত্ৰ শেষৰ জুপুৰীটোত জ্বলি আছে টিপ্‌টিপকৈ এটা কেৰাচিনৰ চাকি।

ল'ৰাটিয়ে গৈ দুৱাৰত টোকৰ দিলে।

"হতচ্ছিৰী যোৱা—ক'ত মৰগৈ? জোতাৰ গোৰোহা ক্ষয় কৰি কৰি গৰু ঘূৰাদি ঘূৰি মৰ নহয়!"—দুৱাৰৰ সিফালৰপৰা এজনী তিৰোতাৰ খংসনা কণ্ঠস্বৰ শুনা গ'ল।

"মই দেখোন সুদা ভৰিৰে গৈছিলোঁ", ল'ৰাটোৱে ক'লে।

দুৱাৰ খোলাৰ শব্দ হ'ল; আমি আন্ধাৰৰ মাজেদিয়ে আন্দাজ কৰি কৰি ভিতৰ সোমালোঁ; বাৰান্দাত উঠিয়েই নতুনকৈ খীৰোৱা গাখীৰৰ গোন্ধ পালোঁ।

নিশাটো তাতেই পাৰ হ'ল। ল'ৰাটোৰ নাম লিয়োংকা জুৰেভ। বাপেক বুঢ়া মানুহ গহীন, চকুত লোৰ ফ্ৰেমৰ বিতচকু। তেওঁৰ লগতে চিগাৰেট এটা হপি জুহালৰ কাষতে যতন কৰি দিয়া বিচনাত শুইছিলোঁ। ......জিলিয়ে মাতিছিল......বাৰান্দাত লৰি ফুৰা কুকুৰাই কৰু কৰু কৰিছিল......।

মাজনিশা টোপনি ভাগিল। এটি চিনাকি গীত ভাহি আহিল। গীতটো আছিল পুস্কিনৰ 'ইস্কাপনৰ বিবি' থিয়েটাৰৰ কান্দি থকা নাৰী কণ্ঠৰ......ঐক্যতান বাজিছিল শত শত তাঁৰৰ ঝঙ্কাৰত......। গীত শুনি জিলিৰ মাত বন্ধ হৈ গ'ল।

"ৰেডিওটোৱে আপোনালোকৰ অসুবিধা কৰিছে চাগৈ"—চাঙৰ ওপৰৰপৰা লিয়োংকাৰ মাকে ক'লে, "সেইটো লিয়োংকাই সাজিছে, আপোনালোকৰ টোপনিত ব্যাঘাত হৈছে। ৰেডিঅ কেনেকৈ বন্ধ কৰে মই নাজানো লিয়োংকাক জগাব লাগিব।"

"নাই নাই—ঠিক আছে, সি শোৱক।"

"আমাৰ কিন্তু ভালেই লাগে," অন্ধকাৰৰ মাজেদি মহিলা গৰাকীৰ শান্তসুৰৰ কথাখিনি ভাহি আহিল, "মকোৰ গানবোৰ বৰ ভাল লাগে। কোনোবাটো বুজিও নাপাওঁ, কোনোটো বৰ কৰুণ—কোনোটো আনন্দৰ......গোটেই দিনটো সংসাৰৰ লেঠাৰ মাজত কাম কৰি কৰি ৰাতিপুৱা কুকুৰাই ডাক দিয়ালৈকে আৰু ভালকৈ চকু মুদা নহয়।"

তিৰোতাজনী মনে মনে থাকিল।

'এইবোৰ লিয়োংকাৰেই কাণ্ড' বুলি কোৱা তিৰোতাজনীৰ যে আত্মতুষ্টিৰ হাঁহি ওলাইছিল এই কথা আন্ধাৰৰ মাজতো বুজা গৈছিল।

"তেওঁ কি কৰে?" সুধিলোঁ।

"ছেমিওনৰ কথা শুধিছে?" তিৰোতাজনীয়ে সুধিলে, "তেওঁ ওঠৰ শ চনৰে পাৰ্টিৰ কৰ্মী। মানুহৰ লগতে তেওঁৰ সকলো গৈছে......বাকী থকা কটিখিনিও লোকক দি নিজে কিতাপ পঢ়ি পঢ়ি পেট ভৰায়।"

ছেমিওন জুৰেভৰ বিষয়ে ৰাতিপুৱা ভালকৈ জানিলোঁ। আগতে এখন দৰ্জিখানাত তেওঁ যোগালীৰ কাম কৰিছিল। দৰ্জিখানাৰ মালিক আছিল লিছভ। চহৰৰ ভিতৰত এইখনেই আছিল ভাল চিলাইৰ দোকান। ডাঙৰ ডাঙৰ চৰকাৰী চাকৰিয়ালা, ফৌজী অফিচাৰ আৰু উকীল-নবীচসকলৰ কাম তাতে হৈছিল। উকীলবোৰে চিলাই কৰাইছিল উকিলী টেল-কোট ছুট; তেওঁলোকৰ পেণ্টত চিকৰ পটি চিলাই কৰি কৰি ছেমিওনে তেওঁৰ চকু নষ্ট কৰিছিল। সেইবোৰ হাতৰ চিলাইৰ কাম অতি সূক্ষ্ম।

লিছভ আছিল আড়ম্বৰহীন এজন ধৰ্মপ্ৰাণ বুঢ়া মানুহ। তেওঁৰ মুখখন আছিল শান্ত—দেৱতাৰ দৰে। গোটেই দিনটো তেওঁ হয় ধৰ্মপুথি নহয় কাৰাজিমে লিখা 'কচ্ছদেশৰ বৃত্তান্ত' পঢ়ি কটায়। চহৰৰ মৰ্যাদাৰ কাৰণে তেওঁ হাজাৰ টকা খৰচ কৰে ধূলিময় পথত, ঘৰৰ বেৰত তেওঁ লোৰ ফলক আঁৰি দিয়ে—সেই ফলকবোৰত থাকে কাৰামজিনৰ 'বৃত্তান্ত'ৰ পৰা এটা এটা উদ্ধৃতি। প্ৰতিটো উদ্ধৃতিৰ তলত লিখা থাকে "শ্ৰীযুত কাৰামজিনৰ বৃত্তান্ত পঢ়ক—অমুক খণ্ড অমুক পৃষ্ঠা......।"

ছেমিওনে ক'লে, "কাৰাজিমক লৈ আৰম্ভ কৰিছিলোঁ।

আৰু পিছত শেষ কৰিছিলোঁ। লেনিনৰ প্ৰবন্ধবে। তেওঁৰ বাণী দূৰ দূৰণিৰ থকা গাঁও পাইছিলগৈ। ৰাতি পঢ়োঁ। আৰু পুৰা বাটলৈ দেখোঁ—ধূলি, দলনিৰ পিনে সাঁতুৰি যোৱা হাঁহ, সন্তীয়া মদৰ বেহা, গীৰ্জাৰ ঘণ্টাৰ ধ্বনি, এটি পইচাৰ বাবে ভীখাৰীৰ মাজত কাজিয়া —আজোৰা। মুঠতে সেই মান্ধাতা যুগৰ কছিয়া……। অথচ মগজুৰ ভিতৰত তেতিয়া সকলো কথা নতুনৰ— ঠিক যেন ভৱিষ্যতৰ পোহৰৰ ৰেঙণি।"

বিপ্লৱৰ পিছত ছেমিওন আহে গাঁওলৈ—এই বিলৰ পাৰলৈ। জনহীন এই ঠাইতে এটি পজাঘৰ সাজি থাকিবলৈ ল'লে আৰু পিছত আৰম্ভ কৰিলে সুফলা ভূমি জয় কৰিবলৈ। এতিয়া মুঠতে পাঁচঘৰ মানুহ বহিছেহি।

ৰাতিপুৱা লিয়োংকাই আমাক আলিবাটলৈ আগ-বঢ়াই থৈ গ'ল। হেমন্তৰ বননিৰ ওপৰত ৰ'দ পৰিছিল, শুকলা ৰ'দত ঘাঁহনিবোৰ জকমক কৰিছিল, পোহৰত পৰিষ্কাৰকৈ দেখা গৈছিল বাৰ্চ আৰু অ্যাছপৰ পৰা পানীত বিয়পি পৰা প্ৰতিটো পাত। মাজে মাজে চঞ্চল বতাহে উৰুৱাই নৈ অহা শুকান পাতবোৰ উৰি আহি আমাৰ চকুৰে মুখে আঁচোৰ মাৰি গৈছিল।

● ● ●

কেইদিনমান পিছত লিয়োংকা আহি হাজিৰ আমাৰ গাঁৱত। লগত লৈ আহিছিল সি এটুকুৰা 'খহি পৰা তৰা'। বস্তুটো সি পাইছিল টিলাৰ সিপাৰে।

সেইদিনাৰ পৰা লিয়োংকাৰ লগত মোৰ বন্ধুত্ব। বৰ ভাল লাগিছিল তাৰ লগত হাবিয়নিত ঘূৰি ফুৰি। হাবিয়নি গহীন ঘাঁহবন, শেলুৰৈ-কাঠফুলা আৰু ফুলবোৰৰ কথা সি জানে, পশু-পক্ষীৰ মাত সি বুজি পায়।

জীৱনত বহুত মানুহৰ লগতেই মই কথা পাতিছোঁ; কিন্তু জীৱনত প্ৰথমবাৰৰ বাবেই লিয়োংকাই মোক শুনাইছিল—নাছে শোৱে কেনেকৈ, বছৰি বছৰি কেনেদৰে জলাশয় শুকাই গৈ মাটিৰ তলত পচি যায়, বুঢ়া সৰল গছলৈ মুকুল আহে কেনেকৈ, শৰত কালৰ চৰাইজাকৰ লগত কেনেদৰে দক্ষিণৰ ফালে উৰি যায় সৰু সৰু মকৰাবোৰ। মকৰাবোৰে প্ৰথমতে উৰি যায় চৰাইৰ গাত ওলমি ওলমি আৰু পিছত দক্ষিণমুৱা বতাহ পালেই কেইমাইলমান উৰাৰ নিচিনাকৈ ঘূৰি ফুৰে।

কাইগৰোদভৰ দুখন কিতাপ আছিল লিয়োংকাৰ লগত। পঢ়োঁতে পঢ়োঁতে কিতাপ দুখন একেবাৰে জৰাজীৰ্ণ হৈছে। সেই কিতাপখনৰ ভিতৰত সি মাকৰ লগত উৰি ফুৰা সৰু চৰাইবোৰৰ দেশান্তৰ যাত্ৰাৰ ৰহস্য উন্মোচনৰ যি চেষ্টা কৰে সেই চেষ্টা তাৰ বিফল হয়।

"এটা কথাকে মই বুজি নাপালোঁ," লিয়োংকাই কৈছিল "মকৰা এটা—কিন্তু এটা মকৰাৰ পৰা যিমান সূতা ওলায়, সেই সোপাকে লগ লগাই এটা গুটি কৰিলে গুটিটো হ'বগৈ মকৰাটোতকৈ প্ৰায় চল্লিশ গুণ ডাঙৰ।"

নিতৌ দহ কিলোমিটাৰ বাট খোজ কাঢ়ি কাঢ়ি সি পঢ়াশালিলৈ যায়। গোটেই শীতকালৰ ভিতৰত তাৰ গড় হাজিৰা হয় মাত্ৰ দুদিন; কিন্তু সেই বিষয়ক কথা তাৰ ভাল নালাগে, সি বিৰক্ত হোৱা যেন হয়।

সেই সময়ত বেছিকৈ তুষাৰপাত হৈছিল—ঘৰৰ চাললৈ বৰফৰে পোত গৈছিল।

শীতকালৰ দিনবোৰ চুটি চুটি; সেইবাবে সি আন্ধাৰ থাকোঁতেই ফুৰিবলৈ ওলাইছিল। হিমচেঁচা আকাশত তৰাবোৰ কঁপিছিল থৰ্ থৰকৈ, সৰল গছবোৰে কট্‌কট্ শব্দ কৰিছিল, ভৰিৰ তলত বৰফবোৰ ভাগি মচ্‌মচ্ কৰিছিল আৰু পিত্‌পিতনি উঠিছিল লিয়োংকাৰ বুকুৰ মাজত। কুকুৰনেছীয়া বাঘে গম নোপোৱাকৈ খোজ কাঢ়ি গৈছিল সি। এই কুকুৰনেছীয়া বাঘবোৰে আজিকালি জাক বান্ধি আহে এই বিলৰ পাৰলৈ।

কিন্তু আটাইতকৈ বেয়া লাগিছিল হেমন্তৰ দিনবোৰত —নৱেম্বৰ মাহত। তেতিয়া ৰৰমুখে বৰফবোৰ বাটে পথে বিয়পাই দিয়ে, ক'লা আকাশখনৰ পৰা শৰীৰ বিন্ধি যোৱাকৈ মাৰি থাকে প্ৰচণ্ড বতাহ—শৰীৰ একেবাৰে বৰফহৈ যাব খোজে।



আজিকালি লিয়োংকাই তাৰ মাকৰ লগত নাঙলত মুঠিত ধৰিছিলগৈ, শাকনিত কোৰ মাৰিছিল, গুটি সিঁচিছিল……। ছেমিওনে কাম কৰিব নোৱাৰে, বছৰি বছৰি তাৰ বুকুৰ ধপধপনি বাঢ়ি গৈছে, মুখখনি হৈ গৈছে বিবৰ্ণ, বুকু কাটি যাব খোজা একোটা শুকান কাঁহত সি বৰ কষ্ট পাইছিল।

"নমস্কাৰ-নিজীৱ"—কঁপা বুকুখনত হাত দি ছেমিওনে "কৈছিল, জীৱনৰ আগছোৱা খেল খেলোঁতেই গ'ল—বিপ্লৱটো আহিল পলমকৈ। অৱশ্যে একো অসুবিধাও হোৱা নাই দিয়ক—লগাখিনি মোৰ সলনি লিয়োংকাই কৰিব পৰা হৈছে।"

মোৰ বন্ধুত্ব বাঢ়ি যায় লিয়োংকাৰ লগত। তাৰ বাবে মাজে সময়ে মস্কোৰপৰা কিতাপ পঠাই থাকোঁ। প্ৰতিটো শৰত কালত মই গাঁও গাওঁলৈ—তাৰ পৰা যাওঁ বিলৰ পাৰলৈ। এয়া মোৰ নিয়মত পৰিণত হৈছিল।

আহিছিলোঁ। আচম্বিতভাৱে। গৈছিলোঁ। শৰতৰ শান্তবনৰ মাজে মাজে। চৰাইৰ বাহিৰে তাত আৰু একো দেখা নাছিলোঁ।। চকুত পৰিছিল সেই চিনাকি বুঢ়া গছৰ মূৰবোৰ, জলমলীয়া পথাৰবোৰ, অৱহেলিত বাট-ঘাট……। বনপ্ৰান্তত থকা প্ৰতিডাল সৰল গছ মই চিনি পাইছিলোঁ, লিয়োংকাৰ পৰাই মই এইবোৰক ভাল পাবলৈ শিকিছিলোঁ।।

সাধাৰণতে আহিছিলোঁ গভীৰ নিশা—যি সময়ত চেঁচা ৰাতিৰ আকাশত ফুলি উঠিছিল তৰাবোৰ, তাহি অহা ধোঁৱাৰ গোন্ধেই দিছিল ওচৰৰ বিলৰ পাৰৰ সন্ধান……উষ্ণ কুটিৰ, সজীৱ গছৰ আমেজ, লিয়োংকাৰ মাকৰ সৰল অনুযোগ, শুকান খেৰৰ বিচনাৰ আভাস…… তাহি আহিছিল জিলিৰ মাত, নিৰৱসান ৰাতিৰ কথা……ভোকাতুৰ কুকুৰনেছীয়া বাঘৰ চেপা চেপা ভঙা ভঙা মাত……তাঁৰৰ ঝঙ্কাৰ, বিপোভেন আৰু চেদিৰ সুৰৰ লহৰত মোৰ টোপনি ভাগি গৈছিল……।

প্ৰতিবাৰ মোক দেখা মাত্ৰকেই ঘৰৰ পৰা উধাতু খাই লৰি আহিছিল লিয়োংকাই। তাৰ মনৰ আনন্দ প্ৰকাশ কৰি কথা কবলৈ সি লাজ কৰিছিল, মোৰ হাতখনত জোৰকৈ চেপা মাৰি ধৰি সি মোক সম্ভাষণ জনাইছিল। তাৰ পিছত সি যি কেইখন কিতাপ পঢ়ি শেষ কৰিলে সেই বিষয়ে, খেতিবাতিৰ বিষয়ে, উত্তৰ মেৰু অভিযান, সূৰ্যগ্ৰহণ আৰু মাছমৰা বিষয়ৰ কথাবোৰক লৈয়েই আমাৰ মাজত দীঘলীয়া গল্প চলিছিল। আলোচনাৰ চিত্তাকৰ্ষক প্ৰসঙ্গ আছিল বহুত। ছেমিওনেও কৈ শুনাইছিল তেওঁৰ যৌৱনকালৰ কথা, বিয়াজানলৈ প্ৰচাৰ-পত্ৰ লৈ অহা ছাত্ৰসকলৰ কথা।

এইদৰে আমাৰ বন্ধুত্ব গাঢ় হৈ উঠিছিল। যদিও নাথাকো কিয়, মই জানিছিলোঁ। যে এই শান্ত বনাঞ্চললৈ মই উভতিবই লাগিব। উভতি আহোঁ, লিয়োংকা আৰু ছেমিওনক লগ ধৰোঁ; তেওঁলোকৰ সাহচৰ্যত মাখোন মই এনে অনুভৱ কৰোঁ যেন দিনে দিনে মোৰ জীৱনটো সুন্দৰ হৈ গৈ আছে। মনৰ মাজত সেই দিনাবোৰে ভুমুকি মাৰিছে—হঠাতে যেতিয়া শুনো বতাহে বতাহে বননিৰ উচ্ছল গুঞ্জন, শিখৰে শিখৰে শীতল নিজৰাৰ জিৰ্‌জিৰনি, উপলব্ধি কৰোঁ—কিতাপৰ মূল্য কিমান বিপুল; কিমান মূল্যবান এই গাঁৱৰ ল'ৰাটিৰ ভাবনা, কল্পনা আৰু বন্ধুত্ব। এই ল'ৰাটিয়ে আজি, তিনিবছৰ ধৰি সপোন দেখি আছে—সি মস্কোলৈ যাব, মাটিৰ তলেদি যোৱা ৰেলগাড়ী দেখিব, দেখিব ক্ৰেমলিন আৰু দেখিব চিৰিয়াখানাত প্ৰকাণ্ড প্ৰকাণ্ড হাতীবোৰ।

প্ৰতিবাৰ উভতিবৰ বেলিকা লিয়োংকাই মোক বিদায় দিয়ে, সৰু লাইনৰ ৰেলগাড়ীখন হাবিয়নিৰ মাজে মাজে চলি যায় পুতলা—গাড়ীৰ নিচিনাকৈ। দেখা গৈছিল বঙা হালধীয়া আদি নানা বৰণৰ বনভূমি। এডোখৰ খালী ঠাইত লাইনৰ কাষত থিয় দি থাকে লিয়োংকা—বাপেকৰ পুৰণি টুপীটো জোকাৰি জোকাৰি। ৰেলগাড়ীখনে তাক উদ্দেশ্য কৰি শং কৰাৰ নিচিনাকৈ

উকি সদৰ ; লিয়োংকাই কিন্তু হাঁহি হাঁহি মোৰ খিড়িকীৰ কাণে চাই চাই চিঞৰি চিঞৰি কয় :

"মই কিন্তু অপেক্ষা কৰি থাকিম……সকলো কথা চিঠিৰে জনাম…………আপুনি কিন্তু ত্ৰেম পঠাবলৈ নাপাহৰিব………।"

বহুদূৰলৈ তালৈ চাই চাই আহিছিলোঁ।—এখনি ৰঙচুৱা মুখ। ৰেলগাড়ীৰ পাছে পাছে অলপদূৰ লৰি আহিছিল লিয়োংকাই—হাতৰ বেগটো দাঙি দাঙি—মোৰ কাণে চাই চাই……।

এখনি সোণৰ অসম গঢ়াৰ সংকল্প আগত ৰাখি আমাৰ নতুন চৰকাৰে এটা বছৰ পূৰ্ণ কৰি দ্বিতীয় বছৰত ভৰি দিছেহি।

এই সংকল্প তেতিয়াহে পূৰ্ণ হ'ব যেতিয়া আমাৰ সমাজত ধনী-দুখীয়াৰ প্ৰভেদ নাথাকিব, দেশখন আত্মনিৰ্ভৰশীল হ'ব আৰু অৰ্থনৈতিক স্বাধীনতা লাভ কৰিব আৰু সৰ্বসাধাৰণ ৰাইজৰ জীয়াই থকাৰ মান উন্নত স্তৰলৈ উঠিব।

এনে এখন সমাজতান্ত্ৰিক সমাজ গঢ়ি তুলিবলৈ চৰকাৰক লাগিব ৰাইজৰ অকুণ্ঠ সমৰ্থন আৰু সহযোগ।

নৱবৰ্ষৰ শুভ-লগ্নত

ৰাইজক আমাৰ আন্তৰিক সম্ভাষণ জনোৱাৰ লগতে আমাৰ চৰকাৰৰ প্ৰগতিকামী আঁচনিসমূহৰ প্ৰতি সক্ৰিয় সহযোগ আৰু সমৰ্থন জনাবলৈ আহ্বান জনালোঁ।

( অসম চৰকাৰৰ তথ্য আৰু জনসম্পৰ্ক বিভাগৰ দ্বাৰা প্ৰচাৰিত—শ্বিলং )

# ডিমাছাসকলৰ গীত-মাত

শ্ৰীমতী নিৰুপমা হাগজেৰ

ডিমাছসকসলৰ গীত-মাত সম্পৰ্কে লিখিবলৈ গলে প্ৰথমতে ডিমাছা কাক বোলা হয় তাৰ পৰিচয় দিব লাগিব। দৰাচলতে ডিমাছসকল বৃহৎ কছাৰী গোষ্ঠীৰেই এটা ঠাল। গোৱালপৰীয়া কছাৰীসকলে নিজক বড়ো বোলে। লালুং-কাছাৰীসকলে নিজক "তিৱা" আৰু ৰাভাসকলে নিজক "টটলা" বুলি কয়। ঠিক তেনেকৈ কাছাৰ, উত্তৰ কাছাৰ, মিকিৰ পাহাৰ আৰু নগাঁও জিলাৰ থলুৱা কাছাৰীসকলে নিজক "ডিমাছা" বুলি কয়। এই কেইখন জিলাৰ ডিমাছা বুলি জনাজাত-সকলৰ ভাষা সংস্কৃতি একেই। পিছে কাছাৰৰ ডিমাছা-সকলৰ মাজত বঙলা সংস্কৃতিৰ প্ৰভাৱ বেছিকৈ পৰিছে। ঠিক তেনেকৈ নগাঁও জিলা আৰু মিকিৰ পাহাৰৰ ডিমাছা-সকলৰ মাজত অসমীয়া সংস্কৃতিৰ প্ৰভাৱ সৰহ। কিন্তু প্ৰাচীন নিয়ম-নীতি ৰক্ষা কৰি চলি আছে অকল উত্তৰ কাছাৰৰ ডিমাছাসকলেহে। সেই কাৰণে উত্তৰ কাছাৰৰ ডিমাছাসকলক কেন্দ্ৰ কৰিয়েই আজিৰ প্ৰবন্ধত গীত-মাত সম্পৰ্কে লিখিবলৈ লৈছো।

ডিমাছাসকলৰ আটাইবিলাক খেতিয়ক। নিজৰ পৰিশ্ৰমৰ ফলত মাটিৰ পৰা উপজাই যি শস্য সংগ্ৰহ কৰে, তাৰ ওপৰতহে নিৰ্ভৰ কৰি তেওঁলোকে জীৱিকা নিৰ্বাহ কৰি থাকে। অৱশ্যে পৰিপূৰক আয়ৰ বাবে তেওঁ বিলাকে, ম'হ, ছাগলী, গাহৰি, কুকুৰা, হাঁহ আদি ঘৰচীয়া জীৱজন্তু পোহে। আজিকালি শিক্ষিত হৈ উঠা ডিমাছাসকলৰ মাজত কিছুমানে ভাল ঘৰ সজাই বাস কৰিবলৈ শিকিছে সচা ; পিছে গাঁৱতে অধিকাংশ মানুহেই কাঠ, বাঁহ, খেৰৰ ঘৰ সজাই বসবাস কৰে। ডিমাছাসকলে পৰম্পৰৰ ঘৰ খুব ওচৰা-উচৰিকৈ সজাই গাঁও পাতে। গাঁৱৰ মাজত এটা 'নদ্ৰাং' বা ডেকাছাং থাকে। অতীজতে হেনো গাঁৱৰ উপৰত হঠাতে শত্ৰুৱে আক্ৰমণ চলালে। নদ্ৰাঙত শুই থকা ডেকাচামে ততালিকে শত্ৰুৰ আক্ৰমণ প্ৰতিৰোধ কৰিব পাৰিছিল আৰু সেই কাৰণেই ডেকাচাঙৰ প্ৰয়োজন হৈছিল। সেই উদ্দেশ্যে বলী আৰু তেজাল ডেকাচামে অস্ত্ৰ-শস্ত্ৰ লগত ৰাখি একগোট হৈ নদ্ৰাঙত শুব লগা হৈছিল ; কবলৈ গলে বৰ্তমান যুগৰ "ভিলেজ ডিফেন্স পাৰ্টিৰ" দৰে। শত্ৰুৰ হাতৰ পৰা গাঁওখনক ৰক্ষা কৰিবৰ উদ্দেশ্যৰে তাহানি দিনত ডেকাচামে নদ্ৰাঙত শোৱাৰ নিয়ম কৰিছিল। পুৰণি নিয়ম এৰিব নোৱাৰি বৰ্তমান যুগতো উত্তৰ কাছাৰৰ ডিমাছা গাঁওবোৰত ডেকাচামৰ নদ্ৰাঙত শোৱাৰ নিয়ম চলি আছে। ডেকাসকলে গোটেই দিনৰ ভাগৰৰ পিছত বেলি মাৰ যোৱাৰ লগে লগে খোৱা-বোৱা শেষ কৰি নদ্ৰাঙত আশ্ৰয় লয়। টোপনি নহালৈকে তেওঁ-বিলাকে নানান কথা-বতৰা আৰু ৰং-ৰহইছ কৰি থাকে। কোনোৱে 'মড়ী' ( পেপা ) বজোৱা চৰ্চা কৰে। কোনোৱে ঢোল বজোৱা আৰু কোনোৱে "দেঁাহা" কথোপ-কথনেৰে গীতৰ চৰ্চা কৰে। এনেকৈ বেছি ৰাতি হলে

সকলোৱেই শুই পৰে। ডেকাসকলৰ ভিতৰত এজনক নেতা বাছি লোৱা হয়। সেইজনক "নগা হোজা" বা ডেকাসকলৰ গুৰু বোলা হয়। তেওঁৰ ওপৰত ডেকা-সকলৰ ভাল-বেয়া লক্ষ্য ৰখাৰ দায়িত্ব থাকে। কেতিয়াবা যদি কোনো ডেকাই কোনো গাভৰুৰ প্ৰেমত পৰি নাইবা গাভৰুসকলৰ সান্নিধ্য বিচাৰি ৰাতি চুপৰত নাম্ৰাওৰ পৰা ওলাই যায় আৰু সেই কথা যদি ডেকা নেতাজনে গম পায় তেন্তে অইন ডেকাসকলক তেওঁ গীতৰ যোগেদি উপদেশ দিয়ে :—

হৰসিনী হৰফাইবানী পাৱাংডে টুহিনীং মুদিৰী লাইলাংলা
হৰসিনী হৰফাইবানী পাৱাংডে টুহিনীং
সিলিংগী লাইলাংলা।

অসমীয়া অৰ্থ :—

এ ৰাতিৰ ৰাতি আহিল যেতিয়া শুই শুৱেই টোপনি যাবলৈ দে।
এ ৰাতিৰ ৰাতি আহিল যেতিয়া শুই থাকি সপোনত পাৰ কৰি দে।

হৰগেজেৰ হাগংমা গাকাডে বৰ্জনী মিসিৰ জাবাসে।
হৰ গেজেৰ ডিখংমা লুকাডে ফুকানীং জুবুৰ জাবাসে।

অসমীয়া অৰ্থ :—

চুপৰ ৰাতি ঘুৰি ফুৰিলে গছৰ মুঢ়া বাঘ হৈ থাকে।
চুপৰ ৰাতি নৈক পুতিৰ গলে লতা সাপ হৈ থাকে।

('নৈক পুতিক গলে' কথাষাৰৰ অৰ্থ : বৈ থকা নৈৰ গতিৰোধ কৰিবলৈ যোৱা বা দুঃসাহসিক কাম কৰিবলৈ ওলোৱা। চুপৰ ৰাতি শুই নাথাকি বাহিৰত ঘুৰি ফুৰিলে নানান বিপদৰ আশংকা থাকে। তাকে লতাডালেই সাপ হৈ অপেক্ষা কৰি থাকে বুলি উপদেশ দাতাই ডেকাজনক মনত পেলাই দিছে।)

"আদংৰাও হৰগেজেৰ হাগংমা দা গাবাঙ্গি।
আদংৰাও হৰগেজেৰ ডিখংমা দা লুবাঙ্গি।"

অসমীয়া অৰ্থ :—

ভাই সকল, চুপৰ ৰাতি ঘুৰি নুফুৰিবি ;
ভাই সকল, চুপৰ ৰাতি নৈক পুতিবগৈ নেযাবি।

"টুহিনীং মুমিৰী লাইলাংলা ;
টুহিনীং শিলিংগী লাইলাংলা।"

অসমীয়া অৰ্থ :—

"শুইয়েই টোপনিত পাৰ হব দে,
শুইয়েই সপোনত বিভোৰ হব দে।"

ডেকা নেতাজনৰ উপদেশ কিছুমানে হাঁহি-ধেমালিৰে অগ্ৰাহ্য কৰি থাকিলেও কিছুমানে উপদেশ শুনি সাৱধান হৈ থাকে।

উত্তৰ কাছাৰৰ ডিমাছাসকলৰ বেছি ভাগ মানুহে জুম খেতি কৰে। ভাদ, আহিন মাহতেই জুম খেতিৰ পৰা ধান চপাই লয়। ভঁৰালত ধান গোটাই থোৱাৰ পিছত বিহুৰ কাৰণে নানান দ্ৰব্য-সামগ্ৰী যোগাৰ কৰিবলৈ ধৰে। গাভৰুবিলাকে বিহুনাচত পিন্ধিবৰ কাৰণে নানান ৰং-বেৰঙৰ ৰিগু, ৰিজাম্ফাই (মেখলা ৰিহা) বৈবলৈ ধৰে। বিহুৰ আগে আগে ডেকাসকলে আগন্তুক বছৰৰ জুমৰ কাৰণে আকৌ হাবি কাটিবলৈ মুলিবাঁহৰ বন কাটিবলৈ পলাই যায়। তেতিয়া বয়সীয়া মুলি তিৰোতাবিলাকে প্ৰণয়ী-প্ৰণয়িনী, ডেকা-গাভৰু মনৰ কথা গানৰ সুৰতে কয়।

গাভৰু :—ৱাটিলীং হায়ওমা টাংয়াবাও টৰীছা (১)
বজৰজাং লাবুদি।
বংগ্ৰালিং হায়াওমা টাংয়াবাও হালাঙ্গিছা (২)
বজৰজাং লাবুদি।

অসমীয়া অৰ্থ :—মুলিবাঁহৰ (এবিধ অতি পাতল বাঁহ) বন কাটিবলৈ যাওঁতাসকল এজোৰকৈ "টৰী" (৩) আনি দিবা।

গছগছনি কাটিবলৈ যাওঁতাসকল এজোৰকৈ
হালাঙ্গি (৪) আনি দিবা।

গাভৰু—ওৱাটিলীং হাৰামাই টাংয়াবাও ছাম্পৰছা
বজৰজাং লাবুদি।

টোকা : (১) বাঁহেৰে সজা এবিধ মাকো।
(২) কাপোৰ টনাৰ কাৰণে লগা এবিধ আহিলা ; কাঢ়নী।
(৩) টৰী = বাঁহেৰে তৈয়াৰ কৰা এবিধ মাকো।
(৩) ছাম্পৰ = ছিৰিবাৰি কাপোৰ ; কোৱাৰ এবিধ আহিলা।



বংগ্ৰালীং হাৰামাই টাংয়াবাও কলসি হালাইছা
লাবুদি।

অসমীয়া অৰ্থ :—মুলিবাঁহৰ বন কাটি কাটি যাওঁতাসকল
এজোৰকৈ ছিৰিবাৰি আনি দিবা।
গছ-গছনি কাটি কাটি যাওঁতাসকল কুচি কাঠৰ
হালাঙ্গি আনি দিবা।

ডেকাজনে অভিমানৰ সুৰতে গাভৰুজনীক উত্তৰ দিয়ে।

ডেকা—ওৱাটিলীং হাৰামাই টাংৱাহা টৰীছা বজৰজাং
ৰানাংমুঃ।
বংগ্ৰালীং হাৰামাই টাংৱাহা কলসি হালাঙ্গিছা
সিনাংমুঃ।

অসমীয়া অৰ্থ —

মুলি বাঁহৰ বন কাটি কাটি যাওঁতে টৰী জোৰাকৈ
কাটিলেঁ হৈঁতেন ;
গছ-গছনি কাটি কাটি যাওঁতে কুচি কাঠৰ হালাঙ্গি
বনালোহেঁতেন।

ডেকা—টৰীছা দিনেৰ গুংগিৰি, হালাবছা দিনেৰ
জাংগিৰি।
টৰীছা দিনেৰ দুংগিৰি, ছাম্পৰছা দিনেৰ
জাংগিৰি।

অসমীয়া অৰ্থ :—

টৰী লওঁতা মোৰ যে ভনী নাই, হালাঙ্গি লওঁতা মোৰ
যে প্ৰিয়া নাই।
টৰী লওঁতা ভনী নাই ; ছিৰিকৰি লওঁতা প্ৰিয়া নাই।

উত্তৰত গাভৰুজনীয়ে ডেকাজনক আশ্বাস আৰু সাহস দিয়াৰ সুৰত কবলৈ ধৰে।

গাভৰু—ডাৱাওনীং টৰীছা ৰাকালা সেৱেনীং টৰীছা
দিয়ানাং।
ডাৱাওনীং ছাম্পৰছা সিকালা সুমুনীং ছাম্পৰছা
দাওয়ানাং।

অসমীয়া অৰ্থ :—

ককাইসকলেই টৰী আনি দিলে কোনেনো টৰী
নোলোৱাকৈ থাকিব ?
ককাইসকলেই ছিৰিবাৰি সাজি দিলে কোনেনে
ছিৰিবাৰী নোলোৱাকৈ থাকিব ?

গাভৰু—ডাৱাওনীং হালাঙ্গিছা সিকালা সুমুনীং
হালাইছা দিয়ানাং ?
লাবুদি দুংবাওনে টৰীছা ; জাংবাওনে লাবুদি
ছামপৰছা।

অসমীয়া অৰ্থ :—ককাইসকলেই হালাঙ্গি আনি দিলে কিয়নো হালাই নলয় ?

দিয়াহে টৰী দিয়া, ভনীসকলৰ কাৰণে
ছিৰিবাৰি আনি দিয়া।

এনেকৈ প্ৰণয়ী—প্ৰণয়িনীয়ে পৰস্পৰৰ মাজত ভাব আদান-প্ৰদান কৰে। এই গীতৰ দ্বাৰা ইয়াকে বুজা যায় যে, ডিমাছা ডেকাসকল কাপোৰ বোৱাৰ আহিলা পাতি সজাত পাৰ্গত। তেনেকৈ গাভৰুবিলাকো কাপোৰ বোৱাত কাজী। সেই কাৰণে ডিমাছা গাভৰুৱে প্ৰণয়ীৰ ওচৰত বহুমূলীয়া ধন-বস্তু আশা নকৰে। কাপোৰ বোৱাৰ আহিলাপাতি যোগাৰ কৰি দিব পাৰিলেই প্ৰণয়িনী সুখী হয়। ডিমাছা গাভৰুসকলে সাধাৰণতঃ ইয়াকেই পছন্দ কৰি থাকে যে, যিজন ডেকা কুটীৰ-শিল্পত পাৰ্গত যিজনে নিত্য ব্যৱহাৰ্য আহিলাপাতি সাজি লব পাৰে, যিজন এলেহুৱা নহয়, যিজনে বিহু নাচত নিৰ্ভুলকৈ পেপা ঢোল বজাব পাৰে, সেইজনৰ প্ৰতি ডিমাছা গাভৰুৰ মন আকৰ্ষণ হৈ থাকে।

ডিমাছাসকলে সাধাৰণতে পুহ মাহৰপৰা আৰম্ভ কৰি মাঘ মাহলৈকে বিহু পাতে। নিজ নিজ গাঁৱৰ সা-সুবিধা বিবেচনা কৰি ভিন ভিন দিনত তেওঁলোকে বিহু উৎসৱ পালন কৰে। দুৰ-দুৰণিত থকা আত্মীয় স্বজনক নিমন্ত্ৰণ কৰে। নিৰ্দিষ্ট দিনত সকলো ঠাইতেই সকলো গাঁওতেই যে বিহু পাতিব লাগে তেনে কোনো নিয়ম নাই। এয়া বোধকৰোঁ ইখন-সিখন গাঁৱৰ মাজত নিমন্ত্ৰণ ৰক্ষা কৰাৰ সুবিধাৰ কাৰণে কৰা হৈছে। নিৰ্দিষ্ট এটা দিনত ওচৰ চুবুৰীয়া গাঁও এখনত বিহু পাতিবলৈ

দিন ধাৰ্য কৰা বুলি জানিব পাৰিলে আন গাঁৱত সেইদিনা বিহুৰ দিন ধাৰ্য কৰা নহয়। সাধাৰণতে বিহুত দুদিন মাত্ৰ সময় লাগে। "হাংচেউ মনাউবা" নামৰ বিহু উৎসৱ পালন কৰিলে এক সপ্তাহলৈকে উৎসৱ চলি থাকে। এক সপ্তাহলৈকে ঢোল, পেঁপা, নাচ বন্ধ হ'ব নোৱাৰে। অৱশ্যে ডেকা-গাভৰুৱে পাল পাতি পাতি ঢোল-পেঁপা বজাই নাচে! এই উৎসৱত বহুত ধনৰ প্ৰয়োজন হয়, সেই কাৰণে পাঁচ দহ বছৰৰ মূৰে মূৰেহে এখন গাঁৱত এই উৎসৱ পালন কৰা হয়।

নাচি থকা অৱস্থাত ডিমাছাসকলে গান নেগায়। পেঁপা আৰু ঢোলৰ তালে তালে ডেকা-গাভৰুৱে নাচি থাকে। নাচোঁতাসকলে পেঁপাৰ সুৰ শুনি গীতৰ অৰ্থ বুজি পায়। আন আন গীতৰ সুৰ অনুসৰি আন আন নাচৰ তাল দেখুৱায়। বিহুতলি গাঁৱৰ গাঁওবুঢ়া নাইবা বিশেষ এজনৰ এঘৰৰ চোতালত পতা হয়। ডিমাছা নাচত অঙ্গ-ভঙ্গিমাৰ মাধুৰ্যতকৈ ভৰিৰ তাল চাবলগীয়া। ডেকা-গাভৰুবিলাকে কেতিয়াবা লানি পাতি নাচে, কেতিয়াবা ঘূৰণীয়াকৈ। নাচত ডেকাবিলাকে চুৰিয়া, বগা কামিজ আৰু তাৰ ওপৰত ক'লা কোট পিন্ধে। মূৰত পাগুড়ি মাৰি লয়। গাভৰুবিলাকে ৰং-বেৰঙৰ ৰিগু (মেখলা), ৰিঝাম্পাই (ৰিহা), ৰিকাউসা (চেলেং) পিন্ধি নাচে।

আগতেই কোৱা হৈছে যে, ডিমাছা নাচত গীত গোৱা নহয়। কেৱল পেঁপাৰ ধ্বনিৰ আৰু ঢোলৰ তাল বুজিয়েই নাচি থাকে। অসমীয়া বিহু গীতৰ দৰেই ডিমাছাসকলেও প্ৰেমিকাৰ মনৰ ভাব পেঁপাৰ সুৰত বাজি উঠে :—

আজাং জাং আংজাংদে আজাং মাজাং দাউ।
কাইডিং কাইডিং নাইখাব আজাং মাজাং দাউ।
বুৰ্ডিং বুৰ্ডিং নাইখাব আজাংনীং মাজাং দাউ।

অসমীয়া অৰ্থ :—

ভনীজনী মোতকৈ বেছি ধুনীয়া।
ঘূৰি ঘূৰি চালেও ভনীজনীয়েই বেছি ধুনীয়া।
উৰি উৰি চালেও ভনীজনীয়েই আটাইতকৈ ধুনীয়া।

আকৌ কেতিয়াবা পেঁপাত প্ৰেমিক-প্ৰেমিকাৰ মনৰ কথা বাজি উঠে।

তি-ৰি লিংহা দংবাহা জবান কালাঙ্গৰা।
তি-ৰি লিংহা দংবাহা জবান কালাঙ্গৰা।
হৈ-হৈ-হৈ-নাগাছাৰাও দাংহি জিমাটি।
হৈ-হৈ-হৈ-মাটলাছাৰাও দাওহি গাঙ্গৈংমাটি ?

অসমীয়া অৰ্থ :—

ৰিৰিণা বনত থকা কালত কথা দিছিলো;
ৰিৰিণা বনত থকা কালত অঙ্গীকাৰ কৰিছিলো।
হেৰা ডেকাসকল! ঘৰ কৰি থাকিবা নেকি ?
হেৰা, গাভৰু সকল! বোৱা কাপোৰ পিন্ধিবা নেকি?

এনেকৈ বিহু নাচৰ পেঁপাৰ সুৰত ডেকা-গাভৰুৱে প্ৰেম বিনিময়ৰ কথাকেই গাই থাকে, নাচি থাকে। বিহুৰ সময়ত যেতিয়া আন আন গাঁৱৰ আলহীবিলাক গোট খায়, তেতিয়া বয়সিয়াল লোকসকল দৈহা (কথোপকথনৰ গীত) গাই হাঁহি-ধেমালিৰে আনন্দমুখৰ হৈ থাকে।

নাচৰ সময়তেই বুঢ়া-বুঢ়ী বয়সীয়াসকলে নবোৱাৰী পছন্দ কৰিবলৈ সুবিধা লয়। নিজৰ ল'ৰাৰ কাৰণে নহলে সম্বন্ধীয়া লৰাৰ কাৰণে হলেও নবোৱাৰী পছন্দ কৰি দিয়ে। বিহুৰ পিছতেই বিয়াৰ বতৰ আৰম্ভ হয়। তেতিয়া বয়সিসকলে অন্যান্য গুণাগুণৰ লগত মিল হলে ছোৱালীৰ ঘৰত বিয়াৰ প্ৰস্তাৱ দিবলৈ আগ বাঢ়ে। ডিমাছা সমাজত ছোৱালীৰ পক্ষৰ পৰা বিয়াৰ প্ৰস্তাৱ দিয়াটো পছন্দ নকৰে। লৰাৰ পক্ষৰ পৰাহে বিয়াৰ প্ৰস্তাৱ দিয়াৰ নিয়ম। ছোৱালী পলুৱাই নি বিয়া পতা প্ৰথাৰ প্ৰচলন ডিমাছা সমাজত খুব কম।

# অসমীয়া ভাষা-সাহিত্যৰ অক্লান্ত পূজাৰী হৰিপ্ৰসাদ নেওগ

শ্ৰীডিম্বেশ্বৰ শৰ্মা

অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ নিষ্ঠাবান সেৱক, আজীৱন শিক্ষাব্ৰতী, অক্লান্ত সমাজসেৱী, উদ্যোগী, সৎসাহসী, সৰল অথচ উচ্চ চিন্তাত সততে নিমগ্ন হৰিপ্ৰসাদ নেওগৰ অকাল মৃত্যুত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ অপূৰণীয় ক্ষতি হ'ল। নেওগৰ জন্ম হৈছিল যোৰহাট নগৰৰ পৰা প্ৰায় তিনি মাইল পূবে কেন্দুগুৰি অঞ্চলৰ ২নং বামুণ গাঁৱত। নেওগৰ পিতৃ শ্ৰীপোৱালচন্দ্ৰ নেওগে বহুকাল ধৰি প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি অৱসৰ লোৱাৰো বহু বছৰ হ'ল। নিষ্ঠাবান শিক্ষক, আদৰ্শ সমাজসেৱক আৰু বৰ্তমান অশীতিপৰ বৃদ্ধ শ্ৰীনেওগ-দেৱৰ দুটি পুত্ৰ আৰু এটি কন্যাসন্তানৰ ভিতৰত হৰিপ্ৰসাদ নেওগেই আছিল কনিষ্ঠ। বৰ পুত্ৰ শ্ৰীফণীধৰ নেওগে প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰে। হৰিপ্ৰসাদ নেওগৰ চাৰি বছৰ বয়সতে মাতৃবিয়োগ হোৱাত পিতাদেৱেকে পুনৰ বিবাহ নকৰালে, যদিও তেতিয়াৰ দিনত সাধাৰণতে পুনৰ বিবাহ কৰোৱাতোই নিয়ম আছিল। ককায়েক শ্ৰীফণীধৰ নেওগে মাত্ৰ অষ্টমমানলৈকেহে পঢ়িব পাৰিলে। শিক্ষা-প্ৰেমী, বিদ্যোৎসাহী শ্ৰীপোৱাল নেওগদেৱে অতি সীমিত আৰ্থিক অৱস্থাৰ মাজতো শিক্ষা সংস্কৃতিৰ প্ৰতি অত্যন্ত আগ্ৰহশীল আৰু সকৰে পৰাই ধীৰ, স্থিৰ, সংযমী আৰু ওচৰচুবুৰীয়া, আত্মীয় স্বজন সকলোৰে দ্বাৰা উচ্চ প্ৰশংসিত কনিষ্ঠ পুত্ৰ হৰিপ্ৰসাদক বি. এ. শ্ৰেণীলৈকে পঢ়ালে—আৰু বংশৰ প্ৰদীপ স্বৰূপ মাতৃহাৰা ল'ৰাটিৰ পৰাই সকলোৱে আশাৰ ৰেঙণি দেখা পালে।

'যি লাই বাঢ়িব—দুপতীয়াতেই চিন'—নিচেই সকৰে পৰাই হৰিপ্ৰসাদৰ মুখত সৎচিন্তা, সৎচৰ্চাৰ কথাই শুনা গৈছিল। সাধুকথা আৰু জীৱনী কিতাপ পালেই বৰ আগ্ৰহেৰে পঢ়িছিল। বহী, কিতাপ আদি বৰ নিয়াৰিকৈ সজাই পৰাই ৰাখিছিল; সাধাৰণ সাজপোচাক অতি পৰিপাটিকৈ পিন্ধিছিল। জ্যেষ্ঠজনৰ আগত সদায় নম্ৰ আৰু সমনীয়াৰ লগত আছিল অতি সহৃদয়। হৰিপ্ৰসাদৰ তেতিয়াৰ সহপাঠীসকলে তেওঁৰ এইবিলাক গুণৰ কথাই কোৱা শুনা যায়। প্ৰাথমিক বিদ্যালয় শেষ কৰি ১৯৩৯ চনত তেওঁ যোৰহাট চৰকাৰী উচ্চ বিদ্যালয়ৰ ৩য় মান শ্ৰেণীতে ভৰ্তি হয়হি আৰু তাতে ৮ বছৰ পঢ়ি ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ তলত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ ইংৰাজী বিদ্যালয়ৰ এই আঠ বছৰ কাল ঘৰৰ পৰা প্ৰায় তিনি মাইল দূৰ সুদা ভৰিৰে খোজকাঢ়ি অহা যোৱা কৰিছিল। ৺নেওগে সকৰে পৰাই সৎসঙ্গ বৰ ভাল পাইছিল আৰু বিদ্যালয়লৈ অহা যোৱা কৰোঁতে বাটতো সমনীয়া-সকলৰ লগত সৎ আলোচনাহে কৰিছিল আৰু সেই বাবেই তেওঁৰ সৎ শিক্ষাৰ প্ৰতি আগ্ৰহ থকা ছাত্ৰসকলৰ

বাবে বৰ প্ৰিয় আছিল। নেওগ যোৰহাট চৰকাৰী উচ্চ বিদ্যালয়ত পঢ়ি থকা কাল ছোৱাৰ ভিতৰতে দ্বিতীয় বিশ্ব মহাযুদ্ধ সংঘটিত হোৱাত মাজতে তিনি বছৰ মান কাল বিদ্যালয়খনি সামৰিক বিভাগে অধিগ্ৰহণ কৰে। ফলত বিদ্যালয়খনি যোৰহাট বেজবৰুৱা উচ্চ বিদ্যালয়ত পুৱাবেলা বহিব লগা হৈছিল। পুৱা ৬ বজাতেই স্কুল বহে, তেতিয়াৰ ষষ্ঠ, সপ্তম আৰু অষ্টমমানৰ ছাত্ৰ নেওগে তিনিমাইল দূৰৰ পৰা সুদা ভৰিৰে খোজ কাঢ়ি আহিও অতি নিয়মীয়াকৈ স্কুলত যোগ দিছিল। মাজতে ১৯৪২ চনত মহাযুদ্ধৰ ভয়াবহতাৰ সময়তে অসহযোগ আন্দোলনেও তীব্ৰৰূপ ধাৰণ কৰে আৰু ধৰ্মঘটত যোগদান কৰি সৰহভাগ ছাত্ৰই তিনিমাহকাল শ্ৰেণীৰ পৰা বিৰত থাকে। তেতিয়াৰ ষষ্ঠমান শ্ৰেণীৰ ছাত্ৰ নেওগো এইদল ছাত্ৰৰে এজন। এই ঘটনাই নেওগৰ মনত স্বদেশপ্ৰেমৰ বীজ অঙ্কুৰিত কৰিলে আৰু তাৰ প্ৰত্যক্ষ প্ৰভাৱ আমি নেওগৰ জীৱনত ছত্ৰে ছত্ৰে দেখা পাওঁ। দেশৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি অনুৰাগী ছাত্ৰসকলৰ মাজত সেইছোৱা কালত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অনুগামী সৰ্বভাৰতীয় ছাত্ৰানুষ্ঠান নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছ আৰু অসম প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছ লেখত লব লগীয়া সংগঠন আছিল। নেওগ স্কুলত পঢ়ি থকা কালতে ১৯৪৬ চনত কেন্দুগুৰি ছাত্ৰ কংগ্ৰেছ প্ৰতিষ্ঠিত হয়। নেওগ এই ছাত্ৰানুষ্ঠানৰ অন্যতম প্ৰতিষ্ঠাতা আৰু তিনিবছৰ কাল সম্পাদক আছিল। খোজকাঢ়ি তিনি মাইল দূৰ স্কুললৈ অহা যোৱা কৰাৰ উপৰি খোজ কাঢ়ি ফুৰিয়েই ছাত্ৰ কংগ্ৰেছ সংগঠন কৰিছিল। যুদ্ধৰ বাবে কেৰাচিন, কাগজ আদি পঢ়াৰ সঁজুলিৰ অত্যন্ত অভাৱ—তদুপৰি যুদ্ধ আৰু স্বাধীনতা আন্দোলনৰ বাবে স্কুলৰ শিক্ষাৰ নিয়মীয়াকৈ হোৱা নাছিল—এনেবোৰ দুৰ্লংঘ্য প্ৰাচীৰ ভেদ কৰিও নেওগ ছাত্ৰ হিচাবে এজন আদৰ্শ ছাত্ৰ হৈছিল। তেওঁ স্কুলৰ কোনো শ্ৰেণীতে অকৃতকাৰ্য্য হোৱা নাছিল আৰু ৺ডিম্বেশ্বৰ নেওগ, শ্ৰীতোষেশ্বৰ ঠাকুৰ আদি সাহিত্য-প্ৰেমী শিক্ষকসকলৰ অতি প্ৰিয়ভাজন আছিল।

পঢ়াশলীয়া ছাত্ৰ অৱস্থাতেই নেওগে সাহিত্য চৰ্চা আৰম্ভ কৰে। নেওগৰ ঘৰলৈ তেতিয়াৰ দিনতো কোনো সহপাঠী বা সমবয়সীয়া ছাত্ৰ গ'লে তেওঁৰ মেজৰ ওপৰত সমসাময়িক অসমীয়া আলোচনী বা দুই চাৰিখন ভাল অসমীয়া কিতাপহে পাইছিল। যোৰহাট চৰকাৰী হাইস্কুলৰ মুখ পত্ৰ 'জেউতি' মহাযুদ্ধৰ আগলৈকে বছৰত তিনিগাৰি সংখ্যাকৈ আৰু মহাযুদ্ধৰ সময়তো অন্ততঃ বছৰত এখনকৈ প্ৰকাশ হৈছিল। তেতিয়া জেউতিৰ সম্পাদক আছিল স্বনামধন্য শিক্ষক আৰু সুসাহিত্যিক ৺ডিম্বেশ্বৰ নেওগ আৰু শ্ৰীতোষেশ্বৰ ঠাকুৰ। এই দুজনৰ প্ৰেৰণাতে নেওগে 'জেউতি'ত লিখা উল্লেখযোগ্য প্ৰবন্ধৰ ভিতৰত আছে—'কাৰ্ল মাৰ্ক্সৰ চমু জীৱনী' আৰু 'আয়াৰ্লেণ্ডৰ মুক্তি যুঁজাৰু দি ভেলেৰা'। যোৰহাট চৰকাৰী বিদ্যালয়ৰ পৰা প্ৰতি শ্ৰেণীতেই আৰু সম্ভৱ হলত শ্ৰেণীৰ প্ৰতিটি শাখাৰ পৰাই একোখনিকৈ হাতেলিখা আলোচনী ওলাইছিল। নেওগ এনে হাতেলিখা আলোচনীবো কেবাবছৰো সম্পাদক আছিল। সাহিত্য-সংস্কৃতি বিষয়ত নেওগে সমবয়সীয়া ছাত্ৰসকলক সততে নেতৃত্ব দিব পাৰিছিল আৰু এই সম্পৰ্কে নেওগৰ সহপাঠী আৰু সমবয়সীয়া তেতিয়াৰ ছাত্ৰ শ্ৰীদুৰ্গেশ্বৰ বৰা (বৰ্তমান বেৰকান্ত উচ্চবিদ্যালয়ৰ সহকাৰী প্ৰধান শিক্ষক) আৰু শ্ৰীনীলাম্বৰ দাস (যোগান বিভাগৰ পৰিদৰ্শক) আদিৰ পৰা জানিব পাৰি। এইসকল সাহিত্য প্ৰেমী ছাত্ৰৰ সহযোগত নেওগে সেই শৈশৱ আৰু কিশোৰতে ভৱিষ্যত উজ্জ্বল সাহিত্যিক জীৱনৰ ইংগিত দিছিল। অসম সাহিত্য সভাৰ প্ৰতিও নেওগ স্কুলীয়া ছাত্ৰ অৱস্থাতেই অনুৰক্ত হৈ পৰে। যুদ্ধৰ বাবে কেবাবছৰো ধৰি মুকলি অধিৱেশন নবহাকৈ যোৱাৰ পিছত ১৯৪৪ চনৰ অক্টোবৰ মাহত শিৱসাগৰত অসম সাহিত্য সভাৰ মুকলি অধিৱেশন বাগ্মীবৰ শ্ৰীনীলমণি ফুকনৰ সভাপতিত্বত বহে। নেওগ তেতিয়া সপ্তম মান শ্ৰেণীৰ ছাত্ৰ যদিও তেওঁ দৰ্শক



হিচাপে গৈ শিৱসাগৰৰ অধিবেশনত তিনিও দিন যোগ দিয়ে; আৰু তাৰপৰা ঘূৰি আহি সমনীয়া ছাত্ৰসকলৰ আগত সাহিত্য সভাৰ পুঙ্খানুপুঙ্খ বিৱৰণ কয়হি। স্কুলীয়া ছাত্ৰ অৱস্থাতেই নেওগে যোৰহাট জিলা ছাত্ৰ কংগ্ৰেছত আৰু ১৯৪৭ চনত গোলাঘাটত বহা সদৌ অসম ছাত্ৰ কংগ্ৰেছৰ মুকলি অধিবেশনত কেন্দুগুৰি ছাত্ৰ কংগ্ৰেছৰ প্ৰতিনিধিত্ব কৰিছিল। পিতৃ শ্ৰীগোপাল চন্দ্ৰ নেওগৰ দৰেই ওখপাখ চেহেৰাৰে নেওগ আছিল কথাই কামে সমনীয়াসকলৰ নেতা আৰু অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰত নেওগে এই নেতৃত্ব মৃত্যুৰ দিনলৈকে বজাই ৰাখিব পাৰিছিল।

১৯৪৭ চনত নেওগ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিক শ্ৰেণীত ভৰ্তি হয়। চাৰি বছৰ কলেজত পঢ়া কালছোৱাতো তেওঁ ঘৰৰপৰা খোজ কাঢ়িয়েই অহা-যোৱা কৰিছিল। বি-এ পাছ কৰাৰ পিছত ১৯৫৩ চনতহে নেওগে চাইকেল এখন কিনি চলাবলৈ শিকে—তাৰ আগলৈকে তেওঁ চাইকেলত উঠিবও নাজানিছিল। বহল পটাৰ ভৰি দুখনেৰে নেওগে দিনে সাত আঠমাইলকৈ খোজকঢ়াতো এটা নিয়মীয়া কৰ্তব্য আছিল। এইদৰে খোজকাঢ়ি ফুৰিও স্কুলত পঢ়া কালত নেওগে কোনো দিনে চাহৰ হোটেলতো সোমাই পোৱা নাছিল। প্ৰৱেশিকা পৰীক্ষা দিওঁতেহে হেনো প্ৰথম যোৰহাটৰ যোগ মিঠাইৱালাৰ হোটেলত চাহমিঠাই খাইছিল। প্ৰাথমিক বিদ্যালয়ৰ দুখীয়া শিক্ষকৰ ল'ৰা নেওগ, মিতব্যয়িতা আছিল নেওগৰ জীৱনৰ স্বভাৱ সুলভ প্ৰবৃত্তি। কথাছবি আদি চাবলৈ সময় আৰু অৰ্থ দুয়োটাৰে অভাৱ। নেওগে পিতৃৰ সামান্য অৰ্থ কেৱল কিতাপ কিনা আদি নিতান্ত অপৰিহাৰ্য কাৰণতহে কেৱল খৰচ কৰিছিল। কিন্তু ভাল কিতাপ দেখিলেই কিনিছিল আৰু দেউতাকেও তাত আপত্তি কৰা নাছিল। নেওগৰ চৰিত্ৰৰ সংযমে সকলোকে মুগ্ধ কৰিছিল। তেওঁ কোনো প্ৰকাৰৰ ৰাগিয়াল বস্তু জীৱনতেই মুখত দিয়া নাছিল। য'তে ত'তে যিহকে তিহকে খাই ফুৰাটো তেওঁৰ চৰিত্ৰৰ বিৰোধী আছিল।

অসমৰ স্বাৰ্থ ৰক্ষাৰ কথা নেওগে সকৰে পৰা বৰকৈ ভাবিছিল। তেওঁ মনে-প্ৰাণে বিশ্বাস কৰিছিল যে অসমীয়া জাতীয়ত্ব আৰু অসমীয়া ভাষা-সংস্কৃতিক সন্মান নকৰা বহিৰাগতসকলৰ শোষণ আৰু প্ৰভাৱৰ পৰা অসমক ৰক্ষা কৰিব লাগিব। সেয়েহে তেওঁ অসম কেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ নেতৃত্বত অসম জাতীয় মহাসভাৰ প্ৰতি স্কুলীয়া ছাত্ৰ অৱস্থাৰপৰা আকৃষ্টহৈ পৰে। নেওগে দশম মানৰ ছাত্ৰ হিচাপেই ৰায়চৌধুৰীৰ "ডেকা অসম"ৰ গ্ৰাহক হয় আৰু কাকতখন নিয়মীয়াকৈ উলিয়াবলৈ ৰায়চৌধুৰীলৈ টানি লিখিছিল। ১৯৪৬ চনত অসম জাতীয় মহাসভাৰ প্ৰচাৰ কাৰ্যত ৰায়চৌধুৰী যোৰহাটলৈ আহোঁতে কেন্দুগুৰিত তেতিয়াৰ দশম মানৰ ছাত্ৰ নেওগৰ লগত সাক্ষাৎ হয় আৰু নেওগ জাতীয় মহাসভাৰ এজন নীৰৱ কৰ্মী হৈ পৰে।

১৯৫২ চনত বি, এ, পৰীক্ষা দিয়েই নেওগ কেন্দুগুৰিৰ বেৰকান্ত বৰুৱা মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক হয়। এই বিদ্যালয়খনি স্বত্বাধিকাৰী সকলৰ পৰা বেচৰকাৰী ৰাজহুৱা শিক্ষানুষ্ঠান কৰাৰ গুৰিত নেওগো এজন। বি, এ পাছ কৰাৰ পিছত নেওগ যোৰহাট প্ৰশিক্ষণ বিদ্যালয়ৰ অন্তৰ্গত প্ৰশিক্ষণ শ্ৰেণী এটিৰ শিক্ষক হৈ যায় আৰু স্বনামধন্য অভিনেতা, নাট্যকাৰ আৰু শিক্ষাবিদ ৺ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ সাহচৰ্য লাভ কৰে। এই শ্ৰেণীটি বহিছিল অসম সাহিত্য সভাৰ ঘাই কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত। এই সন্দিকৈ ভৱনেই পিছলৈ নেওগৰ জীৱনত প্ৰধান কৰ্মক্ষেত্ৰ হৈ উঠেগৈ। এই ছোৱা কালতে নেওগে 'জোনাৰ' নামে যোৰহাটৰ পৰা প্ৰকাশিত এখনি আলোচনীৰ সম্পাদক হয়। কেইটামান সংখ্যা ভাল ধৰণে প্ৰকাশ হোৱাৰ পাছতেই আৰ্থিক অনাটনৰ বাবে জোনাৰ লুপ্ত হয়। এই ছোৱা সময়তে নেওগে প্ৰাইভেট পৰীক্ষাৰ্থী হিচাবে অসমীয়া বিভাগত এম, এ, পঢ়িবলৈ ধৰে আৰু ১৯৫৭ চনত গুৱাহাটী

বিশ্ববিদ্যালয়ৰ তলত এম-এ পাছ কৰে। এম-এ পাছ কৰিয়েই নেওগে অলপ দিনৰ বাবে গোলাঘাটৰ দেৱৰাজ-ৰয় কলেজত অধ্যাপনা কৰে আৰু তাৰ পিছতে যোৰহাটৰ দেৱীচৰণ বৰুৱা ছোৱালী কলেজৰ অধ্যাপক হিচাবে যোগ দিয়েহি আৰু কিছুদিনৰ পাছত অসমীয়া বিভাগৰ মুখ্য অধ্যাপক হয়। কলেজৰ ছাত্ৰীসকলৰ নেওক অতি প্ৰিয় অধ্যাপক আছিল আৰু কলেজৰ আলোচনী বিভাগ, সাহিত্য-আলোচনা-চক্ৰ আদিৰ লগত সততে জড়িত আছিল।

দেৱীচৰণ বৰুৱা ছোৱালী কলেজত অধ্যাপনা কৰি থকা প্ৰায় দহ বছৰ কালৰ ভিতৰতে নেওগ গৌৰৱৰ উচ্চ শিখৰত আৰোহণ কৰে। ১৯৫৯ চনত নগাওঁত শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত বহা অসম সাহিত্য সভাৰ সপ্তবিংশ মুকলি অধিবেশনত নেওগ সহকাৰী সম্পাদক নিৰ্বাচিত হয়। তেওঁ এই পদত ১৯৬৫ চনলৈ থাকি তাৰ পিছত একেবাৰে চাৰি বছৰকাল প্ৰধান সম্পাদক আৰু পিছৰ বছৰত ধনভঁৰালী হয়। মুঠতে দহ-বছৰকাল নেওগ অসম সাহিত্য সভাৰ লগত অতি ঘনিষ্ঠ ভাৱে জড়িত হৈ থকা কালছোৱাতে অসম সাহিত্য সভা গৌৰৱৰ উচ্চ শিখৰত উঠিছিল। এই ছোৱাকালতে গুৱাহাটীত অসম সাহিত্য সভাৰ দ্বিতীয় কাৰ্যালয় ভগৱতী প্ৰসাদ বৰুৱা ভৱন স্থাপন হয় (ডঃ নেওগ নেওগ প্ৰধান সম্পাদক থকা কালত)। এই ছোৱাকালতে অসম সাহিত্য সভাই বহু সংখ্যক মূল্যবান গ্ৰন্থও প্ৰকাশ কৰে আৰু গাওঁে-ভূঞে, নগৰে-চহৰে অনেক ঠাইত শাখা সভা স্থাপন হৈ অসম সাহিত্য সভা এটি সাৰ্বজনীন অনুষ্ঠানত পৰিণত হয়। নেওগে অন্য গ্ৰন্থৰ উপৰি ৰায় বাহাদুৰ হেৰম্ব প্ৰসাদ বৰুৱাৰ স্মৃতিগ্ৰন্থ এখনিও সম্পাদনা কৰে।*

কম সময়ৰ ভিতৰতে নেওগৰ কৰ্মজীৱনো আছিল যথেষ্ট বৈচিত্ৰ্যময়। দেৱীচৰণ বৰুৱা কলেজত প্ৰায় দহ বছৰ অধ্যাপনা কৰাৰ পিছত নেওগ কিছুদিনৰ বাবে মৰিয়ণি কলেজত অধ্যক্ষ হয়। আৰু ইয়াৰ পিছতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পাঠ্যপুথি সমন্বয় সমিতিৰ সচিব হয়গৈ। এই গুৰুত্বপূৰ্ণ পদবীত থকা বছৰ কেইটিত তেওঁ বিশ্ববিদ্যালয়ক এক বিষয়ত এখোজ আগবঢ়াই নিয়ে। অসমীয়া ভাষাত প্ৰাক্-বিশ্ববিদ্যালয় পৰ্যায়ৰ পাঠ্য-পুথিসমূহ তেওঁৰ তত্বাৱধানতে ইতিমধ্যে প্ৰকাশ হৈছে। অন্যান্য ৰাজহুৱা কামৰ ভিতৰত কেন্দুগুৰিৰ দেৱকান্ত বৰুৱা বিদ্যালয়ৰ উচ্চ ইংৰাজী শাখা স্থাপন নেওগৰ জীৱনৰ অন্যতম কীৰ্তি। তেওঁ আৰম্ভণিৰ পৰা কেবা বছৰলৈকো এই বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক আছিল। ইমানবোৰ কামৰ মাজত থাকিও নেওগে সমসাময়িক বাতৰি কাকত আৰু আলোচনী সমূহত ভালেখিনি মূল্যবান প্ৰবন্ধ লিখিছিল।

নেওগে ১৯৬১ চনত গোলাঘাটৰ শিক্ষাবিদ ৺জীৱন তামুলীৰ কন্যা শ্ৰীমতী নিৰুপমা তামুলী (বি-এ)ক বিয়া কৰায়। মাত্ৰ ৪৪ বছৰ বয়সত মৃত্যু বৰণ কৰা নেওগে বৃদ্ধ পিতৃ, জ্যেষ্ঠ ভাতৃৰ পৰিয়াল আৰু দুটি শিশুকন্যা আৰু এটি শিশুপুত্ৰ এৰি থৈ গৈছে। অসমীয়া সাহিত্য-সংস্কৃতিৰ একান্ত আৰু অক্লান্ত সেৱক নেওগৰ আত্মাই চিৰশান্তি লাভ কৰক।

---

* লিখকে হৰিপ্ৰসাদ নেওগৰ সম্পাদিত আৰু প্ৰকাশিত গ্ৰন্থৰাজিৰ এখনি তালিকা এই প্ৰবন্ধটিত দিছিল যদিও তেনে ধৰণৰ তালিকা এই পত্ৰিকাৰ অন্যত্ৰ প্ৰকাশ পোৱাত উক্ত প্ৰবন্ধটিৰ পৰা বাদ দিয়া হ'ল। —সম্পাদক।

# শ্ৰদ্ধাঞ্জলিৰ চানেকি

ৰচনা—হৰিপ্ৰসাদ নেওগ
সংগ্ৰহ—শ্ৰীকৰবী হাজৰিকা

## লক্ষ্মীনাথ বেজবৰুৱা

জাগ্ৰত অসমৰ বাবে প্ৰেৰণাৰ উৎস এই গৰাকী সাহিত্যৰথী বেজবৰুৱাৰ জন্ম শতবাৰ্ষিকীৰ পবিত্ৰ গৌৰৱণীত আমিও এই আশা নিশ্চয় কৰিছো যাতে সাহিত্যসভা, প্ৰকাশ-প্ৰতিষ্ঠান, পঢ়ুৱৈ সমাজ আৰু পৃষ্ঠপোষকসকলৰ মাজত প্ৰকৃত সমন্বয় সংঘটিত হয়। এনে ধৰণৰ সমন্বয়ৰ মাজেদিহে আমি নিশ্চয় আমাৰ ভাষা-সাহিত্য-সংস্কৃতিৰ সুদৃঢ় ৰচনা কৰি আমাৰ জাতীয় জীৱনৰ মনোময় ৰূপ চাবলৈ সক্ষম হ'ম।

—বেজবৰুৱা গ্ৰন্থাৱলী (১ম খণ্ড)

প্ৰতিজন অসমীয়া তথা ভাৰতীয়ৰ কাৰণে বেজবৰুৱা কিমান আপোন, এই কথা তেওঁৰ প্ৰতিভাৰ বিভিন্ন দিশত প্ৰকাশ পাইছে। বেজবৰুৱাৰ যুগ আছিল এটি বিবৰ্তনৰ যুগ। আধুনিক যুগৰ সকলো ধৰণৰ সম্ভাৱেৰে অসমীয়া সাহিত্যৰ বেদী বেজবৰুৱাই ওপচাই থৈ গৈছে। উগ্ৰ জাতীয়তাবাদী বেজবৰুৱাই অসমীয়া জাতিৰ নাড়ীৰ স্পন্দন অনুভৱ কৰিছিল আৰু য'তেই প্ৰয়োজন হৈছিল ত'তেই তেওঁ উপযুক্ত ঔষধ প্ৰয়োগ কৰিছিল। এনে এজন দিগন্তপ্ৰসাৰী প্ৰতিভাসম্পন্ন পুৰুষক সকলোধৰণৰ আলোচনাৰে সামৰিব পৰাটো নিশ্চয় সম্ভৱপৰ নহয়।

—বেজবৰুৱা স্মৃতিগ্ৰন্থ

## পদ্মনাথ গোহাঞিবৰুৱা

১৯৬৫ চনতে কহিমাৰ এগৰাকী বিশিষ্ট, সুবিজ্ঞ আৰু বয়োবৃদ্ধ নাগৰিক কুন্তু আঙ্গামী আৰু তেখতৰ পৰিয়ালে একেবাৰে খাচ অসমীয়া ভাষাত কথা কওঁতে আমি যেতিয়া আচৰিত হৈছিলো তেখেতে তেতিয়া ৰূপৰাই কৈছিল, "ইয়াৰ মূলতে পদ্মনাথ গোহাঞিবৰুৱা।" গোহাঞিবৰুৱাই কহিমাত শিক্ষকতা কৰোঁতে আঙ্গামী ডাণ্ডৰীয়া বোলে তেওঁৰ ছাত্ৰ আছিল। পিছলৈ আঙ্গামী ডাণ্ডৰীয়াই শিক্ষকতাও কৰিছিল। কথা পাতোঁতে তেতিয়া প্ৰাণেৰে উপলব্ধি কৰিছিলোঁ। নগাপাহাৰ আজি অসমৰ বুকুৰপৰা ৰাজনৈতিকভাৱে বিচ্ছিন্ন হৈ গলেও সাংস্কৃতিক সম্পৰ্ক জানো সঁচাকৈয়ে ছেদ হব? সেইদিনা শ্ৰীগোবিন্দচন্দ্ৰ পৈৰা, ৰাজকুমাৰ সুৰেশ্বৰ গোঁহাই, ব্ৰজেন্দ্ৰচন্দ্ৰ বৰপূজাৰী আৰু মই অনুভৱ কৰিছিলো গোহাঞিবৰুৱাক গইনা লৈ নগা-

পাহাৰতে আমি সম্প্ৰীতি সূচনা কৰিব পৰা বহুতো কাম আছে। তাৰ প্ৰধান খুটি স্বৰূপ ১৮৯৫ চনতেই পদ্মনাথে স্থাপন কৰা "কহিমা সাহিত্য ভৱনে" গোহাঞিবৰুৱাৰ স্মৃতি আজিও বহন কৰিছে। আচলতে গোহাঞি বৰুৱা সম্পৰ্কে কিবা এটা কৰিবলৈ পোৱা অনুপ্ৰেৰণ তেতিয়াহে।

—পদ্মনাথ গোহাঞিবৰুৱা ( জীৱনী)

## চন্দ্ৰকুমাৰ আগৰৱালা

কেৱল 'প্ৰতিমা' আৰু 'বীণবৰাগী' এই দুখন পুথিহে লিখিছিল যদিও অসমীয়া সাহিত্যত ৺আগৰৱালাৰ অৱিহণা লেখতকৈ জোখত অসামান্য বুলি কব পাৰি। এই গৰাকী কৰিৰ পূৰ্বপুৰুষ পশ্চিমৰপৰা আহি অসম সোমাই ইয়াতে ব্যৱসায় কৰি তেজপুৰৰ কলংপুৰত থাকিবলৈ লয়। সেয়েহে ১৮৬৭ৰ ২৮ নৱেম্বৰত এই অসমৰ মাটিতে জন্ম লাভ কৰা কৰি চন্দ্ৰকুমাৰ হাড়ে-হিমজুৰে অসমীয়া হৈ পৰিল। এই আগৰৱালা পৰিয়ালৰে চন্দ্ৰকুমাৰ, আনন্দচন্দ্ৰ আৰু ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ অসমৰ সাহিত্য আৰু কলাজগতৰ একোটি পৰম অমূল্য সম্পদৰূপে জিলিকি আছে। অসমীয়া সাহিত্যৰ নৱন্যাস যুগত যেনেকৈ চন্দ্ৰকুমাৰৰ এটি ঐতিহাসিক মূল্য আছে তেনেকৈ আধুনিক প্ৰগতিবাদী অসমীয়া সাহিত্য আৰু কলাজগতত ৰূপকোঁৱৰো ঐতিহাসিক সত্তাস্বৰূপে প্ৰতিষ্ঠিত ; সেয়েহে আগৰৱালা পৰিয়ালক অসমীয়া মাত্ৰেই পাহৰিব নোৱাৰে। কেৱল সেয়ে নহয় ভাৰতৰ জাতীয় আন্দোলনত এই পৰিয়ালৰ বিশেষ বৰঙণি আছে। নিৰ্ভীক জাতীয়তাবাদী চন্দ্ৰকুমাৰ আগৰৱালা আছিল নীৰৱ দেশপ্ৰেমিক , জোনাকী, বাঁহী, সাতদিনীয়া অসমীয়াৰ প্ৰতিষ্ঠাতাস্বৰূপে চন্দ্ৰকুমাৰ ব্যৱসায়ী চন্দ্ৰকুমাৰ আৰু কবি চন্দ্ৰকুমাৰে যে আনহাতে ভাৰতৰ স্বাধীনতা আন্দোলনত নীৰৱে বৰঙণি যোগাই প্ৰকৃত কৰ্মযোগী হিচাপে আদৰ্শ দিব পাৰিলে সেই বিষয়ে হয়তো নিচেই কম সংখ্যক লোকেহে জানে। এই গৰাকী নীৰৱ সাধকে উত্তৰ পুৰুষৰ কাৰণে কি থৈ গ'ল, আজি এশবছৰৰ বুৰঞ্জীয়ে সিবিলাক সদায় সোঁৱৰাব লাগিছে।

—চন্দ্ৰকুমাৰ আগৰৱালা স্মৃতিগ্ৰন্থ

## ৰঘুনাথ চৌধাৰী

ৰঘুনাথ চৌধাৰীৰ মৃত্যুৰ লগে লগে জোনাকী যুগৰ শেষ প্ৰতিনিধিজনাৰ তিৰোধান ঘটিল। জোনাকীৰ পোহৰত কবি চৌধাৰীৰ কৈশোৰ জাগিছিল। ঊষা, বিজুলী, বাঁহীৰ পৰম্পৰা, অসম এচোচিয়েশ্যন, ছাত্ৰ সন্মিলন, সাহিত্য সভা আদি অনুষ্ঠান সমূহে দাঙি ধৰা জাতীয়তাবাদী আদৰ্শ, ভাৰত জুৰি হোৱা স্বাধীনতা আন্দোলনৰ পয়োভৰ, বিশ্বজোৰা অশান্তিৰ জুই জ্বলোৱা দুখনকৈ মহাসমৰ—এই সকলোবোৰৰ অভিজ্ঞতা কবি চৌধাৰীয়ে কৈশোৰৰ পৰা আদহীয়া বয়সলৈকে লাভ কৰিছিল। জন্মৰ পৰা বিকাৰগ্ৰস্ত হৈ ঘৰতে আৱদ্ধ হোৱা অধ্যয়নব্ৰত জীৱনৰ পৰিণতিত ৰঘুচৌধাৰী বাহ্যিক দৃষ্টিত হয়তো উপাধি-ডিগ্ৰী, মান-যশস্যাৰ আ-অলংকাৰ পোত খাই পৰা নাছিল ; কিন্তু এটা বস্তুৰেই কবিয়ে লাভ কৰিছিল। সেয়া আছিল তেওঁৰ অন্তদৃ'ষ্টি। এই অন্তদৃ'ষ্টি তেওঁৰ আজন্ম সাধনা, অভিজ্ঞতা আৰু উপলব্ধি বোধৰ প্ৰতীক। গতিকে কবিৰ বাবে আটাইতকৈ উল্লেখযোগ্য যিটো সংজ্ঞা সেয়া চৌধাৰীৰ ক্ষেত্ৰত নিশ্চয় প্ৰযোজ্য হব পাৰে। এই অন্তদৃ'ষ্টি লৈয়ে কবিয়ে এখন নৈসৰ্গিক জগতত বিচৰণ কৰিছিল। এইখন জগতৰ সুন্দৰ প্ৰকৃতি-ৰাজ্যত উপযুক্ত ভাবে বিহাৰ কৰা বিহগ-বিহগীক কেন্দ্ৰ কৰিয়ে কবিতা ৰচিছিল। সেই বাবেই তেওঁৰ চৰাইৰ কবিতা কেৱল বৰ্ণনা-ধৰ্মী বা চৰিত্ৰ নহয়। সেই কবিতাৰ আঁৰত আছিল শিলাময় দাৰ্শনিক সত্য। সেই সত্য প্ৰতিপন্ন হৈছিল—'কেতেকী,' 'সাদৰী' আৰু 'দহিকতৰা'ত। কেইবাটিও চৰাই কবিতাত প্ৰকৃতি ৰাজ্যত কৰিয়ে আৰু এক সত্য প্ৰতিপন্ন কৰিলে—সেই সত্য প্ৰকৃতি সম্ভূত সমাজ শিক্ষা। জড়জগততো মানুহৰ কৃতকাৰ্যৰ প্ৰতিক্ৰিয়া হয়। ইয়াৰ প্ৰমাণ "নৱমল্লিকা"ৰ কেইটিমান "কাহিনী-কবিতা"। প্ৰকৃতি জগততে যে কেৱল চেতনা সঞ্চাৰিত হয় এনে নহয় জড়জগততো ৰূপক ভাৱৰ অন্তৰালত বহুতো নিদাৰুণ সত্য প্ৰতিপন্ন কৰিব পাৰি। সমাজমুখী আদৰ্শৰ কবিজনাৰ গভীৰ মানবীয় অনুভূতি থকাটো একেবাৰে স্বাভাৱিক। নহলে "কাৰবালা"ৰ করুণ কাহিনীয়ে তেওঁৰ অন্তৰ ৰাজ্য ইমান কাতৰভাৱে স্পৰ্শ কৰিব নোৱাৰিলেহেঁতেন।

—ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ



## অম্বিকাগিৰী ৰায়চৌধুৰী

ৰায়চৌধুৰী প্ৰকৃততে এজন ব্যক্তি নে এটা অনুষ্ঠান সঠিককৈ কোৱা টান। এজন প্ৰকৃত সত্যাগ্ৰহী, প্ৰকৃত বিপ্লৱী আৰু এজন প্ৰকৃত মানুহ হিচাপে অম্বিকাগিৰীৰ পৰিচয় দিবলৈ যোৱাৰ পূৰ্বেই তেওঁৰ ব্যক্তিত্ব সম্পৰ্কে জনাৰ বিশেষ প্ৰয়োজন হয়। সঁচাকথা, এজন ব্যক্তিৰ নামত যদি এটা অনুষ্ঠান বৰ্তিব পাৰে তেনেহলে অসমত এজনেই পুৰুষ সিংহ আছিল যাৰ অসাধাৰণ ব্যক্তিত্বক কেন্দ্ৰ কৰি অসমীয়া জাতিয়ে প্ৰকৃত জাতীয় স্পন্দন কি তাক অনুভৱ কৰিবলৈ সক্ষম হৈছিল। এই ব্যক্তিত্বৰ আধাৰ আছিল সংগ্ৰামী মন, অদম্য সাহস, জাগ্ৰত আশাবাদ আৰু উগ্ৰ দেশ-প্ৰেম। সেয়েহে বিশ্ববিদ্যালয়ৰ শিক্ষাৰ পোহৰ নোপোৱা ৰায় চৌধাৰীয়ে দেশৰ জনসমাজক জাতীয়তাৰ মন্ত্ৰত উদ্বুদ্ধ কৰিবলৈ সক্ষম হৈছিল।

জাতীয় অনুষ্ঠান বুলিলেই তেখেতে বিচাৰিছিল প্ৰাণ সঞ্চাৰ কৰিবলৈ। সাহিত্য সভাৰ প্ৰত্যেক অধিবেশনতে ৰায়চৌধুৰীয়ে পঠোৱা অমোঘ বাণী গতানুগতিক শুভেচ্ছা বাণী নাছিল, সেয়া আছিল জাতিলৈ এটি উদাত্ত কণ্ঠৰ আহ্বান। বৰলৈ সময় নাই। দেশবাসীক সময়ৰ সঙ্কেত দিব লাগিব। যোৱা বাৰ সন্মিলনত তেখেতে সঙ্কেত দিছিল—"মোৰ সুস্থিৰ মত, অসমীয়া ভাষাই সৰ্ব পৰ্যায়ত অসমৰ ৰাজ্যিক ৰাষ্ট্ৰীয় মৰ্যাদা নাপালে অসম ৰাজ্যত অসমীয়াৰ জাতীয় প্ৰতিষ্ঠা চিৰকাললৈকে লোপ পাব। উচিত সময়ত আমাৰ দূৰদৃষ্টিহীন নেতাসকলে আৰু সাহিত্য সভায়ো এই বিষয়ত অৱহেলা কৰা বাবে বিষয়টো জটিল হৈ পৰিছে। যদি সাহিত্য সভা এই অৱস্থাৰ বিৰুদ্ধে জয়যুক্ত হৈ উঠিবলৈ কঠোৰ ভাৱে সংগ্ৰামশীল হৈ উঠিব নোৱাৰে তেন্তে পৰিস্থিতি শোচনীয়তকৈও শোচনীয় হৈ উঠিব পাৰিব। সাহিত্য সভাৰ ওচৰত তাৰে আকাঙ্ক্ষা কৰিলোঁ।।"

—অম্বিকাগিৰী ৰায়চৌধুৰী স্মৃতিগ্ৰন্থ

## নকুল চন্দ্ৰ ভূঞা

১৯৬০ চনত ডঃ মহেশ্বৰ নেওগ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক নিৰ্বাচিত হোৱাত ভূঞা ডাঙৰীয়াই সভাৰ কোষাধ্যক্ষ পদৰ পৰা অব্যাহতি পায় —তথাপি সভাৰ সকলো বিষয়তে ভূঞা ডাঙৰীয়া ওতঃপ্ৰোতভাৱে জড়িত আছিল। তেখেতৰ ওচৰত কোনো কথা আলচ নকৰাকৈ ৰখাটো দোষণীয় যেন ভাব হৈছিল। ইয়াৰ কাৰণ হ'ল তেখেতৰ সাহিত্য সভাৰ প্ৰতি থকা গভীৰ আন্তৰিকতা। ১৯৬৬-৬৭ বছৰৰ বাবে তেখেত যেতিয়া সভাপতি হয়, ভূঞা ডাঙৰীয়াই গভীৰ আন্তৰিকতাৰে চিন্তা কৰিছিল কেনেকৈ সভাৰ কাৰ্যসমূহ আগবঢ়াব পাৰি। "সংস্কৃতিৰ বৰঘৰৰ বেৰৰ শুনিব কোনে ? সাহিত্যৰ লুইতক ভেটিব কোনে ?" এইয়া আছিল তেখেতৰ অমৰ বাণী। "অসম সাহিত্য সভাখন এখন জীৱন্ত জাতীয় অনুষ্ঠানত"

পৰিণত কৰিব লাগে—এয়ে আছিল তেখেতৰ অন্তৰৰ কামনা। ডিব্ৰুগড়ত সাহিত্য সভাৰ অধিবেশন প্ৰসঙ্গত তেখেতে কৈছিল—ডিব্ৰুগড়ত তেখেতৰ সাহিত্য জীৱনৰ অঙ্কুৰ গজিছিল, গতিকে ডিব্ৰুগড়ত তেখেত সভাপতি হ'বলৈ পোৱাটো ভাগ্যৰ কথা।

ডিব্ৰুগড়ৰ পিছত আশা কৰিছিল—নাট্যকাৰ হিচাবে প্ৰতিষ্ঠা অৰ্জন কৰা তেজপুৰত গৈ তেখেত সভাপতিৰ গুৰুদায়িত্ব উপযুক্ত উত্তৰাধিকাৰীজনাক গটাই দিবগৈ। কিন্তু দুৰ্ভাগ্যৰ বিষয়—সভাৰ অধিবেশনলৈ মাত্ৰ বাৰ দিন থাকোতেই ভূঞা ডাঙৰীয়াই ইহ সংসাৰৰ পৰা চিৰবিদায় ললে। তেজপুৰ সন্মিলনৰ মজিয়াত ভূঞা ডাঙৰীয়াৰ আত্মশ্ৰাদ্ধ উপলক্ষে হাজাৰ হাজাৰ সমবেত জনতা উপস্থিত হৈ শ্ৰদ্ধাঞ্জলি জনালে। এনে ভাগ্যৰ অধিকাৰী হ'ব পৰাটোও কম কথা নহয়।

আজি ভূঞা ডাঙৰীয়া আৰু নাই। তেখেতৰ দৰে প্ৰবীণ দলৰ একাগ্ৰপতীয়া সাহিত্যসেৱী তথা সাহিত্য সভাৰ পৃষ্ঠপোষক সকলৰ এজন এজনকৈ তিৰোধান ঘটিছে। কিন্তু সিবিলাকৰ অদমনীয় মনোবল আৰু একাগ্ৰ সাধনাই হ'ল আমাৰ এই পুৰুষৰ বাবে গভীৰ প্ৰেৰণাৰ উৎস। স্বৰ্গীয় নকুলচন্দ্ৰ ভূঞা অসম সাহিত্য সভাৰ ইতিহাসত এক উজ্জ্বল অধ্যায়ৰূপে চিৰদিন জিলিকি ৰ'ব।

—নকুল চন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ

## ডিম্বেশ্বৰ নেওগ

অসমীয়া সাহিত্যৰ সকলো দিশতে ডিম্বেশ্বৰ নেওগৰ অৱদান কেৱল লেখতেই নহয় জোখতো বিশেষভাৱে উল্লেখযোগ্য। প্ৰকৃততে কবি নেওগ শেষত একান্ত সমালোচক আৰু গৱেষক হিচাবে প্ৰতিষ্ঠিত হ'ল। সমালোচনাৰ ক্ষেত্ৰত নেওগে ৰচনা কৰা 'অসমীয়া সাহিত্যৰ জিলিঙনি'ত ডঃ কাকতিয়ে কৰা উক্তি প্ৰণিধান যোগ্য—"আমাৰ ভাষাত সমালোচনাৰ পুথি এতিয়ালৈকে ওলোৱা নাই। শ্ৰীযুত নেওগৰ নিজৰে কবিতা লেখাত ভাল হাত আছিল দেখি তেওঁ সাহিত্যৰ সূক্ষ্ম ভাববোৰ সহজে উপলব্ধি কৰিব পাৰিছে।" সমালোচনাৰ ক্ষেত্ৰত নেওগে বিচাৰিছিল—"ৰসোপলব্ধিৰ জাগৃতি"। সেইদৰে অসমীয়া সাহিত্যৰ বুৰঞ্জী ৰচনা কৰোঁতে সকলো বিষয় খৰচি মাৰি অধ্যয়ন কৰি তাৰ বৈজ্ঞানিক বিচাৰত দাঙি ধৰাত নেওগৰ গভীৰ আৰু ব্যাপক গৱেষণাৰ কথা অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ ছাত্ৰমাত্ৰেই নিশ্চয় জানে। ঐতিহাসিক সত্যৰ মাজতে মনীষী কাৰ্লাইলৰ প্ৰেৰণাতে তেওঁ হয়তো ভাবিছিল "ইতিহাসেই মুঠতে প্ৰকৃত কবিতা।" সুৰূপভাৱে বখানিলে সত্যতা উপন্যাসতকৈও সুন্দৰ।

—ডিম্বেশ্বৰ নেওগ স্মৃতিগ্ৰন্থ

## বিশ্বনাথ ৰাজবংশী

কাছাৰ জিলাৰ দৰে এটি সমস্যাবহুল অঞ্চলত অসমীয়া বুলি গৌৰৱ কৰি গোটেই অঞ্চলটোৰে চাৰি চুক মাৰি অফুৰন্ত উৎসাহ-উদ্দীপনাৰে কাম কৰিবলৈ হলে তেওঁ নিশ্চয় নিৰ্ভীক হ'ব লাগিব। ৰাজবংশী কাছাৰৰ খিলঞ্জীয়া অসমীয়া। এই কথা তেওঁ হাড়ে-হিমজুৰে অনুভৱ কৰিছিল। অসমীয়া হিচাপে তেওঁ কাছাৰৰ মাটিত জীয়াই থাকিব লাগিব আৰু অস্তিত্বক জীয়াই ৰাখিব লাগিব—এয়েই আছিল তেওঁৰ জীৱন জোৰা সাধনা। সেইবাবেই তেওঁ যলৈকে গৈছিল তাতে উত্থাপন কৰিছিল কাছাৰৰ অসমীয়া সমাজৰ কথা। সেয়েহে ১৯৬১ চনৰ ১৮ মে' তাৰিখে ৺ৰাজবংশীৰ চিন্তাধাৰাৰ ঘাই পৃষ্ঠপোষক তেওঁৰ সতীৰ্থ শ্ৰীহৰেশ্বৰ ভট্টাচাৰ্য কবিৰাজ ডাঙৰীয়াৰপৰা যেতিয়া তাৰ খবৰ পালো "বিশ্বনাথ ৰাজবংশী আৰু এই সংসাৰত নাই" তেতিয়া সঘনে মনলৈ আহিছিল কাছাৰৰ সেই ঠেকছিগা অসমীয়াখিনিৰ কথা। কাছাৰৰ এমুঠি দুৰ্দশাগ্ৰস্ত অসমীয়াৰ কথাকে ৰাজবংশীয়ে লগ পালেই কৈছিল আৰু দেশ-কাল-পাত্ৰ একো ভেদ নৰখাকৈ আমনি লগাকৈ কৈ উদ্দেশ্য প্ৰকাশ কৰিছিল।

কাছাৰৰ এইখন পঙ্গু সমাজৰ কথাই বাৰে বাৰে প্ৰকাশ কৰিছিল ৺বিশ্বনাথ ৰাজবংশীয়ে। বিয়াগোম বৰাইল পাহাৰ বাৰে বাৰে অতিক্ৰম কৰি এনুৰি দুৰমাৰ সমস্যাৰ ব্ৰহ্মপুত্ৰৰ পাৰত সমাধান বিচাৰিছিল—ৰাজবংশীয়ে। ৰাজবংশী উচ্চ শিক্ষিত নাছিল, কিন্তু উচ্চাকাঙ্ক্ষী আছিল। তেওঁ সাহিত্যিক নাছিল, কিন্তু সহৃদয় সাহিত্যপ্ৰাণ এখন অন্তৰ তেওঁৰ আছিল। তেওঁ বক্তা নাছিল, কিন্তু অন্তৰৰ ৰুদ্ধ আবেগ প্ৰকাশৰ বাবে অকুণ্ঠ প্ৰয়াস তেওঁৰ আছিল। এই সকলোবোৰৰ ওপৰত তেওঁৰ আছিল জাগ্ৰত দেশ-প্ৰেম, বলিষ্ঠ আশাবাদ আৰু উন্নত দৃষ্টি; ৰাজবংশীৰ বিহনে কাছাৰ আমাৰ কাৰণে আজিও অপৰিচিত হৈয়ে ৰ'লহেঁতেন। সেয়েহে—অসম সাহিত্য সভাই আজি ৰাজবংশীৰ নামত কাছাৰৰ কথা অনুভৱ কৰিছে। খিলঞ্জীয়া কাছাৰ-বাসীৰ লগত অসমীয়াৰ সম্প্ৰীতিৰ শৈলসেতুৰ বুকুত বিয়াগোম বৰাইল পাহাৰৰ ইপাৰ-সিপাৰ ভেদি প্ৰতিধ্বনিত হৈছে—"কাছাৰ অসমৰ, অসমৰ কাছাৰ।"

—বিশ্বনাথ ৰাজবংশী (জীৱনী)

---

"বিশুদ্ধ সাহিত্যত বাজে বিজ্ঞানাদি বিষয়ক অইন পুথি অনুবাদ কৰিবলৈ আমাৰ কিয় ভাৰতীয় আন আন ভাষাতো শব্দৰ নাটনি পৰে। সৰল ৰসায়ন বা বিজ্ঞানৰ পুথি এখন লিখিব লাগিলেই এই সমস্যা আহি পৰে। কিন্তু সেই-বোৰ আমাৰ ভাষাত সুমুৱাই লোৱাত মোৰ মতে কোনো আপত্তি থকা উচিত নহয়। শব্দবোৰ প্ৰথমে কিছু দিন কঠুৱা যেন লাগিব পাৰে; কিন্তু কিছুমান দিনৰ পিছত কাণত সজ লাগিব। ···অৱশ্যে কি ৰূপ আৰু কি আকাৰত শব্দ লোৱা যাব পাৰে সেইটো বিবেচনাৰ কথা। কেতবোৰ বিশেষজ্ঞ লোকৰ দ্বাৰা সেইটো সহজে কৰাই ল'ব পাৰি। ব্যক্তিগত ভাৱে এজন লিখকৰ পৰা নহৈ সাহিত্য সভাৰ দৰে এটি জাতীয় অনুষ্ঠানৰ পৰা পাৰিভাষিক শব্দৰ তালিকা প্ৰস্তুত হলে সেইটো অসঙ্কোচে জাতীয় পাৰিভাষিক ভাষা বুলি স্বীকৃত হ'ব পাৰিব।"

—দেশভক্ত **তৰুণৰাম ফুকন**

---

## সাহিত্য-সংবাদ

# আলেক্জেণ্ডাৰ চ'ল্ঝেনিৎচিন্

শ্ৰীগোবিন্দ প্ৰসাদ শৰ্মা

১৯৭০ চনৰ সাহিত্যৰ নোবেল বঁটা আগবঢ়োৱা হৈছিল ছোভিয়েট ঔপন্যাসিক আলেক্জেণ্ডাৰ চ'ল্ঝেনিৎচিনলৈ। ছোভিয়েট চৰকাৰে চ'ল্ঝেনিৎচিনক কিন্তু বিশ্বৰ এই শ্ৰেষ্ঠ সাহিত্যিক বঁটা গ্ৰহণ কৰিবলৈ নিদিলে। বৰ্তমান বিশ্বৰ শ্ৰেষ্ঠ সাহিত্যিকসকলৰ ভিতৰত চ'ল্ঝেনিৎচিনো এজন বুলি যদিও ইতিমধ্যে স্বীকৃত হৈছে তথাপি নিজৰ দেশত চ'ল্ঝেনিৎচিন্ এতিয়াও অখ্যাত আৰু অস্বীকৃত। ছোভিয়েট সংবাদপত্ৰ-আলোচনীসমূহত চ'ল্ঝেনিৎচিনৰ নাম পাবলৈ নাই; ৰুচিয়াৰ জনসমাজৰ পৰা চল্ঝেনিৎচিন্ সদায় আঁতৰত যেন ছোভিয়েট দেশত আলেক্জেণ্ডাৰ চ'ল্ঝেনিৎচিন্ বোলা কোনো লোকেই নাই। ছোভিয়েট চৰকাৰে পৰিকল্পিতভাৱেই এনেদৰে চ'ল্ঝেনিৎচিনক খ্যাতিৰ পোহৰৰ পৰা আঁতৰাই ৰাখিছে। তেওঁৰ প্ৰতি ছোভিয়েট চৰকাৰৰ বিদ্বেষ কিমান গভীৰ তাৰ এটি ভাল উদাহৰণ, ১৯৭০ চনৰ নোবেল বঁটা তেওঁলৈ আগ বঢ়োৱাত তেওঁৰ চৰকাৰে তেওঁক সেই বঁটা গ্ৰহণ কৰিবলৈ নিদিয়াটো। ইয়াৰ অন্য এটি উদাহৰণ পোৱা গ'ল যোৱা বছৰ (১৯৭২)। ৰুছ দেশত বিবাহ-বিচ্ছেদৰ অনুমোদন পোৱাটো টান কথা নহয়। বিশেষকৈ উভয় পক্ষই যেতিয়া বিবাহ-বিচ্ছেদ বিচাৰে, ছোভিয়েট চৰকাৰে তেনে আবেদন সদায় মঞ্জুৰ কৰে। চ'ল্ঝেনিৎচিনৰ ক্ষেত্ৰত এনে আবেদনো মঞ্জুৰ নহ'ল। কাৰণ?

কোনো ব্যক্তিগত কাৰণত চ'ল্ঝেনিৎচিনক ছোভিয়েট চৰকাৰে অৱশ্যে বেয়া পাব লগীয়া একো নাই। ছোভিয়েট চৰকাৰৰ চ'ল্ঝেৎচিন্-বিদ্বেষৰ গুৰিত আছে ছোভিয়েট চৰকাৰৰ প্ৰকাশনৰ ওপৰত থকা কঠোৰ নিয়ন্ত্ৰণ-নীতি আৰু স্বাধীনতাপ্ৰেমী চ'ল্ঝেনিৎচিনৰ এই দমন নীতিৰ প্ৰতি ঘৃণা। ছোভিয়েট চৰকাৰৰ গ্লেভ্লিট (Glavlit) নামৰ প্ৰকাশন নিয়ন্ত্ৰক অনুষ্ঠান বা বিভাগ এটি আছে। এই গ্লেভ্লিটৰ অনুমোদন নোহোৱাকৈ কোনো গল্প, উপন্যাস, কবিতা বা অন্য ৰচনা প্ৰকাশ হ'ব নোৱাৰে। সাহিত্যিক ৰচনাৰ কথা বাদেই, আনকি দোকান-পোহাৰৰ বিজ্ঞাপন বা দামৰ তালিকা আৰু দোকানৰ মালৰ লেবেলবোৰত ছপোৱা কথাবোৰো ছপাব পৰা যায় গ্লেভ্লিটৰ অনুমতিসাপেক্ষেহে। কাকত-আলোচনীৰ সম্পাদকসকলে প্ৰকাশ কৰিব খোজা প্ৰবন্ধপাতিৰ অকল সাহিত্যিক মূল্যলৈ চালে নচলে; তেওঁলোক চাবলৈ বাধ্য গ্লেভ্লিটৰ প্ৰকাশন-নীতিলৈকো। চ'ল্ঝেনিৎচিন্ তেওঁৰ চৰকাৰৰ সাহিত্যৰ ওপৰত থকা এই দমন-নীতিৰ ঘোৰ বিৰোধী, তিনি বিদৰে ভ্লাডিমিৰ নেবাকোভ্ বা ব'ৰিচ্ পেষ্টাৰনেক আছিল এই নীতিৰ বিৰোধী। এই বিৰোধৰ কাৰণেই ছোভিয়েট চৰকাৰে চ'ল্ঝেনিৎচিনক সম্প্ৰতি একাৰবীয়া কৰিছে—অখ্যাতিৰ আন্ধাৰত এই সুখ্যাত লেখকজনক জহি যাবলৈ দিছে।





ছোভিয়েট চৰকাৰৰ প্ৰকাশনৰ ওপৰত থকা কঠোৰ নিয়ন্ত্ৰণৰ বিৰুদ্ধে তেওঁৰ বিদ্ৰোহী ভাব চ'ল্ঝেনিৎচিনে প্ৰকাশ কৰিছে ১৯৬৭ চনত, অৰ্থাৎ তেওঁক যি বছৰৰ বাবে নোবেল বঁটা দিয়া হ'ল তাৰ তিনি বছৰ পূৰ্বে। লেখকজনে এই ভাৱ প্ৰকাশ কৰিছিল ছোভিয়েট লেখক সন্থাৰ (Union of Soviet Writers) কাৰ্যনিৰ্বাহক সমিতিৰ (Presidium) ওচৰত এখন স্মাৰকপত্ৰ দাখিল কৰি। তেওঁ এই কাম কৰিছিল এই আশাত যে, ছোভিয়েট সাহিত্যিক সম্প্ৰদায়ৰ চতুৰ্থ মহাসভাত কাৰ্যনিৰ্বাহক সমিতিয়ে তেওঁৰ স্মাৰকপত্ৰৰ ভাবৰ ওপৰত ভিত্তি কৰি চৰকাৰে প্ৰকাশনৰ ওপৰত দমন নীতি উঠাই দিব লাগে বুলি এটি প্ৰস্তাৱ গ্ৰহণ কৰিব। লেখক সম্প্ৰদায়ৰ চতুৰ্থ মহাসভাই কিন্তু চৰকাৰৰ বিপক্ষে গৈ এনে এটা প্ৰস্তাৱ লোৱা দূৰৈৰ কথা, চৰকাৰক পৰিতুষ্ট কৰাৰ বাবে চ'ল্ঝেনিৎচিনকহে ৰাষ্ট্ৰবিদ্বেষী, বিকৃতমস্তিষ্ক, অহংকেন্দ্ৰিক আদি আখ্যা দিলে। তাৰ পিছৰ পৰাই ছোভিয়েট চৰকাৰ বিশ্বৰ এই অন্যতম শ্ৰেষ্ঠ লেখকজনাৰ বিপক্ষে থিয় হ'ল। তেওঁৰ দুখন অতি বিখ্যাত উপন্যাস "প্ৰথম বৃত্ত" (The First Circle) আৰু "কেন্সাৰ্ ৱাৰ্ড" (The Cancer Ward) ছোভিয়েট চৰকাৰে প্ৰকাশ কৰিবলৈ নিদিলে। তেওঁৰ কেবাখনো নাটক আৰু চিত্ৰনাট্যৰো প্ৰকাশ ছোভিয়েট চৰকাৰে নিষিদ্ধ কৰিলে। চুটি গল্পবোৰৰো প্ৰকাশ বন্ধ হ'ল। তেওঁৰ সকলো ৰচনাকেই যাতে কলিতে ধ্বংস কৰিব পাৰি, তাৰ বাবে তেওঁৰ ঘৰ গুপ্তপুলিচে সঘনে খানা তালাচ কৰিবলৈ ধৰিলে। অৱশ্যে ইমানৰ পিছতো তেওঁৰ "প্ৰথম বৃত্ত" বা "কেন্সাৰ ৱাৰ্ড"কে আদি কৰি ৰচনাসমূহ চোৰাং উপায়ে ৰুছ দেশৰ বাহিৰলৈ আহি আছে আৰু ইউৰোপ বা আমেৰিকাত প্ৰকাশ পাই পাশ্চাত্যৰ পাঠকবৰ্গৰ ভূয়সী প্ৰশংসা লাভ কৰি আছে।

কিন্তু কেৱল সাহিত্যৰ ওপৰত থকা চৰকাৰৰ দমন নীতিৰ বিৰুদ্ধে মাতমতা কাৰণেই চৰকাৰৰ চ'ল্ঝেনিৎচিনৰ প্ৰতি ইমান বিদ্বেষ নে? এই বিদ্বেষৰ কাৰণ ইয়াতোকৈ গভীৰ। চ'ল্ঝেনিৎচিনৰ ৰচনাৰ মাজেদি যি ভাৱধাৰা প্ৰকাশ পাইছে সি এক বিপ্লৱী ভাৱধাৰা। এনে ভাৱধাৰাৰ প্ৰচাৰে ছোভিয়েট ৰাষ্ট্ৰত বিপ্লৱৰ সূচনা কৰিব পাৰে বুলি ছোভিয়েট চৰকাৰৰ ভয়।

চ'ল্ঝেনিৎচিনৰ উপন্যাসসমূহৰ কেন্দ্ৰীয় ভাব হ'ল সৃষ্টিৰ পাতনিৰেপৰা মানুহে যিবোৰ ভাব-অনুভূতি আৰু কাৰ্ধ-কৰণক আদৰ কৰি আহিছে সেইবোৰৰ ওপৰতেই মূল্য আৰোপ কৰা। এনে ভাবত তেনে কোনো মাৰাত্মক বিপ্লৱৰ বীজ অৱশ্যে নাই যেন লাগে। কিন্তু উপন্যাসবোৰৰ কেন্দ্ৰীয় ভাব যদিও এই, বাহ্যিক দৃষ্টিত চ'ল্ঝেনিৎচিনৰ প্ৰতিখন উপন্যাসেই ছোভিয়েট ৰাষ্ট্ৰৰ বিভিন্ন দিশৰ সমালোচনা; আৰু ছোভিয়েট চৰকাৰ গ্লেভ্লিটে এওঁৰ উপন্যাসবোৰ এই বাহ্যিক দৃষ্টিৰেহে অকল চায়। এনে বাহ্যিক দৃষ্টিৰে চালে এওঁৰ উপন্যাসবোৰত বৰ বেছি পোৱা যায় তেওঁৰ পূৰ্বসূৰী পেষ্টাৰ্নেক্, চ'ল'খ'ভ্ আদিৰ উপন্যাসত পোৱাৰ দৰে মানবীয় প্ৰমূল্যসমূহৰ বিনাশৰ চেষ্টাৰ বিপক্ষে, মানুহৰ ব্যক্তিত্বক আওকাণ কৰি ৰাষ্ট্ৰই মানুহক সমাজৰ বা দেশৰ অৰ্থনীতিৰ একোটা একক বুলি গ্ৰহণ কৰাৰ বিপক্ষে এটি প্ৰতিবাদ।

চুটি গল্প আৰু নাটক আদিও লিখে যদিও চ'ল্ঝেনিৎচিন্ মূলতঃ ঔপন্যাসিক। ৫৫ বছৰীয়া এই ঔপন্যাসিকজনৰ এতিয়ালৈকে চাৰিখন উপন্যাস প্ৰকাশ পাইছে। তেওঁৰ প্ৰথম উপন্যাস "আইভান্ ডেনিছোভিছৰ জীৱনৰ এটি দিন"ৰ বাবেই তেওঁক নোবেল বঁটা দিয়া হৈছে। এইখন উপন্যাস অৱশ্যে ৰুছিয়াতেই প্ৰকাশ হৈছিল; কিয়নো তেতিয়া ৰুছিয়াত ক্ৰুশ্চেভৰ শাসন; আৰু ক্ৰুশ্চেভ আছিল এই বিষয়ত উদাৰ। অকল এই উপন্যাসখনেই নহয়, ক্ৰুশ্চেভৰ উদাৰতাৰ কাৰণেই তেওঁৰ দিনত চ'ল্ঝেনিৎচিনৰ কেবাটাও চুটি গল্প আলোচনীত প্ৰকাশ পাইছিল। ক্ৰুশ্চেভৰ দিনত বিখ্যাত "প্ৰাভ্ডা" কাকতেও আনকি চ'ল্ঝেনিৎচিনৰ সাহিত্যিক প্ৰতিভাৰ প্ৰশস্তি প্ৰকাশ কৰিছিল। ইয়াৰ উপৰি, সেই সময়ত

শ্ৰেষ্ঠ ছোভিয়েট বঁটা লেনিন বঁটাৰ বাবে তেওঁৰ নাম প্ৰস্তাৱিত হৈছিল। কিন্তু তাৰ পিছতেই ক্ৰুশ্চেভৰ পতন হ'ল। লগে লগে চ'ল্‌ঝেনিৎচিনৰ ৰচনাৰ প্ৰকাশো ছোভিয়েট দেশত বন্ধ হৈ গ'ল। মঞ্চস্থ কৰাৰ বাবে সকলো প্ৰস্তুতি শেষ কৰা তেওঁৰ নাটক "প্ৰণয়িনী আৰু নিৰ্দোষজন" নামৰ নাটখন আৰু মঞ্চস্থ নহ'ল। ছপা হৈ ওলাব লগীয়া অৱস্থাত থকা "কেন্সাৰ ৱাৰ্ড" উপন্যাসখনো আৰু ছপাখনাৰপৰা বাহিৰ হৈ নাহিল। এনে সময়তেই তেওঁ সাহিত্যৰ ওপৰত থকা সৰ্বনাশী চেন্সৰৰ বিৰুদ্ধে আগতে উল্লেখ কৰা স্মাৰকপত্ৰখন দাখিল কৰিছিল।

নোবেল বঁটা বিজয়ী "আইনভান ডেনিছোভিচৰ জীৱনৰ এটি দিন" নামৰ উপন্যাসখন চেতনা-স্ৰোত ৰীতিত লিখিত। ইয়াৰ কাহিনী চ'ল্‌ঝেনিৎচিনৰ নিজৰ জীৱনৰ অভিজ্ঞতাৰ অৱলম্বনতেই ৰচিত। দ্বিতীয় মহাযুদ্ধৰ সময়ত ডেকা চ'ল্‌ঝেনিৎচিনে সৈনিক হিচাপে যুদ্ধত যোগ দি দেশ-সেৱা কৰিছিল। সৈনিক হিচাপে তেওঁ দুবাৰো বিভাগীয় পুৰস্কাৰ লাভ কৰিছিল আৰু শেষত কেপ্তেনলৈকো প্ৰমোচন পাইছিল। কিন্তু এবাৰ যুদ্ধখনীৰপৰা ঘৰলৈ লিখা এখন ব্যক্তিগত চিঠিত সেই সময়ৰ কছিয়াৰ কৰ্ণধাৰ ষ্টেলিনক "গোঁফৰালা মানুহজন" বুলি তেওঁৰ যুদ্ধ-কৌশল সমালোচনা কৰা বাবে তেওঁক আঠ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড দিয়া হ'ল। পিছলৈ এই আঠ বছৰকাল বঢ়াই এঘাৰ বছৰ কৰা হৈছিল। এই সময়ত তেওঁ ফাটেকত বনুৱাৰ কাম কৰিব লগীয়া হৈছিল। ১৯৫৬ চনত ক্ৰুশ্চেভৰ শাসনৰ কালত অৱশ্যে তেওঁ মুক্তি পালে। ফাটেকত চ'ল্‌ঝেনিৎচিনৰ যি তিতা অভিজ্ঞতা হ'ল, তাৰেই প্ৰকাশ হ'ল "এটি দিন" উপন্যাসখন। এটি কয়েদীৰ এদিনৰ অভিজ্ঞতাৰ মাজেদি ইয়াত দেখুওৱা হৈছে ষ্টেলিনৰ দিনৰ কছিয়াৰ ফাটেকত কেনেকৈ কয়েদীবোৰে ফটা কাপোৰ ৰচিৰে গাঁথি মাৰি পিন্ধি, ঠাণ্ডাত কঁপি কঁপি ওৰে দিন কাম কৰিব লাগে। হাড় কঁপোৱা জাৰত অকণমান জুই পুঁৱাবলৈ সিহঁতে এডাল খৰিও নাপায়। সিহঁতক পেট পুৰাই আনকি খাবলৈও দিয়া নহয়। ফাটেকত পোৱা সিহঁতৰ একমাত্ৰ সুবিধা হ'ল এই যে, বছৰত এবাৰকৈ সিহঁতে ঘৰলৈ চিঠি লিখিব পাৰে।

"প্ৰথম বৃত্ত" উপন্যাসখনো একে দৰেই উপকৰা দৃষ্টিত কছ দেশৰ চৰকাৰৰ সমালোচনাই। মস্কোৰ উপকণ্ঠত অৱস্থিত ৰাজনৈতিক বন্দীসকলৰ এখন বিশেষ ধৰণৰ ফাটেকৰ কয়েদীবোৰৰ অভিজ্ঞতাৰ প্ৰকাশ হ'ল এই উপন্যাসখন। এই ফাটেকখনত চৰকাৰৰ চকুত দেশদ্ৰোহী, উচ্চশিক্ষিত, দাৰ্শনিক, বিজ্ঞানী আৰু ৰাজনীতিবিদ আদিক বন্দী কৰি ৰখা হয়। এনেকৈ বন্দী কৰি ৰাখি আকৌ তেওঁলোকৰ সৃষ্টি-প্ৰতিভা দেশৰ কামত খটুৱাবলৈ তেওঁলোকক জোৰকৈ নিজৰ নিজৰ বিষয়ত কাম কৰোৱা হয়। উপন্যাসখনত দেখুওৱা হৈছে, কেনেকৈ এই ফাটেকখনত বিশিষ্ট প্ৰতিভাৰ বুদ্ধিজীৱী কয়েদীসকলক তেওঁলোকৰ পৰিয়ালৰপৰা বিচ্ছিন্ন কৰি, লগ-সঙ্গৰপৰা বিচ্ছিন্ন কৰি, মানুহৰ স্বাভাৱিক প্ৰবৃত্তিবোৰ বলেৰে অৱদমিত কৰাই কামত খটুওৱা হয়—যি কামৰ পুৰস্কাৰ তেওঁলোকে কেতিয়াও নাপায়।

"কেন্সাৰ ৱাৰ্ড" উপন্যাসখনতো লেখকৰ জীৱনৰ অভিজ্ঞতাৰ ছাঁ আছে। চাইবেৰিয়াত বনুৱাৰ কাম কৰি ফাটেক খাটি থাকোঁতে চ'ল্‌ঝেনিৎচিনৰ এটা কেন্সাৰ টিউমাৰ ওলাইছিল। । অস্ত্ৰোপচাৰ কৰাত তেওঁ তেতিয়া আৰোগ্য লাভ কৰিছিল যদিও পিছত পুনৰ এবাৰ তেওঁ কেন্সাৰত ভুগিছিল। এইবাৰ এখন হস্পিটেলত ভৰ্তি হৈ ভালকৈ চিকিৎসা কৰাত সম্পূৰ্ণ আৰোগ্য হ'ল। "কেন্সাৰ ৱাৰ্ড" উপন্যাসখনত এখন হস্পিটেলৰ কেন্সাৰ ৱাৰ্ডত থকা কেইবোৰ কেন্সাৰ ৰোগীৰ ভাব-অনুভূতিয়েই প্ৰকাশ পাইছে। কিন্তু এই ভাব-অনুভূতিবোৰৰ মাজেদি আকৌ ষ্টেলিনৰ দিনৰ কছিয়াকেই সমালোচনা কৰা হৈছে।

চল্‌ঝিনিৎচিনৰ চতুৰ্থ তথা শেহতীয়া উপন্যাস "আগষ্ট ১৯১৪"খন প্ৰকাশ হৈছে ১৯৭১ চনত পেৰিচত। এই উপন্যাসখনত ষ্টেলিনৰ দিনত কছিয়াই কেনেকৈ



মহাযুদ্ধত যোগ দি অনেক কছ পুৰুষক হেৰুৱালে আৰু জাতীয় মনোবল হেৰুৱালে তাকে দেখুওৱা হৈছে। সম্প্ৰতি এই উপন্যাসখন আন্তৰ্জাতিক বজাৰত অটাইতকৈ বেছি বিক্ৰী হোৱা এখন কিতাপ।

চ'ল্‌ঝেনিৎচিনৰ জন্ম হৈছিল ১৮১৮ চনত উত্তৰ ককেচাচত। ৰাষ্টোভ্-অন্-ডন্ বিশ্ববিদ্যালয়ত তেওঁ অঙ্কশাস্ত্ৰ আৰু বিজ্ঞান অধ্যয়ন কৰিছিল। ষ্টেলিনৰ শাসনকালত তেওঁ যুদ্ধত যোগ দিলে আৰু কাৰাবৰণ কৰিব লগীয়া হ'ল। ক্ৰুশ্চেভৰ শাসন-কালত তেওঁ মুক্ত হৈ অঙ্ক বিষয়ত শিক্ষকতা কৰিলে আৰু সাহিত্য চৰ্চাত লাগিল। কিন্তু সাহিত্য চৰ্চাতো ক্ৰুশ্চেভৰ পতনৰ পিছত তেওঁ একাণপতীয়াকৈ আৰু শান্তিৰে কেতিয়াও লাগিব পৰা নাই। ইয়াৰ কাৰণ হ'ল, তেওঁৰ মতবাদ—লেখক সম্থালৈ দিয়া তেওঁৰ স্মাৰকপত্ৰৰ এই কথাষাৰিত যি মতবাদ প্ৰকাশ পাইছে: "বাক স্বাধীনতা, সাধু আৰু সম্পূৰ্ণ বাক স্বাধীনতা—এয়েই হ'ল সকলো সমাজৰে সুস্বাস্থ্যৰ একমাত্ৰ চৰ্ত। যি মাতৃভূমিৰ বাবে বাক্ স্বাধীনতা নিবিচাৰে, সি মাতৃভূমিক ৰোগমুক্ত কৰিবলৈকো নিবিচাৰে।"

মাতৃভূমিক ইমান ভাল পোৱা এই প্ৰতিভাশালী লেখকজনৰ বাবে মাতৃভূমিৰ বুকুত তেওঁৰ জীৱন হৈ পৰিছে কাৰাৰুদ্ধ এটি কয়েদীৰ জীৱনৰ দৰে। এই বিষয়ে তেওঁ কি ভাবে? তেওঁ কৈছে, "সমাজৰ পৰা বা দেশৰ পৰাই মোক বহিষ্কাৰ কৰিবলৈ, নৰ্দমাত দলিয়াই দিবলৈ বা চাইবেৰিয়াত নিৰ্বাসন দিবলৈ, অথবা অচিনাকি কুঁৱলীৰ মাজত মোক নিঃশেষ কৰি দিবলৈ মোৰ দেশৰ চলিছে পৰিকল্পনা।"

# কুমাৰণ আচান

শ্ৰীকমলেশ্বৰ শৰ্মা

যোৱা ১২ এপ্ৰিলৰ দিনা কেৰেলাৰ কবি কুমাৰণ আচানৰ জন্ম শতবাৰ্ষিকী পালন কৰা হয়। মালয়ালম সাহিত্যত তেওঁ মহাকবি আচান হিচাপে পৰিচিত। তেওঁৰ জীৱনকাল আছিল মাত্ৰ ৫১ বছৰ। এই কম সময়ৰ ভিতৰতে তেওঁ মালয়ালম ভাষাত যুগোত্তীৰ্ণ কাব্য ৰচনা কৰি গৈছে। তেওঁৰ ৰচনাসমূহৰ ভিতৰত আছে, চুটি লিখনিৰ সংগ্ৰহ তিনিটা, এডুইন আৰ্ণল্ডৰ বিখ্যাত গ্ৰন্থ "এচিয়াৰ জ্যোতি"ৰ মালয়ালমত সম্পূৰ্ণ ভাঙনি, "শ্ৰীবুদ্ধ চৰিতম" (১৯০৩ৰ পৰা ১৯২৪ৰ ভিতৰত অনূদিত), কবিতাৰ পুথি "পতিত পুষ্প" (১৯০৭), কাব্যগ্ৰন্থ, "সীতাৰ ধ্যান" (১৯১৯), "বিলাপ" (১৯১৯) বৰ্ণনাত্মক কবিতাৰ পুথি "নলিনী" (১৯১১), "লীলা" (১৯১৩), সামাজিক কাব্য "দুৰৱস্থা" (১৯২২), "চাণ্ডাল ভিক্ষুকী" (১৯২২) আৰু দাৰ্শনিক কাব্য "কৰুণা" (১৯২৩)। আচানৰ এই ৰচনাসমূহে মালয়ালম সাহিত্যত নতুন যুগৰ সূচনা কৰে।

ত্ৰিবান্দ্ৰমৰ পৰা ৪০ মাইল দূৰৰ কায়িকৰ নামৰ গাওঁ এখনত ইজাভা সম্প্ৰদায়ৰ দুখীয়া পৰিয়াল এটাত কুমাৰণ আচানৰ জন্ম হয়। ইজাভাসকল অস্পৃশ্য; পঢ়াশালি বা মন্দিৰত তেওঁলোকৰ প্ৰৱেশ নিষেধ। সনাতন হিন্দুধৰ্মৰ এয়ে নিৰ্যাতন-নীতি। কুমাৰণ আচানে সৰুকালৰে পৰা এই নিৰ্যাতন ভোগ কৰিব লগীয়া হৈছিল।

শিক্ষা-দীক্ষাৰ প্ৰতি তেওঁৰ প্ৰবল ধাউতি আছিল; কিন্তু তেওঁৰ সম্প্ৰদায়ৰ ছাত্ৰৰ কাৰণে ৰাজহুৱা শিক্ষানুষ্ঠানৰ বাট বন্ধ আছিল। গাৱঁৰ সাধাৰণ স্কুলতে তেওঁ মালয়ালম ভাষা শিকিছিল আৰু লগতে দুই এজন সহৃদয়, সৱৰ্ণ শিক্ষকৰ মুখত সংস্কৃত ভাষাৰ শিক্ষা লাভ কৰিছিল। সংৰক্ষণশীল সমাজত প্ৰচলিত নীতিৰ

নামত দুৰ্নীতি, ধৰ্মৰ নামত অধৰ্মৰ প্ৰাদুৰ্ভাৱ দেখি তেওঁৰ অন্তৰ ভাঙি পৰিছিল আৰু লগে লগে তেওঁৰ মন বিদ্ৰোহী হৈ উঠিছিল।

সৌভাগ্যৰ কথা যে, কৈশোৰৰ এই সংকট মুহূৰ্তত কুমাৰণ আচানে এজন গুৰুৰ সাক্ষাৎ লাভ কৰে। এই গুৰুজনেই আছিল তেওঁৰ জীৱনৰ দেৱদূত। প্ৰথম পৰিচয়ৰ সময়ত কুমাৰণৰ বয়স সোতৰ বছৰ; অন্তৰ ভাৱাক্ৰান্ত। গুৰুৱে কুমাৰণৰ মৰ্মবেদনা বুজিব পাৰিলে আৰু সেয়েহে দুয়োজনৰ মাজত এক নিৰৱচ্ছিন্ন গুৰু-শিষ্যৰ মধুৰ সম্বন্ধ গঢ়ি উঠিল। গুৰুজনৰ নাম নাৰায়ণ গুৰু (১৮৫৪-১৯২৮)। তেওঁ নিজেই অস্পৃশ্য; কুমাৰণ আচানৰ লগত একে জাতিৰ; নহয় অজাতিৰ। অস্পৃশ্য সকলৰ মঙ্গলৰ কাৰণে তেওঁ গোটেই জীৱন সাংগঠনিক কাৰ্যত আবদ্ধ আছিল। অসাধাৰণ পাণ্ডিত্য আৰু অননুকৰণীয় আচৰণৰ গুণত তেওঁ সকলোৰে সন্মান লাভ কৰিছিল। তেওঁ প্ৰতিষ্ঠা কৰা সংঘ এটাই কেৰেলাৰ সমাজ সংস্কাৰৰ ক্ষেত্ৰত আগ ভাগ লৈছিল। এই সংঘটোৰ নাম আছিল "শ্ৰীনাৰায়ণ ধৰ্ম পৰিপালন যোগম্।" এই সংঘৰ যোগেদি কুমাৰণৰ প্ৰতিভাৰ বিকাশৰ বাট সুগম হৈ উঠিল। এক কথাত গুৰু নাৰায়ণে কবি কুমাৰণক আবিষ্কাৰ কৰিলে। তেওঁ কুমাৰণৰ অন্তৰত গুঞ্জৰি গুমৰি থকা বৈপ্লৱিক ভাৱসমূহক উদ্দেশ্য ধৰ্মী আৰু কৰ্মমুখী কৰি তুলিলে। পোন প্ৰথমে গুৰুজনে তেওঁৰ শিক্ষাৰ ভাৰ গ্ৰহণ কৰিলে। সংঘৰ জৰিয়তে কুমাৰণক কেৰেলাৰ বাহিৰলৈ পঠোৱা হ'ল। মাদ্ৰাজ, বাঙ্গালোৰ আৰু কলিকতাত তেওঁৰ পঢ়াশুনাৰ ব্যৱস্থা কৰি দিয়া হ'ল। পাঁচ বছৰ কাল তেওঁ এই ধৰণে শিক্ষা লাভ কৰে। এই কালছোৱাত তেওঁ সংস্কৃত আৰু ইংৰাজী শিক্ষাত বিশেষভাৱে মনোযোগ দিয়ে। কলিকতাত থাকোঁতে তেওঁ ভাৰতীয় জাতীয় জীৱন আৰু সাহিত্য-সংস্কৃতিত দেখা দিয়া নতুন ভাবধাৰাৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পায়।

শিক্ষাকাল শেষ হোৱাৰ পিছত কুমাৰণৰ কৰ্মজীৱন আৰম্ভ হয়। ইয়াতো গুৰু নাৰায়ণে ধ্ৰুৱতৰাৰ দৰে তেওঁৰ জীৱনৰ দিগ্ নিৰ্ণয় কৰে। ১৯০০ চনত গুৰুৰ সহায়কাৰী হিচাপে সংঘৰ কামত যোগ দিয়ে। তেওঁ সংঘৰ সম্পাদক নিৰ্বাচিত হয়। সুদীৰ্ঘ ষোল বছৰ কাল তেওঁৰ জীৱন এই সংঘৰ লগত জড়িত হৈ থাকে। এই সময়ত তেওঁ সংঘৰ মুখপত্ৰ "বিবেকোদয়ম"ৰ সম্পাদনাৰ কামত নিজৰ দক্ষতাৰ পৰিচয় দিয়ে। ইয়াৰ উপৰিও সংঘৰ কামত বিভিন্ন ঠাইত তেওঁ ইংৰাজী আৰু মালায়-লম ভাষাত বক্তৃতা দি ফুৰিছিল। গুৰু নাৰায়ণৰ জীৱনৰ মূল বাণী আছিল, "ঈশ্বৰ এজন; মানুহৰ জাতি-ধৰ্ম এক।" কুমাৰণ আচানে অতিশয় আগ্ৰহ আৰু উৎসাহেৰে গুৰুৰ এই বাণী সমাজত প্ৰচাৰ কৰে। ফলত কেৰেলাৰ সামাজিক জীৱনৰ ব্যভিচাৰ বহু পৰিমাণে শাম কাটিবলৈ আৰম্ভ কৰে আৰু অনুন্নত সম্প্ৰদায়ৰ সন্মুখত থিয় দিয়া শতিকা পুৰণি পৰ্বত-প্ৰমাণ বাধা-নিষেধসমূহ ক্ৰমান্বয়ে আতৰি যাবলৈ ধৰে।

এই কৰ্ম-জীৱনৰ মাজতে ১৯০৭ চনত কুমাৰণৰ প্ৰথম কবিতাৰ পুথি 'বীণাপোডু' (পতিত পুষ্প) প্ৰকাশিত হয়। ৰঘুনাথ চৌধাৰীৰ "গছৰ পাত" কবিতাৰ দৰে ইয়াতো মৰহি যোৱা ফুল এটাৰ আলম লৈ কবিয়ে মানৱ জীৱনৰ শোক-সন্তাপৰ ইঙ্গিত দিয়ে। প্ৰকৃতিৰ দাপোণত মানৱ জীৱনৰ ৰূপ চাই তেওঁ বেছি দিন আবদ্ধ হৈ থাকিব নোৱাৰিলে। অম্বিকাগিৰীৰ দৰে তেওঁ জীৱনৰ তেনেই ওচৰ চাপি আহিল আৰু ১৯১১ চনত "নলিনী" আৰু ১৯১৩ চনত "লীলা" নামৰ কবিতাৰ পুথিত মানুহৰ মাজত থকা মৰম-চেনেহ আৰু প্ৰেম-প্ৰীতিৰ পৰিচয় দিলে। কবিৰ কল্পনাত বাস্তৱৰ বজ্ৰ নিনাদ শুনিবলৈ পোৱা গ'ল। ৰক্ষণশীল সমাজে তেওঁৰ কথাত (কাব্যত) প্ৰমাদ গণিলে। ১৯১৩ চনত তেওঁ ত্ৰিবাঙ্কুৰ লেজিছলেটিভ সভাৰ সভ্য নিৰ্বাচিত হয়। ১৯১৮ চনত কুমাৰণৰ বিয়া হৈ যায়। ১৯২০ চনত তেওঁ সাহিত্যত একাগ্ৰতাৰে লগাৰ উদ্দেশ্যে সংঘৰ সম্পাদকৰ কাম এৰি দিয়ে। ত্ৰিবান্দ্ৰমৰ



পৰা ২৪ মাইল দূৰত থোনাকা নামৰ গাঁও এখনত তেওঁ ঘৰ-মাটি কৰি বসবাস কৰিবলৈ লয় আৰু সাহিত্য ক্ষেত্ৰত আত্মনিয়োগ কৰে। বৈবাহিক জীৱনে তেওঁৰ ভাবৰ দিগন্ত আৰু বহল কৰি তুলিলে আৰু তেওঁৰ মননশীলতাই এক গভীৰতম প্ৰদেশ স্পৰ্শ কৰিলে। ১৯১৯ চনত তেওঁৰ "সীতাৰ ধ্যান" নামৰ কাব্য প্ৰকাশিত হয়। "সীতাৰ ধ্যান" আধুনিক যুগৰ এখন মহাকাব্য। পৌৰাণিক কাহিনীৰ লগত আধুনিক বিশ্লেষণী নীতিৰ সমন্বয় স্থাপন কৰাই এই কাব্যৰ উদ্দেশ্য। ৰবীন্দ্ৰনাথৰ 'ধৃতৰাষ্ট্ৰ' বা নৱকান্তৰ "ৰাৱণৰ"ৰ দৰে ইয়াত "পুৰণি পৃথিৱীত" "নতুন দীপিতি" ঢালি দিয়া হৈছে। অন্তিম অৱস্থাত সীতাই নিজৰ জীৱনৰ অতীতলৈ দৃষ্টি নিক্ষেপ কৰিছে। এই সীতা দেৱী নহয়, মানৱী। অতীতৰ স্মৃতি ৰোমন্থনে তেওঁক শান্তি দিয়া নাই; কিন্তু তেওঁ যিমানপাৰে নিৰপেক্ষভাৱে নিজৰ অতীতটো নিজেই ফঁহিয়াই চাইছে। স্বামীৰ লগত বনবাস খাটিবলৈ যোৱাটো তেওঁৰ জানো কিবা ভুল হৈছিল? তেওঁৰ ৰূপত ভোল গৈ দুৰাচাৰ ৰাৱণে তেওঁক হৰণ কৰি নিয়াটো জানো তেওঁৰেই দোষ? পবিত্ৰ আত্মা ৰামচন্দ্ৰ। তেওঁৰ নিচিনা স্বামী পায়ো তিৰোতাই ইমান শক্তি থাব কিয়? আৰু সেই তিৰোতাৰ কাৰণে স্বামীয়েৰা ইমান কষ্ট পাব কিয়? ভগবান, মই গুচি গ'লে মোৰ স্বামীৰ কি অৱস্থা হব? মোৰ ল'ৰা দুটাৰ কি হব?" এয়ে সাধ্বী সতী সীতা, পুণ্যশীলা ৰমণী, স্নেহশীলা জননী। আধুনিক কবিৰ চিত্ত মানসত পৌৰাণিক কাহিনীৰ এই মানবীয় ৰূপ। এই ৰূপ অঙ্কন কৰি মালয়ালম কাব্য-সাহিত্যক ধৰ্মীয় গণ্ডীৰ পৰা মুক্ত কৰি কুমাৰণ আচানে সাহিত্যৰ লগত জীৱনৰ পোণ-পটীয়া সম্বন্ধ স্থাপন কৰে। "দুৰৱস্থা" (১৯২২) কাব্যত বামুণৰ বিধৱা এজনীৰ দুৰৱস্থাৰ ৰূপ অঙ্কন কৰি শেষত এক অস্পৃশ্যৰ লগত তেওঁক বৈবাহিক সূত্ৰত আবদ্ধ কৰি সমস্যাৰ সমাধানৰ বাট দেখুওৱা হৈছে। "চাণ্ডাল ভিক্ষুকী" কাব্যত তেওঁ বুদ্ধদেৱৰ শিষ্য আনন্দই চাণ্ডালিনীৰ হাতত পানী খাই তাইক বৌদ্ধ ভিক্ষুণীৰূপে তুলি লোৱাৰ কাহিনী বৰ্ণনা কৰা হৈছে। তেওঁৰ শেষ কাব্য "কৰুণাত" (১৯২৪) বাসৱদত্তা আৰু উপগুপ্তৰ স্বৰ্গীয় প্ৰেমৰ কৰুণ কাহিনী অঙ্কিত কৰা হৈছে। এই কাব্য প্ৰকাশ নৌ হওতেই মাত্ৰ ৫১ বছৰ বয়সত ১৯২৪ চনৰ ৪ জানুৱাৰীৰ দিনা নাও ডুবি কবি কুমাৰণৰ অকাল মৃত্যু হয়। এই মৃত্যুত অকল মালয়ালম সাহিত্যৰে নহয়, ভাৰতীয় সাহিত্যৰো অপূৰণীয় ক্ষতি হ'ল। তেওঁ আছিল নৱ ভাৰতৰ প্ৰতিমূৰ্তি; মূক ভাৰতৰ ভাষা। কাব্যৰীতিৰ উৰ্বৰতাই আৰু উপলব্ধিৰ প্ৰসাৰতাই তেওঁৰ কাব্যক অমৰত্ব দান কৰিছে।

## জ্ঞানপীঠ বঁটা

১৯৭২ চনৰ বাবে সাহিত্যত ভাৰতীয় জ্ঞানপীঠ বঁটা লাভ কৰে হিন্দী কবি-সাহিত্যিক শ্ৰীৰামধাৰী সিং (দিনকৰ)। স্বৰচিত কবিতা-পুথি 'উৰ্বশী'ৰ বাবে তেওঁক এই বঁটা দিয়া হয়।

## শাস্ত্ৰী সূত্ৰ অমূলক

অলপতে লামডিঙত সাংবাদিকৰে সৈতে হোৱা সাক্ষাৎ প্ৰসঙ্গত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীগিৰিধৰ শৰ্মা-দেৱে কয় যে, শাস্ত্ৰীসূত্ৰ অমূলক উদ্ভাৱন মাথোন। এই সূত্ৰই অসমৰ সংহতিহে বিনাশ কৰিব। শ্ৰীশৰ্মাদেৱে ভাষা-মাধ্যম আন্দোলনক অসমৰ জনসাধাৰণৰ পুনৰ জাগৰণ বুলি অভিহিত কৰি অসমীয়া ভাষা আৰু সংস্কৃতিৰ উন্নতিৰ বাবে মিছনাৰী উদ্যমেৰে কাম কৰাত গুৰুত্ব আৰোপ কৰে। এই বিষয়ে বাতৰি কাকতৰো সহায়ৰ প্ৰয়োজনীয়তাৰ কথা তেওঁ উল্লেখ কৰে।

লামডিঙত বহা এখন ৰাজহুৱা সভাত সভাপতি শ্ৰীশৰ্মাই অসমৰ বিভেদকামী শক্তিৰ বিৰুদ্ধে সজাগ থাকিবলৈ ৰাইজক আহ্বান জনায়।

# অসমীয়া গ্ৰন্থ-পঞ্জী

সংগ্ৰাহক—অধ্যাপক শ্ৰীভগবান মৰল

[ এই শিতানত ১৯৭১ আৰু ১৯৭২ চনত প্ৰকাশিত আৰু আমাৰ হাতত পৰা অসমীয়া গ্ৰন্থৰ একোখনি তালিকা পত্ৰিকাৰ বিভিন্ন সংখ্যাত প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে অসম সাহিত্য সভাই ইতিমধ্যে ১৯৫৬ চনৰপৰা ১৯৭০ চনৰ ভিতৰত প্ৰকাশিত অসমীয়া গ্ৰন্থৰ এখনি গ্ৰন্থপঞ্জী যুগত কৰিছে আৰু সেইখন বৰ্তমানে কিতাপৰ আকাৰত প্ৰকাশৰ বাটত। উক্ত গ্ৰন্থপঞ্জীত বাদ পৰি যোৱা কোনো কিতাপৰ সম্ভেদ পালে এই গ্ৰন্থপঞ্জীত সন্নিবিষ্ট কৰা হ'ব। আমাৰ উদ্দেশ্য যাতে কোনোখন অসমীয়া পুথিয়েই অসমীয়া গ্ৰন্থপঞ্জীৰপৰা বাদ পৰি নাযায় আৰু এই গ্ৰন্থপঞ্জী অসমীয়া সাহিত্যৰ ইতিহাস ৰচনাত সহায়ক হয়। গ্ৰন্থপঞ্জীৰ কাৰণে লিখক-প্ৰকাশকক এখনকৈ পুথি আমাৰ নামত পঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল।

—পত্ৰিকা সম্পাদক ]

## (ক) কবিতা

১ : ১ **সুভৰাম দাস** — **লহৰে লহৰে** — প্ৰথম প্ৰকাশ
জুলাই ১৯৭১

নবীন কবিৰ প্ৰাণৰ ভাব-তৰঙ্গৰ যোলটি লহৰৰ ( কবিতা ) উপাদেয় সমাবেশ।

প্ৰকাশক—জোনাৰাম দাস — ক্ৰাউন চাইজ
চেকেন্দ্ৰাবাদ—১০, অন্ধ্ৰপ্ৰদেশ — পৃষ্ঠা—৩০
'গ্ৰন্থালয়' হয়বৰ গাওঁ, নগাওঁ — দাম—'৭৫ পইচা

২ : ২ **সুভৰাম দাস** — **ভৰঙ্গ** — প্ৰথম প্ৰকাশ
ফেব্ৰুৱাৰী, ১৯৬৯



উদীয়মান কবিৰ কবিত্ব শক্তিৰ সাধনালব্ধ আত্মপ্ৰকাশ। ত্ৰিশটি কবিতাৰ কবিতাকুঞ্জ।

প্ৰকাশক : গ্ৰন্থকাৰ — ক্ৰাউন চাইজ
কোবাইকটা, পোঃ ধনীয়াভেটী — পৃষ্ঠা—৪৬
নগাওঁ, অসম — দাম—১·০০ টকা

৩ : ৩ **টুপীধৰ বৰা** — **যৌৱন-সুধা**

জীৱনৰ অনাগত অতিথি যৌবনৰ বিচিত্ৰ ভাবানুভূতিৰ প্ৰেমমূলক কবিতাৰ সংকলন।

ক্ৰাউন চাইজ
পৃষ্ঠা—২৪
দাম—'৬০ পইচা

৪ : ৪ **কৰুণাকান্ত চৌধুৰী** — **এখন আকাশ** — ১ম প্ৰকাশ ১৯৭২

কুৰিটা ৰোমাণ্টিকধৰ্মী কবিতাৰ সঙ্কলন।

পৰিবেশক— — ক্ৰাউন চাইজ
গুৱাহাটী বুকষ্টল — পৃষ্ঠা—৩৬
গুৱাহাটী—৩ — দাম—১·২৫ পইচা

৫ : ৫ **হৰিচন্দ্ৰ ভট্টাচাৰ্য** — **হাঁহি ধেমালি** — ২য় প্ৰকাশ
ডিচেম্বৰ, ১৯৭১

স্কুলীয়া ছাত্ৰ-ছাত্ৰীয়ে সভা-সমিতিত অভিনয় আৰু আবৃত্তি কৰি হাস্যৰস সৃষ্টি কৰিবপৰা সাতোটা আবৃত্তি আৰু এখন ধেমেলীয়া নাটৰ সমাবেশ হাঁহি-ধেমালি।

প্ৰকাশক—উমাচৰণ দাস — ডিমাই চাইজ
বৰপেটা — পৃষ্ঠা—৪৮
দাম—১·৫০ টকা

## (খ) গল্প

৬ : ১ **নলিনী শৰ্মা** (অধ্যাপক) — **চিৰন্তা** — ১ম প্ৰকাশ
জুন, ১৯৭২

বৰ্তমান একশ্ৰেণী গল্পকাৰৰ গল্পৰ কৃত্ৰিমতা, ভাবালুতা আৰু প্ৰদৰ্শন-কামিতাৰ আধিক্যৰ ব্যতিক্ৰম স্বৰূপ শৰ্মাৰ সুখপাঠ্য আঠকধুনীয়া দহোটি চুটিগল্পৰ সংকলন।

প্ৰকাশক—বীণা লাইব্ৰেৰী — পৃষ্ঠা—৯৫
গুৱাহাটী কোক্ৰাঝাৰ — পকাবন্ধা, ডিমাই
দাম—৩·২৫ টকা

৭ : ২ **মুনীন্দ্ৰনাথ শৰ্মা** — **মালৱিকা** — ১ম প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৭২

মহাকবি কালিদাসৰ ৰসঘন নাটক "মালৱিকাগ্নিমিত্ৰ"ৰ কাহিনী ভাগৰ আলমত গল্পাকাৰে ৰচনা কৰা সুখ পাঠ্য কাহিনী-গ্ৰন্থ।

প্ৰকাশক—উমাচৰণ দাস — ডিমাই চাইজ
বৰপেটা — পৃষ্ঠা—৩৬
দাম—১·০০ টকা

# (গ) আলোচনা

৮ : ১ **চিত্তৰঞ্জন চৌধুৰী** ( অধ্যাপক ) সম্পাদক — ১ম প্ৰকাশ

**সাহিত্য সমন্বয়** — ২ অক্টোবৰ, ১৯৭২

ডঃ মুকুন্দমাধৱ শৰ্মা, ৰমণীকান্ত শৰ্মা, ডঃ হৰিনাথ শৰ্মা দলৈ আদিৰ উচ্চমানবিশিষ্ট বাৰটা আলোচনামূলক প্ৰবন্ধ সংকলন। কোক্ৰাঝাৰ সাহিত্য সভাৰ সাহিত্য জগতলৈ প্ৰথম উৎকৃষ্ট অৱিহণা।

প্ৰকাশক—প্ৰধান সম্পাদক — ডিমাই চাইজ
কোক্ৰাঝাৰ সাহিত্য সভা,কোক্ৰাঝাৰ — পৃষ্ঠা—৯৬+৭
দাম – তিনি টকা

৯ : ২ **হেমদত্ত** — প্ৰথম প্ৰকাশ

**ভাৰতৰ স্বাধীনতা সংগ্ৰামত সশস্ত্ৰ বিপ্লৱৰ আখৰা** — ডিচেম্বৰ ১৯৭১

ইংৰাজ শাসনৰ বাঘজৰী চিঙিবলৈ ভাৰতৰ স্বাধীনতা আন্দোলনত সংঘটিত সশস্ত্ৰ বিপ্লৱৰ ৰোমহৰ্ষক কেইটিমান ঘটনাৰ সমাবেশ। অসমীয়া ভাষাত এনে কাহিনীৰ বিকাশ অনন্ত।

প্ৰকাশিকা— — ক্ৰাউন চাইজ
বিভা চৌধুৰী — পৃষ্ঠা ৫১
উজান বজাৰ, গুৱাহাটী – ১ — দাম – ২·০০ টকা

১০ : ৩ **হিতেশ বৰগোহাঞি** — ১ম প্ৰকাশ

**সময়ৰ অগ্ৰগতিৰ এয়া মাকুম** — জানুৱাৰী ১৯৭১

অসম সাহিত্য সভাৰ মাকুম অধিবেশন উপলক্ষে মাকুমৰ ইতিবৃত্ত দাঙি ধৰাই পুস্তিকাখনিৰ উদ্দেশ্য।

প্ৰকাশক—
ভূপেন বৰগোহাঞি — ডিমাই চাইজ
আনন্দবাগ — পৃষ্ঠা ৩৭
মাকুম — দাম ১·০০ টকা

১১ : ৪ **ডম্বৰু দাস** — ১ম প্ৰকাশ

**সংস্কৃতিৰ ৰূপান্তৰ** — জুন, ১৯৭১

প্ৰাক্ ঐতিহাসিক যুগৰ চিত্ৰকলা, লোকনৃত্যৰ চমু পৰিচয়, ঢুলীয়ানাচ, অসমৰ গাৰ্ৰ নামৰ বৈশিষ্ট্য আদি এঘাৰটি প্ৰবন্ধৰ সংকলন।

প্ৰকাশক—
হিৰণময়ী প্ৰকাশ — ডিমাই চাইজ
শ্যামাচৰণ ৰায় — পৃষ্ঠা ৪৮
লাচিত নগৰ, গুৱাহাটী। — দাম—১·৫০ টকা

১২ : ৫ **কমলেশ্বৰ মেধি** — **সুন্দৰৰ অন্বেষণত** — প্ৰথম প্ৰকাশ
১ম খণ্ড — ফেব্ৰুৱাৰী, ১৯৬৭



ধৰ্মৰ নামত থকা বাহ্যিক লোকাচাৰবোৰ ত্যাগ কৰি সত্য সন্ধানৰ প্ৰচেষ্টাৰে লিখা দহোটি প্ৰবন্ধৰ সুন্দৰ সংকলন।

প্ৰকাশক—ডঃ কুমুদেশ্বৰ বৰুৱা — ডিমাই চাইজ
আজাৰা — পৃষ্ঠা ৩৫

১৩ : ৬ **নৰেন্দ্ৰনাথ গোস্বামী** — প্ৰথম প্ৰকাশ

**তত্ত্বজ্ঞান** — ১৮৯৩ শক

বৰ্তমান সমাজত আচাৰ-ধৰ্মৰ বিভিন্ন দিশ, বিভিন্ন তত্ত্ব সহজ সৰল ভাষাৰে বুজাবলৈ চেষ্টা কৰা ধৰ্ম বিষয়ক পঠনীয় গ্ৰন্থ।

প্ৰকাশক
শ্ৰীমতী বিমলা গোস্বামী — ক্ৰাউন চাইজ
ৰঙামাটি, বিহগুৰি — পৃষ্ঠা ৪৮
দৰং, অসম — দাম—১·০০ টকা

১৪ : ৭ **নৰেন্দ্ৰনাথ গোস্বামী** — **গুৰু** — প্ৰথম প্ৰকাশ

গুৰুৰ গুণাৱলী, শিষ্যৰ প্ৰতি কৰ্তব্য আদি আলোচনাৰ যোগেদি গুৰুৰ বিভিন্ন দিশ আলচকৰা অসমীয়া ভাষাত একমাত্ৰ কিতাপ।

প্ৰকাশক— — ক্ৰাউন চাইজ
গ্ৰন্থকাৰ, বিহগুৰি, মুৰাৰিসত্ৰ — পৃষ্ঠা ২৩
দৰং — দাম—·৫০ পইচা

১৫ : ৮ **নৰেন্দ্ৰনাথ গোস্বামী** — **আদৰ্শ সংসাৰ**

বৰ্তমান সমাজ ব্যৱস্থাত আদৰ্শ সংসাৰ ৰচনাৰ বাবে শিক্ষা পদ্ধতিৰ আমুল পৰিবৰ্তনৰ আৱশ্যকতাৰ ইঙ্গিত দি আধ্যাত্মিক শিক্ষাৰ প্ৰতি আকৰ্ষণ কৰাৰ প্ৰচেষ্টা থকা গ্ৰন্থ।

প্ৰকাশক— — ক্ৰাউন চাইজ
গ্ৰন্থকাৰ — পৃষ্ঠা ৩১
দাম—·৫০ পইচা

১৬ : ৯ **নৰেন্দ্ৰনাথ গোস্বামী** — **ব্ৰাহ্মণ** — প্ৰথম প্ৰকাশ

ধৰ্ম, যুগ আৰু অৰ্থ সংস্কৃতিৰ উত্থানপতনৰ চমু আভাস থকা পুস্তিকা। — ক্ৰাউন চাইজ

প্ৰকাশক—গ্ৰন্থকাৰ — পৃষ্ঠা ২৮
দাম—·৫০ পইচা

১৭ : ১০ **ধৰণীধৰ মেধি** — প্ৰথম প্ৰকাশ

**ভগা মেৰুদণ্ড** — মেই, ১৯৭১

বৰ্তমান সমাজ ব্যৱস্থা, আচাৰনীতিয়ে মেৰুদণ্ডভগা জাতি এটাৰ পৰিচয় জ্ঞাপন কৰে, তাৰেই হাস্যৰসিক বিশ্লেষণ।

প্ৰকাশক— — ক্ৰাউন চাইজ
গোৰীকান্ত মেধি — পৃষ্ঠা ৫৮
কলিগোটা, চৰণধৰা — দাম—·৭৫ পঃ

১৮ : ১১ পদ্মনাথ বৰঠাকুৰ — স্বাধীনতা ৰণৰ সংস্পৰ্শত — প্ৰথম প্ৰকাশ, ১৯৬৮

১৯২১ চনৰ অসহযোগ আন্দোলনৰ বিষয়ৰ লগতে স্বাধীনতা লাভ কৰা কাল পৰ্যন্ত লিখকৰ সংস্পৰ্শত অহা কথাবিলাকৰ যৎকিঞ্চিৎ।

প্ৰকাশক—গ্ৰন্থকাৰ — পৃষ্ঠা ৩২৫ + ২৩
মন্দিৰ ৰোদ, উত্তৰ জালান নগৰ — দাম ৯·০০ টকা
ডিব্ৰুগড়

১৯ : ১২ নৰেন্দ্ৰনাথ গোস্বামী — ১ম প্ৰকাশ
নাম-মাহাত্ম্য ( ১ম অধ্যায় ) — ১৯৭০

বিভিন্ন বৈষ্ণৱ পুথি সমূহৰ উদ্ধৃতি আদিৰে নাম-মাহাত্ম্যৰ তাৎপৰ্য বিশ্লেষণ কৰা সফল প্ৰচেষ্টাৰ স্বাক্ষৰ।

প্ৰকাশক—গ্ৰন্থকাৰ — ক্ৰাউন চাইজ
পৃষ্ঠা ২৮
দাম ১·০০ টকা

## ( ঘ ) জীৱনী

২০ : ১ যুতীন্দ্ৰ নাথ ফুকন — আমাৰ লক্ষ্মীনাথ — প্ৰথম প্ৰকাশ ১৯৭২

কণ কণ শিশুৰ বাবে লিখা ৰসৰাজ বেজবৰুৱাৰ জীৱনী।

প্ৰকাশিকা— — ৰয়েল চাইজ
দীপিকা ফুকন — পৃষ্ঠা ২৯
ডুলীয়াজান, অসম — দাম ১·৫০ পইচা

২১ : ২ মুনীন্দ্ৰ নাথ শৰ্মা — গুৰুভক্ত মাধৱদেৱ — প্ৰথম প্ৰকাশ ১৯৭০

ভোগ-বিলাসত মতলীয়া মানুহৰ বাবে জীৱনৰ পথ হৈছে মহাজনো যেন গতঃ স পন্থাঃ। সেই বাবেই মহাপুৰুষ মাধৱদেৱৰ গুৰুভক্তিৰ উপাদেয় কাহিনীবোৰৰ লগত গ্ৰন্থকাৰে পৰিচয় কৰি দিবলৈ চেষ্টা কৰিছে।

প্ৰকাশক—উমাচৰণ দাস — ডিমাই চাইজ
বৰপেটা — পৃষ্ঠা ৬৪
দাম ১·২৫ টকা

২২ : ৩ চন্দ্ৰকুমাৰ বৰুৱা — বেজদলৈ মনথিৰ ভঁড়ালীবৰুৱা, পৰ্বতীয়া ফুকন — ১ম প্ৰকাশ ১৯৭২

বুৰঞ্জীৰ পাতত লুকাই থকা অতি প্ৰতিভাবান, দেশপ্ৰেমিকৰ সংগ্ৰাম আৰু বীৰত্বৰ কাহিনী প্ৰকাশ কৰাত অসমীয়াৰ অতীত গৌৰববোধ আৰু আত্মমৰ্যাদা উদ্ৰেক কৰাত সহায়ক হয়। তাৰেই সাক্ষী এই পুস্তিকাখনি।

প্ৰকাশক— — ডিমাই চাইজ
গ্ৰন্থকাৰ — পৃষ্ঠা ৬০
উত্তৰ গুৱাহাটী — দাম ২·০০ টকা



## ( ঙ ) নাটক

২৩ : ১ প্ৰফুল্ল ৰায় — পৰিবৰ্তন ( কাল্পনিক ৫ অঙ্কীয়া নাট ) — প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰী, ১৯৭৩

হিন্দুৰাজ্য আৰু মুছলমান ৰাজ্যৰ মাজত সংঘটিত সংঘৰ্ষৰ ৰসঘন কাহিনীৰে পৰিপূৰ্ণ মঞ্চসফল কাল্পনিক নাটক।

প্ৰকাশক—নাট্যকাৰ — পৃষ্ঠা ১১৯
সৰভোগ — দাম ৩·০০ টকা
কামৰূপ, অসম

২৪ : ২ ৰতিকান্ত বড়া — অৰণ্য ৰোদন ( একাঙ্কিকা ) — প্ৰথম প্ৰকাশ চেপ্তেম্বৰ, ১৯৭২

নৈতিকতাৰে ভৰা গান্ধীৰ দেশত নৈতিকতা জলাঞ্জলি দি যিসকলে পতনোন্মুখী সমাজৰ বাট কাটিছে—সেইসকলৰ নিপেষণ-অনাচাৰ দূৰীভূতকৰাৰ মানসে ৰচা একাধিক্য জীৱন যুঁজৰ পাৰ বিচাৰি কৰা অৰণ্যৰোদন।

প্ৰকাশক, নগেনচন্দ্ৰ শৰ্মা — ক্ৰাউন চাইজ
কিতাপঘৰ, শিৱসাগৰ — ১৬ পৃষ্ঠা
দাম ·৮০ পইচা

২৫ : ৩ ৰতিকান্ত বড়া — কেৰোণ ( নাটিকা ) — প্ৰথম প্ৰকাশ ডিচেম্বৰ, ১৯৭১

গাঁৱলীয়া সহজ-সৰল জীৱন ধাৰাত কিদৰে কেৰোণ লাগে তাৰেই প্ৰতিচ্ছবি থকা আৰু অসমৰ বিভিন্ন মঞ্চত বহুবাৰ অভিনীত মঞ্চ সফল নাট।

প্ৰকাশক—মধুসূদন বেনাৰ্জী — ক্ৰাউন চাউজ
ইষ্টাৰ্ণ বুক এজেঞ্চি — পৃষ্ঠা ১৪
কলিকতা-৯ — দাম ১·২৫ টকা

২৬ : ৪ জিতেন ভাগৱতী — আৰ্তনাদ ( নাটক ) — ১ম প্ৰকাশ জানুৱাৰী, ১৯৭৩

আধুনিক সমাজ-ব্যৱস্থাত পোহৰ আৰু আন্ধাৰ কালৰ নৰনাৰীৰ আৰ্তনাদ সাৰ্থকৰূপে প্ৰকাশ কৰা সামাজিক নাটক।

প্ৰকাশক— — ডিমাই চাইজ
নৰেন্দ্ৰ হাজৰিকা — পৃষ্ঠা ৩৭
জামুগুৰিহাট — দাম ১·০০ টকা

## (চ) পদপুথি

২৭ : ১ শ্ৰীশ্ৰীৰামানন্দ দেৱ — ৰত্ন চুৰামণি — ১ম প্ৰকাশ ডিচেম্বৰ, ১৯৭২

মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত মহাপুৰুষ শঙ্কৰদেৱৰ বিচাৰ কাহিনী পুৰণি গদ্য-পদ্যত বিৰচিত অনাদৃত হৈ পৰি থকা পুথিৰ প্ৰশংসনীয় প্ৰকাশ।

প্ৰকাশক— ক্ৰাউন চাউঙ্ক
শ্ৰীভুবনচন্দ্ৰ গোস্বামী পৃষ্ঠা ৩৭
পোঃ মৰিঙ্গাজী দাম ১·০০ টকা
শিৱসাগৰ

## (ছ) আলোচনী

২৮ : ১ **সুৰেন্দ্ৰমোহন ঠাকুৰীয়া** ( সম্পাদক ) প্ৰথম প্ৰকাশ

গুৱাহাটী জিলা সাহায্যপ্ৰাপ্ত হাইস্কুল শিক্ষকসন্থা ১৮৯৪ শক

**ৰূপালী জয়ন্তী স্মৃতি-গ্ৰন্থ** ( ছয়গাওঁ )

অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা মহোদয়ৰ জ্ঞানৰ পূজাৰী 'তাপস' কবিতাৰে আৰম্ভ কৰা আৰু ডঃ ... দেৱী, তীৰ্থনাথ শৰ্মা আদিৰ জ্ঞানসমৃদ্ধ প্ৰবন্ধ সমন্বিতে নটা প্ৰবন্ধেৰে সজাই-পৰাই তোলা এখনি স্মৃতিগ্ৰন্থ। অধ্যাপক ৰামচৰণ ঠাকুৰীয়াই যুগুতাই লিখা 'ছয় গাৱঁৰ প্ৰাচীন কীৰ্তি' নামৰ প্ৰবন্ধত অতীত কীৰ্তিৰ ৰোমন্থন আছে। কেইখনো ফটো, সুন্দৰ বেটুপাতেৰে সজোৱা উচ্চ খাপৰ স্মৃতিগ্ৰন্থ।

প্ৰকাশক— আলোচনী
গুৱাহাটী জিলা সাহায্যপ্ৰাপ্ত হাইস্কুল পৃষ্ঠা ৫৫
শিক্ষকসন্থাৰ সাধাৰণ সম্পাদক দাম ১·০০ টকা

২৯ : ২ **নৰেন্দ্ৰ শৰ্মা** } সম্পাদকদ্বয় **প্ৰগতি** ২য় সংখ্যা
**নৰেন্দ্ৰ কলিতা** } ১৮৯৪ শক

পূব ৰঙিয়া প্ৰগতি সংঘৰ মুখপত্ৰ 'প্ৰগতি'ৰ অসম সাহিত্য সভাৰ ৰঙিয়া অধিবেশন উপলক্ষে 'বিশেষ সংখ্যা' হিচাপে যোলটা গল্প, প্ৰবন্ধ, কবিতাৰে সমৃদ্ধ হৈ প্ৰকাশ পোৱা দ্বিতীয় সংখ্যা। শ্ৰীপ্ৰাণেশ্বৰ শৰ্মাৰ 'যোজনা আৰু ককৰা', শ্ৰীনৰেন্দ্ৰ শৰ্মাৰ 'অসমীয়া নাট্য সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱা' আদি অধ্যয়নপুষ্ট আলোচনা সন্নিবিষ্ট হৈছে।

প্ৰকাশক— আলোচনী
সম্পাদকদ্বয়ৰ দ্বাৰা পৃষ্ঠা ৫৪
প্ৰকাশিত দাম ১·৫০
ৰঙিয়া, কামৰূপ।

২৯ : ৩ **উমেশ কলিতা** ( সম্পাদক ) প্ৰথম প্ৰকাশ

ৰঙিয়া জিলা মধ্য ইংৰাজী শিক্ষক সন্থাৰ প্ৰথম বছৰ

**মুখ পত্ৰ** ১৯৭৩

সাম্প্ৰতিক যুগৰ ভাৰতীয় শিক্ষাৰ এটি পৰ্যালোচনা—উমেশ লহকৰে দাঙি ধৰাৰ উপৰিও ভৃগুমণি কাগয়ুঙৰ জনজাতীয় লোক আৰু ভাষা-চৰ্চাৰ পৰিসৰ সম্বন্ধে কৰা আলোচনা আৰু নটা প্ৰবন্ধ-কবিতা সন্নিবিষ্ট হোৱা সুখপাঠ্য আলোচনী।

প্ৰকাশক— আলোচনী
শিক্ষক সন্থাৰ সাধাৰণ সম্পাদক পৃষ্ঠা ৩৪
শ্ৰীআনন্দ দাস, ৰঙিয়া। দাম ১·২৫

# কাব্য-চিন্তা

শ্ৰীমেঘৰাম পাঠক

মানৱ জন্ম অতি দুৰ্লভ জন্ম। তাতোকৈ দুৰ্লভ কৱিত্ব শক্তি লাভ কৰাটো। জন্মৰ লগতে লাভ কৰা কৱিত্ব শক্তিও নিৰ্ভৰ কৰে বিশেষকৈ এক নিৰৱচ্ছিন্ন নিৰ্মল চেষ্টা বা সাধনাৰ ওপৰত। এই সাধনাই হ'ল অভিজ্ঞতা ৰূপ কষতি শিল। ইয়াতেই কবি, কল্পনা আৰু কবিতাৰ নিত্যানিত্যতা প্ৰমাণ কৰি চোৱা হয়। সময় বিহেতুকে গতিশীল, সময় সাপেক্ষ অভিজ্ঞতাও সেই হেতুকে গতিশীল। এতিয়া এই গতিশীলতাৰে চমুকৈ কাব্য-চিন্তাৰ মূল বিচাৰ কৰি চোৱা যাওক।

**কবিৰ অৰ্থ**—সংস্কৃত অভিধানত আছে—কু+ই=কবি। কু এই স্ত্ৰীলিঙ্গ শব্দই পৃথিৱীকো বুজায়। 'ই' প্ৰত্যয় তাৰ সৌন্দৰ্য যেন তাৰ সকলো সম্ভাব্য অৰ্থ লুকাই আছে। সৌন্দৰ্য যেনেকৈ তাৰ স্বৰূপৰ লগত অভিন্ন, পৃথিৱীৰ অলঙ্কাৰ স্বৰূপ কবিও একাত্মক অৰ্থাৎ কোনো অৱস্থাতে ইটোক এৰি আনটো অকলে প্ৰোজ্জ্বল হৈ থাকিব নোৱাৰে। কবি শব্দৰ অৰ্থ আৰু আন বহু ঠাইত নানাৰকমে পোৱা যায়। যেনে—কবি সৰ্বজ্ঞ, দাৰ্শনিক, ক্ৰান্তদৰ্শী, ভাৱপ্ৰৱণ ব্যক্তি, কাব্যকাৰ, সাহিত্যিক, শিল্পী, নতুন সত্য উদ্ভাৱক, ইত্যাদি অৰ্থাৎ চমুকৈ কবলৈ কবি যেন আৱদ্ধ, প্ৰাৱদ্ধ, অনাৱদ্ধ আৰু জাগতিক সুন্দৰ অসুন্দৰ, সুখ-দুখ সকলো ভাৱৰেই ধাৰক আৰু বাহক স্বৰূপ। এই "কবি"ক আমি সমষ্টি হিচাপে ধৰাহে ভাল হব যেন লাগে; ব্যষ্টি হিচাপে ইয়াৰ অৰ্থ আৰু সৌন্দৰ্য বহুখিনি হানি হয়। কিয়নো সৰ্বদেশীয় দৃষ্টিকোণৰ পৰা চালে কবিক ব্যষ্টি হিচাপে ধৰিলে আমাৰ সহজ সৰল স্বভাৱ কবি অথবা কাৰু আৰু চাৰু শিল্পীসকলৰ নানা সূক্ষ্ম সৌন্দৰ্যবোধখিনিক অৱজ্ঞা কৰা হব অৰ্থাৎ অনুক বাদ দি বিভু স্বয়ং সম্পূৰ্ণ হব খোজা যেন নালাগিব নে? প্ৰামাণ্যৰ ফালেৰে চালে অনুৰ সমষ্টিয়েহে বিভু। বস্তুতঃ কবি প্ৰত্যেকৰ লগতে ওতপ্ৰোত ভাৱে জড়িত। এই কবি নিত্য, স্ৰষ্টা আৰু দ্ৰষ্টাও।

**কবিৰ কল্পনা**—ভাৱে পৰিপূৰ্ণ এই অনন্ত বিশ্বজগত। ভাৱে আশ্ৰয় লয় কবিক। কবি-ভাৱ সৰ্বস্ব। এই ভাৱ সদায় অদৃশ্য হৈ থাকে। এই ভাৱৰ ঘনীভূত অনুভূতিয়েই হ'ল কল্পনা। কল্পনাৰ উচ্ছ্বাসেই হ'ল কোনো একৰ বাস্তৱৰূপ। এই কল্পনাৰূপী বাস্তৱৰ দিগন্ত বা পৰিসৰ, ব্যষ্টি কবিৰ যিমান গভীৰলৈ ব্যাপ্ত হৈ পৰে তেওঁৰ সৃষ্ট সৌন্দৰ্যৰ শিখাও সিমানে প্ৰাণস্পৰ্শী মুগ্ধকৰ হৈ পৰে। সেই হিচাপে এই ব্যষ্টি কবিয়ে মহাকবি বা বিশ্বকবি আখ্যা পালেও নিত্য-কবি হব নোৱাৰে। কিয়নো ব্যষ্টি-কল্পনা নিত্য সমষ্টি কল্পনাৰ এটি অংশ মাথোন।

**কল্পনাৰ অভিব্যক্তি আৰু কবিতা**—কবি কল্পনাৰ আনন্দ উপলব্ধিৰ মূৰ্তপ্ৰতীক হৈছে শব্দ। শব্দ স্বয়ং প্ৰকাশমান ( সাঙ্কেতিক চিহ্ন বা বৰ্ণসমূহো শব্দই) শব্দ হৈছে সৃষ্টিমুখী কল্পনাৰ বহিঃপ্ৰকাশ। ই কবিৰ **মহত্তম** আৱিষ্কাৰ।

এই শব্দৰ ধ্বনি-প্ৰতিধ্বনিতেই ৰূপ, ৰস, গন্ধ, স্পৰ্শবো সৃষ্টি বুলি মহামুনিসকলে কৈ গৈছে। ইয়াৰ প্ৰত্যেক তৰঙ্গে তৰঙ্গে তথা ছন্দে ছন্দে যেন অনন্ত কোটি ব্ৰহ্মাণ্ড তৰঙ্গায়িত,—সৃষ্টি, স্থিতি, লয়ৰ লীলাৰে লীলায়িত। ইয়েই কবিতা। এই কবিতাৰ খণ্ডভাৱে কৱিতা আৰু সমষ্টি ভাবো কবিতা। প্ৰশ্ন উঠে আমি ব্যষ্টি কবিসকলে যি একদেশীয় ভাৱ প্ৰকাশ কৰোঁ সেয়ে সকলো নে? অৰ্থাৎ মানুহৰ আবিষ্কৃত ভাবানুগ ৰসাত্মক শব্দসমূহেই সকলো নে? নাইবা অনন্ত কোটি গুণবিস্ময়কৰ ভাব আৰু শব্দ এতিয়াও আবিষ্কাৰ হবলৈ বাকী নাই নে? আমাৰ আবিষ্কাৰ জ্ঞানো তাৰ এটি কণামাত্ৰ নহয়? সেই কাৰণে আমাৰ কল্পনা আৰু কৱিতাৰ মূল্যবোধ সান্ত অৰ্থাৎ সীমিত বুলি কলেও অত্যুক্তি কৰা নহ'ব।

**কৱিতা আৰু কল্পনাত আধুনিকতাবাদ—**

যুক্তিক কোনো এক উক্তিৰে নিষ্প্ৰভ কৰি আমি নতুনক পুৰণি আৰু পুৰণিক নতুন কৰিব খোজো সঁচা, কিন্তু এই অনাদি অনন্ত কালৰ স্ৰোতৰ জ্ঞানো কিবা পুৰণি আছে? ই হয় সদায় নতুন, নহয় সদায় পুৰণি। অথবা, নতুন পুৰণি মিলি একাত্মক হৈ চলি আছে। যেনে ধৰক, কালিৰ "আজি" টোৱে গোটেই বছৰ ঘূৰিও ক্ৰমে সকলো সৌন্দৰ্যকে লৈ আজিৰ এই 'আজি' হৈ আহি থকা নাই নে? গতিকে আধুনিকতাৰ অৰ্থ কি হব পাৰে? ব্যক্তি আৰু তেওঁৰ অভিজ্ঞতাতো একে কথাই খাটে। ইয়াক চন-তাৰিখ দি সীমাবদ্ধ কৰামানে নিজ নিজ অভিজ্ঞতাকহে সীমাবদ্ধ কৰা বুলি কব পাৰি। কোনো ব্যষ্টি কবিৰ দুৰ্বোধ্য বা সুবোধ্য কবিতা কল্পনাৰ দ্বাৰা, দিনক ৰাতি অথবা ৰাতিক দিন কৰি পৰা হোৱা নাই আজিও। মাথোন ই সময়ৰ সৌন্দৰ্য লগে লগে (উপলব্ধিৰ পিছে পিছে) নিজকে মিলাইহে গৈ আছে। ইয়াৰ বাহিৰে আন একো নহয়। আজি যি আধুনিকতাৰ কথা কওঁ কোৱাৰ ঠিক পিছ মুহূৰ্ততে সি পুৰণি নহয় নে? সেই হিচাপে আজিকালিৰ আধুনিক চিত্ৰধৰ্মী নাইবা বাস্তৱধৰ্মী বোলা কবিতাও ইয়াৰ বাহিৰে নহয়। অৱশ্যে আমি নাম-ৰূপক বাদ দি কেৱল অনন্ত শূন্য লৈ থাকিব নোৱাৰোঁ; ইয়ো এক সাময়িক সামাজিক সত্য।

**কৱি সন্মিলন**—এই অনন্ত ভাব কল্পনাৰ ৰাজ্যত আমি ব্যষ্টিকৱিসকলে একদেশীয় নিজ নিজ দৃষ্টিকোণৰ ফালেদি যিকণ ভাব-কল্পনা প্ৰকাশ কৰিব পাৰিছোঁ বা পৰা নাই, তাৰে এটি সবল সমন্বয় সাধনমূলক প্ৰচেষ্টাৰ কাৰণেই যেন আমাৰ আজি কালিৰ এই কবি-সন্মিলন হব ধৰিছে। এই সন্মিলনবোৰ দাৰ্শনিক অথবা বৈজ্ঞানিক সন্মিলন নহব পাৰে সঁচা, কিন্তু সূক্ষ্মভাৱে চালে এই ক্ষুদ্ৰ সন্মিলনবোৰ উক্ত সকলো সন্মিলনৰ পৰা বাদও পৰিব নোৱাৰে। গতিশীল পৃথিৱীৰ দৰে ইয়ো গতিশীল। সেয়ে ক'ব পৰা যায়—

মানৱ মনৰ কিবা আছে অগোচৰ,  
সৌন্দৰ্য সুষমা ৰাশি ব্যাপ্ত চৰাচৰ।  
ৰূপে ৰসে গন্ধে ভৰা বিশ্বব্ৰহ্মাণ্ডৰ,  
সৃষ্টিস্থিতি প্ৰলয়ৰ কৱিতা সুন্দৰ।  
আনন্দ উচ্ছ্বাসে যাৰ মধু লিখনিত,  
নিতে নব ৰূপ লই বিশ্ব উদ্ভাসিত।  
তেৰেঁ নিত্য বিশ্বকৱি মহিমামণ্ডিত,  
মধুৰ কল্পনা যাৰ চিৰমুখৰিত।*

* কামৰূপ সাহিত্য পৰিষদৰ ৪ৰ্থ বাৰ্ষিক বকো অধিবেশনৰ কবি-সন্মিলনত পঠিত সভাপতিৰ অভিভাষণৰ পৰা লোৱা।

# ভৱভূতিৰ উত্তৰৰামচৰিতত নাৰীচৰিত্ৰসমূহৰ ভূমিকা

অধ্যাপিকা কেশদা মহন্ত

সীতা-বনবাসৰ করুণ কাহিনীৰে ৰচিত মহাকৱি ভৱভূতিৰ উত্তৰৰামচৰিত নামৰ নাটকখনৰ শেষ অংকত ৰাম-সীতাৰ পুনৰ্মিলন ঘটাই তাত মিলনান্তক পৰিণতি দেখুওৱা হৈছে। সংস্কৃত সাহিত্যত ৰাম-কথাৰ সৰ্বপ্ৰথম মিলনান্তক ৰূপ ভৱভূতিৰ এই নাটকখনতে পোৱা যায়। নাটকখনৰ পৰিণতি মিলনান্তক হলেও ই আদিৰ পৰা অন্তলৈকে করুণ-ৰসেৰে সিক্ত হৈ আছে। বিৰহ যিমানেই গভীৰ হয়, মিলনো হয় সিমানেই মধুৰ। ভৱভূতিৰ উত্তৰৰামচৰিতত বিৰহৰ কাৰুণ্যেৰে মিলন-মাধুৰী অধিক ৰমণীয় কৰি তোলা হৈছে। নাটকখনত নায়িকা সীতাৰ বাহিৰেও ভালেকেইটি ৰামায়ণত থকা আৰু কৱিৰ স্বকল্পিত নাৰী-চৰিত্ৰৰ অৱতাৰণা কৰা হৈছে। নাৰীসুলভ স্নেহ-সহানুভূতিৰে মহিমামণ্ডিত এই চৰিত্ৰসমূহে নাটকখনত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। এই চৰিত্ৰসমূহে নায়ক-নায়িকাৰ বিৰহৰ কাৰুণ্য গভীৰভাৱে ফুটাই তোলাত বিশেষ সহায় কৰিছে, নাটকৰ অন্তিম অংকত মিলন-মাধুৰীৰ অঁকুৰাটোও সেইদৰে মুকলি কৰি দিছে।

বাল্মীকীয় ৰামায়ণত তপোবন-দৰ্শন কৰোৱাৰ ছলেৰে কুলবধূ সীতাক অন্তঃসত্বা অৱস্থাত নিৰ্বাসন দিয়াৰ সময়ত ৰামৰ মাতৃসকল অনুচিতভাৱে নীৰৱ হৈ ৰ'ল। ভৱভূতিয়ে কিন্তু এই সময়ত ৰামৰ মাতৃসকল আৰু মাতৃতুল্য বশিষ্ঠপত্নী অৰুন্ধতীক বশিষ্ঠৰ লগত ঋষ্যশৃংগৰ যজ্ঞলৈ পঠাই তেওঁলোকৰ গাত নিষ্ঠুৰতাৰ চেকা নপৰাকৈ ৰাখিছে। যদিও মাতৃসকলে আসন্ন-প্ৰসৱা অৱস্থাত সীতাক এৰি ধৰ্মীয় অনুষ্ঠানৰ প্ৰতি বাৰ্ধক্যসুলভ অনুৰাগ-বশতঃ যজ্ঞলৈ গৈছে, তেওঁলোকৰ মনত সীতাৰ কথা লাগিয়েই আছে। তেওঁলোকে যাবৰ দিনাই অষ্টাবক্ৰৰ মুখে ৰামলৈ কৈ পঠাইছে—তেওঁ যাতে সীতাৰ যি কোনো গৰ্ভকালীন অভিলাষকে পূৰণ কৰে আৰু সীতালৈ কৈ পঠাইছে—"আই, প্ৰসৱৰ সময় হোৱাৰ কাৰণে তোমাক (যজ্ঞলৈ) অনা নহ'ল। বৎস ৰামভদ্ৰকো তোমাৰ মন আনন্দিত কৰি ৰাখিবলৈ এৰি আহিলোঁ। গতিকে কোলাত পুত্ৰৰে সৈতেহে আয়ুষ্মতী তোমাক দেখিবলৈ পামগৈ।" এইখিনি কথাত মাতৃ কেইগৰাকীৰ সীতাৰ প্ৰতি ঐকান্তিক স্নেহ আৰু আদৰ প্ৰকাশ পাইছে।

প্ৰথম অংকতে ৰামে সীতাক তেওঁলোকৰ বিগত জীৱনৰ চিত্ৰসমূহ দেখুৱাই থাকোঁতে যেতিয়া গঙ্গাদেৱীৰ চিত্ৰ ওলাল তেতিয়া ৰামে গঙ্গাদেৱীক স্তুতি কৰি কৈছে—"হে মাতৃ, তুমি যেন অৰুন্ধতীৰ দৰে বোৱাৰী সীতাৰ কল্যাণ সাধনত তৎপৰ হোৱাঁ।" ৰামৰ এই প্ৰাৰ্থনা যে গঙ্গাদেৱীয়ে আখৰে আখৰে পূৰণ কৰিছে আমি পাছত দেখিবলৈ পাম।

সংস্কৃত নাটকত মঞ্চত দেখুৱাব নোৱাৰা ঘটনাৱলী

এটা বা ততোধিক চৰিত্ৰৰ সংলাপৰ যোগেদি বৰ্ণনা কৰা হয় আৰু এই অতীত হৈ যোৱা ঘটনাসমূহৰ লগত ভৱিষ্যৎ ঘটনাৰ যোগসূত্ৰ স্থাপন কৰা হয়। এনেকুৱা সৰু দৃশ্য অংকৰ আৰম্ভণিতে সংযোগ কৰি দিয়া হয়। মধ্যম পাত্ৰৰ সংলাপ থকা এনে দৃশ্যক বিষ্কম্ভক আৰু কেৱল নীচ পাত্ৰৰ সংলাপ থকা এনে দৃশ্যক প্ৰৱেশক বোলা হয়। উত্তৰৰামচৰিতত অৱতাৰণা কৰা প্ৰতিটো বিষ্কম্ভক দৃশ্যতে নাৰীচৰিত্ৰসমূহে মুখ্য ভূমিকা গ্ৰহণ কৰিছে।

দ্বিতীয় অংকৰ আৰম্ভণিত থকা বিষ্কম্ভক দৃশ্যটোত জনস্থানৰ বনদেৱী বাসন্তী আৰু বাল্মীকিৰ আশ্ৰমৰপৰা অগস্ত্যৰ আশ্ৰমলৈ যোৱা এগৰাকী শিক্ষাৰ্থিনী আত্ৰেয়ীৰ কথোপকথনেৰে কেইবাটিও গুৰুত্বপূৰ্ণ কথাৰ সূচনা দিয়া হৈছে। বাল্মীকিৰ আশ্ৰম এৰি শিক্ষালাভৰ কাৰণে অগস্ত্যৰ আশ্ৰমলৈ যাব লগা হোৱাৰ কাৰণ স্বৰূপে আত্ৰেয়ীয়ে বাসন্তীক কৈছে—মহৰ্ষি বাল্মীকিয়ে কুশ-লৱ নামৰ দুটি অদ্ভুত বুদ্ধি-বৃত্তিসম্পন্ন ক্ষত্ৰিয় শিশুক বেদ অধ্যয়ন কৰাইছে। কোনোবা দেৱতাই সমৰ্পণ কৰা এই শিশু দুটিয়ে জন্মতেই জৃম্ভক অস্ত্ৰৰ কৌশল লাভ কৰিছে। এই দুটি অসাধাৰণ শিশুৰ লগত বিদ্যাভ্যাস কৰিবলৈ টান পাই তেওঁ অগস্ত্যৰ আশ্ৰমলৈ যাত্ৰা কৰিব লগীয়া হৈছে। তদুপৰি তেওঁ ক্ৰৌঞ্চবৃত্তান্ত আৰু তাৰ পাছত বাল্মীকিয়ে ব্ৰহ্মাৰ আদেশমতে ৰামচৰিত ৰচনাত একাগ্ৰ ভাৱে প্ৰবৃত্ত হোৱাৰ কথাও কয়। বাসন্তীয়ে যেতিয়া আত্ৰেয়ীক পঞ্চৱটীয়েদি গৈ গোদাবৰীৰ পাৰে পাৰে অগস্ত্য আশ্ৰমলৈ যোৱাৰ কথা ক'লে, সেই ঠাইসমূহৰ লগত নিবিড় সম্পৰ্কজড়িত সীতাৰ কথা সুঁৱৰি আত্ৰেয়ীয়ে হাহাকাৰ কৰিবলৈ ধৰিলে। বাসন্তীৰ প্ৰশ্নৰ উত্তৰত আত্ৰেয়ীয়ে সীতা-নিৰ্বাসনৰ কথা কোৱাত, বশিষ্ঠ-অৰুন্ধতী আৰু ৰামৰ বৃদ্ধা মাতৃসকলৰ সাক্ষাতত ৰঘুবংশত এই অঘটন কেনেকৈ ঘটিবলৈ পালে—বাসন্তীয়ে তাক জানিবলৈ বিচাৰিলে। উত্তৰত আত্ৰেয়ীয়ে ক'লে—এই ব্যক্তিসকল ঋষ্যশৃংগৰ যজ্ঞত থকাৰ কালতে এই দাৰুণ ঘটনা ঘটিল। এতিয়া (বাৰ বছৰ জোৰা) যজ্ঞৰ অন্তত ঋষ্যশৃংগই তেখেতসকলক বিদায় দিলে। অৰুন্ধতীয়ে 'সীতাহীন অযোধ্যালৈ ঘূৰি নাযাওঁ' বুলি কোৱাত ৰামৰ মাতৃসকলো তাতে একমত হ'ল। তেখেতসকলৰ অনুৰোধক্ৰমে বশিষ্ঠ ঋষিয়েও বাল্মীকিৰ আশ্ৰমলৈকে যাবলৈ স্থিৰ কৰিলে।

তাৰ পাছত বাসন্তীয়ে ৰামৰ সংবাদ সুধিলে। আত্ৰেয়ীয়ে জনালে—ৰামে অশ্বমেধ যজ্ঞ কৰিবলৈ লৈ স্বৰ্ণময়ী সীতাৰ প্ৰতিমাকে সহধৰ্মিণীৰূপে গ্ৰহণ কৰিছে। সেই সময়তে ৰাম-সীতা উভয়ৰে প্ৰতি সহানুভূতিশীলা বাসন্তীয়ে কৈ উঠিল—অনন্যসাধাৰণ ব্যক্তিসকলৰ হৃদয় বজ্ৰতকৈও কঠোৰ, ফুলতকৈও কোমল। ৰামে লক্ষ্মণ-পুত্ৰ চন্দ্ৰকেতুৰ তত্ত্বাৱধানত যজ্ঞৰ ঘোঁৰা এৰি দিয়া আৰু ব্ৰাহ্মণপুত্ৰৰ অকাল-মৃত্যু ঘটোৱা শূদ্ৰ তপস্বী শম্বুকক বিচাৰি ৰাম চতুৰ্দিশে ঘূৰি ফুৰাৰ কথাও আত্ৰেয়ীয়ে বাসন্তীক জানিবলৈ দিয়ে। জনস্থানতে সেই শূদ্ৰ তপস্বীয়ে তপস্যা কৰি আছে ; গতিকে ৰামে পুনৰ জনস্থান অলংকৃত কৰিবহি বুলি বাসন্তী উৎফুল্লিত হৈ পৰিল। এই আৰম্ভকীয় কথাখিনিৰ সূচনা দি বিষ্কম্ভক দৃশ্যটি সামৰাৰ পাছতে ৰামে জনস্থানত শম্বুকৰ বধ কৰি দিব্যৰূপ দান কৰা, সীতাৰ স্মৃতিবিজড়িত জনস্থানৰ বস্তুবোৰ দেখি ৰাম ব্যাকুল হৈ পৰা আৰু অগস্ত্যৰ আশ্ৰমলৈ ৰামক শম্বুকে আমন্ত্ৰণ কৰি লৈ যোৱাৰ দৃশ্য দেখুওৱা হৈছে।

তৃতীয় অংকৰ আৰম্ভণিতে দিয়া বিষ্কম্ভক দৃশ্যটোত মুৰলা আৰু তমসা নামৰ দুটি কল্পিত নাৰীচৰিত্ৰৰ কথোপকথনেৰে বহুখিনি ঘটনাৰ সূচনা দি ভৱিষ্যৎ ঘটনাৰ লগত সেইবোৰৰ যোগসূত্ৰ স্থাপন কৰা হৈছে। মুৰলাই তমসাক কৈছে—তেওঁক অগস্ত্যমুনিৰ পত্নী লোপামুদ্ৰাই গোদাবৰীক এই বুলি ক'বলৈ পঠাইছে—সীতাক ত্যাগ কৰাৰ পাছৰপৰা ৰামৰ হৃদয় অপ্ৰকাশিত বেদনাৰে উদ্বাউল হৈ আছে। অন্তৰত লুকাই থকা এই বেদনাই ৰামক দগ্ধপ্ৰায় কৰি পেলোৱা দেখি লোপামুদ্ৰাৰ অন্তৰ কান্দি উঠিছে। এতিয়া অগস্ত্য আশ্ৰমৰপৰা ঘূৰি





যাওঁতে পঞ্চৱটীৰ বস্তুবোৰে ৰামক উন্মাদ কৰি তুলিব ; গতিকে গোদাবৰীয়ে যেন অতি সাৱধানে মূৰ্ছিত হৈ পৰা ৰামক সুগন্ধি-শীতল বায়ুৰ পৰশেৰে সঞ্জীৱিত কৰি তোলে। লোপামুদ্ৰাৰ এই ব্যৱস্থাৰ শলাগ লৈ তমসাই মুৰলাক জনাইছে—লক্ষ্মণে বাল্মীকিৰ আশ্ৰমৰ উপকণ্ঠত এৰি অহা সীতাৰ প্ৰসৱ-বেদনা উপস্থিত হোৱাত শোকত অধীৰ হৈ তেওঁ গঙ্গাৰ সোঁতত জঁাপ দিয়ে। তাতে সীতাৰ দুটি পুত্ৰ-সন্তান জন্ম হোৱাৰ পাছত গঙ্গাদেৱী আৰু বসুমতীয়ে সীতাক পাতাললৈ লৈ যায়। মাতৃদুগ্ধ পান কৰিবলৈ এৰাৰ পাছতে গঙ্গাদেৱীয়ে এই শিশু দুটিক আনি বাল্মীকিক সমৰ্পণ কৰেহি। এতিয়া শম্বুকবধৰ উদ্দেশ্যে ৰামচন্দ্ৰ জনস্থানলৈ আহিছে বুলি শুনি ভগৱতী লোপামুদ্ৰাৰ দৰে গঙ্গা-দেৱীয়েও ৰামৰ অনৰ্থ আশংকা কৰি নিজে সীতাক লৈ গোদাবৰীৰ পাৰলৈ আহিছে।

মুৰলাই গঙ্গাদেৱীৰ এই স্নেহসূচক ব্যৱস্থাত শলাগ ললে। ৰাজকাৰ্যত নিৰন্তৰ ৰত হৈ থকাৰ সময়ত ৰাজধানীত ৰামে বিৰহ দুখ সামৰি থাকিব পাৰে ; কিন্তু নিৰ্জন পঞ্চৱটীত সীতাৰ স্মৃতিবিজড়িত বস্তুবোৰ দেখি কতৰাৱহিত ৰামচন্দ্ৰই শোকৰ আবেগ সামৰা যে টান হ'ব সেই কথা গঙ্গাদেৱীয়ে সুন্দৰকৈ উপলব্ধি কৰিছে বুলি মুৰলাই বুজিছে। মানুহহে নালাগে বনদেৱতাৰো দৃষ্টিৰ অগোচৰ হৈ সীতাই যাতে সেই সময়ত ৰামক শুশ্ৰূষা কৰিব পাৰে এই উদ্দেশ্যে গঙ্গাদেৱীয়ে লৱ-কুশৰ দ্বাদশ জন্মদিন উপলক্ষে সূৰ্যপূজাৰ ফুল তুলিবলৈ সীতাক গোদাবৰীৰ পাৰলৈ লৈ আহিছে আৰু তমসাক সীতাৰ লগে লগে ফুৰিবলৈ আদেশ দিছে বুলি তমসাই মুৰলাক জানিবলৈ দিছে।

এইদৰে কথা-বতৰা পাতি থাকোঁতেই মুৰলাই ৰাম পঞ্চৱটীলৈ অহাৰ সূচনা দিছে আৰু মূৰ্তিমতী বিৰহ-ব্যথাৰ দৰে হৈ সীতাও গোদাবৰী জলৰপৰা উঠি আহিছে। ইয়াতে শেষ হোৱা এই বিষ্কম্ভক দৃশ্যত তমসা আৰু মুৰলাই উল্লেখ কৰা লোপামুদ্ৰা, গঙ্গাদেৱী, গোদাবৰী, বসুমতী—এই প্ৰত্যেকটো চৰিত্ৰই ৰাম-সীতাৰ প্ৰতি একান্ত স্নেহ-সহানুভূতিৰ পৰিচয় দিছে। তমসা-মুৰলাৰ এই কথোপকথনে নাটকীয় কথাবস্তু আগবঢ়াত বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। তৃতীয় অংকৰ মূল দৃশ্যত বনদেৱী বাসন্তীয়ে যি ভূমিকা গ্ৰহণ কৰিছে, সেয়া নিতান্ত মহত্বপূৰ্ণ।

সীতাই বনবাসকালত লালন-পালন কৰি ডাঙৰ-দীঘল কৰা হাতীটো, তাৰ মাইকী হাতীজনীৰে সৈতে জলক্ৰীড়া কৰি থকাৰ সময়ত অন্য এটা মত্ত হাতীয়ে আক্ৰমণ কৰাত তাৰ ৰক্ষাৰ কাৰণে বাসন্তীয়ে আৰ্তনাদ কৰা শুনা গ'ল। ইফালে অগস্ত্য আশ্ৰমৰপৰা ৰাম আহি পঞ্চৱটীত উপস্থিত হোৱাত সীতাৰ মধুৰ স্মৃতিবিজড়িত বস্তুবোৰে তেওঁক ব্যাকুল কৰি তুলিছে আৰু ৰাম বনে বনে অসহ্য শোকত মূৰ্ছিত হৈ পৰিছে। তমসাৰ নিৰ্দেশত সীতাই নিজৰ অঙ্গস্পৰ্শৰে ৰামৰ চেতনা ঘূৰাই আনিছে। সীতাৰ সেই চিৰপৰিচিত স্পৰ্শ পাই অদৃশ্য সীতাক বিচাৰি ৰাম উন্মাদ হৈ পৰিছে। তেনে সময়তে বাসন্তী তাত উপস্থিত হৈ ৰামক সীতাৰ তোলনীয়া হাতীটো ৰক্ষা কৰিবলৈ প্ৰাৰ্থনা কৰিছেহি। কথা প্ৰসঙ্গত বাসন্তীয়ে যেতিয়া সীতাৰ স্মৃতিবিজড়িত জনস্থানৰ বিভিন্ন স্থানসমূহৰ নাম উল্লেখ কৰিছে ৰাম আকৌ শোকত কাতৰ হৈ পৰিছে। ভৱভূতিয়ে সীতাৰ বনবাসকালীন প্ৰিয়সখী বাসন্তীৰ মুখেদি সীতা-নিৰ্বাসনৰ কাৰণে ৰামক কঠোৰ সমালোচনা কৰিছে। এই সমালোচনাত ৰামৰ প্ৰতি বাসন্তীৰ নিষ্ঠুৰতা আৰু সহানুভূতিহীনতা প্ৰকাশ হোৱা নাই। তেওঁৰ সমালোচনাত সীতাৰ শোকত ৰামৰ হৃদয় যেতিয়া বিদীৰ্ণ হৈ পৰিছে, মূৰ্ছিত ৰামক তেওঁ সহানুভূতিৰে সৈতে আশ্বস্ত কৰিছে। প্ৰিয়সখী বাসন্তীক পঞ্চৱটীত লগ পাই ৰামৰ শোকবন্যাই ধৈৰ্যৰ দুয়োপাৰ ঢৌৱাই পেলাইছে। ৰজা ৰামৰ আদৰ্শ আৰু প্ৰিয়পতি ৰামৰ আদৰ্শৰ মাজত হোৱা সংঘাতত ৰজা ৰামৰ আদৰ্শ পৰাভূত হৈ পৰিছে। সীতাৰ প্ৰতি প্ৰকাশ হোৱা ৰামৰ এই গভীৰ অনুৰাগ দেখি সীতাই অকাৰণ-পৰিত্যাগৰ

দুখ পাহৰি পেলাইছে। পৰিত্যাগৰ শেলপাটে সীতাৰ হৃদয় থকা সৰকাকৈ বিন্ধিছিল যদিও প্ৰিয়পতি ৰামৰ প্ৰতি সীতাই ইতিমধ্যে যি সহমুভূতিপূৰ্ণ অনুৰাগ প্ৰদৰ্শন কৰিছে, তাৰ মূলতে বিৰুত্তক দৃশ্যত উল্লেখ কৰা মহানুভৱ নাৰীচৰিত্ৰ কেইটিৰ প্ৰেৰণা বুলি ধৰিব পাৰি। বাসন্তীৰ সান্নিধ্যত ৰামৰ হৃদয়ত উথলি উঠা শোক পাৰাবাৰৰ যি চিত্ৰ, কৰুণ ৰসৰ বাবে খ্যাতিমান মহাকৱিয়ে তৃতীয় অংকত অংকন কৰিছে, তাত কৰুণৰসৰ পৰাকাষ্ঠা ঘটিছে। এই দৃশ্যৰ অন্ততে ভৱভূতিয়ে তেওঁ কৰুণৰসক প্ৰাধান্য দি ৰচনা কৰা বিখ্যাত শ্লোকটো বনদেৱী বাসন্তীৰ মুখেদি ব্যক্ত কৰিছে—

> একো ৰস কৰুণ এৱ নিমিত্তভেদাদ্ভিন্নঃ
> পৃথক্ পৃথগিৱ শ্ৰয়তে বিৱৰ্তান্।
> আৱৰ্ত-বুদ্বুদতৰঙ্গময়ান্ বিকাৰানম্ভো যথা
> সলিলমেৱ হি তৎসমস্তম্॥ [৩।৪৭

তৃতীয় অংকৰ সামৰণিত তমসা আৰু বাসন্তীৰ মুখত একে সময়তে যিটি শ্লোক উচ্চাৰিত হৈছে তাৰ অৰ্থ এই— পৃথিৱী, গঙ্গাদেৱীয়ে আমাৰ নিচিনা ব্যক্তিৰে সৈতে, কুলপতি বাল্মীকি মুনি আৰু অনুগতা পত্নী অৰুন্ধতীৰে সৈতে বশিষ্ঠ ঋষিয়ে তোমালোকৰ [ সীতা-ৰামৰ ] প্ৰভূত কল্যাণ বিধান কৰক।

চতুৰ্থ অংকত বাল্মীকিৰ আশ্ৰমত কন্যাৰ শোকত হৃদয় বিদীৰ্ণ হৈ পৰা বানপ্ৰস্থী জনক ৰজাই পুত্ৰবধূৰ শোকত কাতৰা কৌশল্যাক দেখি কটা ঘাত লোণ পৰা যেন অনুভৱ কৰিছে। শোকাতুৰা কৌশল্যাই জনকৰ আগত দেখা দিবলৈকে ধৈৰ্য ধৰিব পৰা নাই। অৰুন্ধতীয়ে কোনোমতে কন্যাৰ শোকত আতুৰ হৈ পৰা জনকৰ ওচৰলৈ কৌশল্যাক লৈ গৈছে যদিও জনকক দেখি কৌশল্যা মূৰ্ছিতা হৈ পৰিছে। অৰুন্ধতীৰ সান্ত্বনা-বাণীত আশ্বস্ত হোৱাৰ পাছত বাল্মীকিৰ বালক-শিষ্যসমূহৰ মাজত ৰামৰ সদৃশ আকৃতিৰ দুটি বালকক দেখি কৌশল্যা উৎফুল্ল হৈ পৰিছে। সেই সময়ত অৰুন্ধতীৰ স্বগতোক্তিৰ পৰা বুজা গৈছে যে তেওঁ গঙ্গাদেৱীৰপৰা এই সম্পৰ্কে সকলো গোপনীয় সংবাদ পাইছে। ইয়াৰ পাছত তেওঁলোকে লৱৰ লগত পতা কথা-বতৰাত বাৎসল্য-স্নেহৰ মধুৰ অভিব্যক্তি ঘটিছে।

সপ্তম অংকত বাল্মীকিৰ আশ্ৰমত প্ৰদৰ্শিত গৰ্ভনাটকৰ পৰা বুজা গৈছে যে সীতাত্যাগৰ বাবে ক্ষুব্ধ হৈ উঠিছিল যদিও গঙ্গাদেৱীয়ে ৰামৰ নিৰ্দোষিতাৰ যুক্তি দাঙি ধৰাত বসুমতীয়ে সীতাৰ প্ৰতি থকা ৰামৰ স্নেহ অকুণ্ঠভাৱে স্বীকাৰ কৰিছে। গৰ্ভনাটকৰ অন্তত গঙ্গাদেৱী আৰু বসুমতীয়ে সঁচাকৈয়ে অৰুন্ধতীৰ ওচৰত পৱিত্ৰব্ৰতা সীতাক সমৰ্পণ কৰিছে আৰু অৰুন্ধতীৰ কথামতে সীতাই মূৰ্ছিত ৰামক নিজ স্পৰ্শৰে উজ্জীৱিত কৰিছে। গঙ্গাদেৱী আৰু বসুমতীয়ে প্ৰত্যৰ্পণ কৰা পুণ্যচৰিতা সীতাক গ্ৰহণ কৰাত পুৰবাসীসকলৰ আপত্তি আছে নে কি বুলি সোধাৰ পুৰবাসীসকলে নীৰৱে সম্মতি জ্ঞাপন কৰাৰ পাছত পুত্ৰ দুটিৰে সৈতে ৰাম-সীতাৰ পুনৰ্মিলন ঘটিছে।

# মুদ্ৰাত অসমীয়া ভাষা

শ্ৰীসুৰেন্দ্ৰ প্ৰসাদ বৰদলৈ, এম, এল, বি,

ৰাজনৈতিকভাৱে সুসংগঠিত এটা জাতিৰ মুদ্ৰা অৰ্থনৈতিক, সামাজিক আৰু সংস্কৃতিৰ প্ৰতীক। অৰ্থনৈতিক ক্ষেত্ৰত মুদ্ৰা অপৰিহাৰ্য যদিও সামাজিক আৰু সাংস্কৃতিক মূল্যমানতো ইয়াৰ অৱিহণা কম নহয়। খৃষ্টপূৰ্ব প্ৰায় ১৫০০ বছৰৰ আগতে ভাৰতত "নিষ্ক" নামৰ এবিধ স্বৰ্ণমুদ্ৰাৰ প্ৰচলন থকাৰ কথা ইতিহাসে প্ৰমাণ কৰিছে। যজ্ঞৰ শেষত পুৰোহিতক স্বৰ্ণমুদ্ৰা দক্ষিণা দিয়াৰ কথা শতপথ ব্ৰাহ্মণত (৫।৫।৫।১৬) উল্লেখ আছে।

'তস্মৈ ত্ৰিণি শতমানানি হিৰন্যানি দক্ষিণা" বৈদিক যুগত "বিবিধানি ৰত্নানি"ৰ কথা উল্লেখ পোৱা যায়। মনু-সংহিতাৰ যুগত দায়-দোষৰ কাৰণে "ধেনুদণ্ড" দিয়াৰ বিহিত ব্যৱস্থা থাকিলেও মনু-সংহিতাত অৰ্থদণ্ডৰ ব্যৱস্থাও আছিল। তথাপি আজিলৈ সেই যুগৰ কোনো মুদ্ৰা উদ্ধাৰ হোৱা নাই। কণিষ্ক, চন্দ্ৰগুপ্ত, চোল, কাশ্মীৰৰ ৰজা, দ্বিতীয় এপোলোটোচ আদি ৰজাসকলৰ যৎ-সামান্য মুদ্ৰা উদ্ধাৰ হৈছে। মোগলৰ পূৰ্ববৰ্তী ৰজাসকলে সাধাৰণতে মুদ্ৰাৰ ওপৰত ৰাজকীয় প্ৰতীক ব্যৱহাৰ কৰিছিল। তাত ৰজাৰ বিৱৰণ বা চন-তাৰিখ দিয়া হোৱা নাছিল। সেই যুগতো দুই এজন ৰজাই নিজৰ ৰাজত্বকালৰ বৰ্ণনা দিয়াৰ প্ৰমাণ পোৱা যায়। ইণ্ডো-গ্ৰীক সম্ৰাট দ্বিতীয় এপোলোটোচৰ মুদ্ৰাত ৰাজকীয় বৰ্ণনা পোৱা যায়। মোগলৰ ৰাজত্বকালত প্ৰচলিত মুদ্ৰাত ৰজাৰ সবিশেষ বৰ্ণনা, শক আদি খোদিত কৰা হৈছিল।

কামৰূপত অতি প্ৰাচীনকালৰে পৰা স্বৰ্ণ, ৰৌপ্য আৰু তাম্ৰ-মুদ্ৰাৰ কথাৰ উল্লেখ পোৱা যায়। খৃষ্টীয় ৬ষ্ঠ শতিকাৰ শেষভাগৰ ৰজা মহাভূতিবৰ্মা আৰু তেওঁৰ পৰিনাতি ভাস্কৰবৰ্মাই মুদ্ৰাৰ প্ৰচলন কৰাৰ কথা পোৱা যায়। ভাস্কৰবৰ্মাৰ পিছতো আন আন ৰজাসকলে মুদ্ৰাৰ প্ৰচলন কৰিছিল। তেতিয়াৰ দিনত কিছুমান ৰজাই "কড়ি"ক বস্তু বিনিময়ৰ কাৰণে মুদ্ৰাৰ দৰে প্ৰচলন কৰিছিল। সেয়েহে কড়িৰ ওপৰত ৰাজকীয় বাণী খোদিত কৰা সম্ভৱ হোৱা নাছিল। "কড়ি-মুদ্ৰা"ৰ পৰবৰ্তী যুগত ধাতুকে বস্তু বিনিময়ৰ কাৰণে বা দক্ষিণাৰ বাবে "পূৰ্ণ শত ৰজতং" বুলি মন্ত্ৰ মতাৰ উল্লেখ পোৱা যায়। টকাৰ পূৰ্ববৰ্তী অৱস্থা "ৰজত" মুদ্ৰাত বিদ্যমান। খৃষ্টীয় একাদশ শতিকালৈ প্ৰচলিত মুদ্ৰাত ৰাজকীয় প্ৰতীক ব্যৱহাৰ কৰা দেখা যায়। ইয়াৰ পৰবৰ্তীকালত প্ৰচলিত মুদ্ৰাত খৰোষ্ঠী বা ব্ৰাহ্মী লিপিৰে সংস্কৃত ভাষাত বাণীবদ্ধ কৰা হৈছিল। খৃষ্টীয় চতুৰ্দশ শতিকালৈ কামৰূপত সকলোবোৰ ধৰ্মীয় অনুষ্ঠান, ৰাজকীয় কাৰ্য, অভিষেক, উৎসৱ আদি সংস্কৃত ভাষাত সম্পাদন হৈছিল। কামৰূপত সংস্কৃত ভাষাৰ প্ৰভাৱ অতি পুৰণি। খৃষ্টপূৰ্ব ১৫০০ বছৰ আগৰেপৰা কামৰূপত আৰ্য সংস্কৃতি আৰু সংস্কৃত ভাষাই প্ৰভাৱ বিস্তাৰ

কৰিছিল। শতপথ ব্ৰাহ্মণ ৰচিত হোৱাৰ সময়ত বৈশ্বানৰ অগ্নিয়ে পশ্চিমৰপৰা দাহন কৰি ক্ৰমে সদানীৰা নদীৰ পাৰত শেষ কৰিলে। পিছত পূৰ্বদেশ (ম্লেচ্ছ দেশ) ব্ৰাহ্মণৰ যজ্ঞ-হোমে পবিত্ৰ কৰে। তেতিয়াৰপৰা কামৰূপত যাগ-যজ্ঞ আদি অনুষ্ঠানৰ প্ৰচলন হৈ আৰ্য-সভ্যতাৰ বিস্তাৰ হয়। আৰ্যবীৰ পৰশুৰাম, দুৰ্যোধন, ভীম, অৰ্জুন, বৃষকেতু, শ্ৰীকৃষ্ণ আদিয়ে এই ৰাজ্য জয় কৰিছিল আৰু কামৰূপৰ অনাৰ্য ৰজাসকলে আৰ্যৰজাসকলৰ অশ্বমেধ, ৰাজসূয়, বাজপেয় আদি যজ্ঞত উপস্থিত থাকি কেইবাজন ভাৰত সম্ৰাটক ৰাজচক্ৰৱৰ্তী বুলি মানি তেওঁলোকৰ বশ্যতা স্বীকাৰ কৰিছিল। যজ্ঞৰ শেষত আৰ্যবৰ্তৰপৰা যাগ-যজ্ঞ সম্পন্ন কৰিবপৰা ঋত্বিক আৰু বেদ, সংহিতা আদি ধৰ্মশাস্ত্ৰ কামৰূপলৈ লৈ আহিছিল। বশিষ্ঠ, পৰাশৰ, কণ্ব, গৌতম, কাপ্য, জামদগ্নি আদি মহা মহা ঋষি-মুনিসকলক কামৰূপত স্থাপন কৰিছিল। তেওঁলোকে ৰাজদৰবাৰত উচ্চ আসন পাইছিল আৰু যাগ-যজ্ঞ সম্পন্ন কৰাৰ উপৰিও বেদ, সংহিতা, নিৰুক্ত, কল্প, জ্যোতিষ আদিৰ চৰ্চাৰ কাৰণে বিভিন্ন স্থানত তেওঁলোকৰ কাৰণে আশ্ৰম পাতি দিয়া হৈছিল।

এই আশ্ৰমসমূহত সংস্কৃত চৰ্চা আৰু জ্যোতিষ, আয়ুৰ্বেদ, পশু-চিকিৎসা আদিৰ বিষয়ে গৱেষণা চলোৱা হৈছিল। পালকাপ্য তেনেকুৱা এজন অনাৰ্য ঋষি। এইদৰে আৰ্য আৰু অনাৰ্য সংস্কৃতি আৰু ভাষা মিশ্ৰিত হৈ কামৰূপীয়া সংস্কৃতিয়ে স্বকীয় গঢ় লয়। সকলোবোৰ ধৰ্মীয় আৰু ৰাজকীয় কাৰ্য সংস্কৃত ভাষাত সম্পন্ন হৈছিল যদিও ৰজাৰ-সমাৰ কৰা, বিচাৰ, কৃষি-কাৰ্য, কৰ সংগ্ৰহ আদি স্থানীয় কথিত ভাষাত সমাধা কৰা হৈছিল। ফলত সংস্কৃতৰ উপৰি প্ৰাকৃত-অপভ্ৰংশ ভাষায়ো ৰাজ দৰবাৰত যোগ্য আসন লাভ কৰিলে। ৰজাৰ অনুশাসনাৱলী. দানপত্ৰ, মোহৰ, মুদ্ৰা আদিত অপভ্ৰংশ ভাষাই স্থান ললে। ভাস্কৰবৰ্মাৰ ফলি, মোহৰ, লিপি আদি ব্ৰাহ্মীমূলত পোৱা যায়। হিউৱেনচাঙৰ টোকাৰ পৰা জনা যায় যে, বিভিন্ন গোষ্ঠীৰ মানুহৰ উচ্চাৰণৰ পৰা ভিন ভিন ভাষাৰ উদ্ভৱ হয়। বিশেষকৈ চাৰি পীঠ বা চাৰি প্ৰদেশৰে গঠিত কামৰূপত প্ৰাকৃত ভাষাই গা কৰি উঠিছিল। কামৰূপৰ ভাষাৰ লগত ওচৰ-চুবুৰীয়া ৰাজ্যৰ ভাষাৰ মিল কম যদিও মিথিলা আদিৰ ভাষাৰ লগত সাদৃশ্য আছিল। হিউৱেনচাং কামৰূপলৈ অহাৰ সময়ত পূৰ্ববঙ্গ কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল। আৰু কামৰূপ ৰাজ্যৰ বিস্তৃতি কৰ্ণসুবৰ্ণলৈ বিয়পি আছিল।

প্ৰাচীন কালত কামৰূপ এখন বিশাল সাম্ৰাজ্য আছিল। ইয়াৰ ভৌগোলিক সীমা পূবে দিক্কৰবাসিনী দেৱীৰ মন্দিৰ, উত্তৰে হিমালয় পৰ্বত, পশ্চিমে কৰতোয়া, (সদানীৰা) দক্ষিণে সাগৰ। কামৰূপৰ ৰত্নপীঠৰ জন-সাধাৰণ আৰ্য-নিগ্ৰিক তেজৰ মিশ্ৰিত আৰু আন আন পীঠৰ মানুহ আৰ্য-মঙ্গোলীয় ৰক্তোদ্ভৱ। সেই কাৰণে ৰত্নপীঠৰ মানুহৰ উচ্চাৰণৰ লগত আন পীঠৰ মানুহৰ উচ্চাৰণৰ প্ৰভেদ আছিল। কোচৰাজ্যৰ পতনৰ পিছত প্ৰশাসনীয় সম্বন্ধ নাইকিয়া হোৱাৰ পিছত ৰত্নপীঠৰ ভাষাৰ লগত আন আন পীঠৰ ভাষাৰ সম্বন্ধ কমি আহিল। ৰত্নপীঠৰ পশ্চিমাঞ্চলৰ ভাষা নিকটবৰ্তী বঙ্গ ভাষাৰ কবলত পৰে। ভাস্কৰবৰ্মাৰ যুগৰ পৰা নৰনাৰায়ণ-চিলাৰায়ৰ যুগলৈ প্ৰায় ৯০০ বছৰ কামৰূপীয় ভাষাই পূৱ ভাৰতত আধিপত্য বিস্তাৰ কৰি আহিছিল। হিউৱেনচাঙৰ টোকা, কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আদি গ্ৰন্থ ঐতিহাসিক দৃষ্টিকোণেৰে চালে এই কথাৰ সত্যতা প্ৰতিপন্ন হয়। ভাষাৰ ব্যৱহাৰৰ ক্ষেত্ৰত ৰাজকীয় পৃষ্ঠপোষকতাত কামৰূপী ভাষাই ৰজাৰ শাসনাৱলী, দানপত্ৰ, মোহৰ আৰু মুদ্ৰাত স্থান পাইছিল। ভাস্কৰবৰ্মাৰ নিধনপুৰৰ তাম্ৰলিপিয়ে ইয়াৰ সাক্ষ্য দিয়ে। খৃষ্টীয় চতুৰ্দশ-পঞ্চদশ শতিকাত কামৰূপৰ পূৰ্বাঞ্চলত আহোমসকলৰ প্ৰতিপত্তি বৃদ্ধি পায় আৰু ভৰলুৰ পূব পাৰৰপৰা পূৰ্বৰাজ্যখণ্ডক অহম মুলুক বা অসম মুলুক বা অসম ৰাজ্য বুলি মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আদি পণ্ডিতসকলে আখ্যা দিয়াৰপৰা অনুমান কৰিব পাৰি যে তেতিয়াৰ পৰাই এই দেশৰ নাম



অসম দেশ আৰু ইয়াৰ ভাষা অসমীয়া ভাষা বুলি পৰিগণিত হয় আৰু এই ভাষা কোচবেহাৰলৈ ব্যাপি থাকে। ইয়াৰ পশ্চিমাঞ্চলৰ ভাষা বঙ্গ ভাষাত বিলীন হৈ গ'ল।

প্ৰাচীন কামৰূপৰ ৰজাসকলৰ ভিতৰত শালস্তম্ভ বংশীয় ৰজাসকলৰ মুদ্ৰা, কোচৰজাসকলৰ মুদ্ৰা, ত্ৰিপুৰাৰ ৰজাৰ মুদ্ৰা, জয়ন্তীয়া ৰজাৰ মুদ্ৰা আৰু আহোম ৰজাৰ মুদ্ৰা কিছুমান উদ্ধাৰ হৈছে। উদ্ধাৰ নোহোৱা মুদ্ৰাৰ মাজত হয়তো অসমৰ কিমান জাতীয় গৌৰৱ লুপ্ত হৈ আছে তাৰ ইয়ত্তা নাই। এই মুদ্ৰাসমূহ সোণ, ৰূপ, তাম, প্ৰস্তৰ, কড়ি আদি বিভিন্ন বস্তুৰে নিৰ্মিত। নগা ৰাজ্যত কাঠৰপৰাও মুদ্ৰা কটা হৈছিল। আন আন পৰ্বতীয়া ৰাজ্যত কাঠ, প্ৰস্তৰ, মাটিৰেও মুদ্ৰা তৈয়াৰ কৰিছিল। বিভিন্ন মূল্যমানৰ ওপৰত নিৰ্ভৰ কৰি মুদ্ৰা তৈয়াৰ কৰা হৈছিল। এই মূল্যমানৰ নিৰিখ আছিল টকা, আধলি, সিকি, আদমহীয়া, চৰতীয়া, তিনিৰতীয়া, ইত্যাদি। পুৰণি কালত এই মুদ্ৰাৰ মূল্যমানৰ নিৰিখ আছিল পূৰ্ণ ৰজত, অৰ্ধৰজত ইত্যাদি। আকৃতিও বিভিন্ন ধৰণৰ আছিল : ঘূৰণীয়া, চাৰিকোণীয়া, আঠ কোণীয়া, নকোনীয়া। ওজনৰ ফালৰ পৰাও মূল্যৰ লগত মিল ৰখা হৈছিল।

মুদ্ৰাৰ ওপৰত খোদিত ভাষা

বিভিন্ন ৰাজ্যত মুদ্ৰাৰ ওপৰত বেলেগ বেলেগ ভাষা ব্যৱহাৰ কৰা দেখা যায়। তথাপি সৰ্বভাৰতীয় মুদ্ৰা সমূহ অধ্যয়ন কৰিলে দেখা যায় যে মাত্ৰ কেইটিমান ভাষাতহে মুদ্ৰাৰ বাণী লিপিবদ্ধ হৈছিল। সেই ভাষা সমূহ হ'ল—সংস্কৃত, পাৰ্চী, গ্ৰীক, আৰবী, অসমীয়া আৰু টাই ভাষা। সৰহভাগ মুদ্ৰাৰ ভাষা সংস্কৃতেই পোৱা যায়। পুষ্কলাৱতীৰপৰা মথুৰালৈ মুদ্ৰাত খৰোষ্ঠী লিপিৰ প্ৰচলন আছিল। কৌশাম্বী আৰু পাঞ্চালৰ মুদ্ৰাত ব্ৰাহ্মীলিপিৰ প্ৰচলন আছিল। প্ৰাচীন কামৰূপ ৰাজ্যত আৰু ইয়াৰ প্ৰভাৱাধীন ৰাজ্যসমূহৰ মুদ্ৰাত অসমীয়া ভাষা ব্যৱহাৰ কৰা হৈছিল। ত্ৰিপুৰাৰ ৰজা ৰত্নমাণিক্যয়ো খৃষ্টাব্দ ১৪৭৭ চনত তেওঁৰ মুদ্ৰাত অসমীয়া আখৰ আৰু ভাষাৰ প্ৰচলন কৰিছিল। মাপোন গৌড়ৰ মুছলমান নবাবসকলেহে পাৰ্চী ভাষাত মুদ্ৰাত বাণী অঙ্কিত কৰিছিল। কলিঙ্গৰ মুদ্ৰা খৰোষ্ঠী লিখাৰ প্ৰমাণ পোৱা যায়। খৰোষ্ঠী আৰু ব্ৰাহ্মী লিপিৰ অপভ্ৰংশ হিচাপে কামৰূপী লিপিয়ে সমগ্ৰ কামৰূপ, কৰ্ণসুবৰ্ণ, ত্ৰিপুৰা, কাছাৰ আৰু জয়ন্তীয়াত বিস্তৃতি লাভ কৰিছিল। গৌড়ৰ নবাবে প্ৰচলিত কৰা পাৰ্চী ভাষাৰ প্ৰভাৱ কামৰূপত প্ৰৱেশ কৰিব নোৱাৰিলে, কিন্তু পৰাজিত বঙ্গৰ ভাষা আৰু সংস্কৃতি চিৰদিনৰ বাবে কামৰূপী ভাষা আৰু সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ গ'ল।

কাছাৰৰ মুদ্ৰাৰ ভাষা : কাছাৰৰ ৰজাসকলৰ ভিতৰত যশোনাৰায়ণদেৱে ষোড়শ শতিকাত ৰাজত্ব কৰিছিল। তেওঁ প্ৰচলিত কৰা মুদ্ৰাৰ ওপৰত সংস্কৃত মিশ্ৰিত অসমীয়া ভাষা আৰু অসমীয়া লিপিৰ ব্যৱহাৰ কৰিছিল। বাণী আছিল :

হৰগৌৰী চৰণ পৰায়ণ
শ্ৰীশ্ৰীযশোনাৰায়ণ দেৱ
ভূপালস্য সক ১৫০৫

জয়ন্তীয়া ৰজাৰ মুদ্ৰা : জয়ন্তীয়া ৰাজ্য বিশাল কামৰূপ ৰাজ্যৰ প্ৰভাৱাধীন স্বাধীন ৰাজ্য। জয়ন্তীয়া ৰজা লক্ষ্মীনাৰায়ণ দেৱৰ মুদ্ৰাত অসমীয়া ভাষা পোৱা যায়।

শ্ৰীশ্ৰীজয়ন্তীয়াপুৰপুৰণদৰস্য সক ১৫৯২

অন্য এজন জয়ন্তীয়া ৰজাৰ মুদ্ৰাত—

শ্ৰীশ্ৰীজয়ন্তীয়াপুৰপুৰণদৰস্য সক ১৬৭৩

ত্ৰিপুৰাৰ ৰজাৰ মুদ্ৰা : ত্ৰিপুৰাত মাণিক্য বংশীয় ৰজাসকলে সংস্কৃতৰ পিছতে অসমীয়াক ৰাজদৰবাৰত স্থান দিছিল। এই বংশৰ ৰজাসকলৰ লগত কামৰূপৰ বিশেষ সম্পৰ্ক আছিল। মাণিক্য পাতনৰ সুযোগ্যা কন্যা সনেকা আছিল চান্দ সদাগৰৰ সহধৰ্মিণী, লখিন্দাৰৰ মাতৃ আৰু বেউলাৰ শাহুআই। এই বংশীয় ৰজা ৰত্নমাণিক্য, বিজয়মাণিক্য আদি ৰজাসকলৰ মুদ্ৰাত অসমীয়া ভাষা পোৱা যায়।

বত্নমাণিক্যৰ মুদ্ৰাত—“নাৰায়ণ চৰণপৰ”
দ্বিতীয় ৰত্নমাণিক্যৰ—“সিব কাৰ্ণিকা মধু”
বিজয় মাণিক্যৰ মুদ্ৰাত—“সিব দুৰ্গাপদ”
যশোধৰ মাণিক্যৰ মুদ্ৰাত—“ৰাধা কৃষ্ণপদ”

কোচৰজাৰ মুদ্ৰাত :—ষোড়শ শতিকাৰ আদি ভাগত কোচবংশীয় ৰজা বিশ্বসিংহই কমতাপুৰত ৰাজ্য স্থাপন কৰে। এই বংশীয় ৰজাসকলে প্ৰায় ৩৫০ বছৰ কাল অসম আৰু পূৰ্ববঙ্গত ৰাজত্ব কৰে। তেওঁলোকে মুদ্ৰাৰ প্ৰচলন কৰিছিল আৰু এই মুদ্ৰাৰ ওপৰত সংস্কৃত মিহলি অসমীয়া ভাষা আৰু লিপি ব্যৱহাৰ কৰিছিল। মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বকালত প্ৰচলিত মুদ্ৰাৰ বাণী আছিল :

শ্ৰীশ্ৰীসিব শৰণ কমল মধুকৰস্য
শ্ৰীশ্ৰীমান নৰনাৰায়ণ ভূপালস্যশক

সেইদৰে ৰঘুনাৰায়ণ, উপেন্দ্ৰনাৰায়ণ, যশোনাৰায়ণ আদি ৰজাসকলে অসমীয়া ভাষা মুদ্ৰাত ব্যৱহাৰ কৰিছিল। কোচ ৰাজত্বকালত অসমীয়া ভাষাৰ প্ৰভাৱ সুদূৰ মালদহ, গৌড়, জয়ন্তীয়া ৰাজ্য, কছাৰী ৰাজ্য, গাৰো ৰাজ্য, ৰংপুৰ, ত্ৰিপুৰা আদিত সম্প্ৰসাৰিত হৈছিল।

মিৰজুমলাৰ সময়ৰ মুদ্ৰা : কামৰূপৰ প্ৰবল প্ৰতাপী ৰজাসকলৰ বাধাত মোগল সোতবৰাৰ পৰাভূত হয় আৰু কিছুদিনৰ কাৰণে যদিও মিৰজুমলাই কামৰূপ তথা অসম জয় কৰিছিল, তথাপি স্থানীয় প্ৰজাৰ বিদ্ৰোহৰ ভয়ত অসমীয়া ভাষা আৰু লিপি তেওঁৰ মুদ্ৰাত ব্যৱহাৰ কৰিছিল।

আহোম ৰজাৰ মুদ্ৰা : আহোমসকলৰ স্বকীয়া কৃষ্টি, সভ্যতা আৰু নিজস্ব ভাষা আছিল যদিও কূটনৈতিক সফলতাৰ বাবে অসমীয়া ভাষা আৰু সংস্কৃতিক আপোন কৰি ললে। চুকলেংমুঙে পোনতে টাই ভাষাত মুদ্ৰা কৰাইছিল। তেওঁৰ পিছৰ ৰজাসকলে অসমীয়া ভাষাত মুদ্ৰা মৰাইছিল ৰুদ্ৰসিংহৰ মুদ্ৰাৰ বাণী :

শ্ৰীশ্ৰীমৎ স্বৰ্গদেৱ ৰুদ্ৰসিংহ সকে ১৬৩২

শিৱসিংহৰ মুদ্ৰাৰ বাণী :

শ্ৰীশ্ৰীমৎ স্বৰ্গদেৱ শিৱসিংহ
নৃপস্য সকে ১৬৩৭

ফুলেশ্বৰী কুঁৱৰীৰ মুদ্ৰাৰ বচন—

শ্ৰীশ্ৰীশিৱসিংহ নৃপস্য মহিষী
শ্ৰীশ্ৰীফুলেশ্বৰীদেব্যাঃ

প্ৰমথেশ্বৰীৰ মুদ্ৰাত বাণী—

শ্ৰীশ্ৰীশিৱসিংহ নৃপস্য মহিষী
শ্ৰীশ্ৰীপ্ৰমথেশ্বৰীদেব্যাঃ

অম্বিকাৰ মুদ্ৰাৰ বাণী—

শ্ৰীশ্ৰীশিৱসিংহ নৃপস্য মহিষী
শ্ৰীশ্ৰীঅম্বিকাদেব্যাঃ

প্ৰমত্ত সিংহৰ মুদ্ৰাত—

শ্ৰীশ্ৰীস্বৰ্গদেৱ প্ৰমত্ত সিংহ
নৃপস্য সাকে ১৬৩২

সৰ্বানন্দৰ মুদ্ৰাত—

শ্ৰীশ্ৰীকৃষ্ণচৰণকমল মকৰন্দমধুকৰস্য
শ্ৰীশ্ৰীস্বৰ্গদেৱ শ্ৰীসৰ্বানন্দ সিংহ নৃপস্য শক ১৭১১

সেইদৰে গৌৰীনাথ সিংহ, লক্ষ্মী সিংহ, গদাপাণি, ভোগেশ্বৰী, ৰাজেশ্বৰ সিংহ, চন্দ্ৰকান্ত প্ৰমুখ্যে নৃপতি বৰ্গৰ মুদ্ৰাত অসমীয়া ভাষাই স্থান পাইছিল।

## মুদ্ৰাৰ ভাষাৰ বৈশিষ্ট্য

মুদ্ৰাত এবাৰ কথা বা এটি মাত্ৰ বাক্য থাকে। কিন্তু এই কথাষাৰৰ তাৎপৰ্য সুদূৰ-প্ৰসাৰী। ই ৰজাসকলৰ ধৰ্মীয় মতবাদ, ভাষিক প্ৰাধান্য আৰু কলা-সংস্কৃতি প্ৰতি থকা অভিৰুচি দাঙি ধৰে। ভাস্কৰবৰ্মাৰ লিপি সমূহত খোদিত ভাষাই অসমীয়া ভাষাৰ প্ৰথম স্তৰ হলেও একাদশ শতিকাত লিখনিৰ মাজেৰে এই ভাষাই গঢ় লয়। আগতে কৈ অহা হৈছে যে খৰোষ্ঠী আৰু ব্ৰাহ্মী লিপিযুক্ত ভাষা কামৰূপী আৰু বঙ্গভাষাৰ উৎস হলেও নদ্ৰিকৰ মিহি উচ্চাৰণ আৰু মঙ্গোলীয়াৰ লেখীয়া উচ্চাৰণৰ পৰা ভাষাগত প্ৰভেদ বৃদ্ধি পায়। আনহাতে ভৌগোলিক বৈশিষ্ট্যৰ পৰা অনুমান কৰিব পাৰি যে প্ৰাচীন শিলাময় ভূমিভাগতকৈ বঙ্গৰ বদ্বীপ-অঞ্চলৰ ভূ-ভাগ অৰ্বাচীন। ঐতেৰেয় আৰণ্যকত উল্লিখিত বঙ্গ



প্ৰাচীনকালত কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। ভাৰত-যুদ্ধৰ আগৰণৰাই এই উচ্চ ভূমিভাগলৈ আৰ্যৰ সোঁত অবাৰিতভাৱে চলি আহিছিল আৰু কামৰূপৰ সভ্যতাৰ নতুন দিগন্ত ৰচনা কৰিছিল। খৰোষ্ঠী-ব্ৰাহ্মী লিপিযুক্ত সংস্কৃত-প্ৰাকৃত ভাষাৰ সংমিশ্ৰণত অসমীয়া ভাষাৰ সৃষ্টি। সেয়েহে অসমীয়া ভাষাক বিভিন্ন ৰাজ্যই নিজ নিজ এলাকাৰ ভিতৰত ৰাজ্যভাষা হিচাপে গ্ৰহণ কৰিছিল। অসমীয়া ভাষাৰ ভাষিক প্ৰাধান্য ষোড়শ শতিকালৈ অব্যাহতভাৱে চলি আহিছিল। কালক্ৰমত এই প্ৰাধান্য পশ্চিমাঞ্চলত কমি আহে আৰু পূৰ্বাঞ্চলৰ ধামতী ৰাজ্য, মিচিমি ৰাজ্য আদিত বৃদ্ধি পায়। ইয়াৰ পিছত কোচবংশৰ পতনৰ লগে লগে অসমীয়া ভাষা সঙ্কুচিত হৈ আহে।

## মুদ্ৰাত অসমীয়া লিপি

ভাষা-সাহিত্যৰ পণ্ডিত বহুজনাই ভাবে যে শ্ৰীৰামপুৰৰ মুদ্ৰণ-যন্ত্ৰত অসমীয়া পুথি ছপোৱাৰ কাৰণে মিছনাৰীসকলে অসমীয়া বৰ্ণমালাৰ ভিকাচন মাৰিলে। তেওঁলোকে আনক তুষ্ট কৰিবলৈ আক্ষেপ কৰে—“পুৰণি অসমীয়া লিপিৰ প্ৰয়োগ ক্ৰমে নোহোৱা হ'ল।” কথাষাৰ অকল যুক্তিহীনেই নহয়, পৰক ভাঙৰি লগাই উপাধি কিনাৰ সহজ উপায় মাথোন। পুৰণি কালত কামৰূপৰ ৰজাই বঙ্গৰ প্ৰধান অংশ এটা শাসন কৰি আহিছিল। কামৰূপী পণ্ডিত হলায়ুধৰ কামৰূপ 'স্মৃতিৰত্নাকৰ', পীতাম্বৰ সিদ্ধান্তবাগীশৰ 'নিবন্ধাৱলী', শ্ৰীধৰৰ 'খণ্ডসাধ্য' আদি সিদ্ধান্তগ্ৰন্থসমূহ কামৰূপ আৰু বঙ্গ উভয়তে প্ৰযোজ্য আছিল। সেয়েহে উভয়ৰে লিপিৰ মিল থকা স্বাভাৱিক। পূৰ্ববঙ্গত উদ্ধাৰ হোৱা মনসামঙ্গল, শূন্যপুৰাণ, কঙ্কণৰ বচন কামৰূপীয় ৰজাৰ ৰাজ্যতে ৰচিত হৈছিল বুলি ক'ব পাৰি। গতিকে দুয়োটা ভাষাৰ লিপিৰ বহুত মিল আছে।

আনহাতে মিছনাৰীসকল অষ্টবিংশ শতিকাতে অসমীয়া ভাষাৰ লগত পৰিচিত হয় আৰু ১৮১৩ চনত আত্মাৰাম শৰ্মাৰ হতুৱাই বাইবেলখন অসমীয়ালৈ তৰ্জমা কৰোৱায়। দুয়োটা ভাষাৰ বৰ্ণমালা অধ্যয়ন কৰি বৈজ্ঞানিক দিশটো বিবেচনা কৰি খৰোষ্ঠী গোষ্ঠীৰ তলদীঘল বেঁকা ভাঁজবোৰ আখৰবোৰৰ পৰা বাদ দি অসমীয়া বৰ্ণমালাকে গ্ৰহণ কৰে। বৰ্তমানৰ ছপা আখৰ আৰু প্ৰমত্ত সিংহ, সৰ্বানন্দ সিংহ, বা ভৰত সিংহৰ মুদ্ৰাৰ আখৰৰ মাজত কোনো পাৰ্থক্য নাই। ভৰত সিংহৰ মুদ্ৰাৰ ভাষা অতি সুন্দৰ।

শ্ৰীশ্ৰীকৃষ্ণ চৰণাৰবিন্দ
মকৰন্দ প্ৰমত্ত মধুকৰস্য।

খৃষ্ট ধৰ্ম প্ৰচাৰৰ কাৰণে মিছনাৰীসকলে অসমীয়া আৰু বঙলাত প্ৰয়োগ কৰিব পৰাকৈ উমৈহতীয়া আখৰ কাঠত কাটি উলিয়াইছিল আৰু অসম আৰু বঙ্গৰ মধ্যস্থল শ্ৰীৰামপুৰত মুদ্ৰণ যন্ত্ৰ স্থাপন কৰি উভয় ভাষাতে খৃষ্ট ধৰ্মৰ কিতাপ প্ৰকাশ কৰিছিল।

## মুদ্ৰাৰ ভাষাৰ প্ৰামাণ্য

মুদ্ৰাত খোদিত কৰা ভাষা ৰাজকীয় ভাষা। এই ভাষাই ৰজা প্ৰজা-উভয়ৰে স্বীকৃত ভাষা। ভাষাৰ বিবৃতিৰ ইতিবৃত্ত ৰচনা কৰাত মুদ্ৰাৰ ভাষাই যথেষ্ট সমল যোগায়। মুদ্ৰাৰ ভাষাৰ পৰা প্ৰতীয়মান হয় যে প্ৰাচীন কামৰূপ, কাছাৰ, জয়ন্তীয়া ৰাজ্য, ত্ৰিপুৰা ৰাজ্য, জলপাইগুড়ি, কোচবেহাৰ, ৰংপুৰ, মালদহ আদি ৰাজ্যত অসমীয়া ভাষাই আধিপত্য বিস্তাৰ কৰি আহিছিল।*

* ১ মঙ্গলদৈ সাহিত্য-সংস্কৃতি আলোচনা-চক্ৰত পঠিত।

২ এই প্ৰবন্ধটি যুগুত কৰাত সহায় লোৱা হৈছে—ৰাজিক সংগ্ৰহালয়, গুৱাহাটী, কলিকতা, গুপ্তাৰ কইনছ, দৰং ৰাজবংশাৱলী, শতপথ ব্ৰাহ্মণ, ঐতেৰেয় আৰণ্যক, ইত্যাদি।

# পোৰা পুথিৰ চিনাকি

## উত্তৰ কাল

লেখক : চন্দ্ৰপ্ৰসাদ শইকীয়া
প্ৰকাশক : লয়াৰ্ছ বুক ষ্টল, পৃষ্ঠা ৯১, দাম—৩·৫০

অসমীয়া গল্প আৰু উপন্যাসৰ জন্মকালৰ ব্যৱধান ইমান কম যে সাহিত্যৰ ইতিহাসত এনে ব্যৱধানক গুৰুত্ব নিদিলেও চলে। পাশ্চাত্য সাহিত্যৰ কথাই নকওঁ, ভাৰতৰ আন প্ৰান্তীয় ভাষাৰ উপন্যাসত চলাৰ দৰে আঙ্গিকৰ ন-পৰীক্ষা, বিষয়বস্তু নিৰ্বাচনৰ অভিনৱত্ব আদি অসমীয়া উপন্যাসত আজিও বৰ বেছি দেখিবলৈ নোপোৱাটো দুৰ্ভাগ্যৰ কথা। গতানুগতিক প্ৰেমৰ কাহিনী, দুখীয়া জীৱনৰ প্ৰতি তৰল সহানুভূতি, কন্যাদায়-গ্ৰস্ত পিতৃ-মাতৃ, চাকৰি অন্বেষী বা নিবনুৱা ডেকাৰ কাহিনী হয়তো আছে—নাই সমাজ-জীৱনৰ গৰাখহনীয়াৰ বতৰা, ব্যক্তি আৰু সমষ্টিৰ আদৰ্শগত সংঘৰ্ষৰ মাজেৰে পাঠকক ভবাই তোলাৰ দক্ষতা; নাই ভবিষ্যত পথ নিৰ্দেশৰ সূচনা কৰিব পৰা গভীৰ অভিজ্ঞতাৰ স্বাক্ষৰ। এতিয়াও তাকৰীয়া খনচেৰেক অসমীয়া উপন্যাস শ্ৰেষ্ঠতাৰ মাপ-কাঠি হৈ থকাটো অসমীয়া সাহিত্য-প্ৰেমীৰ বাবে নিশ্চয় সুখবৰ নহয়।

চন্দ্ৰপ্ৰসাদ শইকীয়াৰ "উত্তৰ কাল" সমকালীন উপন্যাসৰ ধাৰাৰ পৰা কিছু ব্যতিক্ৰম; যি অৰ্থত পদ্ম বৰকটকীৰ "ৰঙা ৰঙা ৰং" (বহুতৰ মতে এইখন উপন্যাসেই নহয়) ব্যতিক্ৰম। স্বাধীনোত্তৰ কাল-ছোৱাত অসমৰ জনজীৱনৰ আটাইতকৈ কৰুণ দিশ হ'ল—মূল্যবোধৰ গৰাখহনীয়া। সমাজ-জীৱনক ক্ষয়-ৰোগীৰ দৰে একাদৰ পৰা খাই গৈছে, অথচ এই ৰোগনো কি, কেনেকৈ ইয়াৰ পৰা মুক্তি লভিব পাৰি সেই বিষয়ে কোনো গভীৰ চিন্তা নাই। "উত্তৰ কাল"'ত এনে গৰাখহনীয়াৰ ছবি আছে, আছে চিকিৎসা কৰি সমাজ-জীৱনৰ সুস্থ সবল কৰাৰ প্ৰচেষ্টা। জীৱন কাকতি অবিনাশ চক্ৰৱৰ্তী, পৰাগ হাজৰিকা আৰু বিনয়কুমাৰ বৰুৱা—এই চাৰিওজন ব্যক্তিয়েই আমাৰ হেৰাই যোৱা প্ৰমূল্য সম্পৰ্কে সচেতন আৰু সেইবাবেই আন্তৰিকতাৰে বিচাৰে সমাজৰ আমূল পৰিৱৰ্তন সাধিবলৈ। বিদেশী সূত্ৰ হুবহু প্ৰয়োগ কৰাতকৈ "বিদেশী কোনো থিওৰি বা চিন্তাৰ আশ্ৰয় নোলোৱাকৈ এইখন দেশৰ মানুহৰ মনত এক সামাজিক বিপ্লৱৰ ভাব জাগ্ৰত" কৰাৰ সিদ্ধান্ত লয় তেওঁলোকে। আৰু সেইবাবেই "গাঁও নহয়, নগৰো নহয়" এনে ঠাই অৰ্জুনপুৰৰ কলেজত বিনয় বৰুৱাই অধ্যাপক হিচাপে থাকি নিজস্ব সূত্ৰ উদ্ভাৱনৰ পৰীক্ষা চলায়। উপন্যাসখনৰ কাহিনী এই অৰ্জুনপুৰক লৈয়েই। বিনয়কুমাৰে ইয়াতেই লগ পায় অৰ্জুনপুৰ কলেজৰ অধ্যক্ষ, কলেজৰ গভৰ্নিং-বডিৰ চেক্ৰেটৰী বিদুৰ বৰুৱা,



কেইজনমান উটনুৱা ডেকা, এচ. ডি. চি., থানাৰ অ' চি, চাৰিসত্ৰীয়া গোঁসাই আৰু গাৱঁৰ ছোৱালী নিৰ্মলাক। ইয়াৰ লগতে আছে অৰ্জুনপুৰৰ নিজস্ব সম্পদ মদ, জুৱা, পৰ-চৰ্চা, সংৰক্ষণশীলতা আৰু সৰ্বাতোপৰি বটবৃক্ষৰ দৰে প্ৰভাৱশালী এম. এল. এ. বংশীধৰ তামুলী। এইখিনি সমলক কেন্দ্ৰ কৰিয়েই কাহিনীয়ে গঢ় লৈছে।

উপন্যাসখন পঢ়ি ভাল লগা হৈছে। কাৰণ অৰ্জুন-পুৰৰ যিখন ছবি লেখকে আঁকিছে সেয়া বাস্তৱ ছবি। অৰ্জুনপুৰ এখন নহয়, বহুখন। নামটো মাত্ৰ বেলেগ। আনহাতে আমাৰ সমস্যাসমূহ সম্পৰ্কে আমি আটায়ে কম বেছি পৰিমাণে জানো। কিন্তু হাতে কামে লাগিবলৈ গলেহে সেই সমস্যাসমূহৰ প্ৰকৃত ছবি বা গুৰুত্ব উপলব্ধি হয়। উচ্চ আদৰ্শ থকা বিনয়ৰো শক্তি পৰীক্ষা তাতেই। নাটকীয়ভাৱে নগৰৰ পৰা মদ-জুৱা আঁতৰোৱা হ'ল যদিও এম. এল. এ. আৰু চাৰিসত্ৰীয়া গোঁসাইৰ বিশাল প্ৰভাৱে আবৰি থকা অৰ্জুনপুৰৰ সমাজখনৰ বাস্তৱতাক অস্বীকাৰ কৰা সহজ কথা নহয়। আনফালে স্পষ্ট আঁচনি অবিহনে ডেকা শক্তিক নিজৰ আদৰ্শৰে প্ৰভাৱান্বিত কৰি বেছি দিনলৈ নিজৰ ওচৰত ৰখা সম্ভৱ নহয়। ডেকা শক্তিও আকৌ শতধা-বিচ্ছিন্ন অস্পষ্ট মূল্য-বোধৰ দ্বাৰা পৰিচালিত। এই বাবেই বোধকৰোঁ অৰ্জুনপুৰ এৰা সময়ত বিনয়ক আগ বঢ়াই থবলৈ আহিছিল—মাত্ৰ তিনিজন ল'ৰা আৰু এজনী ছোৱালী!"

বিনয়ক সাফল্যৰ উচ্চ শিখৰত নেৰাখি লেখকে উচিত কামেই কৰিছে। আৰু এটি কথা, লেখকৰ মূল বক্তব্য কিন্তু অৰ্জুনপুৰৰ সমস্যা উদঙাই দেখুওৱাটো নহয়, অৰ্জুনপুৰক গবেষণা-স্থলী হিচাপে লৈ অৰ্জুনপুৰৰ সমস্যাৰ যোগেদি দেশৰ সামগ্ৰিক সমস্যাৱলীৰ স্বৰূপ উপলব্ধি কৰি সমাধান বিচাৰি উলিওৱাটোহে। গতিকে অৰ্জুনপুৰত বিনয় ব্যৰ্থও হোৱা নাই। আহিবৰ সময়ত বিনয়ে সেইবাবেই সাহসেৰে কব পাৰিছে—"মই আকৌ আহিম, কিন্তু কলেজৰ অধ্যাপক হিচাপে নহয়।"

উপন্যাসখনৰ প্ৰথমতে বিনয়ক এটি সপোন দেখুওৱা হৈছে। বিনয়ৰ অৰ্জুনপুৰ আঁচনিৰ ভবিষ্যত এই সপোনটোৱে সচেতন পাঠকৰ বাবে দাঙি ধৰিব, কিন্তু এই সপোনটোৱে উপন্যাসখনৰ সৌন্দৰ্য বৃদ্ধিত বিশেষ একো অৰিহণা যোগোৱা নাই। বৰং সপোনটোৰ কথা বৰ্ণনা নকৰিলেহে উপন্যাসখনৰ সৌন্দৰ্য বাঢ়িলহেতেন বুলি অনুমান হয়।

'উত্তৰ-কাল' শইকীয়াৰ সমাজ-সচেতনতাৰ স্বাক্ষৰ। উত্তৰ-কালৰ বক্তব্য বিষয়ৰ সৈতে, আদৰ্শৰ সৈতে সকলোৱে এক মত হব বুলি আশা কৰা নেযায়। হোৱাটো উচিতো নহব। কাৰণ লেখকৰ উদ্দেশ্যই হ'ল পাঠকক ভবাই তোলা।

ৰমেশ পাঠক

## কৈলাসনাথ

লেখক : প্ৰণৱজ্যোতি ডেকা
প্ৰকাশক : লয়াৰ্ছ বুক ষ্টল, পৃষ্ঠা ৯১, দাম—৩·৫০

লেখক প্ৰণৱজ্যোতি ডেকাই পাতনিত "কৈলাসনাথ"ৰ বক্তব্য সম্পৰ্কে কৈছে, "আন ভাৰতীয় ভাষাত কব নোৱাৰোঁ অসমীয়া ভাষাত প্ৰাক-স্বাধীনতা যুগৰ আৰু স্বাধীনতাৰ পিছৰ যুগৰ ব্যঙ্গ সাহিত্যৰ সমালোচনাৰ বিষয়বস্তু সলনি হৈ পৰিছে। প্ৰাক-স্বাধীনতা যুগত ৰাজঘৰ (?) আৰু ৰাজবিষয়া আছিল নিষিদ্ধ বস্তু (taboo)। সমালোচনা হৈছিল সমাজৰ সামাজিক আচাৰ-বিচাৰৰ। বৰ্তমান যুগৰ ব্যঙ্গ সাহিত্যত আকৌ

সমালোচনাৰ বিষয়বস্তু হ'ল মন্ত্ৰী, এম. এল. এ., আৰু ৰাজঘৰীয়া (?) বিষয়া। আনহাতে সমাজৰ সমালোচনা নিষিদ্ধ বস্তু হৈ পৰিছে।" এই মন্তব্য নিৰ্ভুল নহয়। অৱশ্যে এষাৰ কথা সঁচা—অসমীয়া সাহিত্যত ব্যঙ্গাত্মক ৰচনা বৰ কম; তাতোকৈ কম উচ্চ মান-দণ্ডৰ ব্যঙ্গাত্মক সৃষ্টি। ৰম্য ৰচনাখিনিৰ ব্যঙ্গ বাদ দিলে ব্যঙ্গাত্মক গল্প, কবিতা আঙুলি মূৰত লেখিব পাৰি। হাস্য-ৰসাত্মক ব্যঙ্গৰ ক্ষেত্ৰতো বেজবৰুৱা, হেমচন্দ্ৰ বৰুৱা প্ৰভৃতিৰ ওচৰ চপা লেখক আধুনিক সাহিত্যত কম। হয়তো এয়া যুগ প্ৰভাৱৰ ফল, হয়তো আমাৰ অক্ষমতাই ইয়াৰ বাবে দায়ী।

প্ৰণৱজ্যোতি ডেকাৰ "কৈলাসনাথ" ব্যঙ্গাত্মক গল্প সংকলন। 'কৈলাসনাথ' গল্পটিত কৈলাসনাথৰ মূৰ্তি স্থাপনৰ প্ৰশ্ন লৈ কিছুমান মানুহক সপক্ষে বা বিপক্ষে জড়িত কৰি লেখকে সেইসকলৰ ভিতৰ চ'ৰাৰ খবৰ দাঙি ধৰিছে। 'কৈলাসনাথ' এই ক্ষেত্ৰত উপলক্ষ মাত্ৰ; ব্যক্তিগত খামখেয়ালি, জেদ বা চৰকাৰী দায়িত্বহীনতাহে মুখ্য কথা। সোণেশ্বৰ দাস, ৰমানন্দ চৌধুৰী, শৈল চক্ৰৱৰ্তী, ৰামগুলাম পাণ্ডে, জগদীশ ভট্টাচাৰ্য, ইক্ৰাম আলি, নন্দ ভড়ালী প্ৰভৃতি প্ৰায়বোৰ চৰিত্ৰই জীৱন্তৰূপত প্ৰকাশিত হৈছে। লেখকে 'কৈলাসনাথ' গল্পটোত বহু কথা সামৰিবলৈ গৈ "লাবৰা" (?) হোৱা বুলি সন্দেহ কৰিছে, যদিও এইখন সুন্দৰ লাবৰা (?) হৈছে। কৈলাসনাথ এটি সাৰ্থক ব্যঙ্গাত্মক গল্প।

"বেওৱাৰিছ লাছ" গল্পটিত আমাৰ সমাজৰ অন্য এটি দিশৰ ওপৰত আলোকপাত কৰা হৈছে। মতি ড্ৰাইভাৰ এদিন মৰি থাকিল। মৰাৰ আগমুহূৰ্তত ওচৰৰ মানুহবিলাক অলপ ব্যস্ত হ'ল—তাৰ পিছত ঘৰাঘৰি গুচি গ'ল। যেন বিনা চিকিৎসাই কুকুৰ-মেকুৰীৰ দৰে আলিবাটত মানুহ মৰিলেও কাৰো চিন্তাৰ উদ্ৰেক নকৰে—এয়া যেন সমস্যাই নহয়। বাটকৰা বুঢ়ী এজনীৰ সহানুভূতি জাগিছিল সমবেদনাত—"এনেকৈ মৰবা লাগে না মানুহটু বাটত"; কিন্তু ডেকাৰ উত্তৰ—"মৰা দেখ্‌লি যাত্ৰা ভাল হয় আহ।" চাজিনা বেগম বা পুলিচজনৰো কৰিব লগা একোৱেই নাই। বৰং পুতলাৰ দৰে কামবোৰ চলি গৈছে। শেহত চাজিনাই লাছ বিক্ৰী কৰি পোৱা পইচাৰ স্বপ্ন দেখিছে; অথচ এই মতিয়েই আছিল এসময়ত চাজিনাৰ সৰ্বস্ব—আছিল আছনাই।

'সত্যকামৰ জনক'ত বাতৰি কাকতৰ সম্পাদক সনাতন চৌধুৰীৰ ব্যক্তিগত আৰু ৰাজহুৱা জীৱনৰ ক্ষেত্ৰত দ্বিমুখীয়া ব্যক্তিত্বৰ কথা অকাৰ উপৰিও কাৰবাৰীৰ কবললৈ যোৱাৰ কাহিনী আছে। "পিয়াসী আত্মাত" মন্ত্ৰী গজানন কলিতাৰ চৰিত্ৰৰ দুৰ্বলতাৰ কথা স্পষ্টভাৱে প্ৰকাশ কৰা হৈছে। "কৈলাসনাথ"ৰ গুৰিলৈ "পিয়াসী আত্মা"ৰ ব্যঙ্গ উঠিব নোৱাৰিলে। কাৰণ, ইয়াত বক্তব্য বিষয় পোণপটীয়াকৈ দাঙি ধৰাৰ চেষ্টা কৰিলে গল্পকাৰে। কিন্তু নতুন পুৰুষ টিকেন তালুকদাৰ আৰু বুঢ়া-ৰখীয়া (old guard) যজ্ঞেশ্বৰ পাঠক আৰু দামোদৰ চৌধুৰীৰ কথা মনত ৰৈ যাব বহুদিনলৈ।

'দলগুৰি গাঁৱৰ কুকুৰা—চুৰিৰ কেছ'ৰ এম. এল. এ আৰু মন্ত্ৰীজনাই ভোগেশ্বৰ শইকীয়াৰ ভণ্ডামি বুজি পালেও কেৱল নিৰ্বাচনী লক্ষ্যৰ ওপৰত গুৰুত্ব দি ভোটৰ কথাকে প্ৰথম স্থান দিলে।

"কৈলাসনাথ"ৰ আটাইবোৰ গল্প ৰসোত্তীৰ্ণ হোৱা নাই। বিষয়বস্তু নিৰ্বাচন আৰু কথনভঙ্গী দুইটাৰ ওপৰতে ব্যঙ্গাত্মক সাহিত্য সমানে নিৰ্ভৰ কৰে। ডেকাৰ কথনভঙ্গী আৰু উন্নত হোৱা উচিত আছিল। স্পষ্ট বৰ্ণনাতকৈ প্ৰচ্ছন্ন ব্যঙ্গৰ প্ৰভাৱো নিচেই কম নহয়। তথাপিও 'কৈলাসনাথ' গতানুগতিক নহয়। ই অসমীয়া গল্পৰ অইন এটি দিশৰ অভাৱ পূৰণ কৰিব—দিশটো হ'ল ব্যঙ্গাত্মক সাহিত্যৰ। আৰু সেইখিনিতেই 'কৈলাসনাথ'ৰ সাৰ্থকতা।

কিতাপখনত বানান ভুল বহুতো। বেটুপাত আৰু পাতনিত "কৈলাশনাথ" আৰু ভিতৰত "কৈলাসনাথ" বুলি থকা বানানলৈ আঙুলিয়ালেই যথেষ্ট হ'ব যেন পাওঁ।

ৰমেশ পাঠক

# সম্পাদকৰ চ'ৰা

## স্মৃতি-তৰ্পণ

যোৱা সংখ্যা পত্ৰিকাত অসম সাহিত্য সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক আৰু অসমীয়া ভাষা সাহিত্যৰ এজন একনিষ্ঠ পূজাৰী স্বৰ্গীয় হৰিপ্ৰসাদ নেওগদেৱৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি যাচিছিলোঁ। আৰু তাত উল্লেখ কৰা হৈছিল যে এই সংখ্যাত (৩০শ বছৰ ২য় সংখ্যা) নেওগ-দেৱলৈ পুনৰ শ্ৰদ্ধা-তৰ্পণ আগ বঢ়োৱা হ'ব। এই সংখ্যাত স্বৰ্গীয় নেওগৰ গুণমুগ্ধ কেইগৰাকীমান লেখক-লেখিকাৰ নেওগৰ কৰ্ম আৰু ব্যক্তিত্ব সম্বন্ধীয় কবিতা আৰু প্ৰবন্ধ সন্নিবিষ্ট কৰা হ'ল। আমি আশা কৰোঁ সন্নিবিষ্ট প্ৰবন্ধ-কবিতা কেইটিৰ মাজেদি নেওগৰ চমু অথচ কৰ্মময় জীৱন আৰু ব্যক্তিত্বৰ আভাস পোৱা যাব। যিসকল ব্যক্তিয়ে আমাৰ অনুৰোধক্ৰমে প্ৰবন্ধ-পাতি পঠিয়াই বা আন প্ৰকাৰে অসম সাহিত্য সভাৰ কাৰ্যপালিকাৰ সিদ্ধান্ত কাৰ্যত পৰিণত কৰাত আমাৰ লগত সহযোগ কৰিছে তেখেতসকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

এইখিনিতে নেওগদেৱৰ এটি কথা মনত পৰিছে। বৰ্ডিয়া অধিবেশনলৈ শুভেচ্ছা জনাই তেওঁ লিখিছিল, "সাহিত্য সভাৰ লগত মোৰ নিৰৱচ্ছিন্ন সম্বন্ধ থকা সত্বেও স্বাস্থ্যজনিত কাৰণত এইবাৰ সন্মিলনত উপস্থিত থাকিব নোৱাৰিলোঁ। এয়া মোৰ নিশ্চয় ব্যক্তিগত ক্ষতি বুলি ধৰি লৈছোঁ। দেশৰ গভীৰ সংকটপূৰ্ণ অৱস্থাত অসমীয়া ভাষাৰ আয় প্ৰতিষ্ঠাৰ ভেটি সুদৃঢ় কৰিবৰ মানসে অসম সাহিত্য সভাই নিষ্ঠাৰে ভূমিকা লৈ আহিছে। আশা কৰোঁ বৰ্ডিয়া অধিবেশনে অসমৰ মাধ্যম আন্দোলনক এক স্থায়ী আৰু সুদৃঢ় নেতৃত্ব দেশবাসীক দিবলৈ সক্ষম হ'ব।" এই কথাখিনিয়ে অসম সাহিত্য সভাৰ লগত নেওগৰ কেনে নিবিড় সম্পৰ্ক আছিল তাৰ পৰিচয় দিয়ে। দুখৰ বিষয় বৰ্ডিয়া সন্মিলনৰ সামৰণি পৰাৰ (১২. ২. ৭২ইং) এক সপ্তাহ পিচতেই এইজন সাহিত্য সেৱকে অসমৰ মাতৃক কন্দুৱাই চিৰবিদায় ললে। তেওঁৰ বিয়োগত আমাৰ অপূৰণীয় ক্ষতি হ'ল। তেওঁ অসম সাহিত্য সভালৈ যি বৰঙণি দি গ'ল তাৰ কাৰণে তেওঁৰ স্মৃতি অসম সাহিত্য সভাৰ ইতিহাসত চিৰ সমুজ্জ্বল হৈ ৰ'ব। নেওগৰ স্বৰ্গত আত্মাৰ প্ৰতি পুনৰ শ্ৰদ্ধাঞ্জলি জনাইছোঁ। মহাশক্তিৰ লগত মিলিত তেওঁৰ পবিত্ৰ আত্মাই চিৰশান্তি লাভ কৰক—অসম সাহিত্য সভাক নতুন শক্তিৰে আগ বাঢ়ি যাবলৈ অনুপ্ৰেৰণা দি থাকক এয়ে কামনা।

* * * * *

যোৱা মাহতেই আমি ধুবুৰীৰ বিশিষ্ট নাগৰিক শ্ৰীমানগোবিন্দ চক্ৰৱৰ্তী আৰু উত্তৰ গুৱাহাটীৰ বিশিষ্ট ব্যক্তি শ্ৰীৰমেশচন্দ্ৰ বৰকাকতীদেৱক হেৰুৱালোঁ। অসমীয়া ভাষা-সাহিত্যৰ পশ্চিম সীমান্তৰ অন্যতম প্ৰহৰী স্বৰূপ

শ্রীচক্রবর্তীদেৱ এগৰাকী প্ৰবীণ সঙ্গীতজ্ঞ আৰু অসমীয়া কলা-কৃষ্টিৰ পূজাৰী আছিল। তেওঁ ধুবুৰীৰ প্ৰায়বোৰ সামাজিক অনুষ্ঠানতে সক্ৰিয়ভাৱে অংশ লৈছিল আৰু অসম সাহিত্য সভাৰ পলাশবাৰী অধিবেশনৰ সঙ্গীত শাখাৰ সভাপতি আছিল। তেওঁ বেণুধৰ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনৰ সঙ্গীত শাখাৰ সম্পাদক হিচাপে গুৰি ধৰিছিল।

শিক্ষাবিদ্ বৰকাকতী ডাঙৰীয়াই ১৯২১ চনত দেশৰ স্বাধীনতা সংগ্ৰামত কাৰাবৰণ কৰিছিল আৰু পৰবৰ্তী জীৱনত তেওঁ ভালেমান ৰাজহুৱা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। অসমৰ ঐতিহ্য উদ্ধাৰৰ প্ৰতি তেওঁৰ বিশেষ ৰাপ আছিল আৰু সেই সম্পৰ্কে ভালেমান তথ্যপূৰ্ণ বুৰঞ্জীমূলক প্ৰবন্ধও লিখিছিল।

অসম জননীৰ সুপুত্ৰ এই দুয়োগৰাকী অশীতিপৰ প্ৰবীণ ব্যক্তিৰ স্বৰ্গত আত্মাৰ প্ৰতি আমাৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

## অসমীয়া ব্যাকৰণ

অসম মাধ্যমিক শিক্ষা পৰিষদে এইবছৰ ( ১৯৭৩ ) পঞ্চম আৰু অষ্টম মান শ্ৰেণীৰ কাৰণে নতুন পাঠ্যক্ৰমৰ ব্যৱস্থা কৰাত অন্যান্য পাঠ্যপুথিৰ লগতে কেৰাখনো ব্যাকৰণ মঞ্জুৰ কৰা হৈছে। ব্যাকৰণ কেইখন বিভিন্নজনৰ দ্বাৰা লিখিত, বিভিন্ন পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত আৰু শেষত শিক্ষা পৰিষদৰ দ্বাৰা অনুমোদিত হৈহে স্কুলত প্ৰবৰ্তিত হৈছে। এই মঞ্জুৰীপ্ৰাপ্ত ব্যাকৰণৰ কোনখন ভাল আৰু কোনখন বেয়া হৈছে সেই বিষয়ে কবলৈ নাযাওঁ; কিন্তু এইটোকে ক'ব পাৰি যে ব্যাকৰণকেইখনত এনে কিছুমান সংজ্ঞা আৰু উদাহৰণ আছে যিবোৰ পৰস্পৰ বিৰোধী বা সৰ্বসম্মত নহয়। ইয়াৰ ফলত শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী তথা আগ্ৰহশীল ব্যাকৰণ পাঠকো বিমোৰত পৰিব লগা হৈছে। আৰু এই কাৰণেই হবলা আজি কিছুদিনৰ পৰা বাতৰি কাকতত ব্যাকৰণ কেইখনৰ গুণবত্তা তথা 'সুপাঠ্য'-'কুপাঠ্য' হোৱালৈ লিখক আৰু পাঠকৰ মাজত নানা বাদানুবাদ চলি আছে। বাদানুবাদৰ আৱশ্যকতাও নোহোৱা নহয়; কিন্তু তাৰ দ্বাৰা প্ৰকৃত সমস্যাৰ সমাধান নহয়। এইটো ঠিক যে অসমীয়া ভাষাত বিজ্ঞান-সন্মতভাৱে লিখা ব্যাকৰণ এখনৰ অভাৱ সকলোৱে অনুভৱ কৰি আহিছে। কিন্তু বাদানুবাদৰ মাজেদি সেই অভাৱ পূৰ্ণ হ'ব নোৱাৰে, সেই কাৰণে আমি ভাবোঁ, শিক্ষা পৰিষদে এই বাদানুবাদৰ অন্ত পেলাই আটাইকেইজন ব্যাকৰণ-লিখক—আৱশ্যক হলে অন্যান্য ব্যাকৰণ-ভাষাবিদকো একগোট কৰি আলোচনা-শিবিৰৰ আয়োজন কৰক আৰু তাতেই ব্যাকৰণসমূহত থকা অসোঁৱাহবোৰ আঁতৰাই এক সিদ্ধান্তলৈ অনাৰ ব্যৱস্থা কৰক। নহলে এই সমস্যাৰ কেতিয়াও সমাধান নহব। লগতে আমি আশা কৰোঁ, লেখকসকলেও নিজৰ দুৰ্বলতা ঢাকি নাৰাখি এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ তথা মাতৃভাষাৰ মঙ্গলৰ হেতু আগ বাঢ়ি আহিব।

আমি ব্যাকৰণৰ কথা ইয়াত এই কাৰণেই উল্লেখ কৰিছো যে ভাষা সাহিত্যৰ আচল বুনিয়াদটো ব্যাকৰণ আৰু অভিধানৰ ওপৰতহে নিৰ্ভৰ কৰে। ইতিপূৰ্বে হেমচন্দ্ৰ বৰুৱা আৰু সত্যনাথ বৰাই দুখন ভাল ব্যকৰণ ৰচনা কৰি গৈছে বুলি প্ৰায় সকলোৱে উল্লেখ কৰা দেখা যায়; কিন্তু ডক্টৰ বাণীকান্ত কাকতি, কালিৰাম মেধি আৰু দেৱানন্দ ভড়ালীয়ে অসমীয়া ব্যাকৰণৰ যিখিনি মূল্যবান আহিলা-পাতি প্ৰকাশ কৰি থৈ গৈছে, সেই কথা প্ৰায় কাৰো দেখোন মনত নপৰে। আমি ভাবোঁ হেমচন্দ্ৰ, সত্যনাথৰ উপৰিও কাকতি, মেধি আৰু ভড়ালীয়ে দি যোৱা ব্যাকৰণৰ সমলখিনিৰো সহায় লৈ এখন উচ্চমান বিশিষ্ট ব্যাকৰণ প্ৰণয়ন কৰাৰ এতিয়া অতি আৱশ্যক হৈছে।



এইবোৰ কথালৈ লক্ষ্য ৰাখি অসম সাহিত্য সভাই এখন বিজ্ঞান সন্মত ব্যাকৰণ প্ৰণয়নৰ অৰ্থে এটি সমিতি গঠন কৰি দিছে আৰু সেই সমিতিয়েও ব্যাকৰণ প্ৰণয়নৰ কাম হাতত লৈছে। গতিকে শিক্ষা পৰিষদে এই সমিতিৰো দিহা, পৰামৰ্শ আৰু সহযোগ গ্ৰহণ কৰিব লাগে। সেয়ে হলে তেওঁলোকৰ অনুমোদিত ব্যাকৰণ ( যিয়েই নিলিখক ) সকলোৰে পক্ষে গ্ৰহণযোগ্য হ'ব বুলি ভাবো।

উত্তৰ পুৰুষসকলৰ প্ৰতিও আমাৰ গধুৰ কৰ্তব্য আছে। তেওঁলোকক ভুল শিক্ষা দি ভুল পথেৰে পৰিচালিত কৰিলে ভৱিষ্যতে নানা বেমেজালিৰ সৃষ্টি হ'ব আৰু তাৰ পৰিণামত আমাৰ সকলোকে পাপে চুব।

## পত্ৰিকাৰ কথা

সহৃদয় পাঠকবৰ্গ আৰু অসমীয়া ভাষা-সাহিত্যপ্ৰেমী ৰাইজক আমি আনন্দেৰে জনাওঁ যে যোৱা সংখ্যাৰপৰা ( ৩০শ বছৰ ১ম সংখ্যা ) অসম সাহিত্য সভা পত্ৰিকাখন মাহেকীয়াকৈ উলিওৱাৰ সিদ্ধান্ত লোৱাৰ লগতে পত্ৰিকাও পূৰ্বতকৈ দুগুণ সংখ্যাক ছপোৱা হয়। কিন্তু পঢ়ুৱৈসমাজে মৰমৰ চকুৰে চোৱাত কেইদিনমানৰ ভিতৰতে সেই সংখ্যা পত্ৰিকা বিক্ৰী হৈ অন্ত পৰে। সেইকাৰণে বহু গ্ৰাহকক আমি সেই সংখ্যা দিব নোৱাৰি দুখ পাইছো। ইয়াৰ লগতে এইটো জনাব খোজো যে পৰ্যাপ্ত সংখ্যাক পত্ৰিকাৰ আৱশ্যক অনুভূত হলে সেই সংখ্যাটো পুনৰ্মুদ্ৰণৰ ব্যৱস্থা কৰিব পৰা যাব। লগতে অনুৰোধ জনাও যে, যিসকল ইতিমধ্যে পত্ৰিকাৰ গ্ৰাহক বা এজেণ্ট হৈছে সেইসকলে যেন পাওনাখিনি সোনকালে পৰিশোধ কৰি পত্ৰিকা-প্ৰকাশৰ এই নতুন প্ৰচেষ্টাত পৃষ্ঠপোষকতা আগ বঢ়ায়।

পাঠকৰ চাহিদালৈ লক্ষ্য ৰাখি এই সংখ্যা কাকত আগতকৈ দুগুণ ছপোৱা হৈছে। আশা কৰোঁ আগৰখনৰ দৰেই এই সংখ্যাও পাঠকৰ মৰমৰপৰা বঞ্চিত নহ'ব।

ইতিমধ্যে ভালেমান গুণগ্ৰাহী পাঠকে পত্ৰিকাৰ প্ৰথম সংখ্যা পঢ়ি আমালৈ প্ৰশংসাসূচক পত্ৰ পঠিয়াইছে। আমি আশা কৰোঁ আগলৈকো তেখেতসকলে পত্ৰিকাখন নিয়মীয়াকৈ পঢ়ি গুণৰ লগতে দোষবোৰো আমাক আঙুলিয়াই দি কাকতখিনি সৰ্বাঙ্গসুন্দৰ কৰি তোলাত সহায় কৰিব।

**জয়তু অসমীয়া ভাষা, জয়তু অসম সাহিত্য সভা।**

সুৰুচিপূৰ্ণ বিভিন্ন বিষয়ক সামৰা
মাহেকীয়া আলোচনী

# নতুন প্ৰৱাহ

[ নিয়মীয়াকৈ ওলাই এতিয়া দ্বিতীয় বছৰ পাইছেহি ]

বছৰেকীয়া বৰঙনি—১২·০০ টকা

প্ৰতি সংখ্যা – ১·০০ টকা

এবছৰৰ কমত গ্ৰাহক কৰা নহয়।

**আপোনাৰ ওচৰৰ এজেন্টৰ ওচৰত
খবৰ কৰক
নতুবা
বাৰ টকা আগধন পঠিয়াই
বছৰেকীয়া গ্ৰাহক হওক**

'নতুন প্ৰৱাহ'ৰ বছৰেকীয়া গ্ৰাহক হোৱা মানেই
আপুনি আৰু আপোনাৰ পৰিয়ালৰ দিনটোত
এনেয়ে হোৱা অলাগতীয়াল খৰছৰ
তিনি দশমিক তেত্ৰিশ পইচা
সংকামত লগোৱা

যোগাযোগৰ ঠিকনা –

পৰিচালক : **'নতুন প্ৰৱাহ'**
**জয়া প্ৰেছ**
**কমাচল ৰোড**
**গুৱাহাটী-৩**

# অসম সাহিত্য সভা পত্ৰিকা

## এজেঞ্চীৰ নিয়মাৱলী

- দহখনতকৈ কম পত্ৰিকাৰ বাবে এজেঞ্চী দিয়া নহ'ব।
- প্ৰতি সংখ্যা পত্ৰিকাৰ প্ৰত্যেক কপিৰ কাৰণে আগধন এটকাকৈ পঠিয়াব লাগিব। সাহিত্য সভাৰ সংগঠক বা শাখা সভাৰ কাৰণে এই নিয়ম প্ৰযোজ্য নহ'ব।
- সকলো অনুমোদিত এজেন্টে আলোচনীৰ বিক্ৰী মূল্যৰ ওপৰত শতকৰা ২৫ কমিছন লাভ কৰিব।
- আলোচনী পঠিওৱা খৰচ সাহিত্য সভাই বহন কৰিব।
- প্ৰতি সংখ্যা আলোচনীৰ কাৰণে পঠিওৱা বিল, বিলৰ তাৰিখৰ পৰা ২০ দিনৰ ভিতৰত পৰিশোধ কৰিব লাগিব। বিলৰ টকা অনুমোদিত বেঙ্ক ড্ৰাফ্‌ট, চেক্ অথবা মনিঅৰ্ডাৰ যোগে গুৱাহাটীত আদায় লব পৰাকৈ আমালৈ পঠিয়াব লাগিব। পঠিওৱা খৰচ এজেন্টে বহন কৰিব লাগিব।
- বিক্ৰী নোহোৱা আলোচনী ঘূৰাই লোৱা নহয়।
- এটা সংখ্যাৰ টকা সম্পূৰ্ণ আদায় নোপোৱাকৈ পাছৰ সংখ্যা আলোচনী পঠিওৱা নহ'ব।
- আলোচনী তাকৰকৈ পোৱা অথবা নোপোৱা অনুযোগ উপযুক্ত প্ৰমাণসহ এসপ্তাহৰ ভিতৰত আমাক জনাব লাগিব।
- এজেন্টসকলে আলোচনীৰ সংখ্যা বঢ়োৱা বা কমোৱা সংবাদ, প্ৰতি সংখ্যা আলোচনী ওলোৱাৰ এমাহ আগতে জনাব লাগিব।
- এজেঞ্চী সম্পৰ্কীয় সকলো যোগাযোগ এই ঠিকনাত কৰিব—সহকাৰী সম্পাদক, অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১, ফোন নং ৪৭৭৬।
- এজেঞ্চীৰ কাৰণে আবেদন কৰোঁতে তলত লিখা কথাবোৰ স্পষ্টভাৱে লিখি পঠিয়াব।
  (ক) এজেন্ট, শাখা সভাৰ সদস্য বা সংগঠকৰ নাম, (খ) আলোচনীৰ সংখ্যা, (গ) ঠিকনা, (ঘ) ব্যৱসায়, (ঙ) এজেঞ্চীৰ এলেকা, (চ) ৰেল ষ্টেচন, ষ্টেট ট্ৰেন্সপোৰ্ট, প্ৰাইভেট ট্ৰেন্সপোৰ্ট, (ছ) ডাকঘৰ।

* * **অসমৰ বিভিন্ন অঞ্চলৰ পৰা এজেঞ্চীৰ আবেদন বিচৰা হৈছে।**

# অসম প্ৰকাশন পৰিষদ

শিলপুখুৰী : গুৱাহাটী-৩


সাহিত্য বৰ্ত্তমান সুসভ্য জগতৰ এক অপৰিহাৰ্য অংগ। জ্ঞান লাভৰ উপৰিও বিভিন্ন দেশৰ সাহিত্য-সংস্কৃতি আদিৰ বুজ লবলৈ অথবা বিশ্বৰ বিভিন্ন উন্নত দেশৰ শ্ৰে সংস্কৃতিৰ সতে আমাৰ দেশৰ সাহিত্য-সংস্কৃতিৰ মিলন ঘটাই এক বিশ্বভাতৃত্বৰ যোগসূত্ৰ স্থাপন লগতে আমাৰ সাহিত্য-সংস্কৃতিকো বিশ্বৰ উন্নত দেশৰ সাহিত্য-সংস্কৃতিসমূহৰ সতে একেশাৰীত থিয় হ'ব পৰাকৈ এখোজ আগবঢ়াই নিবলৈ গ্ৰন্থ অধ্যয়ন আৰু প্ৰকাশন একান্তই অপৰিহাৰ্য সাহিত্যই হৈছে আমাৰ এক সহজলভ্য মাধ্যম, যাৰ সহায়ত আমি কোনো এখন দেশৰ, কোনো এক জাতিৰ সাহিত্য-সংস্কৃতি-ইতিহাস-পৰম্পৰা-ঐতিহ্যৰ বিষয়ে সহজতে জানিব পাৰো। কোনো এখন দেশৰ ভাষা-সংস্কৃতিক চহকী কৰিবলৈ হলে, বিশ্বৰ সৰ্বশ্ৰেষ্ঠ সাহিত্য-ভাষা-সংস্কৃতিসমূহৰ লগত আমাৰ সম্পৰ্ক গঢ়ি তুলিব লাগিব। প্ৰকাশন পৰিষদ গঠনৰ মুখ্য উদ্দেশ্য আছিল ৰাজ্যৰ লিখক সকললৈ আৰ্থিক সাহায্য আগবঢ়াই ভাষা-জননীৰ সেৱা কৰা আৰু বিশ্বৰ শ্ৰেষ্ঠ গ্ৰন্থসমূহ অসমীয়া ভাষালৈ অনুবাদ কৰি আৰু দুষ্প্ৰাপ্য গ্ৰন্থসমূহ পুনৰ প্ৰকাশ কৰি পঢ়ুৱৈ ৰাইজক তাৰ ৰসাস্বাদনৰ সুবিধা দিয়াৰ লগতে সাহিত্যৰ ভঁৰাল চহকী কৰি তোলা। অসম প্ৰকাশন পৰিষদ সেই মহৎ উদ্দেশ্যত সফল হৈছে। **মাথোন চৈধ্য বছৰৰ ভিতৰতে অসম প্ৰকাশন পৰিষদে বিশ্ব কেবাগৰাকীও বিখ্যাত লেখকৰ কিতাপ অসমীয়ালৈ অনুবাদ কৰিছে। সেই লেখকসকলৰ ভিতৰত বিশ্ববিশ্ৰুত দাৰ্শনিক-বৈজ্ঞানিক বাৰ্ট্ৰাণ্ড ৰাছেল, ডঃ সৰ্বপল্লী ৰাধাকৃষ্ণ, জৱাহৰলাল নেহৰু, বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰ, ছাৰ আৰ্থাৰ কনান ডয়েল, মহাত্মা গান্ধী, ডঃ ডি ডি কৌশাম্বী আদিৰ নাম উল্লেখযোগ্য।**

**অসম প্ৰকাশন পৰিষদে অসমৰ এগৰাকী বিশ্ববিশ্ৰুত সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাৰ লুপ্তপ্ৰায় সংস্কৃত গ্ৰন্থসমূহ পুনৰ প্ৰকাশ কৰি অসমৰ এক আপুৰুগীয়া সম্পদ উদ্ধাৰ কৰে।** গান্ধী-জন্ম-শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা গ্ৰন্থকেইখন অসমীয়া সাহিত্যলৈ আন এক উল্লেখযোগ্য বৰঙণি। অসমীয়া সাহিত্যৰ গুৰি ধৰোঁতা সাহিত্যৰথী বেজবৰুৱাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে উলিওৱা স্মৃতিগ্ৰন্থও অসমীয়া সাহিত্যত এক বাছকবনীয়া সংযোজন। পদ্মনাথ গোহাঞি বৰুৱাৰ জন্ম-শতবাৰ্ষিকী উপলক্ষে উলিওৱা গোহাঞিবৰুৱাৰ ৰচনাৱলীৰ উপৰিও তেওঁৰ আত্মজীৱনী আৰু স্মৃতিগ্ৰন্থও অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ।

যোৱা বছৰ দিল্লীত অনুষ্ঠিত হোৱা বিশ্ব গ্ৰন্থ-মেলাতো অসমে পোন প্ৰথমবাৰৰ বাবে যোগ দি নিজৰ যোগ্যতাৰ পৰিচয় দিবলৈ সক্ষম হ'ল একমাত্ৰ এই অনুষ্ঠানৰ যোগেদি।

অসম প্ৰকাশন পৰিষদৰ এই চৈধ্য বছৰীয়া জীৱনৰ আটাইতকৈ উল্লেখযোগ্য ঘটনা হ'ল **অসমীয়া ভাষাত প্ৰকাশ কৰিবলৈ লোৱা বাৰটা খণ্ডৰ অসমীয়া বিশ্বকোষ প্ৰণয়ন আঁচনি।** এই আঁচনি পূৰ্ণ হলে আমাৰ জাতীয় জীৱনৰ এক ডাঙৰ অভাৱ পূৰণ হ'ব।

চৈধ্য বছৰ আগতে কাম আৰম্ভ কৰা অসম প্ৰকাশন পৰিষদৰ পৰিসৰ আজি যথেষ্ট বহল। এই চৈধ্য বছৰৰ ভিতৰত পৰিষদে কমেও প্ৰায় পাঁচশ লেখকক অৰ্থ-সাহায্য দিছে আৰু পৰিষদে নিজাকৈ প্ৰায় দুশ কিতাপ প্ৰকাশ কৰি উলিয়াইছে। বৰ্তমান প্ৰকাশন পৰিষদৰ হাতত কেবাটাও আঁচনি আছে। সেই আঁচনিসমূহৰ ভিতৰত আছে : অসমীয়া মানুহৰ ইতিহাস, অসমীয়া বিশ্বকোষ, নটসূৰ্য ফণী শৰ্মাৰ ৰচনাৱলী, কেইখনমান অসমীয়া সাহিত্যক প্ৰতিনিধিত্ব কৰিব পৰা গ্ৰন্থৰ হিন্দী অনুবাদ, আধুনিক অসমীয়া অভিধান, কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ অনুবাদ, প্ৰাচ্য শাসনাৱলী। এই আঁচনিসমূহ কাৰ্যকৰী হলে নিঃসন্দেহে অসমীয়া ভাষা-সাহিত্যৰ কেবাটাও অভাৱ পূৰণ কৰা হ'ব।



# ॥ পত্ৰিকাৰ নিয়মাৱলী ॥

১। অসম সাহিত্য সভা পত্ৰিকাৰ বছৰ বহাগৰ পৰা আৰম্ভ হ'ব আৰু প্ৰতি অসমীয়া মাহৰ প্ৰথম সপ্তাহত এখনকৈ ওলাব।

২। ইয়াৰ বছৰেকীয়া বৰঙণি ২০'০০ টকা আৰু ছমহীয়া বৰঙণি ১০'০০ টকা আগ ধৰি দিব লাগিব। প্ৰতি সংখ্যাৰ বেচ ২'০০ টকা।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি **এপিঠিত ফট্‌ফটীয়াকৈ লিখি** "অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা, সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী-১"—এই ঠিকনাত পঠাব। আখৰ জোঁটনিত দ্বিত্ব বৰ্জন কৰে যেন।

৪। পত্ৰিকাত উচ্চমান-বিশিষ্ট জীৱনী, ভ্ৰমণ-কাহিনী, ভাষা-সাহিত্য, কলা-সংস্কৃতি, ইতিহাস, দৰ্শন, বিজ্ঞান আদি বিষয়ক প্ৰবন্ধ, মৌলিক আলোচনা আদিয়ে ঠাই পাব।

৫। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা নহয় আৰু সেই প্ৰসঙ্গৰ কোনো উত্তৰ দিয়াও নহয়।

৬। সকলো টকাকড়ি, বিজ্ঞাপন আৰু কাকত সম্পৰ্কীয় চিঠি "সহকাৰী সম্পাদক অসম সাহিত্য সভা, ভগৱতীপ্ৰসাদ বৰুৱা ভৱন গুৱাহাটী-১"—এই ঠিকনাত পঠাব।